● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

www.dainikagradoot.in

**দিগ্‌দৰ্শন**

বিশাল বুদ্ধিমত্তা আৰু এক গভীৰ হৃদয়ৰ বাবে বেদনা আৰু যন্ত্ৰণা সদায়ে অনিবাৰ্য।

ফিঅ'ডৰ দস্তয়েভস্কি
*ৰুছ ঔপন্যাসিক*



৫ নিৰ্বাচনৰ প্ৰচাৰত ৰাজনৈতিক দলে বিলাব নোৱাৰিব বস্ত্ৰ
১৫ গুৱাহাটীৰ প্ৰথম মেচত নৰ্থ-ইষ্ট পৰাস্ত
৪ আশীৰ্বাদ-অভিশাপৰ তাৎপৰ্য প্ৰাচীন আৰু আধুনিক যুগৰ

RNI-Regd No. 62953/96 ■ অষ্টাবিংশতিতম বছৰ ● ৯ম সংখ্যা ● গুৱাহাটী ● শুকুৰবাৰ ২৭ আহিন ১৪২৯ ভাস্কৰাব্দ ১৪ অক্টোবৰ ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Friday 14 October 2022 মূল্য ঃ ৯.০০ টকা

■ আইআইটি গুৱাহাটীত ছুপাৰ কম্পিউটাৰ সুবিধা-পৰীক্ষাগাৰ মুকলি ■ ৰাজ্যৰ নৰমখন চিকিৎসা মহাবিদ্যালয় উদ্বোধন ■ এনআইভিৰ দুটাকৈ আঞ্চলিক প্ৰতিষ্ঠানৰ আধাৰশিলা

# উন্নয়নৰ দিশত অগ্ৰসৰ হৈছে উত্তৰ-পূৰ্ব



■ দুদিনীয়া ভ্ৰমণসূচীৰে গুৱাহাটীত উপস্থিত ৰাষ্ট্ৰপতি মুৰ্মু ■ আদৰণি ৰাজ্যপাল-মুখ্যমন্ত্ৰীৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৩ অক্টোবৰ ঃ** দুদিনীয়া ভ্ৰমণসূচীৰে আজি গুৱাহাটী মহানগৰীত উপস্থিত হোৱা দেশৰ ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে প্ৰথম দিনৰ নিৰ্ধাৰিত কাৰ্যসূচী অনুসৰি আইআইটি গুৱাহাটীত এক বৰ্ণাঢ্য অনুষ্ঠানত অংশগ্ৰহণ কৰি বিজ্ঞান-প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানখনৰ উচ্চ শক্তিৰ মাইক্ৰ'ৱেভ উপাদানৰ ডিজাইন আৰু বিকাশৰ বাবে ছুপাৰ কম্পিউটাৰৰ সুবিধা 'পৰম-কামৰূপা' আৰু এটা গৱেষণাগাৰ মুকলি কৰে। একেটা অনুষ্ঠাতে ৰাষ্ট্ৰপতিগৰাকীয়ে ধুবুৰী চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতাল মুকলি কৰাৰ লগতে ডিব্ৰুগড় আৰু মধ্যপ্ৰদেশৰ জবলপুৰত নিৰ্মাণ হ'বলগীয়া ৰাষ্ট্ৰীয় ভাইৰল'জী প্ৰতিষ্ঠান (এনআইভি)ৰ দুটা আঞ্চলিক প্ৰতিষ্ঠানৰ আধাৰশিলাও স্থাপন কৰে। উল্লেখ্য যে কালিয়ে ত্ৰিপুৰাত উপস্থিত হোৱা ৰাষ্ট্ৰপতিগৰাকীয়ে আজি বায়ুসেনাৰ বিশেষ বিমানযোগে বৰঝাৰ বিমানকোঠত অৱতৰণ কৰাৰ পাছতে ৰাজ্যপাল জগদীশ মুখী, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্ত আদিয়ে তেওঁক আদৰণি জনায়। বৰঝাৰ বিমানকোঠৰ পৰা হেলিকপ্টাৰেৰে ৰাষ্ট্ৰপতি মুৰ্মু আইআইটি গুৱাহাটী চৌহদত উপস্থিত হোৱাৰ পাছতে প্ৰতিষ্ঠান কৰ্তৃপক্ষই তেওঁক উষ্ম আদৰণি জনায়। অনুষ্ঠানত ভাষণ প্ৰদান কৰি ৰাষ্ট্ৰপতি মুৰ্মুৱে নিচেই কম সময়ত আইআইটি গুৱাহাটীয়ে ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপটত দাঙি ধৰা সাফল্যই ১০ পৃষ্ঠাত চাওক

## হাদিৰা চকীৰ দুখ

**দেশ-কাল-সমাজ**
**ড° দীনেশ বৈশ্য**




স্কুলত পঢ়িছিলো কবি শৈলধৰ ৰাজখোৱাৰ সেই বিখ্যাত কবিতাটো। কিয় জানো এই কবিতাটোৰ প্ৰতিটো শব্দই মনত ডাক কাটি ৰৈ গৈছিল। পাষাণ প্ৰতিমা কবিতাটোৰ বৰ্ণনাই আমাক অতি গভীৰভাৱে আকৰ্ষণ কৰিছিল। দুখন পাহাৰক দুই প্ৰস্তৰ প্ৰতিমাৰূপে অংকন কৰি কবিয়ে দুগৰাকী দেৱী গাভৰুৰ ৰূপত অংকন কৰি কৈছে ওচৰতে থকা বাঘবৰ এক ১০ পৃষ্ঠাত চাওক

## লখিমপুৰৰ হোটেলত দৰঙৰ যুৱকৰ মৃতদেহ উদ্ধাৰ

### হত্যা নে আত্মহত্যা নিশ্চিত নহয় আৰক্ষী

**অগ্ৰদূত বাৰ্তা**
**লখিমপুৰ, ১৩ অক্টোবৰ ঃ** লখিমপুৰ খেলমাটিস্থিত শ্ৰীৰাম হোটেলত আজি এজন যুৱকৰ মৃতদেহ উদ্ধাৰ হোৱা ঘটনাই ৰহস্যৰ সৃষ্টি কৰিছে। যুৱকজনে আত্মহত্যা কৰিছে নে এয়া হত্যাকাণ্ড সেয়া এতিয়াও নিশ্চিত হোৱা নাই। এই ঘটনাই আজি চহৰত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে। আৰক্ষী সূত্ৰই জনোৱা মতে, ছয় পৃষ্ঠাত চাওক



## সংঘাতৰ পৰিৱৰ্তে শান্তি আলোচনাৰ আহ্বান বিদেশী ছাত্ৰ-ছাত্ৰীৰ

### তেজপুৰৰ মহাভৈৰৱ মন্দিৰ পৰিদৰ্শন

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**তেজপুৰ, ১৩ অক্টোবৰ ঃ** 'যুদ্ধ কেতিয়াও কাম্য নহয়। যুদ্ধই কেতিয়াও সমস্যাৰ সমাধান কৰিব নোৱাৰে।' সম্প্ৰতি ইউৰোপৰ দুখন শক্তিশালী দেশ আঠ পৃষ্ঠাত চাওক



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ২৮° | ২৩° |
| ডিব্ৰুগড় | ২৮° | ২৩° |
| দিল্লী | ৩০° | ১৯° |
| কলকাতা | ৩১° | ২৫° |
| মুম্বাই | ২৯° | ২৬° |
| চেন্নাই | ৩২° | ২৭° |
| বাংগালুৰু | ২৮° | ১৯° |
| শ্বিলং | ২১° | ১৬° |

১৩ অক্টোবৰ, ২০২২

## চেঙা তেল



*সেই বহু কোটিটকীয়া অফিচ বনোৱা দলৰ আমি সমৰ্থক, গতিকে আমাক দৰিদ্ৰ বুলি কয় কেনেকৈ!*

■ ভিন্ন মতামত, বিভাজিত ৰায়দান দুই ন্যায়াধীশৰ ■ গোচৰ প্ৰেৰণ উচ্চতৰ বিচাৰপীঠলৈ ■ হিজাব পৰিধান ব্যক্তিগত অধিকাৰ হ'বনে?

## হিজাবক লৈ ঐক্যমতত উপনীত হ'ব নোৱাৰিলে খণ্ড বিচাৰপীঠ

**■ নিউজ ব্যুৰ'**
**নতুন দিল্লী, ১৩ অক্টোবৰ ঃ** হিজাব বিতৰ্ক সন্দৰ্ভত কৰ্ণাটক উচ্চ ন্যায়ালয়ৰ ৰায়দানক লৈ ঐক্যমতত উপনীত হ'ব নোৱাৰিলে উচ্চতম ন্যায়ালয়ৰ যুটীয়া বিচাৰপীঠ। ফলস্বৰূপে ন্যায়াধীশ হেমন্ত গুপ্তা আৰু ন্যায়াধীশ সুধাংশু ধুলিয়াৰ বিচাৰপীঠে বিভাজিত ৰায়দান কৰে। যোৱা ১৫ মাৰ্চত কৰ্ণাটক উচ্চ ন্যায়ালয়ৰ ৰায়ত কোৱা হৈছিল যে হিজাব পৰিধান ধৰ্মীয় আচৰণৰ প্ৰয়োজনীয় অংগ



হিচাপে গণ্য কৰাটো সঠিক নহয়। আজি এই বিভাজিত ৰায়দানৰ পাছত গোচৰটো উচ্চতৰ বিচাৰপীঠলৈ প্ৰেৰণ কৰা হয়। উচ্চতম ন্যায়ালয়ত আজি ন্যায়াধীশ গুপ্তাই হিজাব নিষিদ্ধকৰণৰ বিৰুদ্ধে কৰা আৱেদন খাৰিজ কৰে আৰু তাৰ বিপৰীতে ন্যায়াধীশ ধুলিয়াই আৱেদনৰ প্ৰতি সন্মতি প্ৰকাশ কৰে। ন্যায়াধীশ ধুলিয়াই কয়, 'অৱশেষত ই পছন্দৰ বিষয়ৰ বাহিৰে আন একো নহয়। মোৰ বাবে সৰ্বাধিক অগ্ৰাধিকাৰৰ বিষয়টো হৈছে ১০ পৃষ্ঠাত চাওক

■ ৰাষ্ট্ৰপতি ভ্ৰমণৰ বাবে কাৰ্যসূচীৰ পৰা কামৰূপ জিলাক ৰেহাই

## সম্পত্তিৰ কৰ-মূল্যবৃদ্ধিৰ বিৰুদ্ধে আছুৰ প্ৰতিবাদ, আৰক্ষীৰে হতাহতি



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৩ অক্টোবৰ ঃ** ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৰ প্ৰথম অসম ভ্ৰমণৰ দিনটোতে আজি সম্পত্তিৰ কৰ আৰু মূল্যবৃদ্ধিৰ বিৰুদ্ধে ৰাজ্যজুৰি প্ৰতিবাদ সাব্যস্ত কৰে সদৌ অসম ছাত্ৰ সন্থাই। অৱশ্যে ৰাষ্ট্ৰপতিৰ আগমনক সন্মান জনাই এই প্ৰতিবাদী কাৰ্যসূচীৰ পৰা কামৰূপ জিলাক ৰেহাই দিয়া হয়। উল্লেখ্য যে ৰাজ্য চৰকাৰে ১০ পৃষ্ঠাত চাওক

এটা সপ্তাহতে আধা কিলোমিটাৰতকৈ অধিক অঞ্চল নিঃশেষ হ'ল

## ব্ৰহ্মপুত্ৰৰ খহনীয়াত সোণোৱালৰ চাবুৱাৰ জন্মগাঁও, জাহ গ'ল বিদ্যালয়

**বিশেষ সংবাদদাতা**
**ডিব্ৰুগড়, ১৩ অক্টোবৰ ঃ** ডিব্ৰুগড়ৰ চাবুৱাত ব্ৰহ্মপুত্ৰৰ ভয়ংকৰ খহনীয়াত জাহ গ'ল শিক্ষানুষ্ঠান। প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ জন্মগাঁও চাবুৱাৰ বিন্ধাকটাত ভয়াবহ খহনীয়াত গেৰেকী বনুৱা প্ৰাথমিক বিদ্যালয় জাহ যোৱাৰ লগতে ঐতিহাসিক মোমাই তামুলী আলিলৈয়ো তীব্ৰ ভাবুকিৰ সৃষ্টি হৈছে। চাবুৱাত ডিব্ৰু আৰু ব্ৰহ্মপুত্ৰৰ প্ৰবল খহনীয়াই ভয়াবহ ৰূপ ধাৰণ কৰিছে। নদীৰ বুকুত বিলীন হৈ গ'ল ১৯৭৫তে স্থাপিত গেৰেকী বনুৱা প্ৰাথমিক বিদ্যালয়। যোৱা এটা সপ্তাহত ৰাইডাং অঞ্চলৰ আধা কিলোমিটাৰতকৈ অধিক ব্ৰহ্মপুত্ৰৰ প্ৰবল খহনীয়াই নিঃশেষ কৰাৰ পাছত এতিয়া পুখুৰীজানৰ লগতে ঐতিহাসিক মোমাই তামুলী আলিলৈ ভয়াবহ ভাবুকি কঢ়িয়াইছে। ৰাইডাঙৰ বহু পৰিয়াল গৃহহীন হোৱাৰ পাছত থাকিবলৈ ঠাই বিচাৰি হাহাকাৰ কৰাৰ সময়তেই খহনীয়াৰ ছয় পৃষ্ঠাত চাওক

■ কোকৰাঝাৰৰ জিলা পৰিবহণ বিষয়াৰ ঘৰত ৩৪ লাখসহ তিনিজন এনফৰ্চমেণ্ট চেকাৰৰ ঘৰৰ পৰা জব্দ হ'ল মুঠতে ৪১ লাখ টকা ■ গুজৰাটৰ পৰা টাইলছ কঢ়িওৱা ট্ৰাকৰ চালকে টুইট কৰি প্ৰধানমন্ত্ৰীক দিছিল অভিযোগ ■ মহানগৰীৰ বাসগৃহতো আৰক্ষীৰ তালাচী অভিযান

## ছিণ্ডিকেট ঃ ডিটিঅ'ৰ ঘৰত টকাৰ পাহাৰ

চাৰিজনক গ্ৰেপ্তাৰ ■ ট্ৰাক ছিণ্ডিকেট চক্ৰৰ বাবেই ৰাজ্যত বৃদ্ধি পাইছে নিত্য প্ৰয়োজনীয় সামগ্ৰীৰ দাম



কোকৰাঝাৰ জিলাৰ পৰিবহণ বিষয়া সোমেশ্বৰ মুছাহাৰী।

**ষ্টাফ ৰিপ'ৰ্টাৰ/অগ্ৰদূত বাৰ্তা**
**গুৱাহাটী/কোকৰাঝাৰ/কাজলগাঁও, ১৩ অক্টোবৰ ঃ** এশ গৰু মাৰিলে বাঘৰো মৰণ...এই আপ্তবাক্যশাৰীক প্ৰতীয়মান কৰি ৩৪ লক্ষাধিক নগদ টকাসহ ধৰা পৰিল আঠ পৃষ্ঠাত চাওক





## ধুবুৰীত নৱেম্বৰৰ পৰা এশ শিক্ষাৰ্থীয়ে আৰম্ভ কৰিব এমবিবিএছৰ পাঠ্যক্ৰম

**ধুবুৰী, ১৩ অক্টোবৰ ঃ** 'অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত অসমত এসময়ৰ তিনিখন চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ৰ ঠাইত এতিয়া নখন হ'লগৈ। আজি দেশৰ ৰাষ্ট্ৰপতি ৰাষ্ট্ৰৰ প্ৰতি উছৰ্গা ১০ পৃষ্ঠাত চাওক

## কাইলৈ প্ৰচাৰৰ বাবে অসমলৈ কংগ্ৰেছৰ সভাপতি পদৰ প্ৰাৰ্থী থাৰুৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৩ অক্টোবৰ ঃ** অহা ১৭ অক্টোবৰত অনুষ্ঠিত হ'বলগীয়া নিখিল ভাৰত কংগ্ৰেছ কমিটী (এআইচিচি)ৰ সভাপতি পদৰ নিৰ্বাচনৰ বাবে এইবাৰ প্ৰচাৰ চলাবলৈ অসমলৈ ১০ পৃষ্ঠাত চাওক


■ ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীৰ পৰা বাদ পৰা লোকক আধাৰ কাৰ্ড দিয়া হ'বনে? ■ ন নৱেম্বৰত চূড়ান্ত ৰায়দানৰ পোষকতা যুটীয়া বিচাৰপীঠৰ

## দুসপ্তাহৰ ভিতৰত নীতি-নিৰ্দেশনা জনাবলৈ কেন্দ্ৰক নিৰ্দেশ ন্যায়ালয়ৰ

**■ নিউজ ব্যুৰ'**
**নতুন দিল্লী, ১৩ অক্টোবৰ ঃ** ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী (এনআৰচি)ত নাম নথকা ৰাজ্যৰ ২৭ লাখ লোকক আধাৰ কাৰ্ড প্ৰদানৰ সম্পৰ্কত উপযুক্ত কাৰ্যপন্থা জনাবলৈ কেন্দ্ৰীয় চৰকাৰক দুসপ্তাহৰ সময়সীমা বান্ধি দিলে উচ্চতম ন্যায়ালয়ে। বৰাকৰ তৃণমূল কংগ্ৰেছ নেত্ৰী তথা ৰাজ্যসভাৰ সাংসদ সুস্মিতা দেৱে দাখিল কৰা এখন ৰাজহুৱা স্বাৰ্থজড়িত আবেদনৰ ওপৰত শুনানি গ্ৰহণ কৰি উচ্চতম ন্যায়ালয়ে দেশৰ মহাধিবক্তাক আজি এই নিৰ্দেশনা দিয়ে। মুখ্য ন্যায়াধীশ উদয় উমেশ ললিত আৰু ন্যায়াধীশ বেলা এম ত্ৰিবেদীৰ যুটীয়া বিচাৰপীঠে আজি সুস্মিতা দেৱৰ পি আই এলখনৰ ওপৰত শুনানি গ্ৰহণ কৰি বিষয়টোৰ গুৰুত্বৰ প্ৰতি লক্ষ ৰাখি শীঘ্ৰে এই বিষয়টো নিষ্পত্তিৰ পোষকতা কৰে। বিচাৰপীঠে শুনানিত উপস্থিত থকা ভাৰতৰ মহাধিবক্তা আঠ পৃষ্ঠাত চাওক

বড়ো নৃত্য-সংগীতৰ এটা যুগৰ অৱসান ঃ জীৱন যুঁজৰ মাজতো স্বকীয় সংস্কৃতিৰ নিৰলস সাধনাত ব্ৰতী ঃ এবছু-বড়ো সাহিত্য সভাৰ শোক প্ৰকাশ

## সংগীত নাটক একাডেমীৰ বঁটা প্ৰাপক ক্ষীৰোদ খাখলাৰীৰ দেহাৱসান



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৩ অক্টোবৰ ঃ** বড়ো কৃষ্টি-সংস্কৃতিৰ ক্ষেত্ৰখনত এক বিশাল শূন্যতাৰ সৃষ্টি কৰি আজি ইহসংসাৰৰ পৰা মেলানি মাগিলে সংগীত নাটক একাডেমী বঁটাপ্ৰাপক আজন্ম শিল্পী ক্ষীৰোদ খাখলাৰীয়ে। বিভিন্ন বাৰ্ধক্যজনিত ৰোগত গুৰুতৰভাৱে আক্ৰান্ত পুৰোধা ১০ পৃষ্ঠাত চাওক


## নৈত উদ্ধাৰ সন্ধানহীন পঞ্চায়ত সদস্যৰ মৃতদেহ

**অগ্ৰদূত বাৰ্তা**
**অভয়াপুৰী, ১৩ অক্টোবৰ ঃ** বঙাইগাঁও জিলাৰ সৃজনগ্ৰাম অঞ্চলৰ চেকাটি নৈত সন্ধানহীন হোৱা এজন পঞ্চায়ত প্ৰতিনিধিৰ মৃতদেহ আজি বিয়লি উদ্ধাৰ হয়। ১১ অক্টোবৰৰ আবেলি সৃজনগ্ৰাম উন্নয়ন খণ্ড আৰু চক্ৰভৌম গাঁও পঞ্চায়তৰ অন্তৰ্গত সোণাখুলি দ্বিতীয় খণ্ডৰ পঞ্চায়ত সদস্য তথা কলবাৰী গাঁৱৰ ১০ পৃষ্ঠাত চাওক

■ ৰাজ্যত ১২ বছৰত বিভিন্ন কাৰণত প্ৰাণ গ'ল সহস্ৰাধিক বনৰীয়া হাতীৰ ■ একে সময়ছোৱাত ৰেলৰ খুন্দাত মৃত্যু ৭৪টা হাতীৰ ■ হাতীৰ আক্ৰমণত মৃত্যু সহস্ৰাধিক লোকৰ

## চলিত বৰ্ষতে ৰেলৰ খুন্দাত মৃত্যু আঠ হাতীৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৩ অক্টোবৰ ঃ** হাতী-মানুহৰ সংঘাতৰ সমান্তৰালভাৱে ৰাজ্যত অস্বাভাৱিক হাৰত বৃদ্ধি পাইছে ৰেলৰ খুন্দাত বনৰীয়া হাতীৰ মৃত্যুৰ ঘটনা। যোৱা ন অক্টোবৰৰ নিশা মৰিয়নিৰ সমীপৰ খৰিকটীয়া অঞ্চলত ৰেলৰ খুন্দাত পোৱালিসহ দুটা হাতীয়ে মৃত্যুক আঁকোৱালি লোৱাৰ পাছত আঘাতপ্ৰাপ্ত আন এটা হাতীয়ে কালি মৃত্যুমুখত পৰাৰ পাছতে চলিত বৰ্ষটোত ৰেলৰ খুন্দাত মৃত্যু হোৱা হাতীৰ সংখ্যা আঠটালৈ বৃদ্ধি পালে। উল্লেখ্য যে ২০১৭ৰ হাতী লোকপিয়ল অনুসৰি কৰ্ণাটকৰ পাছতে ৫,৭১৯টা বন্যহস্তীৰ সংখ্যাৰে দ্বিতীয় স্থানত আছে অসম। তাৰ মাজতে আধুনিকতাৰ ধামখুমীয়াত ব্যাপক ৰূপত বনাঞ্চলসমূহ সংকুচিত হৈ অহা তথা খাদ্যৰ সন্ধানত জাকে জাকে বনৰীয়া হাতী জনাঞ্চললৈ ওলাই অহাৰ ফলত অব্যাহত আছে হাতী-মানুহৰ সংঘাত। এনে সংঘাতৰ আক্ৰমণ-প্ৰত্যাক্ৰমণৰ সমান্তৰালভাৱে বন্যপ্ৰাণীৰ বাসস্থানৰ ১০ পৃষ্ঠাত চাওক



## তুলসীবিলত মটৰ চাইকেলৰ সংঘৰ্ষত মৃত্যু সেনা জোৱানৰ

**অগ্ৰদূত বাৰ্তা**
**তামাৰহাট, ১৩ অক্টোবৰ ঃ** গোসাঁইগাঁও মহকুমাৰ তুলসীবিলত দুখন মটৰ চাইকেলৰ মুখামুখি সংঘৰ্ষত এজন সেনা জোৱানৰ মৃত্যু ঘটে। মৃত সেনা জোৱান অশোক ৰায় (২২)ৰ ঘৰ ধুবুৰী জিলাৰ তামাৰহাট থানাৰ উজান পেটেলা গাঁৱত। অশোকে দুৰ্গা পূজা উপলক্ষে ছুটী লৈ ঘৰলৈ আহে। কালি কোকৰাঝাৰ ছয় পৃষ্ঠাত চাওক

এনআৰচিক অসাৰ কৰিব বিচাৰিছে ঃ অজাপ

## দুশ বিদেশী ন্যায়াধিকৰণৰ সদস্যক অব্যাহতি দিয়াৰ সিদ্ধান্ত আইন বিৰোধী

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৩ অক্টোবৰ ঃ** বিদেশী ন্যায়াধিকৰণত গোচৰ নোহোৱাৰ অজুহাতত প্ৰায় দুশখন বিদেশী ন্যায়াধিকৰণৰ সদস্যসকলক অব্যাহতি দিব বিচৰা কাৰ্যৰ তীব্ৰ বিৰোধিতা কৰিছে অসম জাতীয় পৰিষদে। ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীৰ পৰা বাদ পৰা সন্দেহযুক্ত বিদেশীক প্ৰত্যাখ্যান জাননী নিদিয়া বাবে ন্যায়াধিকৰণত গোচৰ নোহোৱাৰ অজুহাতৰ প্ৰসংগত জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈয়ে আজি কয় যে ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীত আনুষ্ঠানিক মোহৰ নামাৰিলেও প্ৰত্যাখ্যান জাননী জাৰি কৰাত কোনো আইনগত বাধা নাই। বৰঞ্চ এই প্ৰক্ৰিয়াটো ১০ পৃষ্ঠাত চাওক

দৈনিক অগ্ৰদূত

গুৱাহাটী, ১৪ অক্টোবৰ, ২০২২ শুকুৰবাৰ পৃষ্ঠা তিনি

## ৰূপকোঁৱৰৰ সৃষ্টিক বিকৃত কৰাৰ প্ৰতিবাদত ৰাজপথত সাংস্কৃতিক কৰ্মী

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**যোৰহাট, ১৩ অক্টোবৰ ঃ** ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ কালজয়ী নাটক 'লভিতা' বিকৃত কৰাক লৈ নাট্যকাৰ অভিজিত ভট্টাচাৰ্য আৰু অভিনেত্ৰী তথা আৱাহন থিয়েটাৰৰ প্ৰযোজক প্ৰস্তুতি পৰাশৰৰ বিৰুদ্ধে ৰাজপথলৈ ওলায় যোৰহাটৰ ৰাইজ। শীঘ্ৰে এই প্ৰদৰ্শন বন্ধ কৰাৰ দাবীত আজি দিনৰ ১২ বজাত যোৰহাট কাছাৰীৰ সন্মুখত যোৰহাট ছয় পৃষ্ঠাত চাওক

## ৰটাৰী যুৱ বিনিময় কাৰ্যসূচীৰ অধীনত আন্তঃৰাষ্ট্ৰীয় ছাত্ৰ-ছাত্ৰীৰ তেজপুৰ বিশ্ববিদ্যালয় ভ্ৰমণ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ, ১৩ অক্টোবৰ ঃ** ৰটাৰী যুৱ বিনিময় কাৰ্যসূচীৰ অধীনত দুদিনীয়া কাৰ্যসূচীৰে কালি আৰু আজি বিশ্বৰ বিভিন্ন দেশৰ ১১ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে তেজপুৰ বিশ্ববিদ্যালয়ত উপস্থিত হৈ বিশ্ববিদ্যালয় পৰিদৰ্শন কৰে। জাপান, স্পেইন, ব্ৰাজিল, ফ্ৰান্স, ইটালী আৰু জাৰ্মানীৰ দৰে দেশৰ অন্তৰ্গত ১৫ৰ পৰা ১৯ বছৰৰ ভিতৰৰ ছাত্ৰ-ছাত্ৰীসকলে তেজপুৰ বিশ্ববিদ্যালয়ত উপলব্ধ নতুন ভাষা, বিভিন্ন সংস্কৃতি আৰু সুবিধাসমূহৰ প্ৰত্যক্ষ কৰি অভিজ্ঞতা লাভ কৰে। ৰটাৰী ক্লাবৰ এই বিনিময় কাৰ্যসূচীৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলে নতুন নতুন ঠাই ভ্ৰমণ কৰাৰ লগতে সৃষ্টিশীল ধাৰণা বিনিময় কৰিব পাৰে আৰু দীৰ্ঘস্থায়ী বন্ধুত্ব গঢ়ি তুলিব পাৰে। ৰটাৰী ইণ্টাৰনেচনেল জিলা ৩২৪০ৰ উদ্যোগত ১৯২৯ৰ পৰা ৰটাৰী ইণ্টাৰনেছনেলৰ এক কাৰ্যসূচী ছয় পৃষ্ঠাত চাওক

# নগাঁৱত প্ৰতি পদে পদে উলংঘন এনৰেগা আইন




*'লভিতা'ৰ বিকৃত ৰূপৰ প্ৰতিবাদ যোৰহাটত জনসাংস্কৃতিক পৰিষদ-ড্ৰামা একাডেমীৰ।*

### লুণ্ঠনৰ আহিলাতহে পৰিণত হৈছে এমজিএনৰেগা আঁচনি

**বিশেষ সংবাদদাতা**

**নগাঁও, ১৩ অক্টোবৰ ঃ** মহাত্মা গান্ধী এনৰেগা আঁচনিৰ মূল উদ্দেশ্য হৈছে অশৈলীগত কামৰ প্ৰতি আগ্ৰহী গ্ৰামাঞ্চলৰ প্ৰতিটো পৰিয়ালৰ প্ৰাপ্তবয়স্ক লোকসকলক এটা বিত্তীয় বৰ্ষত কমেও এশ দিনৰ মজুৰি ভিত্তিক নিশ্চিত নিয়োগৰ সুবিধাৰে গ্ৰামাঞ্চলত জীৱন ধাৰণৰ নিৰাপত্তা বৃদ্ধি কৰা। কিন্তু পৰিতাপৰ বিষয় যে নগাঁও জিলাত মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিত আইন (এমজি এনৰেগা)খন মূল উদ্দেশ্যৰ পৰা বহু নিলগত ৰৈছে। জিলাখনৰ গ্ৰামোন্নয়ন বিভাগৰ ১৩টা উন্নয়ন খণ্ডত এনৰেগাৰ বিভিন্ন কামৰ নামত চৰম প্ৰহসন কৰি, জবকাৰ্ডৰ অসংখ্য ভুৱা শ্ৰমিকৰ নামৰ জৰিয়তে এমজি এনৰেগাৰ কোটি কোটি টকাৰ ওপৰত বছৰ বছৰ ধৰি অবাধ লুণ্ঠন চলাই অহা পৰিলক্ষিত হৈছে। এই লুণ্ঠনত একাংশ পঞ্চায়তৰ প্ৰতিনিধি, গ্ৰাম ৰোজগাৰ সেৱক, পঞ্চায়ত সচিব, কনিষ্ঠ অভিযন্তা, খণ্ড উন্নয়ন বিষয়া আনকি জিলা পৰিষদৰো একাংশ বিষয়া জড়িত থকাৰ অভিযোগ উত্থাপিত হৈ আহিছে। গ্ৰামোন্নয়ন বিভাগৰ নিৰ্দেশনা অনুসৰি, সাধাৰণতে শ্ৰমিকৰ জবকাৰ্ডসমূহ তেওঁলোকৰ নিজা হাতত থাকিব লাগে যদিও জিলাখনৰ ছয় পৃষ্ঠাত চাওক

## তীব্ৰ গতিৰ ৰেলৰ স'তে সংঘৰ্ষত অসমত হাতীৰ মৃত্যুক লৈ আৰণ্যকৰ উদ্বেগ প্ৰকাশ

**গুৱাহাটী, ১৩ অক্টোবৰ ঃ** যোৱা দেওবাৰে নিশা যোৰহাট জিলাত দিল্লী অভিমুখী ৰাজধানী এক্সপ্ৰেছে হাতীৰ জাকক খুন্দা মৰাৰ ঘটনাই বন্যপ্ৰাণী সংৰক্ষণকামী আৰু স্থানীয় লোকসকলক ব্যথিত কৰিছে। ভাৰতৰ ঐতিহ্য প্ৰাণী হাতী সংৰক্ষণৰ বাবে কাম কৰি থকা উত্তৰ-পূবৰ আগশাৰীৰ জৈৱ বৈচিত্ৰ্য সংৰক্ষণ সংস্থা আৰণ্যকে ঘটনাটোত শোক কৰিছে। উদ্বেগজনক যে যোৱা জানুৱাৰীৰ পৰা অসমত এমাহৰ ভিতৰত অকল ৰেলৰ দ্বাৰা আঠটা হাতী মৃত্যুমুখত পৰে। শেহতীয়াকৈ এক অধ্যয়ন অনুসৰি, ৰেলৰ দ্বাৰা হাতীৰ সংঘৰ্ষৰ সৰ্বাধিক সংঘটিত অঞ্চলবোৰ ছয় পৃষ্ঠাত চাওক

■ ধনৰ বিনিময়ত মাতৃয়ে সন্তানক কিন্নৰক বিক্ৰী কৰি সিদ্ধান্ত সলনিৰ অভিযোগ ■ আৰক্ষীয়ে আটক কৰিলে কিন্নৰৰ দলক

## সদ্যোজাতৰ দখলক লৈ মাতৃ-কিন্নৰ দলৰ সংঘাত শিৱসাগৰত

**বিশেষ সংবাদদাতা**

**শিৱসাগৰ, ১৩ অক্টোবৰ ঃ** এটি সদ্যোজাত শিশুৰ দখলক কেন্দ্ৰ কৰি শিৱসাগৰ নগৰত আজি প্ৰসূতি মাতৃ আৰু কিন্নৰ দলৰ সংঘাতৰ সৃষ্টি হয়। এই সংঘাতক কেন্দ্ৰ কৰি তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয় নগৰত। ধনৰ বিনিময়ত সন্তানক কিন্নৰক বিক্ৰী কৰাৰ সিদ্ধান্ত মাতৃগৰাকীয়ে সলনি কৰাৰ অভিযোগ উত্থাপন হৈছে। প্ৰাপ্ত অভিযোগ অনুসৰি, শিৱসাগৰ বনৰীয়াবাৰী অঞ্চলৰ প্ৰসূতিগৰাকীয়ে নিজৰ সম্ভাব্য সন্তানৰ সন্দৰ্ভত কিন্নৰ লগত এক চুক্তি সম্পন্ন কৰিছিল। চুক্তি অনুসৰি, প্ৰসূতিগৰাকীয়ে নিজ সম্ভাব্য সন্তানক প্ৰসৱৰ পাছত কিন্নৰক অৰ্পণ কৰাৰ কথা আছিল। কিন্নৰসকলে অভিযোগ কৰা মতে, ইতিমধ্যে তেওঁলোকৰ মাজত সদ্যোজাতক বিক্ৰীৰ বাবদ ধনৰো লেনদেন হৈছিল। যদিও পৰৱৰ্তী সময়ত ইয়াক লৈ দুই পক্ষৰ মাজত মতানক্য হোৱাত আজিৰ অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি হয়। প্ৰাপ্ত তথ্য অনুসৰি, স্বামীহীনা বানেচা খাতুন নামৰ মহিলাগৰাকীয়ে গৰ্ভত থকা সন্তানক প্ৰসৱৰ পাছত কিন্নৰক দি দিয়াৰ চুক্তি কৰি তেওঁলোকৰ পৰা পাঁচ হেজাৰ টকা লৈছিল। ইতিমধ্যে দুটা সন্তান থকা খাতুনে স্বামীৰ অবৰ্তমানত আৰু এটা সন্তান পোহপাল দিবলৈ সক্ষম নহ'ব বুলি সন্তান প্ৰসৱৰ খৰচৰ উপৰি পাঁচ হেজাৰ টকাৰ বিনিময়ত সদ্যোজাতক দিয়াৰ চুক্তি কৰিছিল। সেই মৰ্মে তিনি দিনৰ পূৰ্বে জন্মলাভ কৰা শিশুটিক জিম্মাত ল'বলৈ আজি কিন্নৰৰ দল উপস্থিত হয়। অৱশ্যে মাতৃ খাতুনৰ লগত ধনৰ লেনদেনক লৈ মতানৈক্য হোৱাত কিন্নৰৰ দলে উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰে। পৰৱৰ্তী সময়ত আৰক্ষীৰ দলে ঘটনাস্থলীত উপস্থিত হৈ কিন্নৰৰ দলটোক আটক কৰে।

## চিকিৎসাৰ অভাৱত লামাবাৰীত গৰ্ভৱতী মহিলাৰ অকাল মৃত্যু

### চিকিৎসক-এম্বুলেঞ্চ নাই মাজবাটত



**অগ্ৰদূত বাৰ্তা**

**টংলা, ১৩ অক্টোবৰ ঃ** ওদালগুৰি জিলাৰ মাজবাটৰ অন্তৰ্গত লামাবাৰীত নয়মী বাৰ্লা (২৪) নামৰ এগৰাকী গৰ্ভৱতী মহিলাৰ যোৱা ১১ অক্টোবৰত চিকিৎসাৰ অভাৱত অকাল বিয়োগে বৃহত্তৰ অঞ্চলটোত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। লামাবাৰী মধ্য ইংৰাজী উচ্চ মাধ্যমিক বিদ্যালয়ৰ অবৈতনিক শিক্ষয়িত্ৰী বাৰ্লাই যোৱা ১১ অক্টোবৰৰ আবেলি অসুস্থ অনুভৱ কৰে। গৰ্ভৱতী মহিলাগৰাকীক ততাতৈয়াকৈ ওচৰৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰলৈ পৰিয়ালে লৈ গৈছিল। অৱশ্যে সমস্যা গম্ভীৰ হোৱা হেতুকে চিকিৎসকে উন্নত চিকিৎসাৰ বাবে তাৰ পৰা অন্য ঠাইলৈ নিবলৈ পৰামৰ্শ দিয়ে। ফলত মাজবাট, ওৰাং আদিৰ চিকিৎসালয়ত দেখুৱায় যদিও বাৰ্লাৰ অৱস্থা সংকটজনক হোৱাত পৰিয়ালৰ লোকে তেওঁক তেজপুৰলৈ লৈ যায়। অৱশ্যে বাটতে মহিলাগৰাকীৰ মৃত্যু হয়। উল্লেখ্য যে শিক্ষয়িত্ৰীগৰাকীৰ গৰ্ভত আছিল দুটি সন্তান। নয়মী বাৰ্লাৰ এই অকাল বিয়োগৰ লগতে দুটিকৈ সন্তানৰ গৰ্ভতে মৃত্যুৰ খবৰে বৃহত্তৰ লামাবাৰী অঞ্চলৰ ৰাইজৰ মাজত শোকৰ ছাঁ পেলাইছে। লামাবাৰী মধ্য ইংৰাজী বিদ্যালয় আৰু উচ্চ মাধ্যমিক বিদ্যালয়ে কালি বাৰ্লাৰ বিদেহ আত্মাৰ সদগতি কামনাৰে শোকসভা অনুষ্ঠিত কৰি ছয় পৃষ্ঠাত চাওক

### আজিৰে পৰা দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে মৰিগাঁও দিৱস উদ্‌যাপন

## উন্মোচিত হ'ব স্বাধীনতা সেনানী, মৃত্যুঞ্জয়ৰ নায়ক মহদা গোসাঁইৰ প্ৰতিমূৰ্তি

**ৰাজ্যপাল অধ্যাপক জগদীশ মুখীৰ উপস্থিতিত এহেজাৰ শিল্পীয়ে কণ্ঠ নিগৰাব মৰিগাঁও স্কুল খেলপথাৰৰ বাকৰিত**

**অগ্ৰদূত বাৰ্তা**

**মৰিগাঁও, ১৩ অক্টোবৰ ঃ** বিভিন্ন জাতি-জনগোষ্ঠীৰ স্বকীয় কলাকৃষ্টিৰে ভৰপূৰ ইতিহাস প্ৰসিদ্ধ মৰিগাঁও জিলাই জিলা হিচাপে স্বীকৃতি লাভ কৰা ৩৩ বছৰ সম্পূৰ্ণ কৰিলে। সাংস্কৃতিক দিশত চহকী জিলাখনত মৰিগাঁও জিলা প্ৰশাসনৰ উদ্যোগত এইবেলি দুদিনীয়া বিস্তৃত আৰু বৰ্ণাঢ্য কাৰ্যসূচীৰে কাইলৈৰ পৰা জিলা দিৱস উদ্‌যাপন কৰিব। ঐতিহ্যমণ্ডিত জিলাখনৰ মৰিগাঁও স্কুল খেলপথাৰ আৰু ক্ষীৰোদ বৰুৱা ষ্টেডিয়ামত জিলা প্ৰশাসনে কালিৰে পৰা দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে মৰিগাঁও জিলা দিৱস সফল আৰু সৰ্বাংগসুন্দৰৰূপে অনুষ্ঠিত কৰিবলৈ সৰ্বস্তৰৰ মৰিগাঁও জিলাবাসীৰ সহায়-সহযোগিতা লাভ কৰাৰ ফলত সমগ্ৰ জিলাখনতেই এক উৎসৱমুখৰ পৰিৱেশ সৃষ্টি হৈছে। কালি পুৱাৰ ভাগৰ পৰা মৰিগাঁও স্কুল খেলপথাৰত বৃক্ষৰোপণ, পতাকা উত্তোলন, ছহিদ ছয় পৃষ্ঠাত চাওক

### মাজুলীত প্ৰাক্তন আলফা (স্বাঃ) সমন্বয়ৰক্ষী সমিতিৰ সংবাদমেল

## প্ৰাক্তন আলফাসকলক চৰকাৰে মাহী আইৰ চকুৰে চোৱাৰ অভিযোগ

**অগ্ৰদূত বাৰ্তা**

**কমলাবাৰী, ১৩ অক্টোবৰ ঃ** মাজুলী তথা অসমৰ সম্ভাৱনাময় এগৰাকী সুকণ্ঠী গায়িকা তেজস্বীতা বৰুৱাক হেৰুৱাই গভীৰ শোক প্ৰকাশ কৰিছে প্ৰাক্তন আলফা (স্বাঃ) সমন্বয়ৰক্ষী সমিতিয়ে। মাজুলীৰ গড়মূৰ প্ৰেছ ক্লাবৰ প্ৰয়াত অৰুণ বৰা সোঁৱৰণী সভাকক্ষত আজি এক সংবাদমেল সম্বোধন কৰি প্ৰাক্তন আলফা (স্বাঃ) সমন্বয়ৰক্ষী সমিতিয়ে এই ছয় পৃষ্ঠাত চাওক

### বিধ্বস্ত বাট-পথ, খোৱাপানীৰ হাহাকাৰে চকুলো নিগৰাইছে ৰাইজক

■ জনপ্ৰতিনিধি, বিষয়া-কৰ্মচাৰী আৰু নেতা-পালিনেতাৰ দায়িত্বজ্ঞানহীনতাৰ প্ৰতিফলন

## বৰহোলাৰ চৌদিশে উন্নয়নৰ নামত মাত্ৰ শূন্যতা





**বিশেষ সংবাদদাতা**

**নগাবাট, ১৩ অক্টোবৰ ঃ** 'একালৰ বৃন্দাৱন একালত পৰে ছন।' বৰ্তমান এই অৱস্থা যেন তিতাবৰ সমষ্টিৰো। এসময়ত গৌৰৱোজ্জ্বল তিতাবৰ সমষ্টিৰ চৌদিশে এতিয়া উন্নয়নৰ নামত মাথোঁ শূন্যতা। বিধ্বস্ত বাট-পথ, বিশুদ্ধ খোৱাপানীৰ অভাৱে সমষ্টিটোৰ চৌদিশে বৰ্তমান হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি কৰিছে। সমষ্টিবাসীৰ বেদনা শুনিবলৈ আজি যেন কাৰো আহৰি নাই। ইফালে, কথাৰ ফুলজাৰিতে ব্যস্ত তিতাবৰৰ বিধায়ক ভাস্কৰজ্যোতি বৰুৱা। বৰহোলাৰ পৰা তিতাবৰ সংযোগী মুখ্যপথৰ মৰণফাণ্ড সদৃশৰূপ, সমষ্টিটোৰ অন্যতম মুখ্য চহৰ বৰহোলাৰ মাজমজিয়াত দ' দ' গাঁত, এজাক বৰষুণতে গাঁতসমূহ বোকা-পানীৰে ভৰে, বিশুদ্ধ খোৱাপানী বিচাৰি বছৰ ধৰি সীমান্তবাসী ৰাইজৰ হাহাকাৰ অৱস্থাই প্ৰকৃতাৰ্থত এগৰাকী বিধায়ক হিচাপে বৰুৱাৰ ব্যৰ্থতা স্পষ্টকৈ উদঙাই দিছে। অলেখ জ্বলন্ত সমস্যাই ভাৰাক্ৰান্ত কৰিছে বৰহোলাবাসীক। চৰকাৰী আঁচনি কেনেদৰে ৰূপায়ণ হৈছে বৰহোলাৰ অসম-নগালেণ্ড সীমান্তৰ যিকোনো এখন গাঁৱলৈ গ'লেই অনুমান কৰিব পাৰি। বিধায়ক পুঁজি, সাংসদ পুঁজি, ঠেঙাল কছাৰীৰ পুঁজি, সোণোৱাল কছাৰীৰ পুঁজি কিমান সঠিক ব্যয় হৈছে বুলি সচেতন ৰাইজৰ মনত সন্দেহ সৃষ্টি হৈছে। এই সমূহ পুঁজিৰে ৰাইজৰ সমস্যা দূৰ কৰাৰ পৰিৱৰ্তে একাংশ নেতা-পালিনেতাহে লাভান্বিত হৈছে বুলি ৰাইজে মুকলিকৈ ছয় পৃষ্ঠাত চাওক

## দৰঙী চেৰা ঢেকৰ ওজা হাচমত আলীৰ মৃত্যু

**বিশেষ সংবাদদাতা**

**মঙলদৈ, ১৩ অক্টোবৰ ঃ** দৰঙৰ থলুৱা ইছলাম ধৰ্মী গৰিয়াসকলৰ মাজত প্ৰচলিত আপুৰুগীয়া ঢেক সংগীত বা চেৰা



ঢেকৰ এজন জ্যেষ্ঠ ওজা হাচমত আলী (৭০)ৰ হৃদৰোগজনিত কাৰণত যোৱা নিশা উত্তৰ গুৱাহাটী জিএনআৰচি হাস্পতালত মৃত্যু হয়। উল্লেখ্য যে দৰঙী গৰিয়াসকলৰ মাজত বিবাহ সংগীতানুষ্ঠানে ৰূপে খ্যাত আৰু প্ৰায় পাহৰণিৰ গৰ্ভলৈ গৈ লুপ্ত হ'বলৈ ধৰা এই ঢেক গীত বিধ পুনৰুদ্ধাৰ, প্ৰচাৰ-প্ৰসাৰৰ বাবে নগৰবাহী, কানাইচুবাৰ সু-সন্তান প্ৰখ্যাত সংগীতজ্ঞ-গীতিকাৰ-অধ্যাপক তফজ্জুল আলিৰ উদ্‌গনিত নগৰবাহী কানাইচুবাৰ গীতিকাৰ ড° চহিৰ ভূঞাই নগৰবাহী প্ৰয়াস সংঘৰ হৈ উদ্যোগ লৈ হাচমত আলী প্ৰয়াত নুৰুদ্দিন আহমেদ, প্ৰয়াত দিদাৰুদ্দিন আহমেদ, সদ্য প্ৰয়াত হাচমত আলী, ছয় পৃষ্ঠাত চাওক

## ৰাণীৰ খেতি পথাৰত বনৰীয়া হাতীৰ উপদ্ৰৱ



### গচকি লণ্ড ভণ্ড কৰিলে শালি ধান

**অগ্ৰদূত বাৰ্তা**

**পলাশবাৰী, ১৩ অক্টোবৰ ঃ** সমগ্ৰ ৰাজ্যৰ লগতে গুৱাহাটী মহানগৰীৰ পশ্চিম প্ৰান্তৰ অসম-মেঘালয় সীমান্তৰ বৃহত্তৰ ৰাণী অঞ্চলৰ বিক্ৰমপুৰ, নালাপাৰা, বেলগুৰি, খপেগাঁও, পুখুৰীপাৰ, চেঁচা, মৈৰাপুৰ, মাণিকপুৰ, পাত হালধীয়া, আন্ধেৰিজুলি, উদয়পুৰ, মাজপাৰা, পাটগাঁও, পুৰাণ শুকুৰবেৰীয়া আদি অঞ্চলৰ কৃষিজীৱী ৰাইজে বিগত আহাৰ-শাওণ মাহত ছয় পৃষ্ঠাত চাওক

### দশম শ্ৰেণীৰ বিজ্ঞানৰ পৰীক্ষা স্থগিত ৰখাক কেন্দ্ৰ কৰি বিতৰ্ক শৈক্ষিক মহলত

## যোৰহাট জিলা অধিবিদ্যা পৰিষদৰ দায়িত্বহীন কাণ্ড ঃ ছেবাৰ নিৰ্দেশকো বৃদ্ধাংগুষ্ঠ

**তিতাবৰ, ১৩ অক্টোবৰ ঃ** মাছ মূৰৰ পৰা গেলিবলৈ আৰম্ভ কৰাৰ দৰেই যোৰহাটতো জিলাৰ শিক্ষা বিভাগটোও ক্ৰমাৎ গেলিবলৈ আৰম্ভ কৰিছে। বিভাগটোৰ অধীনত থকা জিলাখনৰ বিভিন্ন বিদ্যালয়ত চলি থকা প্ৰশাসনিক অচলাৱস্থা, বিত্তীয় অনিয়মৰ অজুহাতেৰে বিদ্যালয় পৰিচালনা সমিতি আৰু প্ৰধান শিক্ষকৰ মাজত দৃষ্টিকটুভাৱে সঘনে অব্যাহত থকা আভ্যন্তৰীণ সংঘাত, পাঠ্যক্ৰমসূচী অনুসৰি নিৰ্ধাৰিত সময়ত পৰীক্ষা অনুষ্ঠিত কৰিব নোৱৰা আদি এশ-এবুৰি বিতৰ্কৰে এতিয়া সাঙোৰ খাই পৰিছে যোৰহাট জিলা বিদ্যালয়সমূহৰ পৰিদৰ্শকৰ কাৰ্যালয়। পৰীক্ষাৰ নেতিবাচক ফলাফলক লৈ বিভাগটোৰ মন্ত্ৰী-বিষয়াৰ পৰা আৰম্ভ কৰি সকলোৱে শিক্ষক-শিক্ষয়ত্ৰীসকলক গুৱালগালি পাৰিবলৈ আৰম্ভ কৰাটো কোনো নতুন কথা নহয়। তাৰ বিপৰীতে এচাম দুৰ্নীতিগ্ৰস্ত বিষয়াৰ প্ৰশাসনিক অদক্ষতাৰ বাবে বিদ্যালয়সমূহত নিৰ্ধাৰিত সময় অনুসৰি পৰীক্ষা অনুষ্ঠিত কৰিব নোৱৰাৰ বাবে বিভাগটোৱে কাক জবাবদিহি কৰিব তাক কেন্দ্ৰ কৰি যোৰহাট জিলাত এতিয়া ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। উল্লেখ্য যে মাধ্যমিক শিক্ষা পৰিষদ অসম চমুকৈ ছেবাই চলিত বৰ্ষত সকলো জিলাকে যোৱা ২১ ছেপ্টেম্বৰৰ পৰা বিদ্যালয়সমূহৰ ছমহীয়া মূল্যাংকন পৰীক্ষা অনুষ্ঠিত কৰি পূজাৰ আগে আগে সমাপ্ত কৰিবলৈ নিৰ্দেশনা প্ৰেৰণ কৰিছিল। কিন্তু অতি লজ্জাজনকভাৱে যোৰহাট জিলাৰ অধিবিদ্যা পৰিষদে প্ৰস্তুতি বিলম্ব হোৱাৰ দোহাই দি ছেবাৰ নিৰ্ধাৰিত ছয় পৃষ্ঠাত চাওক

## কামপুৰত দুই গাঞ্জা সৰবৰাহকাৰীক আটক

**অগ্ৰদূত বাৰ্তা**

**কামপুৰ, ১৩ অক্টোবৰ ঃ** কামপুৰ আৰক্ষী থানাৰ অন্তৰ্গত গুইমাৰীত আজি পূব কাকতিগাঁও গাঁওৰক্ষী বাহিনী আৰু আমছুৰ সদস্যই অভিযান চলাই গাঞ্জাসহ দুজন সৰবৰাহকাৰীক আটক কৰিবলৈ সক্ষম হয়। আটকাধীন সৰবৰাহকাৰী দুজন ক্ৰমে মকবুল হুছেইন আৰু ফাইজুল হক। সৰবৰাহকাৰী দুজনৰ পৰা প্ৰায় এক কেজি গাঞ্জা জব্দ কৰিবলৈ সক্ষম হয়। পাছত মকবুল আৰু ফাইজুলক কামপুৰ আৰক্ষীক গতাই দিয়া হয়।



দৈনিক অগ্ৰদূত

গুৱাহাটী শুকুৰবাৰ ২৭ আহিন ১৪২৯ ভাস্কৰাব্দ ১৪ অক্টোবৰ ২০২২



## ধ্বংসৰ কাৰণ


অসম তথা উত্তৰ-পূবৰ পৰা বিভিন্ন প্ৰজাতিৰ বন্য জন্তুৰ অংগ-প্ৰত্যংগবোৰৰে চোৰাং সৰবৰাহৰ এক আন্তঃৰাষ্ট্ৰীয় বজাৰ গঢ়ি উঠিছে। বন্যপ্ৰাণীৰ এই চোৰাং সৰবৰাহ চীন আদি দেশবোৰলৈ চালান দিয়া হয়। অসম বিদেশৰ বিভিন্ন দুষ্প্ৰাপ্য বন্যপ্ৰাণী সৰবৰাহৰ ক'ৰিডৰত পৰিণত হৈছে। অসমৰ গঁড়ৰ খৰ্গৰ বিশ্বৰ চোৰাং বজাৰত চাহিদা বেছি কাৰণে চোৰাংচিকাৰীয়ে গঁড় হত্যা কৰি আহিছে। উল্লেখ্য যে পূৰ্বৰে পৰা অসমৰ গঁড়ৰ খৰ্গ পৰম্পৰাগত ঔষধ হিচাপে চীন আৰু এছিয়াৰ অন্যান্য দেশত বৃহৎ চাহিদা থকা দেখা যায়। কিছুমান বিশেষ ৰোগৰ বাবে দীৰ্ঘায়ু হোৱাৰ আশাত নাইবা যৌন ক্ষমতা বঢ়াব পাৰি বুলি থকা অন্ধবিশ্বাসৰ বাবেই চীন আদি দেশত গঁড়ৰ খৰ্গ, বাঘৰ নখ, দাঁত আদিৰে প্ৰস্তুত কৰা ঔষধৰ চাহিদা যথেষ্ট বেছি। গঁড় আৰু বাঘৰ অংগ-প্ৰত্যংগ চীন আৰু এছিয়াৰ অন্যান্য দেশৰ বজাৰত থকা চাহিদাৰ বাবেই সেই জন্তুবোৰৰ অংগ-প্ৰত্যংগ অসমৰ পৰা চোৰাংকৈ সৰবৰাহ কৰাৰ বিভিন্ন তথ্য প্ৰকাশ পাই থাকে; কিন্তু শেহতীয়াকৈ বন্যপ্ৰাণীৰ অংগ-প্ৰত্যংগ, ছাল আৰু আনকি জীৱিত বন্যপ্ৰাণীৰ চাহিদা অনেক গুণে বৃদ্ধি পাইছে ভাৰতৰেই একাংশ লোকৰ মাজত। শেহতীয়াভাৱে অসমৰ একাধিক স্থানত চিম্পাঞ্জী, কেংগেৰু আদিকে ধৰি বিভিন্ন দুষ্প্ৰাপ্য বন্যপ্ৰাণী অবৈধ তথা চোৰাং সৰবৰাহকাৰীৰ কৱলৰ পৰা আৰক্ষীয়ে উদ্ধাৰ কৰিছিল। অসমলৈ চিম্পাঞ্জীৰ দৰে অতি বিৰল, দুষ্প্ৰাপ্য আৰু বিলুপ্তিৰ দিশলৈ গতি কৰা আফ্ৰিকান বন্যপ্ৰাণী আহিল কেনেকৈ?

চিম্পাঞ্জী বৰ্তমান প্ৰাইমেটল'জিষ্টসকলৰ অধ্যয়ন আৰু গৱেষণাত সৰ্বাধিক গুৰুত্ব পোৱা প্ৰাণী। মানুহ আৰু চিম্পাঞ্জীৰ আনুবংশিক পাৰ্থক্য মাত্ৰ চাৰি শতাংশ বুলি বিজ্ঞানীসকলে কৈছে। উল্লেখ্য যে মানুহ আৰু চিম্পাঞ্জীৰ ৫০-৭০ লাখ বছৰৰ পূৰ্বে এক উমৈহতীয়া বংশধৰ আছিল। অৰ্থাৎ ৫০-৭০ লাখ বছৰৰ পূৰ্বে মানুহৰ পূৰ্বপুৰুষসকল এক ধৰণৰ চিম্পাঞ্জীৰ দৰেই আছিল। চিম্পাঞ্জীক লৈ সেয়ে বিজ্ঞানীসকলৰ কৌতূহল বেছি আৰু গৱেষণা তথা অধ্যয়নো অব্যাহত আছে; কিন্তু বৰ্তমান চিম্পাঞ্জী পৃথিৱীৰ বিলুপ্ত হ'বলৈ ধৰা দুষ্প্ৰাপ্য প্ৰাণীবোৰৰ এটা। সেয়ে চিম্পাঞ্জীৰ সুৰক্ষাৰ বাবে কঠোৰ আইন প্ৰণয়ন কৰা হৈছে; কিন্তু তৎসত্ত্বেও দুষ্প্ৰাপ্য প্ৰাণীবিধৰ চোৰাং সৰবৰাহ অব্যাহত আছে। গিবন বা কেংগাৰুৰ দৰে হয়তো চিম্পাঞ্জীকো এচাম আচহুৱা সংস্কৃতিপ্ৰেমী লোকে ঘৰ বা ফাৰ্মহাউছত পোহনীয়া জন্তু হিচাপে ৰখাৰ চখ আছে। তেওঁলোকৰ এনে আচহুৱা চখৰ বাবেই দুষ্প্ৰাপ্য প্ৰাণীবোৰলৈ বিলুপ্তিৰ ভাবুকি আহিছে। এই বন্য প্ৰাণীবোৰৰ সংখ্যা হ্ৰাস পোৱাৰ ফলত জৈৱ-বৈচিত্ৰ্য আৰু জৈৱ-পৰিৱেশ ধ্বংস হ'বলৈ ধৰিছে।

'অসমত চিম্পাঞ্জী, বনৰৌ, গিবন, কেংগাৰুৰ চোৰাং সৰবৰাহকাৰী চক্ৰ ধৰা পৰাত বন্যপ্ৰাণীৰ চোৰাং সৰবৰাহৰ অন্তঃৰাষ্ট্ৰীয় চক্ৰ যে সক্ৰিয় হৈ আছে সেই কথা নিশ্চিতভাৱে ক'ব পাৰি। বনৰৌ এক বিলুপ্তপ্ৰায় দুষ্প্ৰাপ্য প্ৰাণী; কিন্তু ৰৌ মাছৰ বাকলিৰ দৰে ইয়াৰ ছাল আন্তঃৰাষ্ট্ৰীয় বজাৰত কোটি টকা হয়গৈ। সেয়ে এই বিৰল প্ৰজাতিৰ প্ৰাণীবিধৰ চোৰাং সৰবৰাহ আটাইতকৈ বেছি বুলি প্ৰকাশ পাইছে। অসম এনে এখন সম্পদশালী ৰাজ্য, য'ত সৰ্বাধিক সংখ্যক দুষ্প্ৰাপ্য প্ৰাণী আছে। বনৰৌ, লাজুকী বান্দৰ, সোণালী বান্দৰ, হলৌ বান্দৰ, ঢেঁকীয়াপতীয়া বাঘ, এক খৰ্গৰ গঁড়, এছিয়ান হাতীৰ পৰা আৰম্ভ কৰি অতি ক্ষুদ্ৰতম গাহৰি আৰু বিনন্দীয়া পক্ষীলৈকে বহু দুষ্প্ৰাপ্য প্ৰজাতিৰ প্ৰাণীৰ আশ্ৰয়স্থলী এই অসম। এয়া হ'ল অসমৰ জৈৱ- বৈচিত্ৰ্যৰ নিৰ্দশন। এসময়ত যে অসম অৰণ্যৰে সেউজীয়া হৈ আছিল তাৰেই প্ৰমাণ পোৱা যায় অসমৰ জৈৱ-বৈচিত্ৰ্যৰ মাজত। কিয়নো বৰ্ষাৰণ্যকে ধৰি ঘন বনাঞ্চল, জলাশয় আদিৰ অভাৱ হ'লে জৈৱ-বৈচিত্ৰ্য সুৰক্ষিত হ'ব নোৱাৰে; কিন্তু বৰ্তমান বৈধ-অবৈধ ব্যাপক খনন কাৰ্য, অৰণ্য ধ্বংস, ঔদ্যোগিক বিকাশ, অবৈধ নিৰ্মাণ আদিৰ ফলত অসমৰ অৰণ্য, অসমৰ জলাশয়সমূহ নিঃশেষ হ'বলৈ ধৰিছে। অসম এতিয়া চোৰাং বন্যপ্ৰাণীৰ সৰবৰাহৰ ক'ৰিডৰত পৰিণত হৈছে। ৰাজ্যখনৰ বন তথা প্ৰাকৃতিক পৰিৱেশ ধ্বংসৰ লগে লগে জৈৱ-বৈচিত্ৰ্যও ধ্বংস হৈছে। অসমৰ বহুবিধ বিৰল প্ৰজাতিৰ বন্য জীৱ-জন্তু বিলুপ্তিৰ দিশে আগবাঢ়িছে। বন্যপ্ৰাণীৰ চোৰাং সৰবৰাহো ইয়াৰ অন্যতম প্ৰধান কাৰণ।

## খোলা মঞ্চ

### এবাৰ মন্ত্ৰীৰ গাদীত বহিলে....



**ভাৰতবৰ্ষই** স্বাধীনতা লাভ কৰিবলৈ অনেক ত্যাগ স্বীকাৰ কৰি সেই সময়ৰ নেতাসকলে জনগণক উৎসাহিত কৰি স্বাধীনতাৰ যুঁজত জয়লাভ কৰিছিল। পঞ্চবাৰ্ষিক পৰিকল্পনাৰে দেশখনক সেউজ বিপ্লৱ, দুগ্ধ বিপ্লৱ আৰু উদ্যোগীকৰণৰ জৰিয়তে স্বনিৰ্ভৰশীল কৰিবলৈ নিঃস্বাৰ্থভাৱে নানান কৌশল অৱলম্বন কৰিছিল। সেউজ বিপ্লৱৰ জৰিয়তে জনগণক আধুনিক যন্ত্ৰপাতিৰ সহায়ত কৃষি-কাৰ্যত উৎপাদন বৃদ্ধিৰ দিশে অগ্ৰসৰ হ'বলৈ প্ৰেৰণা যোগাইছিল। আনহাতে দুগ্ধ বিপ্লৱৰ জৰিয়তে গো-পালনৰ দ্বাৰা গাখীৰ উৎপাদনৰ ক্ষেত্ৰত স্বাৱলম্বী হ'বলৈ উৎসাহিত কৰিছিল। ইয়াৰ সমানে উদ্যোগীকৰণৰ জৰিয়তে স্বদেশত সম্ভৱপৰ সকলো ধৰণৰ উদ্যোগত প্ৰয়োজনীয় সা-সঁজুলি নিৰ্মাণৰ বাবে দেশৰ চুকে-কোণে উদ্যোগপাম গঢ়ি দেশখনক শিল্প আৰু উদ্যোগৰ ক্ষেত্ৰত আত্মনিৰ্ভৰশীল হ'বলৈ আগুৱাই নিছিল। লাল বাহাদুৰ শাস্ত্ৰীৰ দৰে প্ৰধানমন্ত্ৰীয়ে 'জয় জোৱান, জয় কিষাণ' ধ্বনিৰে দেশৰ যুৱশক্তিক ভাৰতীয় সেনাত যোগদান কৰিবলৈ আৰু কৃষি বিপ্লৱত যোগ দি দেশখনক কৃষিক্ষেত্ৰত স্ব-নিৰ্ভৰশীল হ'বলৈ মনে-প্ৰাণে উঠি-পৰি লাগিছিল।

সেই সময়ত প্ৰায়সকল মন্ত্ৰীয়ে সেৱাৰ মনোভাৱেৰে ৰাজনীতিত যোগদান দিছিল। শৰৎ সিংহৰ নাম সৰ্বপ্ৰথমে স্মৰণীয়; কিন্তু লাহে লাহে ৰাজনীতিক অনেক ৰাজনীতিবিদে ব্যৱসায় হিচাপে চাবলৈ আৰম্ভ কৰিলে। জনগণ আৰু দেশৰ উন্নতিৰ কথা পাছলৈ থৈ নিজৰ পৰিয়ালৰ তথা অঙহী বঙহীৰ উন্নতিৰ হকে কাম কৰিবলৈ হাতে-কামে উঠি-পৰি লাগিল। ঠিক সেই সময়ৰ পৰাই ৰাজনীতিত ক্ৰমান্বয়ে দুৰ্নীতিয়ে পুলি-পোখা মেলিবলৈ ধৰিলে।

ইয়াৰ পাছত মন্ত্ৰী-বিধায়কসকলে আইন প্ৰণয়ন কৰি নিজৰ বাবে উচ্চ হাৰত দৰমহা আৰু পেন্সৰ ব্যৱস্থা কৰিলে। একো একোজন চাকৰিয়ালে নিৰ্দিষ্ট বছৰলৈ চাকৰি কৰিলে পেন্সন পাবলৈ সক্ষম হয়; কিন্তু মন্ত্ৰী-বিধায়কসকলে মাথোঁ পাঁচটা বছৰ গাদীত বহিব পাৰিলেই পেন্সনৰ সকলো সা-সুবিধা লাভ কৰিবলৈ ধৰিলে। এইবোৰ দেখি-শুনি অনেকেই ৰাজনীতিৰ ক্ষেত্ৰখনলৈ ঢাপলি মেলিবলৈ ধৰিলে আৰু যেনে-তেনে প্ৰকাৰেণ মন্ত্ৰী হ'বলৈ যুদ্ধক্ষেত্ৰত নামি পৰিল। মন্ত্ৰীৰ হোৱাৰ পাছত আঁচনিৰ ধন, কাৰোবাক চাকৰি দিয়াৰ নামত ধন সৰকোৱা খবৰবোৰ ছপা মাধ্যম আৰু বৈদ্যুতিন মাধ্যমত নিতৌ ৰাইজে পাবলৈ ধৰিলে।


২০১৪ত নৰেন্দ্ৰ মোদী দেশৰ শাসনভাৰ লোৱাৰ পাছত দুৰ্নীতিগ্ৰস্ত মন্ত্ৰী, বিধায়ক, নেতা, পালিনেতাসকলক কেন্দ্ৰীয় অন্বেষণ ব্যুৰ', আয়কৰ বিভাগ ইত্যাদিৰ দ্বাৰা হাতোৱা চেপা প্ৰয়োগ কৰি অনেকখিনি কৰায়ত্ত, বাজেয়াপ্ত কৰি দুৰ্নীতিৰ প্ৰতি এটা ভয় সুমুৱাই দিবলৈ অহৰ্নিশো প্ৰচেষ্টা চলাই থকা পৰিলক্ষিত হৈছে। বৰ্তমান সময়ত আমাৰ দেশৰ সৰহসংখ্যকৰ দেহৰ ৰন্ধ্ৰে ৰন্ধ্ৰে নিগৰিত হ'বলৈ লোৱা যেন অনুভৱ হৈছে। কোনোবাই নাখালেও খুৱাই দিয়া, কোনোবাই নল'লেও জোৰ কৰি দিয়া অনেক উদাহৰণ সকলোৱে নিশ্চয়কৈ পাইছো। সেয়েহে মন্ত্ৰীৰ গাদীত বহিলে চৈধ্য পুৰুষলৈ ধনৰ চিন্তা নাই।

**আৰ্চি নাথ,** *লেখক*

## ৰজাই ভাল পালে সকলো পায় আৰু ৰজাই বেয়া পালে সকলো যায়

# আশীৰ্বাদ-অভিশাপৰ তাৎপৰ্য প্ৰাচীন আৰু আধুনিক যুগৰ

**দৃষ্টিপাত**



**ড° খৰ্গেশ্বৰ ভূঞা**



ক্ষমতাৰ পৰিপ্ৰেক্ষিতত আগৰ দিনৰ ৰজা-মহাৰজাৰ লগত আজি-কালিৰ মন্ত্ৰীসকলক তুলনা কৰিব পাৰি। ৰজাসকলৰ ক্ষমতাৰ আধাৰত বিভিন্ন পৰ্যায় আছিল, যেনে— ৰজা, মহাৰজা, সামন্ত, ৰাজচক্ৰৱৰ্তী, সম্ৰাট ইত্যাদি; আজি-কালিৰ মন্ত্ৰীৰো পৰ্যায় থাকে, প্ৰধানমন্ত্ৰী, মুখ্যমন্ত্ৰী, কেবিনেট মন্ত্ৰী, ৰাজ্যিক মন্ত্ৰী আদিৰ লগতে অত্যাধুনিক কালত মন্ত্ৰীৰ ক্ষমতাৰে বিভিন্ন পদবীৰো সৃষ্টি কৰা হৈছে। একে পৰ্যায়ৰ মন্ত্ৰীসকলৰ ভিতৰতে কিছুমান বেছি ক্ষমতাশালী, [illegible] দৰে। এইবোৰ ক্ষমতা নিৰ্ভৰ কৰে কোনজন প্ৰধানমন্ত্ৰী বা মুখ্যমন্ত্ৰীৰ বেছি ওচৰ চপা তাৰ আধাৰত।

আগৰ দিনত 'ৰজাই ভাল পায় যাক, হাতী-ঘোঁৰাও নালাগে তাক'— বোলাৰ বিপৰীতে মনু মহাৰাজে কৈ থৈ গৈছে— 'জুইতকৈও ৰজাৰ ক্ষমতা বেছি, কাৰণ যি মানুহ ভুলতে অগ্নিত পৰে, অগ্নিয়ে মাথোঁ তেওঁকেই পোৰে, আনহাতে, ৰজা যদি কাৰোবাৰ ওপৰত ক্ষুব্ধ হয়, তেনেহ'লে সেইজনতো ভস্ম হয়েই, মানুহজনৰ পৰিয়াল, আত্মীয়-স্বজন আদি সকলোৱেই ৰজাৰ ক্ৰোধৰ অগ্নিত পুৰি ছাই হৈ যাব লাগে।' ৰজাই ভাল পালে সকলো পায় আৰু ৰজাই বেয়া পালে সকলো যায়— এই মৌলিক সত্যটোৰ আধাৰতেই প্ৰাচীন কালৰ আশীৰ্বাদ-অভিশাপবোৰৰ তাৎপৰ্য বুজি পাব পাৰি। আশীৰ্বাদ-অভিশাপ— কোনো অলৌকিক ঘটনা নহয়, বাস্তৱত ঘটা ঘটনা। ৰজা-মহাৰজাক বিভিন্ন কাৰ্যৰে সন্তুষ্ট কৰিব পাৰি, কাৰ্যবোৰৰ সাধাৰণ নাম হ'ল 'স্তুতি' অৰ্থাৎ তোষামোদ কৰাৰ দৰে কাম। দেৱ-দেৱী, ঈশ্বৰ আদিকো এই স্তুতিৰেই সন্তুষ্ট কৰিবলৈ চেষ্টা কৰা হয়, উদ্দেশ্য হ'ল কিবা-কিবি পোৱাৰ, 'কিবাকিবি'বোৰ পাৰ্থিৱ সম্পদো হ'ব পাৰে বা 'মোক্ষ' চিন্তাও হ'ব পাৰে। ৰজাকো তোষামোদেৰে সন্তুষ্ট কৰিব পাৰিলে আশীৰ্বাদৰ নামত ঢেৰ কিবাকিবি পোৱা যায়— অৱশ্যে এই ক্ষেত্ৰত ধন-সম্পদ, মাটি-বাৰী, স্বামী বা স্ত্ৰী, ক্ষমতা ইত্যাদি। আনহাতে, ৰজা কেনেবাকৈ অসন্তুষ্ট হ'লে 'অভিশাপ' বৰ্ষিত হয়, যেনে— ৰজাই 'ভস্ম হ' বুলিলে তেওঁ নিজৰ সৈন্য বা ৰক্ষীৰ হতুৱাই সঁচাকৈয়ে জ্বলাই পেলায়। তাৰ মাজতে ৰূপকৰ আৱৰণেৰে আবৃত কৰা কিছুমান অভিশাপ-আশীৰ্বাদ আছে, যিবোৰক ওপৰে ওপৰে চালে অলৌকিক যেনেই লাগিব, যেনে— সৎ পুত্ৰৰ জননী হোৱা, শাম্বৰ পেটত হোৱা মুষলে যদুবংশ ধ্বংস কৰা বা পৰীক্ষিতক তক্ষকে দংশন কৰা ধৰণৰ অভিশাপৰ অৰ্থৰ বাবে বেলেগ ব্যাখ্যাৰ প্ৰয়োজন আছে।

ৰজাৰ হাতত ক্ষমতা থাকে, এই ক্ষমতা কেৱল শাৰীৰিক নহয়, কাৰ্য কৰাৰ এই ক্ষমতা বিশেষভাৱে অৰ্জন কৰা হয়। আশীৰ্বাদ অৰ্থাৎ উপহাৰ বা তেনে ধৰণৰ প্ৰাপ্তি। সেইদৰে অভিশাপ অৰ্থাৎ বিভিন্ন ধৰণৰ শাস্তি প্ৰদানৰ কামবোৰ নিজে নকৰে, আদেশ দি আনৰ হতুৱাই কৰায়। আদেশ দি অন্যৰ হতুৱাই কাম কৰাব পৰাটোৱেই হৈছে বিশেষ ক্ষমতা। সাধাৰণতে দেখা যায় যে ৰজাই অভিশাপ-আশীৰ্বাদবোৰ পোনপতীয়াকৈ নিদিয়ে, দানেই হওক বা শাস্তিয়েই হওক— সকলোবোৰ প্ৰত্যক্ষভাৱেই দিয়ে। তাৰ মাজতে ৰজাই আশীৰ্বাদ-অভিশাপ দিয়াৰ উদাহৰণো অৱশ্যেই আছে; যেনে ক্ৰোধৰ প্ৰতিমূৰ্তি দুৰ্বাসা মুনিয়ে ৰজা অম্বৰীশক অভিশাপ দিওঁতে ৰজাইও ওলোটাই শাপ দি মুনিক নগুৰ-নাগতি কৰিছিল, সেইদৰে পৌষ্য ৰজাই উতংক মুনিক অভিশাপ দিছিল নিৰ্বংশ হ'বলৈ ইত্যাদি।

সচৰাচৰ শাস্ত্ৰবোৰত আশীৰ্বাদ-অভিশাপৰ কামবোৰ কৰে ঋষি-মুনিয়ে। এওঁলোকে ঐশ্বৰিক শক্তি লাভ কৰে, তপস্যাৰ যোগেদি আৰু এই শক্তিৰে অভিশাপ-আশীৰ্বাদবোৰ দিয়ে। তপস্যাৰ তাৎপৰ্য আগতেও ব্যাখ্যা কৰা হৈছিল। তপস্যা মানে একোটা বিশেষ উদ্দেশ্য সাধনৰ বাবে সৰ্বশক্তি প্ৰয়োগ কৰি বাহিৰা চিন্তা-ভাৱনাৰ পৰা মুক্ত হৈ একাগ্ৰমনে কামটো সফল কৰিবলৈ চেষ্টা কৰাটো বুজায়। 'ছাত্ৰানাম্ অধ্যয়নং তপঃ' এই বাক্যৰে তপস্যাৰ তাৎপৰ্য শাস্ত্ৰই দি থৈ গৈছে। তপস্যাৰ বাবে নিৰ্জন অৰণ্যলৈ গৈ গছৰ তলত বহি গাত উঁই হাফলু তুলি 'ৰাম ৰাম' কৰি থাকিব নালাগে, বৰঞ্চ কাম একোটা সম্পন্ন কৰিবৰ বাবে যি যি কৰাৰ দৰকাৰ তাকে একাগ্ৰমনে সেইবোৰ কৰিব লাগে। ছাত্ৰই অধ্যয়ন কৰাটোৱেই তপস্যা। এই তপস্যাৰ যোগেদি কেনেকৈ আচৰিত যেন লগা শক্তি লাভ কৰিব পাৰি, সেয়া প্ৰাচীন কালতকৈ আধুনিক উদাহৰণ বেছি সহজবোধ্য হ'ব। যেনে এজন ল'ৰা বা এজনী ছোৱালীয়ে একমনে কষ্ট কৰি পঢ়া-শুনা কৰিলে আৰু আই এ এছ বিষয়া হ'ল। তেনে বিষয়া অধ্যয়নৰ তপস্যাৰ যোগেদি হোৱাৰ ফলত তেওঁৰ দেহত হাতীৰ বল-শক্তি হোৱা নাই; কিন্তু এনে এবিধ ক্ষমতা পালে সিহঁতৰ যোগেদি তেওঁ ধন-সম্পদতো লাভ কৰিবই, অন্যৰ ওপৰত ক্ষমতা প্ৰয়োগ কৰাৰো সামৰ্থ্য লাভ কৰিব পাৰিব। আদালতৰ বিচাৰকৰ আসনখনৰ ক্ষমতা ইমানেই যে দৰকাৰ পৰিলে আসনত থকাজনে মানুহক মৃত্যুদণ্ডও দিব পাৰে।

প্ৰশাসনিক ক্ষমতাতকৈ আজি-কালি ৰাজনৈতিক ক্ষমতাৰ জোৰ বেছি। দুই-এজনে ঘটনা চক্ৰত (যেনে অগপৰজন) মুখ্যমন্ত্ৰী বা অন্য মন্ত্ৰী হ'লেও বাকীসকলৰ বেছিভাগেই পদটোৰ বাবে যথেষ্ট 'তপস্যা' কৰিবলগীয়া হৈছে। বৰ্তমানৰ মুখ্যমন্ত্ৰীজনাৰ ক্ষেত্ৰতো তপস্যাৰ কাল ৩০ বছৰমান আছিল বুলিব পাৰি। এই তপস্যাৰে পোৱা তেওঁৰ ক্ষমতাৰ কোব এতিয়া ৰাইজে দেখিবলৈ পাইছেই। আশীৰ্বাদৰ ৰূপত কাৰোবাক মন্ত্ৰীৰ দৰে ক্ষমতা থকা উপদেষ্টা যেনেকৈ মুখ্যমন্ত্ৰীয়ে কৰিব পাৰে, তেনেকৈ অভিশাপৰ ৰূপত ভুৱা বা সামান্য অপৰাধতে কাৰোবাক গুৰুদণ্ড দিয়াব পাৰে। পুৰণি কালতো ৰজা হোৱাসকল সাধাৰণতে ক্ষত্ৰিয় ধৰ্ম সম্পাদনাত তপস্যা কৰা ব্যক্তি আছিল। 'তপস্যা'ৰ যোগেদি পোৱা তপঃশক্তিক পাৰ্থিৱ সম্পদ প্ৰাপ্তি বা সুখৰ জীৱন যাপন কৰিবলৈ দিয়াত বাধা আৰোপ কৰিছিল প্ৰকৃত ঋষি-মুনিয়ে। তপস্যাৰ শক্তিৰ অপ-ব্যৱহাৰ কৰা দুৰ্বাসাক ৰজা অম্বৰীশে এসেকা দিয়াৰ কথা আগতে উল্লেখ কৰা হৈছে। এতিয়াও মন্ত্ৰী, বিষয়া, মুখ্যমন্ত্ৰী, প্ৰধানমন্ত্ৰী আদিয়ে সকলো কৰিব পৰা বুলি অতপালি কৰিলে দুৰ্বাসাৰ দৰে অৱস্থা হোৱাৰ সম্ভাৱনাই বেছি, অৰ্থাৎ সেইবোৰ পদ সোনকালেই হেৰুৱাব।

অভিশাপ-আশীৰ্বাদ দিয়াত আগৰণুৱা ঋষি-মুনিৰ ৰজাৰ দৰে ক্ষমতা নাথাকিলেও সেইবোৰ কেনেকৈ বাস্তৱায়িত কৰে, সেই প্ৰশ্ন উঠিবই পাৰে। একাংশ ঋষি-মুনি অতিকৈ জ্ঞানী হৈ পৰে তপস্যা কৰি, অৰ্থাৎ নিৰ্জনত চিন্তা কৰি, দেশ-বিদেশ ভ্ৰমি, বিভিন্ন ধৰণৰ মানুহৰ সংস্পৰ্শলৈ আহি। এনে ঋষি-মুনি গুণ-কৰ্মৰ আধাৰত 'ব্ৰাহ্মণ' হৈ পৰে আৰু এওঁলোকৰ দিহা-পৰামৰ্শ ৰজাৰ বাবে অতি মূল্যবান হয়। গতিকে ৰজা-মহাৰজাই এনে ব্ৰাহ্মণক বাৰুকৈয়ে সমীহ কৰে। দীঘলীয়া কাল জুৰি লিখা শাস্ত্ৰই কৈছে যে যি দেশত ক্ষত্ৰিয় আৰু ব্ৰাহ্মণ একাত্ম হৈ পৰে সেই দেশৰ সমৃদ্ধি অতুলনীয়। কৃষ্ণ, যুধিষ্ঠিৰ আদিৰ ব্ৰাহ্মণ ভক্তিৰ কথা উচ্চ স্বৰে কীৰ্তিও হৈছে। যিসকল ঋষিৰ ৰাজনৈতিক জ্ঞান তুংগত, তেওঁলোকৰ পৰা ৰজাই যথেষ্ট সহায় পায়। এনে ঋষিয়ে ৰজাৰ শক্তি প্ৰয়োগ কৰি যিকোনো কাম কৰাব পাৰে, অৰ্থাৎ এইসকলে তথাকথিত তপঃশক্তিৰে আশীৰ্বাদ অভিশাপ দি ফুৰিব পাৰে। আশীৰ্বাদৰ যোগেদি ৰজাৰ হতুৱাই যেনেকৈ কাৰোবাক সম্পদ দিব পাৰে, তেনেকৈ ৰজাৰ যোগেদিয়েই কাৰোবাৰ অনিষ্টও কৰিব পাৰে অভিশাপৰ ৰূপত। কিছুমান ঋষিৰ সন্ত্ৰাসবাদী কাৰ্য কৰিব পৰা শিষ্যৰ দল থাকে, দুৰ্বাসা মুনিৰ তেনে ১০ হেজাৰ শিষ্য আছিল; এনে শিষ্যৰ সহায়ত ঋষিয়ে অভিশাপৰ ৰূপত শাস্তি প্ৰদান কৰি ফুৰিছিল সাধাৰণ দোষতে।

আজি-কালি উপদেষ্টা আৰু আন নামত মন্ত্ৰীৰূপী ৰজাসকলৰ কিছুমান মন্ত্ৰণাদাতা থাকে। আগৰ দিনত এই কাম কৰিছিল ঋষি-মুনিয়ে আৰু আজি কালি এনে ভূমিকা লয় তথাকথিত বুদ্ধিজীৱীসকলে। ৰজাক দৰকাৰী পৰামৰ্শ দিয়াৰ বিনিময়ত কেৱল প্ৰজাৰহে হিত বিচৰা এচাম ঋষি-মুনি প্ৰাচীন কালত যেনেকৈ আছিল, তেনেকৈ কেৱল নিজৰ উন্নতি বিচৰা আন এচাম পৰামৰ্শদাতাও আছিল, যিসকলে তোষামোদকাৰী বা তেল মাৰোতা বুলিলেহে বেছি খাপ খায়। অৱস্থাটো আজি-কালিও একে; মন্ত্ৰীৰূপী ৰজাৰ সোঁহাত-বাওঁহাত হৈ থাকিব খোজা এচামৰ আজিও অভাৱ নাই, যিসকলৰ একমাত্ৰ উদ্দেশ্য হ'ল— মন্ত্ৰীৰ ক্ষমতাৰ এৰেহা লৈ নিজৰ গা টনকিয়াল কৰা আৰু পাৰিলে নিজে শত্ৰু বুলি ভবাসকলক এসেকা দিয়া। ৰজা বা মন্ত্ৰীক সুপৰামৰ্শ

> **তপস্যাৰ বাবে নিৰ্জন অৰণ্যলৈ গৈ গছৰ তলত বহি গাত উঁই হাফলু তুলি 'ৰাম ৰাম' কৰি থাকিব নালাগে, বৰঞ্চ কাম একোটা সম্পন্ন কৰিবৰ বাবে যি যি কৰাৰ দৰকাৰ তাকে একাগ্ৰমনে সেইবোৰ কৰিব লাগে**

দিয়াসকলে কিবা বেয়া দেখিলে ৰজা/মন্ত্ৰীক সমালোচনা কৰিবলৈ সংকোচ নকৰে। আনহাতে কেৱল নিজৰ উন্নতি বিচৰা পৰামৰ্শদাতাই ৰজা/মুখ্যমন্ত্ৰী/প্ৰধানমন্ত্ৰীক কেতিয়াও সমালোচনা নকৰে, কেৱল তোষামোদতেই ব্যস্ত থাকে। শাসক যেতিয়া স্বেচ্ছাচাৰী হয়, তেতিয়া কাৰো পৰা সমালোচনা শুনিব নোখোজা হয়। তেনে শাসকে সদায় নিজৰটোকে শুদ্ধ আৰু নিজে কৰাখিনিয়েই কৰিবলগীয়া কাম বুলি ভাবে; কোনোবাই বেয়াকৈ কিবা ক'লে কওঁতাজনৰ ওপৰত অভিশাপৰ ৰূপত বিষম শাস্তি নামি আহে, এনে শাস্তি ভাতে মৰা বা শাৰীৰিক বা আন ধৰণৰো হ'ব পাৰে।

শাসক স্বেচ্ছাচাৰী হ'লে তোষামোদকাৰী তথাকথিত মন্ত্ৰণাদাতাৰ সুদিন আহে। তেওঁলোকে শাসকক যিমান পাৰে প্ৰশংসা কৰিবলৈ লয়, তেনে প্ৰশংসা বা স্তুতি বাক্যত প্ৰসন্ন হৈ শাসকেও তেওঁলোকৰ গুণ গাই প্ৰশ্ৰয় দিয়ে। এনে তোষামোদকাৰীৰ প্ৰশংসাই এসময়ত ৰজাকো ভাবিবলৈ বাধ্য কৰায় যে তেওঁৰ স্বেচ্ছাচাৰিতাক প্ৰজাই ভাল বুলি ভাবিছে, কাৰণ তোষামোদকাৰীসকলৰ সমাজত কিছু হ'লেও নাম থাকে। কোনোবাই ভাল গান গায়, কোনোবা অভিনেতা হিচাপে বিখ্যাত, কোনোবা ভাল শিক্ষক, অধ্যাপক ইত্যাদি। প্ৰাচীন কালৰ এই ধৰণটো আছিল ৰজা আৰু ব্ৰাহ্মণৰ মাজত। ৰজাই কয়— 'ব্ৰাহ্মণ হৈছে সমাজৰ শ্ৰেষ্ঠ লোক, তেওঁলোক সকলো সন্মান পাবৰ যোগ্য, তেওঁলোকে যি কয় সেয়াই শিলৰ ৰেখা।' আনহাতে, ব্ৰাহ্মণে কয়— 'ৰজাৰ সেৱা কৰা, কাৰণ ৰজা মানুহ নহয়, দেৱতা। মৰ্যাদা, টকা-পইচা, শৰীৰ যি আছে সকলো দি ৰজাৰ সেৱা কৰা; কিন্তু খবৰদাৰ ৰজাৰ বিৰোধিতা নকৰিবা, কৰিলে সৰ্বনাশ হ'ব।'

শাস্ত্ৰৰ মতে এয়া হৈছে 'পাৰস্পৰিক পৃষ্ঠ-কণ্ডুয়ন', অৰ্থাৎ পিঠি খজুৱাই দিয়া, এই কাৰ্যক কোৱা হৈছে 'সংসৃষ্টি'— অসমীয়াত সনা-পোতোকা বা পাৰস্পৰিক তোষামোদ। এনে ঘটনাক লৈ এটা প্ৰাচীন সাধু আছে।

পশুৰ মাজত নানা ৰোমাঞ্চ দেখি উটবোৰৰ মন গ'ল বিয়া পতাৰ, সিহঁতৰ কইনাবোৰ হ'ল মঞ্জৰীবিহীন মৰুভূমিৰ লতাসদৃশ উটিনীবোৰ। বিয়াৰ সময়ত ৰোমাঞ্চ বঢ়াবলৈ সিহঁতে গান-বাজনাৰ আয়োজন কৰিলে। এই অনুষ্ঠানৰ বাবে গাধতকৈ ভাল গায়ক হ'বই নোৱাৰে। সেই মতে গান গাবলৈ গাধক নিমন্ত্ৰণ কৰা হ'ল। গানৰ মজলিছত গাধসকলে গলা খুলি গান গাব ধৰিলে। উটবোৰ মোহাচ্ছন্ন হৈ পৰিল, সকলোৱে চিঞৰি উঠিল— 'ৱাঃ কি কণ্ঠ! কি সুন্দৰ গান!' হিন্দী চায়ৰী অনুষ্ঠানত বুজা-নুবুজাকৈয়ে 'ৱাঃ ৱাঃ' কৰাৰ দৰে উটৰ প্ৰশংসাই গাধকো পুলকিত কৰিলে। গাধৰ গানৰ বিষয়বস্তু আছিল— 'উটৰ ৰূপবৰ্ণনা।' উটতকৈ ধুনীয়া জীৱ পৃথিৱীতেই নাই— 'কি কুঁজ, কি ঠেং, কি খোজৰ বাহাৰ।' মুঠতে উটৰ সকলোবোৰেই ইমানেই সুন্দৰ যে ইয়াৰ তুলনাই নাই। উটৰ শৰীৰৰ প্ৰশংসাত পঞ্চমুখ হ'ল গাধসকল আৰু গাধৰ গলা আৰু গানৰ মাধুৰ্যৰ বৰ্ণনাত উটসকল যেন পাগল হৈ পৰিল।

প্ৰাচীন কালত ৰজা আৰু মোচাহাবে পৰস্পৰৰ প্ৰশংসাত পঞ্চমুখ হৈছিল। গাধৰ গান আৰু উটৰ ৰূপ কেনে সেয়া ৰাইজে জনাৰ দৰে ৰজা আৰু মোচাহাবৰ বৈশিষ্ট্যও প্ৰজাই জানে। আধুনিক কালতো চৰকাৰৰ কাৰ্যত প্ৰশংসাত পঞ্চমুখ এচাম বুদ্ধিজীৱীক চৰকাৰেও একেদৰেই ওপৰত উঠাই ৰাখে। আধুনিক ৰাজনীতিত অৱশ্যেই ব্যক্তিতকৈ একোটা 'বাদ' বা দৰ্শনৰ বৈশিষ্ট্যই অগ্ৰাধিকাৰ পায়। হিন্দুত্ববাদ, গান্ধীবাদ, মাৰ্ক্সবাদ, জাতীয়তাবাদ, জাতি-মাটি-ভেটি, গৰিবী হটাও ধৰণৰ বাদবোৰৰ শ্ৰেষ্ঠতা প্ৰদৰ্শন কৰা যুক্তিবোৰৰ অৱশ্যেই যথাৰ্থতা আছে। সেয়েহে চৰকাৰৰ 'পৃষ্ঠ কণ্ডুয়ন' কৰিব খোজাসকলৰ বাবে যুক্তিজাল বিস্তাৰ কৰাটো অৱশ্যেই সহজ কথা। গণ্ডগোলটো হ'ল যি বাদৰেই ভক্ত নহওক ব্যক্তি জীৱনত সেই আদৰ্শৰ আধাৰত কাম কৰা নহয়। হিন্দুত্ববাদৰ ন্যায়, ধৰ্ম, বৈৰাগ্য, সত্যতা আদি হিন্দুত্ববাদী নেতাই পালন নকৰাৰ দৰে গান্ধীবাদীয়েও গান্ধীক নামানে। এইবোৰৰ আধাৰত স্বেচ্ছাচাৰী শাসন চলাবলৈ যোৱা শাসকৰো ৰাজত্বকাল চমু হৈ পৰে, কাৰণ 'বাদ'ৰ আৱৰণেৰে ৰাইজক ভুৱা দি থাকিব নোৱাৰি।

*ফোন ঃ ৮১৩৫৮৩৫২১৯*

# অসমত আঞ্চলিকতাবাদৰ প্ৰাসংগিকতা আৰু প্ৰত্যাহ্বান

**অসমত** অৰ্থনৈতিক, সামাজিক, সাংস্কৃতিক তথা ৰাজনৈতিক ক্ষেত্ৰত অসমীয়াৰ প্ৰভুত্ব থকা এখন সমাজ প্ৰতিষ্ঠাৰ বাবে আঞ্চলিকতাবাদী চিন্তাৰ বিকল্প নাই। কোনোবাই স্বীকাৰ কৰক বা নকৰক, এই কথা প্ৰতিজন অসমীয়াই কিন্তু উপলব্ধি কৰে। আজি বিজেপি চৰকাৰ আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই যিমানেই ৰাষ্ট্ৰীয়তাবাদৰ কথা কৈ আঞ্চলিকতাবাদী চিন্তাক অপ্ৰাসংগিক কৰিবলৈ চেষ্টা নকৰক কিয়, ২০১৪ আৰু ২০১৬ত বিজেপিয়ে আঞ্চলিকতাবাদী চিন্তাৰ অভিনয়ৰে অসমত নিৰ্বাচনী বৈতৰণী পাৰ হৈছিল। কংগ্ৰেছ চৰকাৰৰ দিনত বাংলাদেশত ভূমি হস্তান্তৰৰ বিৰুদ্ধে অসম-বাংলাদেশ সীমান্তত গৈ ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰা, বৃহৎ নদীবান্ধৰ বিৰুদ্ধে গেৰুকামুখত বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতিয়ে প্ৰতিবাদী কাৰ্যসূচীত অংশগ্ৰহণ কৰা আৰু সৰ্বানন্দ সোণোৱাল ৰাজ্যিক সভাপতি হৈ থকাৰ সময়ত বিজেপিয়ে ১০ ডিচেম্বৰত জাকজমকতাৰে ছহিদ দিৱস উদ্‌যাপন কৰা কৰ্মসমূহেৰে নিজকে নাটকীয়ভাৱে আঞ্চলিকতাবাদীৰ চিন্তাৰ ৰূপ দি অসমীয়াৰ আস্থা আনিছিল। পৰৱৰ্তী সময়ত ১৯৮৩ৰ পাছত বিজেপিৰ শাসন কালতেই অসমত অসমীয়া জাতিৰ স্বাভিমান আৰু অসমীয়া সত্তাৰ ওপৰত চৰম আক্ৰমণ হৈছে। গতিকে অসমত নাটকীয় নহয় প্ৰকৃত অৰ্থত আঞ্চলিকতাবাদী চিন্তাৰ প্ৰাসংগিকতা আছে আৰু থাকিব।

অসমৰ প্ৰেক্ষাপটত আঞ্চলিকতাবাদী চিন্তা ইমান প্ৰাসংগিক হোৱাৰ পাছতো আজি আঞ্চলিকতাবাদী ৰাজনৈতিক শক্তিৰ উত্থান হোৱা নাই বা প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে কিয়? এই ক্ষেত্ৰত বিভিন্ন কাৰকে ক্ৰিয়া কৰিছে।

প্ৰথম কথা ৰাইজৰ মাজত বিশ্বাসযোগ্য নেতাৰ অভাৱ বা কোনো নেতাই ৰাইজক বিশ্বাস দিয়াব পৰা নাই। অসম আন্দোলনৰ পৰৱৰ্তী সময়ত মানে ১৯৮৫ৰ অগপৰ শাসনৰ পাছৰ পৰাই অসমত আঞ্চলিকতাবাদী নেতাসকলৰ প্ৰতি ৰাইজৰ বিশ্বাস হেৰাই আহিছিল। আঞ্চলিকতাবাদৰ পুনৰ উত্থান কৰিবলৈ হ'লে আঞ্চলিকতাবাদী শিবিৰৰ নেতাই নিজকে আঞ্চলিকতাবাদী বুলি কৈ দায়িত্ব সামৰিলেই নহ'ব। বিভিন্ন সময়ত ৰাজনৈতিক সুবিধাৰ বাবে নিৰাপদ দূৰত্বত থাকিলে নহ'ব। আলফাৰ ভুল নীতি তথা পন্থাক যিদৰে সমালোচনা কৰা হয়, আলফা সদস্যৰ মৃত্যুত শ্ৰদ্ধা জনোৱাৰ সাহসো থাকিব লাগিব। ৰাইজে পতিয়ন যাব লাগিব যে যিকোনো পৰিস্থিতিত এইসকল নেতা খিলঞ্জীয়া অসমীয়াৰ পক্ষত।

দ্বিতীয়, অসমৰ খিলঞ্জীয়া জাতি-জনগোষ্ঠীসমূহক এক কৰি আমি অসমীয়া হ'ব পৰা নাই। অসম আন্দোলনৰ পৰৱৰ্তী সময়ৰ পৰাই অসমৰ খিলঞ্জীয়া জনগোষ্ঠীসমূহৰ মাজত যেন দূৰত্ব বাঢ়ি আহিল, বৰ অসম ভাঙি সাত ভাগ হোৱাৰ দৰে। অসমতো সুকীয়া সুকীয়া ৰাজ্যৰ দাবী উত্থাপন হ'ল। ৰাষ্ট্ৰীয়তাবাদৰ আগ্ৰাসনত ক্ষুদ্ৰ ক্ষুদ্ৰ জনগোষ্ঠীসমূহে নিজৰ স্বকীয়তা হেৰুওৱাৰ উপক্ৰম হ'ল, ফলত তেওঁলোকে অসমীয়া পৰিচয়তকৈ নিজৰ জনগোষ্ঠীয় পৰিচয় ৰক্ষাত গুৰুত্ব আৰোপ কৰিবলৈ ল'লে আৰু এই সুবিধা গ্ৰহণ কৰিলে শাসনলৈ অহা ৰাষ্ট্ৰীয় ৰাজনৈতিক দলসমূহে, সেয়া বিজেপিয়ে হওক বা কংগ্ৰেছেই হওক আৰু বিভাজিত হৈ দুৰ্বল হৈ পৰিল অসমৰ আঞ্চলিকতাবাদী শক্তি। গতিকে এই সময়ত অসমৰ বিভিন্ন খিলঞ্জীয়া জনগোষ্ঠীৰ মাজত বিশ্বাস আৰু সমন্বয়ৰে সকলো জনগোষ্ঠীৰ ভাষা-সংস্কৃতিক আপোন কৰি প্ৰথম চিনাকি খিলঞ্জীয়া অসমীয়া কৰাত আঞ্চলিকতাবাদী নেতাই আন্তৰিকতাৰে পদক্ষেপ ল'ব লাগিব।

অসমীয়া, খিলঞ্জীয়া আৰু অনা-অসমীয়াৰ মাজত স্পষ্ট পাৰ্থক্যৰ অভাৱ। আজি বিভিন্ন ৰাজ্যত যিদৰে খিলঞ্জীয়াসকল স্পষ্ট হৈ আছে অসমত; কিন্তু স্পষ্ট নহয় বা ৰাজনৈতিক নেতাসকলে ভোটৰ অংকত স্পষ্ট নকৰে। আজি অসমীয়াৰ সংজ্ঞাক লৈ বিতৰ্ক হোৱাটো অসমীয়া খিলঞ্জীয়া জাতিৰ প্ৰতি অপমান। নিজকে অসমীয়া পৰিচয় দি সময়ত অসমীয়া ভাষা-সংস্কৃতিক আঘাত কৰাসকলক স্পষ্টভাৱে সমালোচনা কৰাৰ সাহস আঞ্চলিকতাবাদী নেতাই দেখুৱাব পাৰিব লাগিব। স্পষ্ট হ'ব লাগিব আঞ্চলিকতাবাদী নেতাসকল খিলঞ্জীয়া অসমীয়াৰ পক্ষত।

ধৰ্মীয় মেৰু বিভাজনত অসমীয়া হোৱাৰ পৰিৱৰ্তে হিন্দু মুছলিম হোৱাটো অসমৰ আঞ্চলিকতাবাদৰ বাবে বৃহৎ আঘাত। যিদিনাই অসমত খিলঞ্জীয়া হিন্দু আৰু মুছলিম অসমীয়া হ'ব, সেইদিনাই অসমত অসমীয়াৰ প্ৰভুত্ব ৰক্ষা হ'ব আৰু আঞ্চলিকতাবাদ শক্তিশালী হ'ব। সেই ৰাষ্ট্ৰীয় ৰাজনৈতিক দলৰ কোনোৱে মুছলিম তোষামোদ কৰি আৰু কোনোৱে উগ্ৰ হিন্দুত্ববাদ কৰি আঞ্চলিকতাবাদ অপ্ৰাসংগিক কৰি তুলিছে। গতিকে আঞ্চলিকতাবাদী নেতাসকলে মুছলিম তোষামোদ আৰু উগ্ৰ হিন্দুত্ব— দুয়োটা অন্তৰৰ পৰা আঁতৰাব লাগিব।

যিমানেই প্ৰত্যাহ্বান নাথাকক কিয়, অসমত আঞ্চলিকতাবাদৰ বিকল্প নাই। আজি আঞ্চলিকতাবাদী শিবিৰৰ নেতাসকলে ঐক্যবদ্ধ হৈ ৰাইজৰ বিশ্বাস ঘূৰাই অসমীয়াক ঐক্যবদ্ধ কৰি ৰাজনৈতিক ক্ষমতা খিলঞ্জীয়া অসমীয়াৰ পক্ষত নানিলে অসমত অসমীয়া জাতি দ্বিতীয় শ্ৰেণীৰ নাগৰিক হৈ থকাই নহয়, হেজাৰ হেজাৰ অসমীয়া ডেকা-গাভৰুৰ আত্মবলিদানৰ পাছতো অসমীয়া জাতি ইতিহাস হৈ পৰিব। ইয়াৰ বাবে আজিৰ আঞ্চলিকতাবাদী শিবিৰৰ নেতাসকলকে ভৱিষ্যতে প্ৰশ্ন কৰিব।

**ভাস্কৰ বৰা**

কামপুৰ, নগাঁও
ফোন ঃ ৯১০১১৭৫৪৯০

# ভ্ৰাম্যমাণ থিয়েটাৰ আৰু লভিতা

**অভিমত**

**নাটক,** চিনেমা, গান আদিৰ প্ৰতি আমাৰ এক বিশেষ অনুৰাগ আছে। সৰুতে দেউতাৰ বোকোচাত উঠি ভ্ৰাম্যমাণ থিয়েটাৰৰ নাটক চাবলৈ যোৱা দিনৰে পৰা আজিলৈ ভ্ৰাম্যমাণ থিয়েটাৰৰ নাটক উপভোগ কৰি আহিছো। ভ্ৰাম্যমাণ থিয়েটাৰৰ মঞ্চত দেখুওৱা সমাজত বা দেশত চলি থকা কিছুমান পৰঘটনা বা জ্বলন্ত সমস্যাৰ নাট্যৰূপে প্ৰতি বছৰে দৰ্শকৰ মন জয় কৰি আহিবলৈ সক্ষম হৈছে।

থিয়েটাৰৰ দৰে আমি ৰেডিঅ'ৰ নাটকৰো নিয়মীয়া শ্ৰোতা বুলিব পাৰি। ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ 'লভিতা', 'ৰূপালীম', 'কাৰেঙৰ লিগিৰী', 'শোণিতকুঁৱৰী', 'নিমাতী কইনা' আদি কালজয়ী নাটসমূহ আকাশবাণী গুৱাহাটীৰ নাট্যানুষ্ঠানত বহুবাৰ শুনিছো। 'নিমাতী কইনা' নাটকখন আমি পঢ়ি থকা সময়ত উচ্চতৰ মাধ্যমিক প্ৰথম বাৰ্ষিকৰ পাঠ্যক্ৰমৰ অন্তৰ্ভুক্ত আছিল। ৰূপকোঁৱৰৰ প্ৰত্যেকখন নাটৰে এক সুকীয়া মাদকতা আছে। নাটসমূহত সন্নিৱিষ্ট কৰা আছে বিশেষ কাব্যিক ৰস আৰু নিভাজ অসমীয়া গীত। যেনে— শোণিত কুঁৱৰীৰ 'ৰূপহ কোঁৱৰৰ চুমা পৰসতে', ৰূপালীমৰ 'জয় আলো কমল', নিমাতী কইনাৰ 'লুইতৰে পানী যাবি ঐ বৈ' আদি। জ্যোতিপ্ৰসাদৰ নাটকত সমসাময়িক অসমৰ সমাজ ব্যৱস্থাৰ ছবি ফুটি উঠে। 'লভিতা' নাটকত পুৰণিকলীয়া চিন্তাধাৰাৰে জৰ্জৰিত সমাজ আৰু দুষ্ট প্ৰকৃতিৰ লোকৰ দ্বাৰা নিপীড়িত লভিতাজনী ধৈৰ্য্যৰ বান্ধ ছিঙি পিছলৈ বিদ্ৰোহী হৈ উঠিছে। ৰূপকোঁৱৰৰ সমসাময়িক দেশৰ যুদ্ধকালীন সমাজ ব্যৱস্থাক প্ৰতিনিধিত্ব কৰা এক নাৰী চৰিত্ৰ হ'ল লভিতা।

বৰ্তমান আৱাহন থিয়েটাৰে ৰূপকোঁৱৰৰ কালজয়ী নাট 'লভিতা'ক বিকৃত ৰূপত মঞ্চস্থ কৰা ঘটনাই অসমৰ বিদ্বৎ মহলক জোকাৰি গৈছে। এই বিতৰ্কই টেলিভিছন ষ্টুডিঅ' আৰু সামাজিক মাধ্যম পাইছেগৈ। এই বিতৰ্কক লৈ সামাজিক মাধ্যমত বিভিন্ন মতামতৰ প্ৰয়োভৰ ঘটিছে। বিতৰ্কত সাঙোৰ খাইছে ভ্ৰাম্যমাণৰ 'লভিতা' আৰু আৱাহন থিয়েটাৰৰ প্ৰযোজক তথা নাটখনৰ মূল চৰিত্ৰত অভিনয় কৰা জনপ্ৰিয় অভিনেত্ৰী প্ৰস্তুতি পৰাশৰৰ নাম। ৰূপকোঁৱৰৰ সৃষ্টিক বৰ্তমানৰ যুৱপ্ৰজন্মৰ মাজলৈ লৈ যোৱাটো প্ৰশংসনীয় কাম যদিও এনে সৃষ্টিক বিকৃত ৰূপ দি আন নাট্যকাৰৰ নামত জনসমাজলৈ লৈ যোৱাটো নিশ্চয় গৰিহণাৰ যোগ্য কাম। এনে ধৰণৰ কাম হাতত লোৱাৰ আগত সকলো দিশ ভাবি গুণি চাই আগবাঢ়িলে এনে ধৰণৰ দুৰ্ভাগ্যজনক বিতৰ্কৰ সূত্ৰপাত নহ'লহেতেন। কেৱল জনপ্ৰিয়তা আৰু আৰ্থিক লাভালাভৰ কথা ভাবি কোনোবাই যদি অসমীয়া সাংস্কৃতিক জগতৰ কাণ্ডাৰী পুৰোধা ৰূপকোঁৱৰৰ অমৰ সৃষ্টিত আচোৰ পেলায় তাক জাতিয়ে ক্ষমা কৰা উচিত নহ'ব। এই ঘটনাৰ পৰা এনে বাৰ্তাৰ সৃষ্টি হওঁক যাতে ভৱিষ্যতে আন কোনেও মহান সৃষ্টিসমূহত আচোৰ পেলাবলৈ মৰসাহ নকৰে।


**অসীম কৃষ্ণ মহন্ত,** বৰেৰী, দৰং, ফোন ঃ ৮৬৩৮২০৩৪৯৩.

## ৰাজস্থানত ২০০ সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰিব আপে, শিক্ষা-বিজুলী বিনামূলীয়া



**নিউজ ব্যুৰ', জয়পুৰ, ১৩ অক্টোবৰ ঃ** ৰাজস্থানত অহা বছৰত অনুষ্ঠিত হ'বলগীয়া বিধানসভাৰ নিৰ্বাচনত মুঠ ২০০ সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰিব আম আদমী পাৰ্টি (আপ)য়ে। অৰবিন্দ কেজৰিৱাল নেতৃত্বাধীন দলটোৱে এই কথা ঘোষণা কৰি জনোৱা অনুসৰি ইতিমধ্যে ৰাজস্থান বিধানসভা নিৰ্বাচনৰ বাবে আপে প্ৰস্তুতি আৰম্ভ কৰিছে। ৰাজস্থানৰ নিৰ্বাচনত আপৰ হৈ তাৰকা প্ৰচাৰক হিচাপে অংশ ল'ব দিল্লীৰ মুখ্যমন্ত্ৰী কেজৰিৱালৰ লগতে পঞ্জাৱৰ মুখ্যমন্ত্ৰী ভগৱন্ত মানে। আপৰ বিধায়ক শিৱচৰণ গোৰেলে আজি এই কথা প্ৰকাশ কৰি কয় যে দলটোৱে 'দিল্লী মডেল'ৰ আধাৰত ৰাজস্থানত প্ৰচাৰ চলাব। আপে ৰাজস্থানত চৰকাৰ গঠন কৰিলে দিল্লী আৰু পঞ্জাৱৰ দৰে সকলোকে বিনামূলীয়া শিক্ষা আৰু বিদ্যুতৰ সেৱা আগবঢ়াব বুলি প্ৰতিশ্ৰুতি দিছে।

## পুৰুষ সংগী অবিহনে ছৌদি আৰবত হজত অংশ ল'ব পাৰিব মহিলাই




**নিউজ ব্যুৰ', ৰিয়াদ, ১৩ অক্টোবৰ ঃ** মহিলাৰ সবলীকৰণৰ ক্ষেত্ৰত ছৌদি আৰবৰ চৰকাৰে পুনৰ এক গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিলে। মহিলা গাড়ীচালনাৰ অনুজ্ঞাপত্ৰ আৰু ভোটাধিকাৰ প্ৰদানৰ পাছত এইবাৰ ছৌদি মহিলাই পুৰুষ সংগী অবিহনে হজ বা উমৰাহত অংশ লোৱাৰ অনুমতি লাভ কৰিলে। এতিয়াৰে পৰা ছৌদি মহিলাই 'মেহৰম' অৰ্থাৎ পুৰুষ সংগী অবিহনে হজ যাত্ৰা তথা উমৰাহত অংশ ল'ব পাৰিব। যোৱা সোমবাৰে ৰিয়াদ প্ৰশাসনে এই সিদ্ধান্ত গ্ৰহণ কৰিলে। উল্লেখ্য যে ইমানদিনে মহিলা আৰু শিশুক 'মেহৰম'ৰ সংগীৰ স'তেহে হজ যাত্ৰাৰ অনুমতি দিয়া হৈছে। পূৰ্বে একাংশ ৪৫ বয়সৰ উৰ্দ্ধৰ মহিলাক 'মেহৰম' অবিহনে হজৰ অনুমতি দিয়া হৈছিল যদিও এতিয়াৰে পৰা সকলো মহিলাই পুৰুষ সংগী অবিহনে হজ সম্পন্ন কৰিব পাৰিব।

## আমেৰিকাক সকীয়নি দি দুটাকৈ পাৰমাণৱিক ক্ষেপণাস্ত্ৰৰ পৰীক্ষণ কীমৰ



**নিউজ ব্যুৰ', পিয়ংইয়ং, ১৩ অক্টোবৰ ঃ** গোপনে পাৰমাণৱিক পৰীক্ষাৰ প্ৰস্তুতি চলাইছে উত্তৰ কোৰিয়াই। অলপতে এই আশংকা প্ৰকাশ কৰিছিল আমেৰিকাই। উক্ত আশংকাত সত্য প্ৰমাণিত কৰি এইবাৰ পৰমাণু অস্ত্ৰ বহনক্ষম দুটাকৈ ক্ষেপণাস্ত্ৰৰ উৎক্ষেপণ কৰিলে কীম জং উনৰ নেতৃত্বাধীন উত্তৰ কোৰিয়াই। আজি উত্তৰ কোৰিয়াৰ চৰকাৰী সংবাদ মাধ্যম কে চি এন এয়ে এই কথা প্ৰকাশ কৰি জনোৱা অনুসৰি দেশখনৰ সেনা বাহিনীয়ে দুটাকৈ দীৰ্ঘ দূৰত্বভেদী ষ্ট্ৰেটেজিক ক্ৰুজ ক্ষেপণাস্ত্ৰৰ পৰীক্ষণ সম্পন্ন কৰিলে। উত্তৰ কোৰিয়াৰ কমিউনিষ্ট শাসক কীমৰ উপস্থিতিতে দেশখনে এই পৰীক্ষা চলালে। সমুদ্ৰৰ ওপৰেদি গৈ দুহেজাৰ কিলোমিটাৰ দূৰত্ব ভেদি নিৰ্দিষ্ট লক্ষ্যত সফলতাৰে আঘাত হানিলে পাৰমাণৱিক শক্তি সম্পন্ন ক্ষেপণাস্ত্ৰ দুটাই।

## উত্তৰ প্ৰদেশত বৈদ্যুতিক বাহন ক্ৰয়ত এক লাখ টকালৈকে দিব ৰাজসাহায্য



**নিউজ ব্যুৰ', লক্ষ্ণৌ, ১৩ অক্টোবৰ ঃ** উত্তৰ প্ৰদেশ বৈদ্যুতিক যান বাহন নীতিত অনুমোদন জনালে ৰাজ্যখনৰ যোগী আদিত্যনাথৰ চৰকাৰে। এই নতুন নিয়ম প্ৰৱৰ্তনৰ ফলত এতিয়াৰে পৰা উত্তৰ প্ৰদেশত বৈদ্যুতিক যান-বাহন ক্ৰয় কৰিলে গ্ৰাহকে ৰাজসাহায্যৰ সুবিধা লাভ কৰিব। বৈদ্যুতিক গাড়ী ক্ৰয়ৰ ক্ষেত্ৰত যোগী চৰকাৰে গ্ৰাহকক এক লাখ টকালৈকে ৰাজসাহায্য আগবঢ়াব। তদুপৰি নতুন নীতি প্ৰৱৰ্তনৰ প্ৰথম তিনি বছৰত সকলো ধৰণৰ বৈদ্যুতিক বাহন ক্ৰয়ৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰখনে এশ শতাংশ পথকৰ আৰু পঞ্জীয়ন মাচুল ক্ৰেতাক ৰেহাই দিব। যদি ক্ৰয় কৰা বৈদ্যুতিক বাহন উত্তৰ প্ৰদেশত তৈয়াৰ কৰা, তেন্তে ক্ৰেতাই এই ৰেহাই পাঁচ বছৰলৈকে লাভ কৰিব।

## ৰাষ্ট্ৰসংঘত ইউক্ৰেইনৰ অংশ দখলৰ সন্দৰ্ভত ৰাছিয়া বিৰোধী প্ৰস্তাৱত ভোটদানত বিৰত ভাৰত



**নিউজ ব্যুৰ', ৰাষ্ট্ৰসংঘ, ১৩ অক্টোবৰ ঃ** ৰাষ্ট্ৰসংঘত পুনৰ ৰাছিয়াৰ সমৰ্থনত থিয় দিলে ভাৰতে। ৰুছ বিৰোধী এক প্ৰস্তাৱত ভোটদানৰ পৰা বিৰত থাকিল ভাৰত। ইউক্ৰেইনত গণভোটৰ জৰিয়তে ৰাছিয়াই চাৰিটা অঞ্চল দখল কৰা প্ৰক্ৰিয়া বেআইনী ঘোষণা কৰি ৰাষ্ট্ৰসংঘত এক খচৰা প্ৰস্তাৱ উত্থাপিত হৈছিল। ভাৰতসহ ৩৫ খন দেশে উক্ত প্ৰস্তাৱত ভোটদানৰ পৰা বিৰত থাকে।




## দেশত পুনৰ ক'ভিডৰ সংক্ৰমণ বৃদ্ধি, মৃত্যুও বাঢ়িল

**নিউজ ব্যুৰ' নতুন দিল্লী, ১৩ অক্টোবৰ ঃ** উৎসৱৰ বতৰত দেশৰ ক'ভিড কেন্দ্ৰিক উদ্বেগ আকৌ এবাৰ বৃদ্ধি পালে। যোৱা ২৪ ঘণ্টাত ভাৰতত নতুনকৈ ক'ভিড সংক্ৰমিত হয় ২৭৮৬ জন লোক। বুধবাৰে দেশত দৈনিক আক্ৰান্তৰ সংখ্যা আছিল দুহেজাৰৰ সামান্য অধিক। ইফালে, যোৱা ২৪ ঘণ্টাত এই মাৰাত্মক ভাইৰাছত সংক্ৰমিত হোৱা ১২ জন লোকৰ দেশৰ বিভিন্ন ৰাজ্যত মৃত্যু হ'ল। সম্প্ৰতি ভাৰতত ২৬,৫০৯ জন সক্ৰিয় ক'ভিড ৰোগী আছে।

### একাধিক নিৰ্দেশনা জাৰি নিৰ্বাচন আয়োগৰ ঃ বিদ্যালয়ত সভা বা সমাৰেশ অনুষ্ঠিত কৰাত নিষেধাজ্ঞা

## নিৰ্বাচনৰ প্ৰচাৰত ৰাজনৈতিক দলে বিলাব নোৱাৰিব বস্ত্ৰ

**নিউজ ব্যুৰ' নতুন দিল্লী, ১৩ অক্টোবৰ ঃ** নিৰ্বাচনৰ প্ৰচাৰৰ সময়ত ৰাজনৈতিক দলৰ বাবে মানি চলিবলগা একাধিক নিয়ম নীতি ঘোষণা কৰিলে ভাৰতৰ নিৰ্বাচন আয়োগে। এই নিৰ্দেশনাত আয়োগে উল্লেখ কৰা অনুসৰি নিৰ্বাচনৰ প্ৰচাৰ বা বিজ্ঞাপনৰ বাবে প্ৰতিটো ৰাজনৈতিক দলক সমান সুযোগ-সুবিধা প্ৰদান কৰা হ'ব। ব্যক্তিগত স্থানত বিজ্ঞাপনৰ ক্ষেত্ৰত বিশেষকৈ দেৱাল লিখন, প'ষ্টাৰ অঁৰা প্ৰভৃতিৰ বাবে সংশ্লিষ্ট মালিকৰ অনুমতি ল'ব লাগিব। একেদৰে নিৰ্বাচনৰৰ প্ৰচাৰৰ সময়ত ৰাজনৈতিক দল তথা প্ৰাৰ্থীয়ে ভোটাৰৰ মাজত কোনো ধৰণৰ শাড়ী বা অন্যান্য সাজ-পোছাক বিলাব নোৱাৰিব। তদুপৰি নিৰ্বাচনৰ প্ৰচাৰৰ ক্ষেত্ৰত বিদ্যালয়ত সভা বা সমাৰেশ অনুষ্ঠিত কৰাৰ ক্ষেত্ৰতো নিষেধাজ্ঞা আৰোপ



কৰিলে দেশৰ নিৰ্বাচন আয়োগে। ইতিমধ্যে আয়োগে কেন্দ্ৰীয় মন্ত্ৰীসভাৰ সচিব, প্ৰতিখন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ মুখ্য সচিব আৰু মুখ্য নিৰ্বাচন বিষয়ালৈ এই নিৰ্দেশনা প্ৰেৰণ কৰিলে। সকলো ৰাজনৈতিক দলক এই নিয়ম নীতি মানি চলিবলৈ আয়োগে নিৰ্দেশনা দিছে।

আয়োগে নিৰ্দেশনাত স্পষ্টভাৱে উল্লেখ কৰা অনুসৰি, প'ষ্টাৰ বা দেৱাল লিখনৰ ক্ষেত্ৰত নিৰ্বাচনৰ প্ৰাৰ্থী তথা ৰাজনৈতিক দলে সাম্প্ৰদায়িক সম্প্ৰীতি নষ্ট কৰিব পৰা কোনো কথা উল্লেখ কৰিব নোৱাৰিব। নিৰ্বাচনৰ প্ৰচাৰত প্ৰাৰ্থীয়ে ব্যক্তিগত গাড়ী ব্যৱহাৰ কৰিলে সেই গাড়ীৰ ফ্লেক্স, ষ্টিকাৰ ব্যৱহাৰ কৰিব পাৰিব। অৱশ্যে বাণিজ্যিক গাড়ী প্ৰচাৰত ব্যৱহাৰ কৰিলে ফ্লেক্স, ষ্টিকাৰ ব্যৱহাৰ কৰিব নোৱাৰিব। সকলো গাড়ীতে নিৰ্বাচনী প্ৰচাৰত লাউড স্পীকাৰ ব্যৱহাৰ কৰিব পাৰিব যদিও এই ক্ষেত্ৰত যান-বাহন আইন প্ৰাৰ্থী আৰু দলে মানি চলিব লাগিব।



## ছয় মে'ত অভিষেক হ'ব ব্ৰিটেইনৰ ৰজা তৃতীয় চাৰ্লছৰ

**নিউজ ব্যুৰ' লণ্ডন, ১৩ অক্টোবৰ ঃ** ৰজা হোৱাৰ আঠ মাহ পাছত অহা বছৰৰ ছয় মে'ত ৰাজঅভিষেক হ'ব ব্ৰিটেইনৰ ৰজা তৃতীয় চাৰ্লছৰ। বাকিংহাম প্ৰসাদে এক বিবৃতিৰ জৰিয়তে এই কথা ঘোষণা কৰি জনোৱা অনুসৰি ২০২৩ৰ ছয় মে'ত আনুষ্ঠানিকভাৱে 'কুইন কনছৰ্ট' ঘোষণা কৰা হ'ব চাৰ্লছৰ পত্নী কেমিলাকো। প্ৰায় দুহেজাৰ অতিথিৰ উপস্থিতিত চাৰ্লছৰ এই ৰাজঅভিষেক অনুষ্ঠান আয়োজন কৰা হ'ব।

## জাপৰিজিয়া পাৰমাণৱিক কেন্দ্ৰৰ মুৰব্বীক অপহৰণ ৰাছিয়াৰ ঃ অভিযোগ ইউক্ৰেইনৰ



**নিউজ ব্যুৰ', কীভ, ১৩ অক্টোবৰ ঃ** জাপৰিজিয়া পাৰমাণৱিক শক্তি কেন্দ্ৰৰ মুৰব্বীক অপহৰণ কৰিলে ৰাছিয়াই। ইউক্ৰেইনে ৰাছিয়াৰ বিৰুদ্ধে এই গুৰুতৰ অভিযোগ উত্থাপন কৰি দাবী কৰা অনুসৰি ভালেৰি মাতিন্যুক নামৰ ব্যক্তিজনক ৰুছ সেনাই অপহৰণ কৰি কোনো অজ্ঞাত স্থানত আবদ্ধ কৰি ৰাখিছে। ইউক্ৰেইনৰ এই অভিযোগৰ সন্দৰ্ভত বৰ্তমানলৈকে কোনো প্ৰতিক্ৰিয়া প্ৰকাশ কৰা নাই ৰাছিয়াই বৈদেশিক মন্ত্ৰণালয়ে। উল্লেখ্য যে জাপৰিজিয়া পাৰমাণৱিক শক্তি কেন্দ্ৰটো দখল কৰিবলৈ ৰাছিয়াই চেষ্টা অব্যাহত ৰাখিছে। ইউক্ৰেইনৰ উক্ত পাৰমাণৱিক শক্তি কেন্দ্ৰই প্ৰকাশ কৰা অনুসৰি যোৱা সোমবাৰে ভালেৰিক অপহৰণ কৰা হৈছিল।

## বোৰ্খা পৰিধান কৰিলে ছুইজাৰলেণ্ডত ভৰিব লাগিব ৮০ হেজাৰ টকাৰ জৰিমনা


**নিউজ ব্যুৰ', বাৰ্ন, ১৩ অক্টোবৰ ঃ** মুখমণ্ডল ঢাকি ৰখা পোছাক পৰিধানত নিষেধাজ্ঞা আৰোপ কৰিলে ছুইজাৰলেণ্ড চৰকাৰে। চৰকাৰে এই নিষেধাজ্ঞা ঘোষণা কৰাৰ পূৰ্বে এই বিষয়ত সাধাৰণ জনগণৰ মতামত গ্ৰহণ কৰিছিল। মতামত গ্ৰহণত দেশখনৰ ৫১.২১ শতাংশ নাগৰিকে ৰাজহুৱা স্থানত বোৰ্খা পৰিধানৰ বিৰোধিতাৰে ভোটদান কৰিছিল। ইয়াৰ পাছতে ছুইজাৰলেণ্ড চৰকাৰে ৰাজহুৱা স্থানত বোৰ্খাৰ দৰে মুখমণ্ডল ঢাকি ৰখা পোছাক পৰিধানত নিষেধাজ্ঞা আৰোপ কৰিলে। অৱশ্যে কিছুমান ক্ষেত্ৰত মুখ ঢকা পোছাক পৰিধানৰ বাবে ৰেহাই দিয়া হ'ব। চৰকাৰে ঘোষণা কৰা অনুসৰি স্বাস্থ্যগত, নিৰাপত্তাজনিত, জলবায়ুজনিত, স্থানীয় ৰীতি-নীতি, শৈল্পিক উদ্দেশ্য আৰু বিজ্ঞাপনৰ বাবে মুখ ঢকা পোছাক



পৰিধানৰ অনুমতি দিয়া হ'ব। উল্লেখ্য যে ছুইজাৰলেণ্ডৰ মুখ জনসংখ্যাৰ পাঁচ শতাংশ ইছলাম ধৰ্মী। ৰাজহুৱা স্থানত মুখ ঢকা পোছাক পৰিধান কৰিলে এহেজাৰ ফ্ৰাংক অৰ্থাৎ ভাৰতীয় মুদ্ৰাত ৮০ হেজাৰ টকাৰ জৰিমনা বিহা হ'ব।

## আমেৰিকাত জনপ্ৰিয়তা হ্ৰাস বাইডেন-ট্ৰাম্পৰ ঃ ৬৭ শতাংশই বাইডেনক, ৫৭ শতাংশই ট্ৰাম্পক নিবিচাৰে পুনৰ ৰাষ্ট্ৰপতি

**নিউজ ব্যুৰ' ৱাশ্বিংটন, ১৩ অক্টোবৰ ঃ** আমেৰিকাত অহা আঠ নৱেম্বৰত মধ্যৱৰ্তীকালীন নিৰ্বাচন অনুষ্ঠিত হ'ব। এই নিৰ্বাচনক লৈ ইতিমধ্যে দেশখনৰ ৰাজনীতি উত্তপ্ত হৈছে। এই নিৰ্বাচনক ২০২৪ৰ ৰাষ্ট্ৰপতি নিৰ্বাচনৰ বাবে ছেমি ফাইনেল বিবেচনা কৰা হৈছে। এনে সময়তে আমেৰিকাবাসীৰ মাজত চলোৱা এক সমীক্ষাত বৰ্তমানৰ ৰাষ্ট্ৰপতি জ' বাইডেন আৰু প্ৰাক্তন ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ দ্ৰুত জনপ্ৰিয়তা হ্ৰাসৰ প্ৰমাণ লাভ কৰা হ'ল। ২০২৪ৰ ৰাষ্ট্ৰপতি নিৰ্বাচনত বাইডেন আৰু ট্ৰাম্পৰ পৰিৱৰ্তে তৃতীয় এজন ব্যক্তিকহে বিচাৰিলে আমেৰিকাবাসীয়ে। হাৰ্ভাৰ্ড চি এ পি এ-হেৰিছ সমীক্ষাত ৬৭ শতাংশ অংশগ্ৰহণকাৰীয়ে মত প্ৰকাশ কৰি কয় যে ২০২৪ত নিৰ্বাচনত বাইডেনে প্ৰতিদ্বন্দ্বিতা কৰা অনুচিত। ৩৩ শতাংশই বাইডেনক নিকৃষ্ট ৰাষ্ট্ৰপতি অভিহিত কৰে। ইফালে একেটা সমীক্ষাত ৫৭ শতাংশ লোকে মত প্ৰকাশ কৰি কয় যে ট্ৰাম্পে ২০২৪ৰ ৰাষ্ট্ৰপতিৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিব নালাগে। উল্লেখ্য যে বাইডেন আৰু ট্ৰাম্প উভয়ে দ্বিতীয়বাৰৰ বাবে ৰাষ্ট্ৰপতিৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাৰ বাবে ইচ্ছা ব্যক্ত কৰিছে।



## এবছৰ জম্মুত থাকিলে ভোটাধিকাৰৰ সুযোগ ঃ বিতৰ্কত বাতিল কৰিলে নিৰ্দেশনা

**নিউজ ব্যুৰ', শ্ৰীনগৰ, ১৩ অক্টোবৰ ঃ** জম্মুত এবছৰৰ অধিক সময় ধৰি বসবাস কৰিলে উক্ত ব্যক্তিয়ে লাভ কৰিব নিৰ্বাচনত ভোটাধিকাৰৰ অধিকাৰ। জম্মুৰ উপায়ুক্তই যোৱা মঙলবাৰে এই নিৰ্দেশনা জাৰি কৰিছিল। ইয়াৰ পাছতে জম্মু-কাশ্মীৰৰ বিৰোধী দলসমূহে এই নিৰ্দেশনাৰ তীব্ৰ বিৰোধিতা কৰিছিল। উল্লেখ্য যে যোৱা আগষ্টতে মুখ্য নিৰ্বাচন বিষয়াই এই কথা ঘোষণা কৰিছিল আৰু যোৱা মঙলবাৰে জম্মুৰ উপায়ুক্তই এই সন্দৰ্ভত নিৰ্দেশনা জাৰি কৰিছিল। কিন্তু স্থানীয় প্ৰশাসনৰ এই সিদ্ধান্তৰ বিৰুদ্ধে বিৰোধী দলে ব্যাপক প্ৰতিবাদ



সাব্যস্ত কৰাত অৱশেষত প্ৰশাসনে উক্ত নিৰ্দেশনা প্ৰত্যাহাৰ কৰিলে। আজি জম্মুৰ উপায়ুক্ত অভন্য লাভাচাই মঙলবাৰে জাৰি কৰা উক্ত নিৰ্দেশনা প্ৰত্যাহাৰ কৰাৰ কথা ঘোষণা কৰে।

## হিজাব বিৰোধী আন্দোলনত ইৰানত ১০০ জনৰ বিৰুদ্ধে চৰকাৰৰ গোচৰ




**নিউজ ব্যুৰ', তেহৰান, ১৩ অক্টোবৰ ঃ** ইৰানৰ একাধিক চহৰত বিগত প্ৰায় এমাহ ধৰি অব্যাহত আছে হিজাব বিৰোধী আন্দোলন। হিজাব বাধ্যতামূলক কৰাৰ বিৰোধিতাৰে দেশখনৰ একাংশ নাগৰিকে ৰাজপথত ব্যাপক বিক্ষোভ প্ৰদৰ্শন কৰিছে। প্ৰথমে তেহৰানৰ বিশ্ববিদ্যালয়ত আৰম্ভ হোৱা এই বিক্ষোভে ব্যাপক ৰূপ ধাৰণ কৰিছে। উল্লেখ্য যে মহচা অ'মিনি নামৰ এগৰাকী ২২ বছৰীয়া যুৱতীক বোৰ্খা পৰিধান নকৰাৰ কাৰণত তেহৰান আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছিল আৰু পাছত আৰক্ষীৰ বৰ্বৰ নিৰ্যাতনত যুৱতীৰ মৃত্যু হৈছিল। এই ঘটনাৰ পাছৰে পৰা হিজাবৰ বিৰুদ্ধে দেশখনত আন্দোলন অব্যাহত আছে। চৰকাৰে হিজাব বিৰোধী এই আন্দোলন দমন কৰিবলৈ কঠোৰ পদক্ষেপ গ্ৰহণ কৰিছে। বিগত চাৰি সপ্তাহত কেৱল পশ্চিম ইৰানৰ কুৰ্দিস্তানত সেনা-আৰক্ষীৰ গুলিত প্ৰাণ হেৰুৱালে ৩২ জন বিক্ষোভকাৰীয়ে। আনহাতে, বৰ্তমানলৈকে কমেও ১৫৪০ জন লোক আহত হৈছে। ইৰানৰ আদালতৰ সূত্ৰই জনোৱা অনুসৰি হিজাব বিৰোধী আন্দোলনত কমেও ১০০ জন লোকৰ বিৰুদ্ধে প্ৰশাসনে গোচৰ তৰিছে। কেৱল তেহৰানতে ৬০ জন বিক্ষোভকাৰীৰ বিৰুদ্ধে গোচৰ তৰা হৈছে। হৰমোজগন প্ৰদেশতো আন ৬৫ জনৰ বিৰুদ্ধে হিংসা বিয়পোৱাৰ অভিযোগত বিচাৰ চলোৱা হৈছে।

## ইউক্ৰেইনক নাটোত অন্তৰ্ভুক্ত কৰিলে হ'ব তৃতীয় বিশ্বযুদ্ধ

### পশ্চিম বিশ্বক মুকলি ভাবুকি দিলে ৰাছিয়াই

**নিউজ ব্যুৰ' মস্কো, ১৩ অক্টোবৰ ঃ** ৰাছিয়া আৰু ইউক্ৰেইনৰ মাজত উত্তৰ আটলাণ্টিক চুক্তি সংস্থা (নাটো)ৰ সদস্যভৰ্তিক লৈ সংঘাত আৰু উত্তেজনা অব্যাহত আছে। ৰাছিয়াই এশৰো অধিক ক্ষেপণাস্ত্ৰ আৰু ড্ৰ'নৰে ইউক্ৰেইনক আক্ৰমণ চলোৱাৰ পাছত ইউক্ৰেইনে নাটোত সদস্যভৰ্তিৰ বাবে আবেদন জনালে। কীভে এইদৰে নাটোৰ সদস্যপদৰ বাবে আবেদন জনোৱাৰ পাছতে তৃতীয় বিশ্বযুদ্ধ সৃষ্টিৰ ভাবুকি দিলে মস্কোৱে। ৰাছিয়াই ধমক দি কয় যে যদিহে ইউক্ৰেইনক নাটোৰ সদস্য ৰাষ্ট্ৰৰ স্বীকৃতি দিয়া হয়, তেন্তে তৃতীয় বিশ্বযুদ্ধ হোৱাটো নিশ্চিত। উল্লেখ্য যে কিছুদিন পূৰ্বে ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ পুটিনে ইউক্ৰেইনক পাৰমাণৱিক অস্ত্ৰৰে আক্ৰমণৰ ভাবুকি দিছিল। এইবাৰ ৰাছিয়াৰ নিৰাপত্তা পৰিষদৰ উপসচিব আলেকজেণ্ডাৰ ভেনেদিকট'ভে পশ্চিম বিশ্বক সকীয়নি দি ক'লে



যে ইউক্ৰেইন নাটোৰ সদস্য হ'লে তৃতীয় বিশ্বযুদ্ধ যিকোনো মুহূৰ্ততে আৰম্ভ হ'ব পাৰে। ভেনেদিকট'ভে পশ্চিম বিশ্বক উদ্দেশ্যি কয়, 'ইউক্ৰেইনে এই কথা ভালদৰে জানে যে দেশখনে গ্ৰহণ কৰা এনেধৰণৰ পদক্ষেপৰ পৰিণতিত তৃতীয় বিশ্বযুদ্ধৰ পৰিস্থিতিৰ উদ্ভৱ হ'ব পাৰে। ইউক্ৰেইনক সাহায্য আগবঢ়াই পশ্চিম বিশ্বই এনে এক সংঘৰ্ষৰ পৰিৱেশ সৃষ্টি কৰিব বিচাৰিছে। ইউক্ৰেইন নাটোৰ অন্তৰ্ভুক্ত হ'লে পৰিস্থিতি অধিক অৱনতি হ'ব আৰু যিকোনো মুহূৰ্ততে এই বিশ্বই তৃতীয় মহাযুদ্ধৰ সাক্ষী হ'ব পাৰে।' ৰাছিয়াৰ এনে ভাবুকিৰ পাছতো ইতিমধ্যে নাটোৰ অন্তৰ্ভুক্ত একাধিক দেশে ইউক্ৰেইনক অধিক সামৰিক আৰু প্ৰতিৰক্ষা সহযোগিতা আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি দিলে। আমেৰিকাই ইতিমধ্যে ইউক্ৰেইনক ক্ষেপণাস্ত্ৰ প্ৰতিৰোধী ব্যৱস্থা যোগানৰ প্ৰতিশ্ৰুতি দিছে।

## দলীয় সদস্যৰ ফোন নম্বৰ-ঠিকনাই লাভ কৰা নাই, যোগাযোগ কৰিম কেনেকৈ? থাৰুৰৰ অভিযোগ

**নিউজ ব্যুৰ', নতুন দিল্লী, ১৩ অক্টোবৰ ঃ** অহা ১৭ অক্টোবৰত কংগ্ৰেছৰ সভাপতি পদৰ নিৰ্বাচন অনুষ্ঠিত হ'ব। সভাপতি পদৰ বাবে প্ৰাৰ্থী হিচাপে থিয় দিছে কংগ্ৰেছৰ জ্যেষ্ঠ নেতা মল্লিকাৰ্জুন খাৰ্গে আৰু কংগ্ৰেছ সাংসদ শশী থাৰুৰে। দুই প্ৰাৰ্থীৰ ভিতৰত খাৰ্গে গান্ধী পৰিয়ালৰ অনুগত হিচাপে আৰু থাৰুৰ বিপৰীত শিবিৰৰ প্ৰাৰ্থী হিচাপে পৰিচিত। খাৰ্গে আৰু থাৰুৰ উভয়ে নিজৰ সমৰ্থনত দলীয় নেতা-কৰ্মীৰ মাজত প্ৰচাৰ চলাইছে যদিও কংগ্ৰেছৰ সূত্ৰই দাবী কৰা অনুসৰি সভাপতি পদৰ দৌৰত থাৰুৰতকৈ যথেষ্ট আগবাঢ়ি আছে খাৰ্গে। খাৰ্গেৰ দৰে নিজৰ প্ৰচাৰৰ ক্ষেত্ৰত প্ৰয়োজনীয় সহযোগিতা লাভ



নকৰাৰ অভিযোগ উত্থাপন কৰিলে প্ৰতিদ্বন্দ্বী প্ৰাৰ্থী থাৰুৰে। আজি এখন সংবাদমেলত 'আপুনি নিৰ্বাচনত সমান সুযোগ-সুবিধা লাভ কৰিছে নে কিবা অভিযোগ আছে?' বুলি সাংবাদিকে কৰা এক প্ৰশ্নৰ উত্তৰ দি থাৰুৰে কয়, 'ব্যৱস্থাটোত কিছু দুৰ্বলতা আছে। মই জানো। বিগত ২২ বছৰ ধৰি দলত নিৰ্বাচন অনুষ্ঠিত হোৱা নাই। যোৱা ৩০ ছেপ্টেম্বৰত মই প্ৰথমখন দলৰ সদস্যৰ তালিকা লাভ কৰিছিলো। ইয়াৰ দুসপ্তাহ পাছত মই দ্বিতীয়খন তালিকা পাইছিলো। প্ৰথম তালিকাত সদস্যৰ ফোন নম্বৰ নাছিল। কিছুমানৰ ঠিকনাও নাছিল। তেন্তে মই তেওঁলোকৰ স'তে যোগাযোগ কৰিম কেনেকৈ? তদুপৰি দ্বিতীয়খন তালিকাত প্ৰাৰ্থীৰ নাম আৰু ফোন নম্বৰো পৃথক আছিল। এয়া জানি-বুজি কৰা বুলি মই অভিযোগ নকৰো। মই কওঁ যে যোৱা ২২ বছৰ ধৰি আমাৰ দলত নিৰ্বাচন হোৱা নাছিল আৰু সেয়েহে এনেবোৰ ভুল হৈছে। ১৭ অক্টোবৰলৈকে মই যে সকলো দলীয় সদস্যৰ স'তে যোগাযোগ কৰিব পাৰিম, সেই কথাত নিশ্চিত নহওঁ।'

## উত্তৰ প্ৰদেশত সাংবাদিকৰ বিৰুদ্ধে বিত্তীয় অনিয়মৰ অভিযোগনামা ইডিৰ


**নিউজ ব্যুৰ', লক্ষ্ণৌ, ১৩ অক্টোবৰ ঃ** কালি উত্তৰ প্ৰদেশৰ গাজিয়াবাদৰ এখন আদালতত সাংবাদিক ৰানা আয়ুবৰ বিৰুদ্ধে বিত্তীয় অনিয়মৰ অভিযোগনামা দাখিল কৰিলে প্ৰৱৰ্তক সঞ্চালকালয় (ইডি)-এ। ২০২১ বৰ্ষতে উত্তৰ প্ৰদেশ আৰক্ষীয়ে আয়ুবৰ বিৰুদ্ধে এক



গোচৰ তৰিছিল। উক্ত গোচৰৰ তদন্তৰ দায়িত্ব চলাই ইডিয়ে দাখিল কৰা অভিযোগনামাত উল্লেখ কৰা অনুসৰি, মহিলা সাংবাদিকগৰাকীয়ে 'কেটো' নামৰ এক ক্ৰাউড ফাণ্ডিং প্লেটফৰ্মৰ জৰিয়তে বানপীড়িতৰ পৰা আৰম্ভ কৰি কৰ'না পীড়িত লোকক সাহায্যৰ নামত বহু লোকৰ পৰা ধন সংগ্ৰহ কৰি বিত্তীয় প্ৰৱঞ্চনা কৰিছিল। প্ৰথমে সংগ্ৰহ কৰা ধন আয়ুবৰ পিতৃ আৰু ভগ্নীৰ বেংক একাউণ্টত জমা হৈছিল আৰু তাৰ পৰা উক্ত ধন তেওঁ নিজৰ একাউণ্টলৈ ট্ৰেন্সফাৰ কৰিছিল। ইডিৰ অভিযোগ অনুসৰি সাংবাদিকগৰাকীয়ে এইদৰে দুই কোটি ৬৯ লাখ টকা সংগ্ৰহ কৰিছিল। ইয়াৰে ৮০ লাখ ৪৯ হেজাৰ টকা তেওঁ বিদেশী মুদ্ৰাৰ জৰিয়তে লাভ কৰিছিল। উক্ত ধনৰ ৫০ লাখ টকাৰে ফিক্সড ডিপ'জিট কৰাৰ লগতে আন এটা নতুন বেংক একাউণ্ট খুলি ৫০ লাখ টকা জমা ৰাখিছিল। মাত্ৰ ২৯ লাখ টকাহে আয়ুবে সাহায্যৰ নামত ব্যয় কৰিছিল। আয়ুবে এক কোটি ৭৭ লাখ টকা আত্মসাৎ কৰা বুলি অভিযোগনামাত ইডিয়ে উল্লেখ কৰিছে। উল্লেখ্য যে আয়ুব এগৰাকী বিজেপি বিৰোধী সমালোচক হিচাপে উত্তৰ প্ৰদেশত পৰিচিত।

## দুসপ্তাহত ৪৫০ কোটি টকা উপাৰ্জন 'প'ন্নিয়িন ছেলভান'ৰ

**নিউজ ব্যুৰ', মুম্বাই, ১৩ অক্টোবৰ ঃ** কমল হাছন অভিনীত 'বিক্ৰম' ছবিখনৰ অভিলেখ ভংগ কৰিলে 'প'ন্নিয়িন ছেলভান-১'-এ। যোৱা দুই জুনত মুক্তি লাভ কৰা 'বিক্ৰম' নামৰ ছবিখনে বিশ্বজুৰি মুঠ ৪৪২ কোটি টকাৰ ব্যৱসায় কৰিছিল। 'বিক্ৰম'ৰ এই ব্যৱসায়িক সফলতাক অতিক্ৰম কৰি মুক্তিলাভৰ মাত্ৰ দুসপ্তাহৰ ভিতৰতে বক্স অফিচত 'প'ন্নিয়িন ছেলভান-১'-এ সংগ্ৰহ কৰিলে প্ৰায় ৪৫০ কোটি টকা। মণি ৰত্নম পৰিচালিত দক্ষিণ ভাৰতৰ এইখন ছবিত চিয়ান বিক্ৰম, কাৰ্তি, জয়ম ৰবি, ঐশ্বৰ্য ৰাই বচ্চন, ত্ৰিশা আদিয়ে অভিনয় কৰিছে। মুক্তিলাভৰ প্ৰথম সপ্তাহতে ছবিখনে ৩০০ কোটি টকাৰ ব্যৱসায় কৰিছিল। সবাতোকৈ ব্যয়বহুল তামিল ছবি হিচাপে তালিকাত শীৰ্ষ স্থান লাভ কৰা 'প'ন্নিয়িন ছেলভান-১' ছবিখন যোৱা ৩০ ছেপ্টেম্বৰত তামিল, হিন্দী, তেলেগু, মালায়লম আৰু কন্নড় ভাষাত চিত্ৰগৃহত মুক্তি দিয়া হৈছিল।



# কোন সেই 'তেওঁ'জন?

ডাঃ জাকিৰ হুচেইন

**অনুপস্থিতিত** এটা সময়ত আহি আৱিৰ্ভাৱ হয় উপস্থিতি। উপস্থিতি এটা সময়ত অন্তৰ্ধান হ'লত পুনঃ স্থিতিটি অনুপস্থিতিত উপনীত হয়। যি অৱস্থানটিত আহি এই অনুপস্থিতি আৰু উপস্থিতিৰ বিষয় দৃষ্টিপাত কৰিছো বা বোধ কৰিছো সেই অৱস্থানটি আকৌ পূৰ্বাপৰ পৰাই অস্তিত্বত থকা স্থান হ'ব লগিব। অনুপস্থিতি দৃষ্টিগোচৰ বা বোধ কৰিবৰ বাবেওতো আমাক কোনোবা দৃষ্টিগোচৰ কৰোঁতা বা বোধ কৰোঁতা এজন লাগিব। আলোচনাৰ বাবে বা বুজিবৰ বাবে এই সূত্ৰ বা বিষয়কেইটাৰ পৰিচয়ত আমি এনে কিছুমান সংজ্ঞা ব্যৱহাৰ কৰাৰ বাবে মানস কৰিছো যাক সকলোৱে সহজতে বুজিব পৰিব। যেনে ধৰক—চেতনা, সত্বা বা আত্মা। এই সন্দৰ্ভতে আমি জীৱ চেতনা-পৰম চেতনা, জীৱসত্বা-পৰমসত্বা বা জীৱাত্মা-পৰমাত্মা আদি সংজ্ঞাবোৰৰ ব্যৱহাৰ আনো। এই ক্ষেত্ৰত জৈৱিক বা পাৰ্থিৱ বা ভৌতিক খণ্ডখিনিক অপাৰ্থিৱ বা আধ্যাত্মিক বিষয়ৰ পৰা পৃথক কৰা হয়। এনে আলোচনাত ব্যৱহৃত সংজ্ঞা পাৰ্থিৱ বা ভৌতিক খণ্ড বা বিষয়ত ব্যৱহাৰ হোৱাৰ বাবে আধ্যাত্মিকতাত ব্যৱহৃত একে নাম বা শব্দৰ সংজ্ঞাবোৰক পাৰ্থিৱ বিষয়ৰ বুলি ভুল কৰা উচিত নহয়। ইয়াৰ বাবে স্বাভাৱিকতে লাগিব আধ্যাত্মিক জ্ঞান। আধ্যাত্মিক জ্ঞান আৰু শিক্ষা নথকাৰ বাবে কেৱল ভৌতিক বা পাৰ্থিৱ সংজ্ঞাৰ জ্ঞান থকা লোকসকলে শাস্ত্ৰৰ মূল সাৰ বা মৰ্ম অৱগত হ'ব নোৱাৰিলে।

মনুষ্যৰ নিজৰ স'তে থকা এই চেতনা বা জ্ঞান বিষয়ক বিষয়বস্তুক ভিন্ন জনে ভিন্ন সংজ্ঞা বা নাম পৰিচয়েৰে সম্বোধন আৰু উল্লেখ কৰাৰ বাবে বিষয়বস্তুবোৰ অন্য বা ভিন্ন বুলি ভাবি ল'ব নালাগে। পাৰ্থিৱ চেতনা বা জীৱাত্মাৰ দ্বাৰা কৰা চেতন বা বোধ সীমিত আৰু অসম্পূৰ্ণ হ'ব। বহু ক্ষেত্ৰত অশুদ্ধ বা ভিন্নও হ'ব পাৰে। আমি কৰা বা কৰিবলগীয়া বোধবোৰ যদিহে পৰম চেতনা বা পৰমাত্মাৰ বৰ্গলৈ বোধপ্ৰাপ্ত হয় তেতিয়াহে সেই বোধ পূৰ্ণ আৰু শুদ্ধ হ'ব। উচ্চতৰ চেতনাটিৰ নাম পৰিচয়ত পৰম চেতনা বা পৰমসত্বা বুলি অভিহিত কৰাৰ দ্বাৰা ঈশ্বৰ বিশ্বাসী এজন ঈশ্বৰ অবিশ্বাসীলৈ ৰূপান্তৰিত হোৱা নুবুজায়। চিন্তাবিদজন নাস্তিক হ'লেও আমাৰ মন পৰিধিত উপস্থিত থাকি আমাৰ মনৰ ক্ৰিয়া-কৰ্মবোৰত অংশগ্ৰহণ কৰি প্ৰভাৱিত কৰোঁতা উচ্চ ক্ষমতাসম্পন্ন এক চেতনা বা সত্বাৰ উপস্থিতি অস্বীকাৰ নকৰে। নাস্তিকজনে এই উচ্চতৰ চেতনাটিক স্বীকাৰ কৰিলেও 'ঈশ্বৰ' নামৰ কোনো সৰ্বশক্তিমান আৰু স্ৰষ্টা এজনৰ অস্তিত্ব স্বীকাৰ নকৰে। মনোবিজ্ঞানৰ এই সূত্ৰকেইটাক গ্ৰহণ কৰি নিজ চিন্তা-চৰ্চাত নিবিষ্ট থাকিলে ঈশ্বৰ বিশ্বাসী আৰু অবিশ্বাসী তথা ভিন্ন ভিন্ন ধৰ্মমতাৱলম্বী বোলা গোষ্ঠীসমূহৰ মাজৰ ভিন্নতা বা বিভেদৰ কোনো অস্তিত্বই নাথাকে।

মনুষ্যৰ অন্তৰ বা হৃদয়খনৰ এটা গাঁথনি আছে। সৰ্বসাধাৰণতে সেয়া চাৰিটি উপাদানেৰে গঠিত বুলি লোৱা হয়, যেনে— পানী, মাটি, অগ্নি আৰু বায়ু। এই চাৰি উপাদানৰ মাজত থাকে এটা ভাৰসাম্যতা। কেতিয়াবা এই চাৰিটিৰ কোনো এক উপাদান অধিক সক্ৰিয় হৈ উঠিলে ব্যক্তিজনৰ প্ৰকৃতি বা স্বভাৱ সেই উপাদানৰ দ্বাৰা নিৰ্ধাৰিত আৰু প্ৰভাৱিত হৈ প্ৰকাশ্য হয়। যেনে অগ্নিৰ প্ৰকোপ অধিক হ'লে ব্যক্তি উগ্ৰমূৰ্তিৰ খঙাল চৰিত্ৰৰূপে প্ৰকাশ্য হয়। যদি পানী উপাদানৰ দ্বাৰা অধিক প্ৰভাৱিত বা সক্ৰিয় হয় তেনেহ'লে এক শান্ত-শীতল স্বভাৱটি ব্যক্ত হয়। এই চাৰি উপাদানেৰে গঠিত জীৱচেতনা বা জীৱাত্মাক এক উচ্চক্ষমতাসম্পন্ন, অধিক সক্ৰিয় নিয়ন্ত্ৰক অস্তিত্ব এটিয়ে নিয়ন্ত্ৰণ কৰি সকলো ক্ৰিয়া আৰু সঞ্চালনক পৰিচালনা কৰে। পবিত্ৰ কোৰাণে এনেদৰে পৰম সত্বাটিৰ অস্তিত্বৰ বিষয়ে ব্যক্ত কৰিছে—
**'আৰু সেইদৰে আমি ফুৎকাৰ কৰিলো তোমাত আমাৰ আদেশৰ এক আত্মাক। তুমিটো জনা নাছিলা শাস্ত্ৰ কি নতুবা বিশ্বাস কি। কিন্তু আমি ইয়াক এক চাকি কৰি দিলো যাৰ দ্বাৰা আমি আমাৰ দাসসকলৰ যাকেই ইচ্ছা হয় তাকেই পথ দেখুৱাওঁ।'** *(Q. XLII 52)*

ভক্ত কবি কবীৰেও মনুষ্যৰ স্ব-আত্মা বা আত্মচেতনাক নিয়ন্ত্ৰণ কৰি থকা এই বিশেষ আৰু পৰম স্থিতিটিৰ বিষয়ে এনেদৰে কৈছে—

**বিৰাজ কৰে প্ৰতি মনুষ্যত সদা জাগ্ৰতা**
**নিৰ্দেশ কৰে তেওঁৰ ক্ৰিয়া**
**যি দিশেই তেওঁ যাব বিচাৰে**
**সেই মতকেই দান কৰে।**

আজান ফকীৰেও পাৰ্থিৱ চেতনা বা ব্যক্তি আত্মাক চাৰিটা উপাদানেৰে গঠিত বুলি কৈ সেই চাৰিওৰ ওপৰে যে আৰু এক অস্তিত্ব সদা জাগ্ৰত থাকে সেয়া এনেদৰে উল্লেখ কৰিছে—

**আবে আতচে খাকে বাদে— চাৰিওৰে**
**চাৰি ছিজ লয়,**
**চাৰিওৰে ওপৰে যি ফুল ফুটিছে, চিনিলে**
**মুকুতি হয়।**
**চাৰিওৰে ভাঙিছে চাৰিওৰে পাতিছে,**
**চাৰিও কৰি আছে মেল,**
**চাৰিওৰে সহায়ত এই দুনি পাতিলে,**
**মাটিৰে সাজিলে ভেল।**
**ইফালে মক্কা, সিফালে মথুৰা, মাজত**
**অথাই সাগৰ,**
**টনৰ ভিতৰত মনে খেলা কৰে কি**
**আল্লাৰ বুদ্ধিৰ নগৰ।**

চুফীবাদত আমি আলোচনা কৰা সত্বা বা আত্মাকেইটিৰ বিষয়ে বিস্তৃতভাৱে চৰ্চা কৰাই নহয়, বৰঞ্চ সেইসমূহৰ বোধপ্ৰাপ্তিৰে পৰম সত্যটি কিদৰে বোধগম্য কৰা যায় তাৰ যুক্তিসংগত ব্যাখ্যা দিয়া হয়। মনুষ্য আত্মাটি প্ৰাথমিক পৰ্যায়ৰ পৰা আধ্যাত্মিক প্ৰগতিৰে ক্ৰমশঃ উন্নীত হৈ এটা সময়ত পৰম প্ৰাপ্তিৰ অৱস্থানত উপনীত হয়গৈ। আধ্যাত্মিক প্ৰগতিত মনুষ্য আত্মা বা জীৱাত্মা (নফছ)ৰ ভিন্ন পৰ্যায় বা অৱস্থানসমূহক পবিত্ৰ কোৰাণে এনেদৰে উল্লেখ কৰিছে ঃ (১) পশু আত্মা (নফছ-এ-আম্মাৰাহ), (২) স্ব-নিন্দাকাৰী আত্মা (নফছ-এ-লাৱাৰামা) আৰু (৩) শান্তিপ্ৰাপ্ত আত্মা (নফছ-এ-মুট্টামইয়া)। প্ৰাথমিক পৰ্যায়ত থকা অশুদ্ধ জীৱাত্মাটি আধ্যাত্মিক প্ৰগতিৰে উন্নীত হৈ যেতিয়া পৰমাত্মা বা পৰম সত্বাৰ স'তে মিলিত হৈ 'এক' হৈ পৰে, তেতিয়া সেই একেটা আত্মাকে শান্তিপ্ৰাপ্ত আত্মা বোলা হয়। চূড়ান্ত পৰ্যায়টিত উপনীত হ'বৰ বাবে প্ৰাথমিক পশুৰ আত্মাটিক বিসৰ্জন দিব লাগিব বা ধ্বংস কৰিব লাগিব। পবিত্ৰ কোৰাণে এই কথাকেই এনেদৰে ঘোষণা কৰিছে—

**'প্ৰত্যেক আত্মাই (নফছ) মৃত্যুৰ স্বাদ ল'বই লাগিব।**
**তেতিয়া আমাৰ ওচৰলৈ তোমাক ঘূৰাই অনা হ'ব।'** *(Q.XXIX - 57)*

অসত্য বা অনা-ঈশ্বৰৰ পৰা সত্য বা ঈশ্বৰলৈ উভতি অহা আত্মাটিকেই কোৱা হৈছে 'শান্তিপ্ৰাপ্ত আত্মা'। তেতিয়া পৰম সত্বাটিয়ে এনেদৰে উল্লেখ কৰে—

**'কিন্তু আহা। হে শান্তিপ্ৰাপ্ত আত্মা।**
**প্ৰত্যাৱৰ্তন কৰা তোমাৰ প্ৰভুত,**
**তেওঁৰ শুভ আনন্দত (তুমি) তুষ্ট**
**প্ৰৱেশ কৰা তুমি মোৰ দাসবৃন্দৰ মধ্যলৈ।**
**প্ৰৱেশ কৰা তুমি মোৰ ৰাগিচাত**
**(বেহেস্তৰ)।'** *(Q. LXXXIX - 27 - 30)*

**'আৰু কোৱা, সত্য উপস্থিত হৈছে, অসত্য বিলুপ্ত হৈছে,**
**নিশ্চয় অসত্য বিলুপ্ত হয়।'**
*(Q.XVII - 80)*

এই সত্য বা পৰম সত্বাৰ অৱস্থানটিয়েই তেতিয়া 'এয়া মই' বুলি সম্বোধন ধৰাৰ কৰ্তৃত্ব লাভ কৰে। মনুষ্য চেতনাক নিয়ন্ত্ৰণ আৰু পৰিচালন কৰা মহাশক্তিৱান সত্বাটিকেই ঈশ্বৰতাত্বিকসকলে মহাপ্ৰভুৰ অংশ বা উপস্থিতি বুলি গণ্য কৰে। মনোবিজ্ঞান বা ঈশ্বৰতত্বৰ সংজ্ঞা ব্যৱহাৰ নকৰাসকলেও মনুষ্য চেতনাত এনে এক ক্ৰিয়া কৰিব পৰা বা ব্যক্তি চেতনাক প্ৰভাৱিত কৰিব পৰা উপস্থিতিক অস্বীকাৰ নকৰে। চুফীসকলে এই উপস্থিত সত্বাটিক প্ৰভুৰ সত্বা বা প্ৰভু বুলি সম্বোধন ধৰে।

**প্ৰভুজনা বাস কৰে প্ৰতি জীৱতে,**
**কোনো তেওঁ অবিহনে নাই।**

* * *

**প্ৰভুজনা বাস কৰে মনুষ্যৰ হৃদয়ত,**
**চকুৰ ভিতৰে থকা মণিটিৰ দৰে।** *(কবীৰ)*

আজান ফকিৰৰ জিকিৰতো কবীৰৰ কথাটি উল্লেখিত হৈছে—

**'ক'ব লাগিছে কোৰাণবেহাজলে**
**চকুৰ ভিতৰত মণি।**
**কোনোৰে গাব কোনোৰে শুনিব**
**কোনোৰে কোনোৰে ধৰিব চিনি।'**
*(আজান ফকীৰ)*

মনুষ্য চেতনাত থকা পৰম সত্বাটিৰ বিষয়ে আজান ফকীৰে পুনঃ এনেদৰে দোহাৰিছে—

**'হু হু নাম লৈ আল্লা আছে আনন্দকৈ**
**জ্বলি আছে বান্দাৰ নয়ন।**
**নয়নৰ কাজল নুৰ জ্বলি আছে ভৰপুৰ**
**বান্দাই নাচাও মনত কৰি।**
**হেলাতে হৰাব জীৱক ধৰি নিব**
**দেহাটি থাকিব পৰি।'**
*(আজান ফকীৰ)*

'হু'ৰ অৰ্থ হ'ল 'তেওঁ'। আমি ইতিপূৰ্বে আলোচনা কৰা পৰম সত্বাৰ অংশটিৰ কথা কোৱা হৈছে। 'তেওঁ' শব্দই পৰোক্ষতাৰ প্ৰকাশ কৰে। ইয়াৰ দ্বাৰা অন্তৰ্যামী বা গোপনে থকা বা অদৃশ্যতাৰ অৰ্থ কৰে। অৰ্থাৎ সেয়া পৰিদৃশ্যমান অদ্ভুত জগতৰ বিষয় নহয় বুলি ব্যক্ত কৰা হয়। নজনা বা নুবুজাৰ বাবেই ব্যক্তি চেতনাটি পৰম চেতনাৰ পৰা বিচ্ছিন্ন হৈ থাকে। অৰ্থাৎ পৰম চেতনাৰ বোধ নোপোৱাৰ বাবে ব্যক্তি-আত্মা নিম্নতৰ পৰ্যায়ৰ অৱস্থানত স্থিত থকাত ব্যক্তিৰ স্বভাৱ আৰু বোধ নিকৃষ্ট পৰ্যায়ৰ অৰ্থাৎ পশু অৱস্থা বা দানৱৰ অৱস্থাৰ দৰে প্ৰকাশ্যতা পায়। মনুষ্যই যদিহে তেওঁৰ লগতে থকা প্ৰভুজনাক চিনি নাপায় বা উপেক্ষা কৰে, তেনেহ'লে জীৱই সকলো প্ৰকাৰৰ দুৰ্গতিত পৰাৰ সম্ভাৱনা থাকে। মনুষ্যৰ বাবে প্ৰয়োজনীয় কৰ্ম হ'ল সেই নিৰ্দিষ্ট সত্বাটিক চিনি পাবলৈ প্ৰয়াস কৰা আৰু তেওঁৰ স'তে সংযোগ স্থাপন কৰা। আজান ফকীৰে কৈছে— **'বিষম দৰিয়াৰ আওৱাজক শুনি**
**যি দিলে মনে জানে**
**সংকেতত আছে বিচাৰ কৰিনোপোৱা**
**বন্দেগী নকৰা ম্যানে।**
*(আজান ফকীৰ)*

**আল্লাৰ কোৰাণত ডাঠি কৈছে, তাকো কাণ পাতি লোৱা।**
**তললৈ মূৰকৈ চোৱা মন কৰি, সবাৰ ঘৰে ঘৰে আল্লা।**
**টনৰ মাজে ঘৰখনি, দুৱাৰৰ মাজে মন,**
**নিৰঞ্জন পুৰুষ হৈয়ো খেলা কৰে সদায় চেতন।"** *(আজান ফকীৰ)*

ঈশ্বৰতাত্বিকজনে আমাৰ নিজ চেতনাতে স্থিত থকা সেই সক্ৰিয় সূত্ৰটিক প্ৰভু বা প্ৰভুৰ উপস্থিতি বুলি কোৱাৰ দ্বাৰা ভিন্ন বিষয় আলোচনা কৰা বুলিলে ভুল কৰা হয়। দেখা যায় মনুষ্য চেতনাক প্ৰভাৱিত কৰোঁতা উচ্চতৰ চেতনাটিক ঈশ্বৰ বুলি সম্বোধন কৰা আৰু নকৰাৰ ওপৰতেই যেন ঈশ্বৰ বিশ্বাসী আৰু ঈশ্বৰ অবিশ্বাসী বোলা কথাৰ বিতৰ্ক আহে। সেয়াই যেন মানুহ এজনক ধাৰ্মিক আৰু বিধৰ্মীৰ আখ্যা দিয়ে; কিন্তু খুব গভীৰভাৱে পৰ্যবেক্ষণ কৰিলে দুয়োটা গোটে যে সেই সক্ৰিয় শক্তিটোক একে অৰ্থতে স্বীকাৰ কৰে সেয়া প্ৰমাণ হয়। বাৰ্ট্ৰাণ্ড ৰাছেলৰ দৰে দাৰ্শনিক আৰু ষ্টিফেন হকিন্সৰ দৰে বিজ্ঞানীয়ে মানৱ চেতনাক নিয়ন্ত্ৰণ কৰোঁতা এনে বুজাব নোৱাৰা পৰম শক্তিৰ অস্তিত্বক স্বীকাৰ কৰাক লৈ সাম্প্ৰদায়িকতা আৰু ৰীতি-আচাৰক ধৰ্ম আৰু ঈশ্বৰ বিশ্বাস বুলি আটাহ পাৰি থকা মনুষ্য ৰূপৰ প্ৰাণী গোষ্ঠীটোৱে তেওঁলোকক ধৰ্মভীৰু বুলি আখ্যা দিব খুজিলেও প্ৰকৃতপক্ষে তেওঁলোকে পৰম ৰহস্যপূৰ্ণ নিয়ন্ত্ৰক শক্তি এটাৰ কথাহে গ্ৰহণ কৰে। এক অশান্ত, অস্থিৰ, অহৰহ শংকিত, অতি উত্ৰাৱল আৰু যিকোনো মুহূৰ্ততে নিজ স্বাৰ্থ পূৰণৰ বাবে যাকে-তাকে, যেতিয়াই-তেতিয়াই আক্ৰমণ কৰিব পৰা মন এটাক শান্ত আৰু নিয়ন্ত্ৰণ কৰাৰ বাবে যদিহে কিছুমান বাস্তৱ, অকৃত্ৰিম প্ৰয়াস আৰু ব্যৱস্থা ব্যক্তি বা সমষ্টিয়ে গ্ৰহণ কৰে, তেনেহ'লে তাক পূজা-পাত বা নামাজ-উপাসনা আদি বুলি অভিহিত কৰি উচিত-অনুচিতৰ মোহৰ মৰাটো যুক্তিসংগত নহয়। প্ৰথা ভিন্ন হ'ব পাৰে, কিন্তু উদ্দেশ্য একেটাই। দেখাত অবৈজ্ঞানিক হ'লেও চূড়ান্ততাত মন-মানসৰ মূল ক্ৰিয়াশীল কেন্দ্ৰত বিজ্ঞানসন্মত প্ৰভাৱেই সৃষ্টি কৰে। ধৰ্ম আৰু ধৰ্ম প্ৰৱৰ্তকসকলৰ নাম মুখত লৈ কিছুমান স্বাৰ্থপৰ, অসাধু লোকে আন দহোজনৰ বিশ্বাস আৰু আস্থাক অসন্মান আৰু অত্যাচাৰ কৰি ফুৰা সকলৰ কৰ্মক ধৰ্মসেৱা বা ঈশ্বৰৰ অনুমতি বুলি গণ্য কৰাটো কেৱল ভ্ৰমেই নহয়, বৰঞ্চ মানৱতাৰ প্ৰতি গভীৰ অপমানজনক বিষয়।

*ফোন ঃ ৯৮৬৪০২০৯৬৮*



# বৃত্তিমূলক ধ্যান-ধাৰণাত সৃষ্টিৰ অৱকাশ ক'ত?

**দৰাচলতে আপোনালোকৰ অন্তৰত সৃষ্টিমূলক ভাৱনাৰ বীজ নাই বাবেই আনৰ কথা ভাবিব বা চিন্তিবৰ আহৰি নাই। মনত স্পৃহা জাগি উঠা নাই আনক প্ৰাধান্য দিয়া বা গুৰুত্ব প্ৰদান কৰাৰ কাৰণ। ধৰ্মান্ধ আৰু বৃত্তিতে আবদ্ধ হৈ থকাৰ বাবে আপোনালোকে আত্ম প্ৰীতিৰ বাহিৰে সৃষ্টি, কলা-কৃষ্টি আৰু সভ্যতাৰ কথা একো বুজিব পৰা নাহ**

জয়কান্ত শৰ্মা (কনিষ্ঠ)

**প্ৰত্যেক** মানুহৰে নিজস্ব চিন্তা, ভাৱনা আৰু কল্পনাৰ একোখন জগত থাকে। তেওঁ সেই চিন্তা-ভাৱনাৰ পৰিধি ভেদ কৰি যথাৰ্থতে ওলাই আহিব নোৱাৰে। নোৱাৰে মানে প্ৰকৃততে ওলাই আহিবলৈ চেষ্টাই নকৰে। সেই কাৰণেই তেওঁলোকৰ দৃষ্টি দূৰ দিগন্তলৈ প্ৰসাৰিত নহয়। ঠেক গণ্ডীত সোমাই থকা চুকৰ ভেকুলীহে হয়।

ভাৱ-চিন্তাৰ পৰিধি আৰু মনোবৈজ্ঞানিক পৰিমণ্ডল সম্প্ৰসাৰিত কৰিবৰ কাৰণে প্ৰগতিশীল চিন্তা-ভাৱনা অতি প্ৰয়োজন। নতুনকৈ আদৰা, যুক্তিৰে পৰিচালিত হোৱা আৰু বৈজ্ঞানিক দৃষ্টিভংগী আয়ত্ত কৰাতো জ্ঞানীৰ লক্ষণ।

ঋক্ বেদত কোৱা হৈছে যে এজন মানুহ শ্ৰেষ্ঠ হোৱাৰ কাৰণ হ'ল তেওঁ জ্ঞানৰ অনুশীলনৰ দ্বাৰা নিজৰ মন আৰু বুদ্ধিৰ অধিক তীক্ষ্ণ তথা কাৰ্যক্ষম কৰি তুলিবলৈ সক্ষম হৈছে।

আমিও ক'বলৈ ভাল পাম যে জ্ঞানী আৰু পৰিশ্ৰমী লোকে নিজৰ সৌভাগ্য অদৃশ্য শক্তিৰ ওপৰত এৰি নিদিয়ে। নিজৰ যত্ন, কৰ্ম-কুশলতা আৰু বুদ্ধিৰ দ্বাৰা সৌভাগ্য গঢ়ি লয়। সহজাত গুণ বা প্ৰতিভাৰ উমান লৈ তাৰ উৎকৰ্ষ সাধনত ব্ৰতী হয়।

এজন মানুহৰ চিন্তা-কল্পনা, বুদ্ধি-কৌশল আৰু বাস্তৱিক স্থিতি আন এজনৰ চিন্তা-ভাৱনা ভুল বা ক্ৰুটিপূৰ্ণ হ'ব পাৰে; কিন্তু তেওঁ সেই নিজস্ব চিন্তা-ভাৱনা আৰু দৃষ্টিভংগীৰে নিজৰ বৃত্তি আৰু আৰ্থিক স্থিতি গঢ় দিয় লয়। তাৰেই এটা থুলমূল আভাস দিয়াৰ বাবে চেষ্টা কৰা হৈছে।

দূৰণিবটীয়া পথৰুৱা বাট। তিনি বস্ত্ৰ পৰিহিত ভকত সেই বাটেৰে বাট বুলিছে বিশেষ এটা সকামত। পথৰ দুয়ো কাষে ধাননি পথাৰ। চালে চাই থাকিবৰ মন। সেউজীয়া পথাৰত ভঁধাৰণ কৰা ধানবোৰে ইডালে সিডালক শুভেচ্ছা জনাইছে বতাহত হালি-জালি। শুভ কামনা যাচিছে সুকলমে থোক পেলাই সোণ গুটিৰে ভঁৰাল ওপচাই পেলাওক বুলি।

নয়ন জুৰ পেলোৱা দৃশ্য উপভোগ কৰি গৈ গৈ ভকতে পথাৰৰ মাজত থকা বট গছজোপাৰ তলত ৰ'লগৈ। ভাগৰ দূৰ কৰো বুলি ভকতে ভালদৰে বহি ল'লে। ভৰ দুপৰীয়া জ্বলন্ত সূৰ্যৰ প্ৰচণ্ড তাপ সহ্য কৰিব নোৱাৰি চৰাই এহাল উৰি আহি সেই গছজোপাৰ ডাল এটাত পৰিলহি; কিন্তু গছজোপা আছিল বহু পুৰণি গছ। ওপৰৰ পৰা ডালবোৰ মৰি আহিছে হয়তো এক-দুই বছৰৰ ভিতৰত গছজোপা সম্পূৰ্ণৰূপে মৰি শুকাই যাব। চৰাই-চিৰিকটিৰ আশ্ৰয়কণো নাইকিয়া হ'ব। তেতিয়া সিহঁতে কি কৰিব? তাকে লৈ সিহঁতৰ মাজত আলোচনা। গুণা-গাঁথা আৰু মনৰ মাজত অযুত ভাৱনা। তাৰ মাজতে স্বভাৱসুলভ গীতৰ কিচিৰ-মিচিৰ মূৰ্ছনা।



চৰাই হালৰ গীতে ভকতৰ মন হৰি নিলে। গীত শুনি শুনি ভকত মুগ্ধ হ'ল। তেওঁ গুণ গুণালে। মুক্ত কণ্ঠে আওৱালে চৰাই হালৰ গীতৰ ভাষাত 'হৰে কৃষ্ণ ৰাধা, হকে কৃষ্ণ ৰাধা' উচ্ছাৰিত হ'ব ধৰিলে। তেওঁ মন-প্ৰাণ ঢালি দিলে গীতৰ সুৰ স্বৰগমত।

তেনেতে এজন পাচলিৰ বেপাৰী ঘূৰি ঘূৰি আহি ভাগৰ জিৰাও বুলি বট গছজোপাৰ তলত ৰ'লহি। ভকতে ভালেই পালে। তেওঁ ক'লে 'শুনাচোন শুনা! চৰাই হালে কিমান সুন্দৰকৈ 'হৰে কৃষ্ণ ৰাধা' বুলি কীৰ্তন কৰি আছে যেন সৰগৰ পৰা অমৃতহে বৰষিছে।

পাচলিৰ বেপাৰীজনে ভকতৰ কথা শুনি চৰাইৰ গীত শুনাত মন দিলে। গীত শুনি শুনি তেওঁ মন্ত্ৰমুগ্ধ হ'ল। মন-প্ৰাণ গীতৰ মাজত সোমাই গ'ল। তেওঁৰ মনত খোকোজা লাগি ভকতক ক'বলৈ ধৰিলে 'বোলো বাপ! আপুনি কোৱাৰ দৰে চৰাই হালে 'হৰে কৃষ্ণ ৰাধা, হৰে কৃষ্ণ ৰাধা' বুলি গীত গোৱা নাই। প্ৰকৃততে সিহঁতে গাইছে 'আলু কচু আদা, আলু কচু আদা' বুলিহে। বাঃ বাঃ কি সুন্দৰ গীতৰ কথা! ইমান ধুনীয়া গীতৰ ভাষা! শুনি থাকিবৰ মন, জানে! 'ভকতৰ খং উঠিল। খং ভাবেৰে ক'লে— 'হেৰা! তুমি কিবাহে শুনিছা নেকি? চৰাই হালে কেনেকৈ জানিব তোমাৰ ভাৰত থকা আলু, কচু, আদাৰ কথা? ভালদৰে মন দি শুনাচোন।'

পাচলিৰ বেপাৰীজন তাপ মাৰি ৰ'ল? কিছু সময় পাছত আহিল এজন মাছ বেপাৰী। জিৰণি লোৱাৰ উদ্দেশ্য তেওঁ বট গছজোপাৰ তলত মাছৰ ভাৰখন থ'লে। হাত-ভৰি মেলি বহি ল'লে দূবৰি মনৰ ওপৰত। ভকতে কথাটো নিশ্চিত কৰিবলৈ চৰাইৰ গীতটো মন দি শুনিবলৈ অনুৰোধ কৰিলে। কথা শুনি মাছ বেপাৰীজনে চৰাইৰ গীত শুনাত লাগিল। চৰাই হালৰ গীত শুনি তেওঁ আচৰিত হ'ল। গীতৰ তালে তালে মিলালে তেওঁ। গুণগুণাব ধৰিলে নিচা লগা মানুহৰ দৰে।

ভকতে বেপাৰীক সুধিলে, 'হেৰা। চৰাই হালে 'হৰে কৃষ্ণ ৰাধা, হৰে কৃষ্ণ ৰাধা' বুলি গীত জোৰা নাইনে? তোমাৰ মন প্ৰসন্ন হোৱা নাইনে? তেৰাৰ কৃপাত নাম ধৰ্ম চৰাইৰ মুখতো বিকশি উঠিছে, জানানে!'

ভকতৰ কথা শুনি মাছ বেপাৰীজন জাঙুৰ খাই উঠিল। খঙে-ৰাগে ক'বলৈ ধৰিলে, 'কি কয়হে, বাপ! চৰাই হালে 'হৰে কৃষ্ণ ৰাধা, হৰে কৃষ্ণ ৰাধা' বুলিনো ক'ত ক'লে? সিহঁতে দেখোন গায়েই আছে 'কাৱৈ ছিংগী ভেদা, কাৱৈ ছিংগী ভেদা' বুলিহে! চৰাই হালে কেনেকৈনো জানিলে মোৰ পাচিত কাৱৈ, ছিংগী, ভেদা মাছ থকা বুলি? বৰ অদ্ভুত চৰাই দেই এই হাল!'

চৰাই হালৰ গীতৰ তালে তালে মিলাই মাছ বেপাৰীয়ে 'কাৱৈ ছিংগী ভেদা' উচ্চাৰণ কৰি কৰি আওৱাই থাকিল। এইবাৰ আহিল এজন কুমাৰ। কুমাৰৰ কান্ধত নেকনেকীয়া মাটিৰ বাচনৰ ভাৰ। ভাগৰ আৰু পিঁয়াহত অণ্ঠ-কণ্ঠ শুকাই যোৱা কুমাৰে বট গছৰ তলত বহি ল'লে পূৰ্বে বহাৰ দৰে। পানী পান কৰি জিৰণি ল'লে। ভকতে সমৰ্থক বিচাৰি কুমাৰক চৰাইকেইটাৰ গীত মন দি শুনিবলৈ ক'লে। কুমাৰেও মন-প্ৰাণ ঢালি দিলে চৰাইৰ মাত পান কৰিবলৈ। চৰাইৰ মাত শুনি শুনি তেওঁ বিমোহিত হ'ল। চৰাইৰ কণ্ঠৰ লগত মানৰ কণ্ঠ মিলাই দিলে। সুৰ টানি গাবই ধৰিলে। ভকতৰ কাণত সেই সুৰ মিলাই দিলে। সুৰ টানি গাবই ধৰিলে।

ভকতৰ কাণত সেই সুৰ বেসুৰা লাগিল। তেওঁ ততালিকে প্ৰশ্ন কৰিলে, 'হেৰা। চৰাই হালৰ দৰে গোৱা, তেতিয়াহে ভাল লাগিব। 'হৰে কৃষ্ণ ৰাধা, হৰে কৃষ্ণ ৰাধা' বুলি গোৱাচোন তেতিয়াহে খাপ খাব।'

'কিন্তু, বাপ! আপুনি কোৱাৰ দৰে 'হৰে কৃষ্ণ ৰাধা, বুলিতো চৰাই হালে এবাৰো গোৱা নাই। সিহঁতে স্পষ্টভাৱে গাই আছে 'হাৰি কলচ গাদা, হাৰি কলচ গাদা' বুলিহে। ইমান সুন্দৰ গীত মই ইয়াৰ আগতে কেতিয়াও শুনা নাছিলো, আজি মোৰ জীৱন সাৰ্থক হ'ল। মোৰ বৃত্তি, বস্তু আৰু বেপাৰ চৰাইৰ গীতৰ কথা হ'ল। ধন্য পক্ষী, ধন্য প্ৰকৃতি! মোকো তহঁতে ধন্য কৰিলি।' কুমাৰে ক'লে।

ভকতৰ সহ্য নহ'ল। তেওঁৰ খঙে চুলিৰ আগ পালেগৈ। কোনোজন মানুহৰ কথাতে সন্তুষ্ট হ'ব নোৱাৰিলে। সমৰ্থন বা সঁহাৰিও নাপালে কাৰো পৰা। বাকীকেইজনে নিজৰ নিজৰ জ্ঞান-অভিজ্ঞতা আৰু বৃত্তিৰ কথা-বস্তুৰে মিলাই লৈ গীত গাই থাকিল। জীৱনক উপভোগ কৰা যেনো লাগিল। ঠিক সেই সময়তে শিক্ষক এজন আহি সেইখিনি পালে। বট গছৰ তলত নতুন নতুন মুখ আৰু সমাগম দেখি আচৰিতো হ'ল। শিক্ষকজনক দেকি ভকতৰ মনটো নৰ'ল। তেওঁ শিক্ষকজনক কথাষাৰ কও বুলি ভাবোতেই চৰাই হাল উৰি গুচি গ'ল। তেওঁৰ বেয়া লাগিল। সমৰ্থক বিচৰা বা কথাষাৰ প্ৰমাণ কৰাৰ কোনো থল নাথাকিল।

তথাপি কওঁ নকওঁকৈ ভকতে শিক্ষকজনক কথাটো ক'লে। ক'লে যে কিছু পৰ আগলৈ চৰাই এহালে 'হৰে কৃষ্ণ ৰাধা, হৰে কৃষ্ণ ৰাধা' বুলি কৈ কৈ ইমান সুন্দৰ গীত গাই আছিল শিক্ষকে শুনাহেঁতেন মনত পৰম আনন্দ নিশ্চয় পালেহেঁতেন।

পাচলিৰ বেপাৰীৰ কথা শুনি মাছ বেপাৰীৰ গা গৰম হ'ল। খং আৰু আৱেগেৰে তেওঁ ক'লে, 'নহয় নহয়। চৰাইহঁতে 'কাৱৈ ছিংগী ভেদা, কাৱৈ ছিংগী ভেদা' বুলি কৈ কৈহে গীত গাই আছিল। মই সিহঁতৰ গীত শুনি শুনি ইমানেই মুগ্ধ হ'লো যে মাছ বিক্ৰী কৰাৰ কথা মনৰ পৰা বাদ দিলো। আৰু এবাৰ শুনাৰ বাবে অপেক্ষা কৰি আছো মহাশয়।'

কুমাৰেও একে দাবীকে কৰি শিক্ষকজনক পতিয়ন নিয়াবলৈ চেষ্টা কৰিলে যে 'হাৰি কলচ ভেদা'ৰ বাহিৰে চৰাই হালে আন একো কোৱা বা গোৱা নাছিল। চাৰিওজন বৃত্তিধাৰী ব্যক্তিৰ কথা শুনি শিক্ষকজনৰ বুজিবলৈ বাকী নাথাকিল যে তেওঁলোক আটায়ে নিজৰ নিজৰ বৃত্তিত ইমান গভীৰভাৱে মগ্ন হৈ আছে যে তেওঁলোকে নিজৰ মন-মানসিকতাত থকা জ্ঞান, অভিজ্ঞতাৰ বাহিৰে আন কাৰো কথা শুনিবলৈ বা বুজিবলৈ অসমৰ্থ। নিজৰ বৃত্তি আৰু কৰ্ম-প্ৰবৃত্তিৰ ওপৰত গঢ় লৈ উঠা মনৰ দ্বাৰাই সকলো সময়তে পৰিচালিত হৈ থাকে তেওঁলোক।

প্ৰায় সকলো মানুহে নিজৰ অনুকূলে পৰিৱেশ গঢ়ি ল'ব খোজে, যিজন মানুহ যেনেকুৱা সমাজখন তেনেকুৱা হোৱাটো বিচাৰে। নিজৰ জাতি-ধৰ্ম-সম্প্ৰদায় আনকি বৃত্তিটোক প্ৰাধান্য দি আনৰ বোৰক গুৰুত্ব দিবলৈ অপাৰগতা প্ৰকাশ কৰে।

শিক্ষকজনে এইবাৰ গহীন হৈ ক'বলৈ ধৰিলে, 'শুনক! মই এই বাটেৰে ২০ বছৰৰ বেছি অহা-যোৱা কৰিলো। সৌ সিখন গাঁৱত মোৰ স্কুলখন। স্কুললৈ অহা-যোৱা কৰোতে কৰোতে, গছজোপাৰ তলত ৰওতে-জিৰাওতে মোৰ আৰু গছজোপাৰ মাজত সহৃদয়তা গঢ় লৈ উঠিছে। চৰাই হালৰ লগতো ঘনিষ্ঠতা বাঢ়িছে সিহঁতৰ মাত-কথা মই বহুদিন শুনিছো। কিছু কিছু বুজাও হৈছো।

'ফুল-ফল যেনেদৰে প্ৰকৃতিৰ চমকপ্ৰদ সৃষ্টি, চৰাই, পখিলা, ভোমোৰা, মৌমাখি আদিও বিনন্দীয়া সৃষ্টি। স্বভাৱত শান্ত চৰাইবোৰৰ মাতত সাংগীতিক মূৰ্চ্ছনা থাকে বাবে আমি তাক সিহঁতৰ কথা বুলি ন'কৈ গীত বুলি কওঁ। কিন্তু সিহঁতৰ মাত-কথা বুজিব নোৱাৰো বাবে আমাৰ নিজৰ মাজত চলি থকা চিন্তা-ভাৱনা আৰু অভিজ্ঞতাৰে চৰাইৰ মাত-কথাক আমাৰ ভাৱনাত প্ৰোথিত কৰো। তাত সুৰ-লহৰ মিলাই দি তাক প্ৰোজ্জ্বল কৰো। সিহঁতৰ লগত আমিও গাওঁ। গাই কৃতাৰ্থ হওঁ।

'কিন্তু মই কিছুদিনৰ পৰা অনুমান কৰিছো চৰাই হালৰ মাত-কথাত কাৰুণ্য আহিছে। আশাহীনতাই সিহঁতৰ আতংকিত কৰি তুলিছে যেন লাগে। গছজোপাৰ ওপৰৰ ডালবোৰ এটা-দুটাকৈ ক্ৰমে মৰি শুকাই যাবলৈ ধৰিছে। মৰিব ধৰা গছজোপাৰ শুকান ডালত বহি সুললিত সংগীত জোৰা চৰাই হালে সদায় ভাবে যে গছৰ মৰা ডালবোৰ ভাগিব যেতিয়া গীত গাই লাভ কি?

'চৰাই হালৰ গীতত আৱেগ ঢালি দিলেও গছজোপাই ভৱিষ্যতে জানো সিহঁতক আশ্ৰয় দিব পাৰিব? সিহঁতৰ সুমধুৰ সুৰে শুকান ডালত শ্যামলিমা আনিব পাৰিব নে ফুল-ফলেৰে ভৰুণ কৰি তুলিব?

'প্ৰকৃতিৰ অভিন্ন অংগ হিচাপে চৰাই হালে আৰু জানে যে মৰণশীলতাই জীৱনক স্বাগতম জনাব নোৱাৰে। মৃত্যুমুখী ডালবোৰত নতুন পাত বা ফুল-ফল অহাৰ আশা মুঠেই নাই যদিও সিহঁতে দুখ কৰি জুপুকা মাৰি ক'ৰবাত বহি থকাও জানো উচিত হ'ব? দেহ-মনত জড়তা আনি গতিৰুদ্ধ হৈ থকাৰ কথা প্ৰকৃতিয়ে কেতিয়াবা কয় জানো?— নকয়।

'আশাহীনতাই চৰাই হালক বিষাদগ্ৰস্ত কৰি তুলিলেও সিহঁতৰ স্বভাৱসুলভ মাত-কথা বা গীতবোৰ গাই যাবলৈ ধৰিলে। সিহঁতে জীৱনক অৱজ্ঞা কৰিব নোৱাৰে। অনীহা কৰিবও নোৱাৰে। জীৱনৰ প্ৰতি অনীহা প্ৰকাশ কৰা মানেইতো জীৱনৰ প্ৰতি বিৰোধ প্ৰদৰ্শন কৰা। চৰাই হালে জীৱনৰ প্ৰতি বিৰোধিতা প্ৰদৰ্শন কেতিয়াও কৰিব নোৱাৰে, কাৰণ সেয়া প্ৰকৃতি বিৰুদ্ধ কথা। প্ৰকৃতিৰ নিয়মৰ বিপৰীতে যোৱা কথাহে হ'ব।

মানুহৰ বাহিৰে কোনো জীৱই প্ৰকৃতি বিৰুদ্ধ কাম নকৰে। আপোনালোক আটায়ে নিজৰ নিজৰ বৃত্তিগত স্বাৰ্থত মজি আছে। নিজ স্বাৰ্থৰ বাহিৰে আন কাৰো কথা চিন্তা কৰা নাই। নিজৰে কথা নিজে ভাবিছে, নিজৰ কথা নিজে শুনিছে। আনকি চৰাই হালৰ বা আন জীৱৰ ভৱিষ্যৎ নিৰাপদ স্থিতি আৰু নিৰাপত্তাৰ কথাও এবাৰো ভবা নাই।

'চৰাই হালৰ কৰুণ গাথাঁকো আপোনালোক 'হৰে কৃষ্ণ ৰাধা' বা 'আলু কচু আদা' শুনিবলৈ পাইছে যেতিয়া মইনো কি কম এতিয়া!

'দৰাচলতে আপোনালোকৰ অন্তৰত সৃষ্টিমূলক ভাৱনাৰ বীজ নাই বাবেই আনৰ কথা ভাবিব বা চিন্তিবৰ আহৰি নাই। মনত স্পৃহা জাগি উঠা নাই আনক প্ৰাধান্য দিয়া বা গুৰুত্ব প্ৰদান কৰাৰ কাৰণ। ধৰ্মান্ধ আৰু বৃত্তিতে আবদ্ধ হৈ থকাৰ বাবে আপোনালোকে আত্ম প্ৰীতিৰ বাহিৰে সৃষ্টি, কলা-কৃষ্টি আৰু সভ্যতাৰ কথা একো বুজিব পৰা নাই।

'আপোনালোকে জানেনে! বট গছজোপাৰ মৃত্যুমুখী অৱস্থা আৰু চৰাই হালৰ শোক গাথাকে মুখ্য বিষয় কৰি লৈ কোনো মহান শিল্পীয়ে শিল্পৰূপ দিলে নতুবা প্ৰবীণ কবিৰ কল্পনাত চিত্ৰিত হ'লে সিয়েই হ'বগৈ মহৎ সৃষ্টি।'

*ফোন ঃ ৮৮২২১৮৮৬৭৯*

# অনিত্য দেহ, নিত্য আত্মা

ভাৰ্গৱ কলিতা

ৱাসাংসি জীৰ্ণানি যথা ৱিহায়
নৱানি গৃহ্ণাতি নৰোহপৰাণি।
তথা শৰীৰাণি ৱিহায় জীৰ্ণান্য
ন্যানি সংয়াতি নৱানি দেহী।।

যেনেদৰে এজন মানুহে পুৰণি পোচাকবোৰ পৰিত্যাগ কৰি নতুন পোচাক পৰিধান কৰে, তেনেদৰে জীৱাত্মাটোৱেও বৃদ্ধ আৰু অলাগতীয়াল শৰীৰবোৰ ত্যাগ কৰি নতুন পাৰ্থিৱ দেহ ধাৰণ কৰে। (শ্ৰীমদ্ভগৱদ্গীতা, সাংখ্যযোগ, শ্লোক ২২)

প্ৰভু ভগৱন্তৰ উপৰোক্ত অমৃত বচনতে নিহিত আছে শৰীৰৰ নশ্বৰতাৰ কথা। আমাৰ আত্মাটো কিন্তু চিৰশাশ্বত। সেয়েহে মানুহৰ মৃত্যু হ'লে দেহাৱসান হোৱা বুলি কোৱা হয়, আত্মাৱসান বুলি কোৱা নহয়। সেয়ে শাস্ত্ৰীয় দৃষ্টি কোণেৰে বিচাৰ কৰিলে আমি হৃদয়ংগম কৰো যে আমি যিহেতু আত্মা গতিকে আমিও নিত্য আৰু সনাতন। কিন্তু দেহকে সৰ্বোচ্চ বুলি ভবাটো হৈছে মানৱী জনমৰ চৰম ব্যৰ্থতা।

পাৰমাৰ্থিক জ্ঞানৰ প্ৰথম শিকনিটোৱেই হৈছে— আমি দেহ নহয়, আত্মাহে। আমাৰ দেহৰ পৰিচয় জড়জাগতিক আৰু ক্ষণস্থায়ী, আনহাতে আত্মা হিচাপে আমাৰ পৰিচয় হৈছে আধ্যাত্মিক আৰু চিৰস্থায়ী। আত্মা হৈছে নিত্য আৰু সনাতন। কিন্তু দেহ হৈছে অনিত্য আৰু বিনাশশীল। পৰম পুৰুষ দ্বিভুজ মূৰলীধৰ শ্ৰীকৃষ্ণই শ্ৰীমদ্ভগৱদ্গীতাৰ সাংখ্যযোগত কৈছে—

নাসতো ৱিদ্যতে ভাৱো নাভাৱো
ৱিদ্যতে সতঃ।
উভয়োপি দৃষ্টোহস্ত
স্ত্বনয়োস্তত্বদৰ্শিভিঃ।।

অৰ্থাৎ দেহটো হৈছে অনিত্য বস্তু, ইয়াৰ স্থায়িত্ব নাই। আনহাতে আত্মা হৈছে নিত্য বস্তু, ইয়াৰ কোনো পৰিৱৰ্তন নাই। উভয়ৰে অধ্যয়ন কৰি তত্ত্বদৰ্শীসকলে এই সিদ্ধান্তত উপনীত হৈছে।

বদ্ধজীৱই মায়াৰ কৱলত পৰি নিজৰ প্ৰকৃত স্বৰূপ পাহৰি দেহটোকে অন্তিম পৰিচয় বুলি ভাৱে। কিন্তু মানুহ যেতিয়া উত্তম বুদ্ধিৰ অধিকাৰী হয়, তেতিয়া উপলব্ধি কৰে যে আমি আচলতে সৎ চিৎ আনন্দময় আত্মাহে। দেহাত্ম বুদ্ধিৰ স্তৰৰ পৰা আত্মোপলব্ধিৰ স্তৰলৈকে উৎকৰ্ষ সাধনৰ বাবে আমাক প্ৰয়োজন কৰুণাসিন্ধু গোপালৰ কৃপা আৰু সৎগুৰুৰ শৰণাগতি। গুৰুৰ অবিহনে আধ্যাত্মিক জীৱন কেতিয়াও সফল হ'ব নোৱাৰে। ভগৱানৰ প্ৰতিনিধি হিচাপে গুৰুসকলে জড়জাগতিক কলুষতাৰ পৰা মনুষ্যক উদ্ধাৰ কৰে আৰু নিত্যপবিত্ৰ চিন্ময় জ্ঞানৰ সৈতে চিনাকি কৰি দিয়ে। চিন্ময় জ্ঞানৰ সৰ্বোৎকৃষ্ট গ্ৰন্থ হৈছে শ্ৰীমদ্ভগৱদ্গীতা। এই পাৰমাৰ্থিক গ্ৰন্থখনে দুৰ্লভ মানৱী জনমটো সাৰ্থক কৰাৰ উপদেশামৃত প্ৰদান কৰি আহিছে। পতিতপাৱন, শৰণাগতৰ উদ্ধাৰকাৰী প্ৰভু কৃষ্ণই মায়া আৱদ্ধ মনুষ্যসকলক দেহাত্মবুদ্ধিৰ পৰা উদ্ধাৰ কৰিবলৈ শাশ্বত গ্ৰন্থ গীতাত আত্মা সম্বন্ধে যথাৰ্থ তত্ত্ব



আগবঢ়াইছে। গীতাৰ সাংখ্যযোগৰ ২০ নং শ্লোকত প্ৰভুৱে কৈছে—

ন জায়তে ম্ৰিয়তে ৱা কদাচিন্
নায়ং ভূত্বা ভৱিতা ৱা ন ভূয়ঃ
অজো নিত্যঃ শাশ্বতোহয়ং পুৰাণো
ন হন্যতে হন্যমানে শৰীৰে।।

আত্মাৰ জন্ম আৰু মৃত্যু নাই। অতীততো ই জন্ম হোৱা নাছিল, বৰ্তমানতো জন্মা নাই আৰু ভৱিষ্যতেও জন্ম নহয়। আত্মা অজ তথা চিৰশাশ্বত। দেহৰ মৃত্যু হ'লেও আত্মাৰ মৃত্যু নহয়।

আত্মা বিকাৰহীন আৰু বিনাশহীন। দেহ বিকাৰ আৰু বিনাশপূৰ্ণ। আনহাতে অনিত্য দেহটোকে সৰ্বস্ব বুলি ভাবি কেতিয়াও মিছা অহংকাৰত মত্ত হোৱা উচিত নহয়। দেহৰ সৌন্দৰ্য, দেহকেন্দ্ৰিক সম্পৰ্ক, উচ্চকুলত জন্মগ্ৰহণ আদি সকলো বিনাশশীল বস্তু। গতিকে সুদুৰ্লভ মানৱী তনু লাভ কৰি বিনাশশীল বিষয়ত ব্যস্ত হৈ জীৱনটো ব্যৰ্থ কৰিব নালাগে। বিনাশৰহিত আত্মা আধাৰিত প্ৰজ্ঞাৰে আমাৰ জীৱন পৰিচালিত কৰিব লাগিব। তেতিয়াহে আমি জীৱশ্ৰেষ্ঠ হিচাপে জীৱন সাৰ্থক কৰিব পাৰিম। ভৱসমুদ্ৰত বিভিন্ন দেহ ধাৰণ কৰি ভ্ৰমি ফুৰাটো এক প্ৰকাৰৰ দণ্ড। সেয়েহে বৈষ্ণৱ আচাৰ্য সকলে অপ্ৰাকৃত জগতত প্ৰৱেশ কৰিবৰ কাৰণে ভগৱান হৰিৰ চৰণ পংকজত আশ্ৰিত হ'বলৈ বাৰে বাৰে কৈ থৈ গৈছে। জীৱাত্মাৰ কৰ্তব্য হৈছে পৰমাত্মাৰ সেৱা কৰা। শাস্ত্ৰৰ উত্তম ভাগৱত শাস্ত্ৰতো কৃষ্ণ ভকতিকে সৰ্বশ্ৰেষ্ঠ কৰণীয় বুলি কোৱা হৈছে। মনুষ্য তনু লাভ কৰি বিকৰ্মত মত্ত হৈ কুকুৰ, মেকুৰী, গাহৰি আদি ৮৪ লাখ যোনি ভ্ৰমণ কৰাতকৈ নন্দনন্দনৰ শৰণাগত হৈ জন্ম মৃত্যুৰ চক্ৰৰ পৰা উদ্ধাৰ পাবৰ বাবে আমি অহোপুৰুষাৰ্থ কৰা উচিত। দৈহিক সুখত আসক্ত হৈ জীৱনটো অপব্যৱহাৰ নকৰি হৰিৰ ভকতিত নিজকে সমৰ্পিত কৰিলে জনম সফল হয়। আমি ইন্দ্ৰিয় কিংকৰ নহয় কৃষ্ণ কিংকৰ হোৱা উচিত। সেয়েহে পৰম পুৰুষ পৰমেশ্বৰৰ একান্ত সেৱক, গুণৰ আকৰ গুৰু শ্ৰীশ্ৰীমাধৱদেৱে নামঘোষাত কৈছে—

হৰিত আশ্ৰয় জানিবা নিশ্চয়
সুখৰ মূল কাৰণ।
হৰিত বিমুখ দুখৰ কাৰণ

ফোন ঃ ৯৯৫৪৮ ১০৫২৯

# ৰঙিয়াত আন্তঃৰাষ্ট্ৰীয় কন্যা শিশু দিৱস উদ্‌যাপন



অগ্ৰদূত বাৰ্তা

**ৰঙিয়া, ১৩ অক্টোবৰ ঃ** ‘কন্যা শিশুসকল দেশৰ ভৱিষ্যত নিৰ্মাণৰ সেনানী, দেশৰ ভৱিষ্যত। এখন সুস্থ সৱল দেশ গঢ়িবলৈ হ’লে কন্যা শিশুসকলৰ সৰ্বাংগীণ বিকাশৰ বাবে সমাজৰ প্ৰতিগৰাকী ব্যক্তিক গুৰুত্ব দিবই লাগিব।’ এই মন্তব্য ৰঙিয়া বুনিয়াদী প্ৰশিক্ষণ কেন্দ্ৰৰ অধ্যক্ষ মঞ্জু চেতিয়াৰ। তেওঁ ৰঙিয়া বুনিয়াদী প্ৰশিক্ষণ কেন্দ্ৰৰ প্ৰেক্ষাগৃহত আন্তঃৰাষ্ট্ৰীয় কন্যা শিশু দিৱসৰ লগত সংগতি ৰাখি অনুষ্ঠিত এক সজাগতা সভাত মুখ্য অতিথিৰ বক্তব্যত এই মন্তব্য কৰে। তেওঁ কয় যে আজিৰ কন্যা শিশু কাইলৈৰ দেশৰ ভৱিষ্যত। গতিকে কন্যা শিশুসকলৰ প্ৰতি সমাজৰ প্ৰতিগৰাকী লোক দায়বদ্ধ হোৱা উচিত। আমিনগাঁৱৰ কামৰূপ জিলা আইন সেৱা প্ৰাধিকাৰী, জিলা আৰু সত্ৰ ন্যায়াধীশ আৰু ৰাষ্ট্ৰীয় মহিলা সুৰক্ষা মঞ্চৰ উদ্যোগত তথা প্ৰাধিকাৰীৰ অধ্যক্ষ ডাৰাক উল্লাহ আৰু সচিব প্ৰণামী গোস্বামীৰ তত্বাৱধানত অনুষ্ঠিত সজাগতা সভাত ৰাষ্ট্ৰীয় মহিলা সুৰক্ষা মঞ্চৰ ৰাজ্যিক উপ-সভাপতি উৎপল ৰাজবংশী, কামৰূপ জিলাৰ সভাপতি প্ৰিন্স কুমাৰ দাস, ছিমবায়োছিছ একাডেমীৰ অধ্যক্ষা অশোকা দত্ত, ৰঙিয়া জিলা শিক্ষক সন্মিলনীৰ সম্পাদক তথা প্ৰধান শিক্ষক সৰ্বেশ্বৰ লহকৰসহ অন্যান্য কে’বাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। সভাত উপস্থিত থকা সমূহ ছাত্ৰ-ছাত্ৰী তথা বিশিষ্ট ব্যক্তিসকলক মানপত্ৰৰে সন্মানিত কৰা হয়।

# নলবাৰী আঞ্চলিক ছাত্ৰ সন্থাৰ দ্বি-বিংশতিতম অধিবেশনৰ প্ৰস্তুতি

অগ্ৰদূত বাৰ্তা

**নলবাৰী, ১৩ অক্টোবৰ ঃ** নলবাৰী আঞ্চলিক ছাত্ৰ সন্থাৰ দ্বি-বিংশতিতম অধিবেশন অহা নৱেম্বৰত অনুষ্ঠিত কৰাৰ বাবে ব্যাপক প্ৰস্তুতি চলোৱা হৈছে। এই উপলক্ষে কালি নলবাৰী ছহিদ ভৱনত নলবাৰী আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি ৰুবুল বৰ্মনৰ সভাপতিত্বত অনুষ্ঠিত হয় সাধাৰণ সভা। এই সাধাৰণ সভাত অহা পাঁচ আৰু ছয় নৱেম্বৰত দুদিনীয়াকৈ মালিকুছি শিৱমন্দিৰ প্ৰাংগণত অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। নলবাৰী আঞ্চলিক ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক নৱ কুমাৰ ডেকাই উদ্দেশ্য ব্যাখ্যা কৰা আৰু প্ৰাক্তন ছাত্ৰ নেতা, শিক্ষাবিদ, সাহিত্যিক, সাংবাদিকসহ ভালে সংখ্যক ছাত্ৰকৰ্মী উপস্থিত থকা সভাত অভ্যৰ্থনা সমিতিখন গঠন কৰা হয়।

## অভ্যৰ্থনা সমিতি গঠন

সভাত শিক্ষাবিদ তথা নগৰ উন্নতি সভাৰ সভাপতি ড° দীনমনি ভাগৱতীয়ে ছাত্ৰ সংগঠনটোৰ বিভিন্ন দিশ পৰ্যালোচনা কৰাৰ লগতে ছহিদ ভৱনত এটি শৈক্ষিক পৰিৱেশ সৃষ্টিৰ বাবে ছাত্ৰ সন্থাৰ নেতৃত্বক আহ্বান জনায়। তেওঁ কয় যে শৈক্ষিক পৰিবেশৰ দ্বাৰা যাতে শাখাসমূহৰ পৰা অহা ছাত্ৰকৰ্মীসকল উৎসাহিত হয়। সভাত জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক অক্ষয় ডেকাই সদৰ আঞ্চলিক ছাত্ৰ সন্থাৰ নেতৃত্বক শাখাসমূহ বৰ্ধিত আৰু শক্তিশালী ৰূপত গঠন কৰিবলৈ আহ্বান জনায়। সভাত সদৌ অসম ছাত্ৰ সন্থাৰ শিক্ষা সম্পাদক ভৰজিৎ বেজবৰুৱা, শিক্ষাবিদ ফণীধৰ ডেকা, প্ৰাক্তন ছাত্ৰনেতা হৰিমোহন তহবিলদাৰ নৰেন মজুমদাৰ, বিৰাজ গোস্বামী, পংকজ বৰ্মনসহ ভালেসংখ্যক বিশিষ্ট লোকে অধিবেশনৰ বিভিন্ন দিশৰ ওপৰত বক্তব্য প্ৰদান কৰে। উল্লেখ্য যে সভাত প্ৰাক্তন ছাত্ৰ নেতা হৰিমোহন তহবিলদাৰক সভাপতি, নৰেন মজুমদাৰক কাৰ্যকৰী সভাপতি আৰু বিশাল বিক্ৰম চৌধুৰীক সম্পাদক হিচাপে লৈ অভ্যৰ্থনা সমিতি গঠন কৰা হয়।


# বিটিআৰ পৰিষদীয় চৰকাৰৰ উদ্যোগত ৰেছম বিভাগৰ দুদিনীয়া ৰাষ্ট্ৰীয় কৰ্মশালা

অগ্ৰদূত বাৰ্তা

**কোকৰাঝাৰ, ১৩ অক্টোবৰ ঃ** বিটিআৰ পৰিষদীয় চৰকাৰৰ ৰেছম বিভাগৰ উদ্যোগত বুধবাৰৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে আৰম্ভ হৈছে ৰাষ্ট্ৰীয় কৰ্মশালা। কোকৰাঝাৰ চহৰৰ বড়োফা নগৰস্থিত বিটিআৰ বিধানসভাৰ পৰিষদীয় ভৱনৰ সভাকক্ষত অনুষ্ঠিত কৰ্মশালাখনৰ আনুষ্ঠানিকভাৱে শুভ উদ্বোধন কৰে বিটিআৰ প্ৰধান প্ৰমোদ বড়োৱে। ইপিনে, দুদিনীয়া ৰাষ্ট্ৰীয় ৰেছম কৰ্মশালাখন উদ্বোধনৰ পাছত সংবাদ মাধ্যমৰ আগত বিটিআৰ প্ৰধান প্ৰমোদ বড়োৱে কয় যে, ৰেছম উৎপাদনৰ ক্ষেত্ৰত এক বিশেষ স্থান দখল কৰিবলৈ সক্ষম হোৱা বিটিআৰ অঞ্চলৰ ৰেছম উদ্যোগক অধিক আগুৱাই নিয়া তথা উদ্যোগটোৰ স’তে জড়িত উৎপাদকসকলক উৎসাহিত কৰাৰ উদ্দেশ্যেৰে কৰ্মশালাখন আয়োজন কৰা হৈছে। আনপিনে, কেন্দ্ৰীয় ৰেছম ব’ৰ্ডৰ সদস্য সচিৱ ৰজিত ৰঞ্জন আখণ্ডিয়াৰে বিটিআৰ অঞ্চলৰ গৌৰৱ তথা দেশ-বিদেশত এক সুকীয়া বৈশিষ্ট্য বহন কৰিবলৈ সক্ষম হোৱা ৰেছম উদ্যোগৰ কিছুমান প্ৰত্যাহ্বান, সমস্যা আছে যদিও ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় পৰ্যায়লৈ কেনেকৈ নিব পৰা যায় তাৰ বাবে সম্পূৰ্ণ প্ৰচেষ্টা অব্যাহত ৰাখিছে বুলি জানিব দিয়ে। উল্লেখ্য যে কাৰ্যসূচীত বিটিআৰৰ ৰেছম বিভাগৰ কাৰ্যবাদী সদস্য দাওবাইছা বড়ো, কাৰ্যবাহী সদস্য ধণঞ্জয় বসুমতাৰীসহ শতাধিক ৰেছম উৎপাদকসকলে অংশগ্ৰহণ কৰে।

## ৰেছম উৎপাদকসকলক উৎসাহিত কৰাৰ প্ৰচেষ্টা গ্ৰহণ

# ৰঙাপৰাত নতুন পেঞ্চন নীতি বাতিলৰ দাবীত ৰেল কৰ্মচাৰীৰ ধৰ্মঘট



বিশেষ সংবাদদাতা

**ৰঙাপৰা, ১৩ অক্টোবৰ ঃ** অল ইণ্ডিয়া ৰেলৱে মেনছ্ ফেডাৰেছনৰ আহ্বান মৰ্মে নতুন পেঞ্চন নীতি বাতিলৰ লগতে ৰেলৱেত ব্যক্তিগতকৰণ, পদ বিলুপ্তিকৰণ, ১৮ মাহৰ অনাদায় মৰগীয়া বানচ প্ৰদান, ৰেলৱে কৰ্মচাৰী আৱাস, ৰেলৱে কল’নী আদিৰ মেৰামতি আৰু উন্নীতকৰণ আদি বিভিন্ন সমস্যা সমাধানৰ দাবীত সমগ্ৰ ভাৰতবৰ্ষত ৰেল কৰ্মচাৰীসকলে আজি এদিনীয়া ধৰ্মঘট ৰূপায়ণ কৰে। এই ধৰ্মঘট কাৰ্যসূচীৰ লগত সংগতি ৰাখি এন এফ ৰেলৱে মজদুৰ ইউনিয়ন, ৰঙাপৰা শাখাই ৰঙাপৰা ৰেলৱে ষ্টেছনৰ সন্মুখত এদিনীয়া ধৰ্মঘট পালন কৰে। ইউনিয়নৰ ৰঙিয়া মাণ্ডলিক যুৱ সমিতিৰ সম্পাদক অসীম ডেকাই সংবাদ মাধ্যমক জানিবলৈ দিয়া মতে, এই ধৰ্মঘট কাৰ্যসূচী এন এফ ৰেলৱে মজদুৰ ইউনিয়নৰ ৰঙাপৰাৰ স’তে ৫২ টা শাখাত পালন কৰা হয়। এই কাৰ্যসূচীত মজদুৰ ইউনিয়ন ৰঙাপৰা শাখাৰ সম্পাদক জামাল আলী, ইউনিয়নৰ জ্যেষ্ঠ নেতা সুভাষ মণ্ডল, সুধাংশু দত্তৰ স’তে কে’বাজনো নেতা-কৰ্মী উপস্থিত থাকে।

# লক্ষ লক্ষ টকা আদায়ৰ পাছতো পথৰ ওপৰেদি যাতায়াত কৰিব নোৱাৰে পথচাৰী

## কঠিয়াতলিত নদীৰ বান্ধ নিৰ্মাণত কেলেংকাৰি

অগ্ৰদূত বাৰ্তা

**কচুৱা, ১৩ অক্টোবৰ ঃ** কঠিয়াতলি উন্নয়ন খণ্ডৰ অন্তৰ্গত ৰহা সমষ্টিৰ মাধৱপাৰা গাঁও পঞ্চায়তৰ জনপ্ৰতিনিধি আৰু চৰকাৰী বিষয়া-কৰ্মচাৰীৰ অবাধ লুণ্ঠনে ভৱাই তুলিছে সচেতন মহলক। স্থানীয় ৰাইজৰ অভিযোগ মতে, মাধৱপাৰা গাঁও পঞ্চায়তৰ তিনি নম্বৰ ৱাৰ্ডৰ মাধৱপাৰা গাঁৱৰ বৰপানী নদীৰ ছিঙা মথাউৰি নিৰ্মাণৰ বাবে ফৰ্টিন ফাইনেন্স আঁচনিৰ পৰা ২০২০-২১ত আৱণ্টন হৈছিল ১৪ লাখ টকা। ইয়াৰ সমুদায় ধন যোৱা বছৰেই উঠোৱা হৈছে যদিও এপইচাৰ কাম নকৰাকৈ পঞ্চায়ত সচিব অনন্ত বৰা, সভানেত্ৰী ৰেহেনা খাতুনে আত্মসাৎ কৰাৰ অভিযোগ উঠিছে। বৰপানীৰ নদীৰ মাধৱপাৰা গাঁৱৰ এই খালটোৰ বা-বাতৰি দেখি জলসম্পদ বিভাগৰ উচ্চ পদস্থ বিষয়া, নগাঁও জিলা উপায়ুক্ত, কামপুৰ চক্ৰ বিষয়া আৰু কঠিয়াতলি উন্নয়ন খণ্ডৰ জ্যেষ্ঠ বিষয়াসকলে উক্ত ঠাই পৰিদৰ্শন কৰি ৰাইজক বান প্ৰতিৰোধ কৰিব বুলি আশ্বাস দিছিল। সেই অনুপাতে ‘কনট্ৰাকছন অফ গাইড্ বান্ধ এলং বৰপানী ৰিভাৰ এট মাধৱপাৰা ব্ৰিজ’ নামৰ আঁচনিৰ বাবে প্ৰায় ৫০ লক্ষ টকাৰ আৱণ্টন দিছিল। উক্ত আঁচনিৰ পইচা উঠাই কেৱল মাটিৰে তিনিশ মিটাৰ পথ নিৰ্মাণ কৰিছে। আঁচনিখনত উল্লেখ থকা ধৰণে বল্ডাৰ পিচিং নহ’ল। নহ’ল কোনো বান প্ৰতিৰোধ। মাত্ৰ তিনিলাখ ৪০ হেজাৰ টকাৰ মাটিৰ কাম কৰিছে বুলি চৰজমিন তদন্তক্ৰমে প্ৰকাশ পাইছে। ইপিনে, একেই বান্ধৰ নামত যোৱা ১৫ মাৰ্চত পৃথকে পৃথকে সৰ্বমুঠ ১১৮৮৭০০ টকা তোলা হৈছে যদিও এপাচি মেটেল পেলোৱা নাই। যাৰ ফলত উক্ত বান্ধ তথা পথটোৰ বোকাময় পৰিস্থিতিৰ বাবে পথৰ ওপৰেদি ৰাইজে চলাচলা কৰিব পৰা নাই। নাৰী সবলীকৰণক ভৰিৰে মোহাৰি সভানেত্ৰী ৰেহেনা খাতুনৰ স্বামী ফৰমান আলীয়ে সচিব আৰু বিষয়াসকলক মেনেজ কৰি চলাই গৈছে ব্যাপক লুণ্ঠনৰাজ। ৱাৰ্ড সদস্যসকলে সভানেত্ৰী স্বামীৰ কাম-কাজত অতিষ্ঠ হৈ বহুবাৰ অনাস্থাৰ প্ৰস্তাৱ দিও নাপায় কোনো ন্যায়। স্মৰ্তব্য যে উক্ত বান্ধ নিৰ্মাণত ভয়ানক কেলেংকাৰিৰ তথ্য পাবলৈ ‘এনএল ২৪ আছাম’ৰ সঞ্চালক কপিল উদ্দিন আহমেদে তথ্য জনাৰ অধিকাৰ আইনৰ অধীনত আবেদন দিও কোনো তথ্য পোৱা নাই বুলি প্ৰকাশ কৰে। আনকি উক্ত আঁচনিৰ তদন্ত বিচাৰি স্থানীয় ৰাইজে বিগত সপ্তাহত কঠিয়াতলি উন্নয়ন খণ্ড বিষয়াক লিখিত আবেদনো জনাইছে। উন্নয়ন খণ্ড বিষয়াই কোনো সঠিক পদক্ষেপ নল’লে সচেতন ৰাইজ মুখ্যমন্ত্ৰীৰ ভিজিলেন্স কমিটীত আবেদন জনাব বুলি সদৰী কৰিছে।

# লখিমপুৰত স্তন কৰ্কট ৰোগৰ সজাগতা সভা

অগ্ৰদূত বাৰ্তা

**লখিমপুৰ, ১৩ অক্টোবৰ ঃ** এএছআৰএলএমৰ উদ্যোগত লখিমপুৰ কৰুণাবাৰী ডেভেলপমেণ্ট ব্লকত কালি স্তন কৰ্কট ৰোগৰ সজাগতামূলক এক অনুষ্ঠান অনুষ্ঠিত হয়। উল্লেখ্য যে অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ ক্ৰমাৎ বৃদ্ধি পাবলৈ ধৰা স্তন কেন্সাৰ ৰোগৰ প্ৰতিকাৰৰ লক্ষ্যৰে অনুষ্ঠিত অনুষ্ঠানত সমল ব্যক্তিৰূপে উপস্থিত থাকি লখিমপুৰ চিকিৎসা মহাবিদ্যালয়ৰ ডাঃ সংগীতা ঘোষ, ঋতুৰাণী বৰাই স্তন কৰ্কট ৰোগৰ প্ৰতিকাৰৰ বাবে ল’বলগীয়া স্তন কৰ্কট ৰোগৰ পৰীক্ষা, সাধাৰণ লক্ষণ, প্ৰাথমিক পৰ্যায়ৰ চিকিৎসা মেন’গ্ৰাফী আল্টা ছাউণ্ড আদি বিভিন্ন ৰোগ প্ৰতিৰোধ সম্পৰ্কে আলোচনা তথা দিহা-পৰামৰ্শ আগবঢ়ায়। অনুষ্ঠানত লখিমপুৰ কৰ্কট প্ৰতিষ্ঠানৰ সা-সুবিধা সম্পৰ্কে অৱগত কৰে সঞ্জীৱ কুমাৰ ভাটিয়াই। তদুপৰি অনুষ্ঠানত ৪৫ৰ উৰ্ধ্বৰ মহিলাক বিনামূলীয়া স্তন পৰীক্ষা কৰা হয়।

# শিৱসাগৰ পৰ্যটন খণ্ডৰ প্ৰচাৰ-প্ৰসাৰৰ সন্দৰ্ভত আলোচনাচক্ৰ সম্পন্ন

বিশেষ সংবাদদাতা

**শিৱসাগৰ, ১৩ অক্টোবৰ ঃ** অসম চৰকাৰৰ ৰাজ্যিক উদ্ভাৱক আৰু ৰূপান্তৰ আয়োগৰ উদ্যোগত তথা শিৱসাগৰ জিলা প্ৰশাসনৰ সহযোগত কালি যুৱ দলৰ প্ৰেক্ষাগৃহত শিৱসাগৰ দিলাৰ পৰ্যটন খণ্ডৰ প্ৰচাৰ আৰু প্ৰসাৰৰ সন্দৰ্ভত এখন গুৰুত্বপূৰ্ণ আলোচনাচক্ৰ অনুষ্ঠিত হয়। শিৱসাগৰ যুৱদলত অনুষ্ঠিত আলোচনাচক্ৰখনত উপস্থিত থাকে অসম চৰকাৰৰ পৰ্যটন নিগমৰ উপাধ্যক্ষ ডাঃ ৰমেন ডেকা। শিৱসাগৰত পৰ্যটন ক্ষেত্ৰত বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰিবলৈ সকলোৰে সহযোগিতা লাগিব বুলি আহ্বান জনোৱাৰ লগতে শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ ঐতিহাসিক স্থান কিছুমানত চলি থকা বেদখল উচ্ছেদ কৰিবলৈ চৰকাৰে পদক্ষেপ ল’ব বুলি সদৰী কৰে ৰমেন ডেকাই। শিৱসাগৰ জিলাৰ অতিৰিক্ত উপায়ুক্ত বিতোপন নেওগে আঁত ধৰা আলোচনা চক্ৰখনত অসমৰ পৰ্যটন ক্ষেত্ৰখনলৈ বৰঙণি আগবঢ়োৱা কে’বাগৰাকী বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰি জিলাখনৰ পৰ্যটন খণ্ডৰ প্ৰচাৰ আৰু প্ৰসাৰৰ ক্ষেত্ৰত ল’ব লগা কেতবোৰ পৰামৰ্শ আগবঢ়ায়।



অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধিকে ধৰি কৰৰ বোজাৰ বিৰুদ্ধে নলবাৰীত আছুৰ প্ৰতিবাদ।

# কাকৰনীৰ হত্যাকাণ্ডত আটক এক হত্যাকাৰীক দৃষ্টান্তমূলক শাস্তিৰ দাবীত আৰক্ষী চকী ঘেৰাও

অগ্ৰদূত বাৰ্তা

**ৰাজগড়, ১৩ অক্টোবৰ ঃ** ডিব্ৰুগড় জিলাৰ ৰাজগড় আৰক্ষী চকীৰ অন্তৰ্গত কাকৰনী ব্লক গাঁৱত কালি দুই সন্তানৰ মাতৃক নিজাগৃহত অতি নৃশংসভাৱে হত্যা কৰাৰ সন্দেহত আজি স্থানীয় আৰক্ষীয়ে এজন লোকক আটক কৰিছে। আটকাধীন লোকজন গাঁওখনৰে ধ্ৰুৱজ্যোতি চুতীয়া। টিংখাং থানাত আটকাধীন লোকজনক উক্ত হত্যাকাণ্ড সন্দৰ্ভত আৰক্ষীয়ে সোধাপোছ কৰি জেৰা অব্যাহত ৰাখিছে। আনহাতে, নিৰ্মম হত্যাকাণ্ডটোৰ তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি গাঁৱখনৰ শতাধিক মহিলাই আজি ৰাজগড় আৰক্ষী চকী ঘেৰাও কৰি হত্যাকাণ্ডৰে জড়িত দোষীক অতিশীঘ্ৰে দৃষ্টান্তমূলক শাস্তি প্ৰদান কৰিবলৈ দাবী জনায়। উল্লেখ্য যে নিৰদা শইকীয়া নামৰ প্ৰায় ৪০ বছৰীয়া মহিলাগৰাকীক ঘৰত অকলশৰে থকা অৱস্থাত দুৰ্বৃত্তই মূৰত গধুৰ অস্ত্ৰৰে প্ৰহাৰ কৰি হত্যা কৰি পেলাই থৈছিল। কালি বিয়লি মহিলাগৰাকীক ঘৰৰ পৰা ওলোৱা নেদেখি স্থানীয় আত্মীয় লোকে দুৱাৰ খুলা অৱস্থাতে থকা ঘৰখনৰ ভিতৰত প্ৰৱেশ কৰি ৰাক্তাক্ত মৃতদেহটো প্ৰত্যক্ষ কৰাত অঞ্চলটোত হুৱাদুৱা লাগে। খবৰৰ ভিত্তিত আৰক্ষীয়ে মৃতদেহটো উদ্ধাৰ কৰি ঘটনাটোৰ সন্দৰ্ভত ব্যাপক অনুসন্ধান অব্যাহত ৰাখে। ইপিনে, মৃত মহিলাগৰাকীৰ স্বামী নিতুল শইকীয়াই দুই পুত্ৰসহ চেন্নাই এখন চিকিৎসালয়ত চতুৰ্থ শ্ৰেণীত কৰ্মৰত হৈ থকা অৱস্থাত হত্যাকাণ্ডৰ সংক্ৰান্তত জানিব পাৰি দিশহৰা হৈ পৰিছে। গাঁৱখনত সংঘটিত এই নৃশংস হত্যাকাণ্ডৰ ঘটনাই সমগ্ৰ অঞ্চলটোত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হোৱা পৰিলক্ষিত হৈছে। উল্লেখ্য যে বিগত সময়ছোৱাত পিঠাগুটি নগাবাট অঞ্চলত দুৰ্বৃত্তই যুৱতীসহ এগৰাকী মহিলাক ধৰ্ষণ কৰি পথাৰত হত্যা কৰি মৃতদেহ পেলাই দিছিল। উক্ত হত্যাকাণ্ডৰ চাঞ্চল্য মাৰ নৌযাওঁতেই পুনৰ অনুৰূপ ঘটনা সংঘটিত হোৱাত সমগ্ৰ সমষ্টিটোৰ চৌদিশে ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হোৱা পৰিপ্ৰেক্ষিত হৈছে।

# ঢেকীয়ালত শ্ৰীমন্ত শংকৰদেৱৰ আবিৰ্ভাৱ মহোৎসৱ-আই মাতৃ সমাৰোহৰ আয়োজন

অগ্ৰদূত বাৰ্তা

**বৰুৱাবামুণগাঁও, ১৩ অক্টোবৰ ঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৪ সংখ্যক আবিৰ্ভাৱ মহোৎসৱ আৰু চতুৰ্দশ বাৰ্ষিক শিশু আইমাতৃ সমাৰোহখন ঢেকীয়াল আদৰ্শ আঞ্চলিক শাখাৰ আতিথ্যত গোলাঘাট জিলাৰ ঢেকীয়াল জিলা নামঘৰত অহা ২২ আৰু ২৩ অক্টোবৰত অনুষ্ঠিত হ’ব। প্ৰথমদিনা প্ৰাতঃপ্ৰসংগ, ধৰ্মধ্বজা উত্তোলন, সাংস্কৃতিক শোভাযাত্ৰা, নাম-প্ৰসংগৰ পাছত দুপৰীয়া ধৰ্মালোচনী সভা অনুষ্ঠিত হ’ব। সন্ধিয়া ঢেকীয়াল শংকৰী সংস্কৃতি বিকাশ কেন্দ্ৰ শিল্পীসকলৰ দ্বাৰা অংকীয়া নাট প্ৰদৰ্শন কৰা হ’ব। দ্বিতীয় দিনা পুৱা তোৰণ উন্মোচন, গ্ৰন্থ উন্মোচন, বিভিন্ন প্ৰতিযোগিতা আৰম্ভ হ’ব। দুপৰীয়া শিশু আইমাতৃ কল্যাণ শাখাৰ সভা অনুষ্ঠিত হ’ব। এই দুদিনীয়া কাৰ্যসূচীত সকলো ৰাইজৰ উপস্থিতি কামনা কৰিছে উদ্‌যাপন সমিতিয়ে।

# অৱসৰপ্ৰাপ্ত গ্ৰাম সেৱিকা চিত্ৰা গায়নৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**কঠিয়াতলি, ১৩ অক্টোবৰ ঃ** কালি বিয়লি কঠিয়াতলি কৃষি বিভাগৰ অৱসৰপ্ৰাপ্ত বিষয়া তথা সমাজ সেৱক টংকেশ্বৰ বৰাৰ সহধৰ্মিণী তথা অৱসৰপ্ৰাপ্ত গ্ৰাম সেৱিকা চিত্ৰা গায়ন (৭৩)ৰ কঠিয়াতলিৰ নিজ বাসগৃহত বাৰ্ধক্যজনিত কাৰণত মৃত্যু হয়। মহিলাগৰাকীৰ মৃত্যুৰ বাতৰিয়ে কঠিয়াতলিবাসীৰ লগতে কঠিয়াতলি আঞ্চলিক শ্ৰীমন্ত শংকৰদেৱ সংঘই গভীৰ শোক প্ৰকাশ কৰিছে। মৃত্যুৰ সময়ত স্বামী, তিনিগৰাকী বিবাহিতা কন্যা আৰু দুগৰাকী নাতিনীৰ লগতে বহু আত্মীয়ক এৰি যায়।

# ভূৰাগাঁৱত মৰিগাঁও জিলা দিৱসৰ বৰ্ণাঢ্য আয়োজন

অগ্ৰদূত বাৰ্তা

**লাহৰীঘাট, ১৩ অক্টোবৰ ঃ** ১৯৮৯ৰ ১৪ অক্টোবৰকত নগাঁও জিলাৰ পৰা পৃথক হৈ সুকীয়া জিলা হিচাপে স্বীকৃতি লাভ কৰিছিল মৰিগাঁও জিলাই। সুকীয়া জিলা হিচাপে মৰিগাঁৱে স্বীকৃতি লাভ কৰাৰ ৩৩ বছৰ হ’ল। সুদীৰ্ঘ বছৰৰ মূৰত এইবেলি জিলাখনৰ বিভিন্ন প্ৰান্তত অনুষ্ঠিত হ’ব মৰিগাঁও জিলা দিৱস। জিলাখনৰ বিভিন্ন প্ৰান্তৰ লগতে অহা ১৪, ১৫ অক্টোবৰত দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে ভূৰাগাঁও ৰাজহ চক্ৰ কাৰ্যালয়ত উদ্যোগত ভূৰাগাঁও হৰিচৰণ সৰকাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত অনুষ্ঠিত হ’ব মৰিগাঁও জিলা দিৱস। জিলা দিৱসৰ কাৰ্যসূচী সাফল্য মণ্ডিত কৰি তুলিবলৈ সমগ্ৰ ভূৰাগাঁওবাসী ৰাইজ তথা বিভিন্ন দল-সংগঠনৰ সহায়-সহযোগিতা আৰু আন্তৰিকতা একান্তভাৱে কামনা কৰিছে ভূৰাগাঁও ৰাজহচক্ৰৰ চক্ৰ বিষয়া প্ৰিয়ংকা বনিয়াই।

# ‘উত্তৰ-পূৰ্বাঞ্চলৰ সংকটাপন্ন বাদ্যৰ সংগ্ৰহ, সংৰক্ষণ-প্ৰলেখন’ শীৰ্ষক আলোচনা

ষ্টাফ ৰিপ’ৰ্টাৰ

**যোৰহাট, ১৩ অক্টোবৰ ঃ** অসম মহিলা বিশ্ববিদ্যালয়ৰ সংস্কৃতি অধ্যয়ন বিভাগৰ উদ্যোগত উত্তৰ পূৰ্বাঞ্চলৰ সংকটাপন্ন বাদ্যৰ সংগ্ৰহ, সংৰক্ষণ আৰু প্ৰলেখন শীৰ্ষক বিষয়ত এদিনীয়াকৈ আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ এখন আলোচনাসত্ৰ সম্পন্ন হৈ যায়। অসম সংগীতৰে আৰম্ভ হোৱা আৰম্ভণি অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰে উপাচাৰ্য ড° অজন্তা বৰগোহাঁই ৰাজকোঁৱৰ আৰু মুখ্য অতিথি অসম চৰকাৰৰ শিক্ষা উপদেষ্টা ড° ননীগোপাল মহন্তই। সম্বৰ্ধনা অনুষ্ঠানৰ পাছতে আদৰণি ভাষণ আগবঢ়ায় পঞ্জীয়ক তপন কুমাৰ গোহাঁয়ে। ইয়াৰ পাছতে উপাচাৰ্য ড° অজন্তা বৰগোহাঁই ৰাজকোঁৱৰে প্ৰদান কৰা ভাষণত বিশ্ববিদ্যালয়খনৰ সাম্প্ৰতিক স্থিতি সম্পৰ্কে সবিশেষ ব্যাখ্যা কৰি উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যসমূহত ব্যৱহৃত আনদ্ধ বাদ্যযন্ত্ৰসমূহৰ এক বিশ্লেষণ আগবঢ়ায়। ইয়াৰ পাছতে আলোচনাসত্ৰৰ আৰম্ভণি অনুষ্ঠানৰ মুখ্য অতিথিৰূপে উপস্থিত থকা ড° ননীগোপাল মহন্তই সকলোলৈকে সম্ভাষণ জনাই বিশ্ববিদ্যালয়খনৰ আৱাস নিৰ্মাণ আৰু মানৱ শক্তি গঢ়াৰ ক্ষেত্ৰত দিবলগা বিশেষ গুৰুত্বৰ প্ৰসংগ উল্লেখ কৰে আৰু নতুন ৰাষ্ট্ৰীয় শিক্ষানীতিয়ে গ্ৰহণ কৰা বিভিন্ন দিশসমূহৰ বিষয়ে ব্যাখ্যা আগবঢ়ায়। ইয়াৰ লগতে আলোচনাসত্ৰখনৰ বিষয় নিৰ্বাচন আৰু অধ্যয়নৰ গুৰুত্ব সম্পৰ্কে উদাহৰণসহ বিশ্লেষণ আগবঢ়ায়। ইয়াৰ পাছতে সমল ব্যক্তি অ’হায়ো আৰ্ট কাউন্সিলৰ ড° হানস আটাৰে বক্তব্য প্ৰদান কৰি ভাষা, সাহিত্য, সংস্কৃতি সম্পৰ্কীয় অধ্যয়নৰ ক্ষেত্ৰত যুৱ প্ৰজন্মই আকৰ্ষণ অনুভৱ কৰাটো দৰকাৰী বুলি কয়। ড° হানস আটাৰৰ লগতে আলোচনাসত্ৰখনত সমল ব্যক্তিৰূপে উপস্থিত থাকে ঢোল সম্ৰাট সোমনাথ বৰা ওজা, অ’হায়ো আৰ্ট কাউন্সিলৰ ড° উৎপলা বৰা আৰু সংস্কৃতি প্ৰশিক্ষক, সংগ্ৰাহক শিল্পীকা বৰদলৈ। ড° অৰুণিমা গোস্বামীয়ে আগবঢ়োৱা শলাগৰ শৰাইৰ পাছতে ৰাষ্ট্ৰীয় সংগীত পৰিবেশনেৰে আলোচনা সত্ৰৰ আৰম্ভণি অনুষ্ঠানৰ অন্ত পৰে। আলোচনাসত্ৰখনত বিভিন্ন বিশ্ববিদ্যালয়, মহাবিদ্যালয়ৰ পৰা অহা ভালেসংখ্যক শিক্ষক, গৱেষক আৰু ছাত্ৰ-ছাত্ৰীয়ে গৱেষণা পত্ৰ উপস্থাপন কৰে।

# মহাৰজত জয়ন্তী বৰ্ষৰ স্মৃতিগ্ৰন্থৰ বাবে লেখা অহ্বান

অগ্ৰদূত বাৰ্তা

**মৰিয়নি, ১৩ অক্টোবৰ ঃ** বৃহত্তৰ মৰিয়নি অঞ্চলৰ অন্যতম পুৰণি ধৰ্মীয়ানুষ্ঠান শ্ৰী শ্ৰী শংকৰদেৱ কীৰ্তনঘৰৰ মহাৰজত জয়ন্তী বৰ্ষ উদ্‌যাপনৰ লগত সংগতি ৰাখি এখন স্মৃতিগ্ৰন্থ প্ৰকাশৰ যো-জা চলোৱা হৈছে। ইতিমধ্যে ইয়াৰ বাবে মৰিয়নি মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ, শিক্ষাবিদ আনন্দ শইকীয়াক সভাপতি, মনোজ কুমাৰ শৰ্মাক সম্পাদক আৰু তৰুণ শইকীয়া, জয়দ্বীপ বুঢ়াগোহাঁই আৰু প্ৰীতম কুমাৰ শইকীয়াক সহযোগী সম্পাদকৰূপে লৈ এখন স্মৃতিগ্ৰন্থ সম্পাদনা সমিতি গঠন কৰা হৈছে। উক্ত স্মৃতিগ্ৰন্থৰ বাবে অসমৰ বিভিন্ন লোকৰ পৰা উপযুক্ত লেখা আহ্বান জনাইছে সম্পাদনা সমিতিয়ে। উপযুক্ত প্ৰবন্ধ, কবিতা আদি পঠাওতে লেখকৰ ম’বাইল বা ফোন নম্বৰ থকাটো বাঞ্ছনীয়। লেখাসমূহ বগা কাগজৰ এপিঠিত স্পষ্টকৈ লিখা অথবা পেজমেকাৰত ৰামধেনুৰ জৰিয়তে ডিটিপি কৰা হ’ব লাগিব। লেখাসমূহ নৱেম্বৰৰ ১৫ তাৰিখৰ ভিতৰত পোৱাকৈ পঠাবলৈ সম্পাদনা সমিতিয়ে অনুৰোধ জনাইছে। লেখাসমূহ পঠাবৰ বাবে আনন্দ শইকীয়া ৯৪৩৫০-১০১৬৭ অথবা মনোজ কুমাৰ শৰ্মা ৯৪৩৫২২৮৬০৭ৰ স’তে যোগাযোগ কৰিবলৈ সম্পাদনা সমিতিয়ে অনুৰোধ জনাইছে।

# শিৱসাগৰ জিলা নিবনুৱা পৰিষদৰ উদ্যোগত অসম ভিত্তিত তৰ্ক প্ৰতিযোগিতা সম্পন্ন

বিশেষ সংবাদদাতা

**শিৱসাগৰ, ১৩ অক্টোবৰ ঃ** শিৱসাগৰ জিলা নিবনুৱা পৰিষদৰ উদ্যোগত তাই আহোম সাংস্কৃতিক বিকাশ কেন্দ্ৰৰ প্ৰেক্ষাগৃহত এখন সদৌ অসম ভিত্তিত তৰ্ক প্ৰতিযোগিতা অনুষ্ঠিত হৈ যায়। হাইস্কুলৰ পৰা স্নাতক পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত অনুষ্ঠিত হোৱা তৰ্ক প্ৰতিযোগিতাখনত অৰ্ধশতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰিছিল। জ্যেষ্ঠ সাংবাদিক এম আই বড়াই সভাপতিত্ব কৰা বঁটা বিতৰণী সভাত শিৱসাগৰ ছোৱালী কলেজৰ অধ্যাপক প্ৰবীণ শৰ্মাকে ধৰি কে’বাগৰাকী গণ্য-মান্য বক্তি উপস্থিত থকা সভাত জিলাখনৰ কে’বাগৰাকী বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা জনোৱাৰ লগতে বিজয়ী প্ৰতিযোগীসকলক পুৰস্কৃত কৰা হয়।

# ৰংপুৰ কবি সমাজ গঠন

বিশেষ সংবাদদাতা

**শিৱসাগৰ, ১৩ অক্টোবৰ ঃ** অসম কবি সমাজ শিৱসাগৰ জিলাৰ অন্যতম শাখা ৰংপুৰ কবি সমাজৰ এখন সাধাৰণ সভা জ্যেষ্ঠ সাংবাদিক সোমেশ ডেকাৰ বাসগৃহত অনুষ্ঠিত হৈ যায়। দুটা বছৰৰ কাৰ্যকাল সমাপ্ত হোৱা ৰংপুৰ কবি সমাজৰ পুনৰ গঠন কৰাৰ উদ্দেশ্যে আহ্বান কৰা সাধাৰণ সভাত সভাপতিত্ব কৰে জ্যেষ্ঠ সাংবাদিক, ৰংপুৰ কবি সমাজৰ সভাপতি সোমেশ ডেকাই। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে শিৱসাগৰ কবি সমাজৰ সম্পাদক ৰৌচন আলীয়ে। উদ্দেশ্য ব্যাখ্যা কৰি আলীয়ে কয় যে অসম কবি সমাজৰ অন্যতম শাখা হিচাপে ৰংপুৰ কবি সমাজে যোৱা দুটা বছৰ সোমেশ ডেকাৰ সভাপতিত্বত বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰি আহিছে আৰু কবিতাৰ ক্ষেত্ৰত নতুন প্ৰজন্মক উদ্বুদ্ধ কৰিব পৰাকৈ অনাগত দিনলৈকে প্ৰচেষ্টা অব্যাহত ৰাখিছে। ৰংপুৰ কবি সমাজ পুনৰ গঠন কৰাই সভাৰ উদ্দেশ্য বুলি উদ্দেশ্য ব্যাখ্যাত ব্যক্ত কৰে। সভাৰ আৰম্ভণিতে সোমেশ ডেকাৰ প্ৰয়াত পিতৃ আৰু মাতৃৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে শিৱসাগৰ কবি সমাজৰ সম্পাদক ৰৌচন আলী আৰু কবি, অভিনেত্ৰী শ্যামলীমা চেতিয়াই। সভাত উপস্থিত থকা কবি অনুপ কুমাৰ বৰুৱা, ইলী শইকীয়া, শ্যামলীমা চেতিয়া, ইন্দুমণি বড়া দত্ত, মৌচুমী গোহাঁই চেতিয়া, ৰূপজ্যোতি বৰপাত্ৰ গোহাঁয়ে বক্তৃতা প্ৰদান কৰাৰ লগতে কবিতা আবৃত্তি আৰু কবিতা পাঠ কৰে। বৰ্ণাঢ্য অনুষ্ঠানৰ মাজতেই সোমেশ ডেকাক সভাপতি, আচাদ উল্লাহ, শ্যামলীমা চেতিয়া, ডাঃ জেহিৰতদ্দিন খান, প্ৰশান্ত গগৈ, চিন্তামণি বৰগোহাঁইক উপ-সভাপতি, অনুপ কুমাৰ বৰুৱাক সম্পাদক, ইলী শইকীয়া, মৌচুমী গোহাঁই চেতিয়া, ইমদাদ উল্লাহক সহকাৰী সম্পাদক, ববী দুৱৰা, মাধুৰিমা দত্ত কাকতিক প্ৰচাৰ সম্পাদক, ইন্দুমণি বড়া দত্ত, ৰূপজ্যোতি বৰপাত্ৰ গোহাঁইক সাংগঠনিক সম্পাদক, আতিকুৰ ৰহমানক কোষাধ্যক্ষ আৰু ইৰফানা জাহান, নেইন হেমিদ, গীতালি দেৱী, জ্যোতিপ্ৰসাদ শৰ্মা, আবিদা বেগম, বন্তি বৰা, জেউতি চেতিয়া, নমি সিঙক কাৰ্যকৰী সদস্য হিচাপে লৈ ৰংপুৰ শাখা পুনৰ গঠন কৰা হয়। পুনৰ গঠিত ৰংপুৰ কবি সমাজৰ যোগেদি কবিতাৰ উত্তৰণৰ ক্ষেত্ৰত প্ৰতিগৰাকী বিষয়ববীয়া আৰু সদস্য-সদস্যাক অগ্ৰণী ভূমিকা পালন কৰিবলৈ আহ্বান জনাই সভাপতি ডেকাই।

# নদুৱাৰৰ জয়সিদ্ধিৰ দৰিদ্ৰ যুৱক নৱজ্যোতি ডেকা জটিল ৰোগত আক্ৰান্ত

অগ্ৰদূত বাৰ্তা

**নদুৱাৰ, ১৩ অক্টোবৰ ঃ** চতিয়া সমষ্টিৰ অন্তৰ্গত নদুৱাৰ অঞ্চলৰ জয়সিদ্ধিৰ এটি দুৰ্ভগীয়া পৰিয়ালৰ কৰুণ গাথাই সচেন মহলৰ চকু সেমেকাই তুলিছে। অসহায় পৰিয়ালটোৰ পত্নীয়ে সহায় বিচাৰি কৰিছে কাতৰ অনুৰোধ। দিন হাজিৰা কৰি পৰিয়াল ভৰণ-পোষণ দি আহিছিল যদিও বৰ্তমান নিঠৰুৱা হৈছে পৰিয়ালটো। উল্লেখ্য যে চেতিয়া সমষ্টিৰ অন্তৰ্গত জয়সিদ্ধি মধুপৰ গাঁৱৰ নিবাসী নৱজ্যোতি ডেকা এক জটিল ৰোগত আক্ৰান্ত হোৱাৰ বাবেই পৰিয়ালটোলৈ নামি আহিছে ঘোৰ অমানিশা। অতি দৰিদ্ৰ পৰিয়ালটোৰ একমাত্ৰ উপাৰ্জনকাৰী নৱজ্যোতি ডেকাই দিন হাজিৰা কৰি পত্নী আৰু তিনি সন্তানসহ পৰিয়ালটোক পোহপালন দি আছিল। ইফালে, একমাত্ৰ অথৰ অভাৱতেই কৰিব পৰা নাই উন্নত চিকিৎসাৰ ব্যৱস্থা। সম্প্ৰতি উন্নত চিকিৎসাৰ বাবে সহায় বিচাৰি পত্নীয়ে চৰকাৰ তথা ৰাইজলৈ কাতৰ অনুৰোধ জনাইছে। আপোনাৰ মোৰ কিঞ্চিত সহায়ে নতুন জীৱন দিব নৱজ্যোতিৰ লগতে দৰিদ্ৰ পৰিয়ালটোক। কোনো সদাসয় ব্যক্তিয়ে এই জটিল ৰোগত আক্ৰান্ত হৈ থকা নৱজ্যোতি ডেকা তথা দুৰ্ভগীয়া পৰিয়ালটোক সহায় কৰিব বিচাৰিলে চতিয়া ষ্টেট বেংক শাখাৰ এ এ চি নম্বৰ-৪১৩৪০৬১২২২৮ৰ জৰিয়তে সহায়ৰ হাত আগবঢ়াব পাৰে আৰু ফোন নম্বৰ ৮৪০৩৯৭৪৭০৪ত যোগাযোগ কৰিব পাৰিব বুলি সদৰী কৰিছে।



## চৰকাৰক সহায় বিচাৰি অনুৰোধ পত্নীৰ

# গোলাঘাটত হাতী-মানুহৰ সংঘাত-নদীৰ খহনীয়া সন্দৰ্ভত সজাগতা সভা

অগ্ৰদূত বাৰ্তা

**ফৰকাটিং, ১৩ অক্টোবৰ ঃ** গোলাঘাটৰ ওৱাটিং পঞ্চায়ত আৰু জামুগুৰি পঞ্চায়তৰ অধীনস্থ গুৱাল টুপ, কুঁৱৰীপথাৰ, দলৌজান, কালুজান আৰু জামুগুৰি অঞ্চলৰ দুৰ্ভগীয়া কৃষকসকলৰ দীৰ্ঘদিনীয়া সমস্যা দৈয়াং নদীৰ ব্যাপক গৰাখহনীয়া আৰু নাতিদূৰৰ নামবৰ বনাঞ্চলৰ পৰা গাঁওসমূহত সঘনাই প্ৰৱেশ কৰা বন্যহস্তীৰ উপদ্ৰৱৰ সন্দৰ্ভত কালি এখন সজাগতা সভা সম্পন্ন হয়। স্থানীয় সমাজকৰ্মী ধীৰেন দত্তৰ সভাপতিত্বত অনুষ্ঠিত সজাগতা সভাখনত বৃহত্তৰ অঞ্চলকেইটাৰ শতাধিক কৃষক ৰাইজ উপস্থিত থাকে। উল্লেখ্য যে, গুৰুত্বপূৰ্ণ সভাখনত ভালেকেইটা সিদ্ধান্ত গ্ৰহণ কৰি উপযুক্ত ব্যৱস্থা গ্ৰহণৰ বাবে ৰাজ্য চৰকাৰৰ সংশ্লিষ্ট বিভাগসমূহলৈ স্মাৰকপত্ৰ প্ৰেৰণৰ সিদ্ধান্ত লয়।

# সম্পত্তিৰ কৰ-মূল্যবৃদ্ধিৰ বিৰুদ্ধে আছুৰ

*এক পৃষ্ঠাৰ পৰা* অতিৰিক্ত সম্পত্তি কৰ বৃদ্ধি কৰিবলৈ গ্ৰহণ কৰা পৰিকল্পনা আৰু খাদ্যবস্তুকে ধৰি অত্যাৱশ্যকীয় সামগ্ৰীৰ আকাশলংঘী মূল্যবৃদ্ধিৰে চৰকাৰে জনতাৰ ওপৰত মাধমাৰ শোধোৱাৰ অভিযোগেৰে মূল্যবৃদ্ধি হ্ৰাস আৰু কৰ বৃদ্ধিৰ জনবিৰোধী সিদ্ধান্ত বাতিলৰ দাবীৰে আজি জিলাই জিলাই প্ৰতিবাদ সাব্যস্ত কৰে আছুৰ সদস্যসকলে। ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ সমান্তৰালভাৱে ৰাজধানী মহানগৰীৰ দীঘলীপুখুৰীৰ পাৰতো সদৌ গুৱাহাটী ছাত্ৰ সন্থা আৰু মহানগৰ জিলা ছাত্ৰ সন্থাই বিক্ষোভ প্ৰদৰ্শন কৰি 'মূল্যবৃদ্ধি ৰোধ কৰক', 'ৰাজ্য চৰকাৰ হায় হায়', 'সম্পত্তি কৰ বৃদ্ধিৰ পৰিকল্পনা বাতিল কৰক' আদি শ্ল'গানেৰে পৰিৱেশ উত্তাল কৰি তোলে। ৰাজ্যজুৰি সাব্যস্ত কৰা এই প্ৰতিবাদৰ সন্দৰ্ভত আছুৰ সভাপতি দীপাংক কুমাৰ নাথ আৰু সাধাৰণ সম্পাদক শংকৰজ্যোতি বৰুৱাই কয়, 'ৰাজ্যত নিতৌ খাদ্যবস্তু আৰু অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধি হৈছে। আকাশলংঘী মূল্যবৃদ্ধিয়ে সাধাৰণ জনতাৰ জীৱন ধাৰণ কষ্টকৰ কৰি তুলিছে; অথচ ৰাজ্য চৰকাৰ নিৰ্বিকাৰ আৰু নিৰ্লিপ্ত হৈ আছে।' মূল্যবৃদ্ধি ৰোধত চৰকাৰ ব্যৰ্থ হোৱাৰ অভিযোগ তুলি ছাত্ৰ নেতাদ্বয়ে মূল্যবৃদ্ধিয়ে জ্বলাকলা খুৱাই থকাৰ সময়তে চৰকাৰে অতিৰিক্ত কৰ বৃদ্ধিৰ এক জনবিৰোধী পৰিকল্পনা গ্ৰহণ কৰিছে বুলি উল্লেখ কৰি শীঘ্ৰে ইয়াক বাতিল নকৰিলে সংগ্ৰাম তীব্ৰতৰ কৰাৰ হুংকাৰ প্ৰদান কৰে। সমান্তৰালভাৱে নলবাৰীত প্ৰতিবাদকাৰীৰ ওপৰত চৰকাৰে চলোৱা দমনমূলক ব্যৱস্থাক ছাত্ৰ সন্থাৰ নেতাদ্বয়ে গৰিহণা প্ৰদান কৰি কোনো দমনে ছাত্ৰ সন্থাৰ শান্তিপূৰ্ণ আৰু গণতান্ত্ৰিক সংগ্ৰামক স্তব্ধ কৰিব নোৱাৰে বুলি কয়।

# চলিত বৰ্ষতে ৰেলৰ খুন্দাত মৃত্যু আঠ হাতীৰ

*এক পৃষ্ঠাৰ পৰা* মাজেৰে নিৰ্মিত ৰেলপথ, বিদ্যুৎ সৰবৰাহ, খাদ্যৰ বিষক্ৰিয়া আদিৰ ফলত যোৱা ১২ বছৰত সহস্ৰাধিক হাতীয়ে প্ৰাণ হেৰুওৱা ঘটনাই সকলোকে ব্যথিত কৰি তুলিছে। এই সন্দৰ্ভত বন বিভাগে সদৰী কৰা তথ্য অনুসৰি, ২০০৯-২০১০ বৰ্ষৰ পৰা ২০২০-২০২১ বৰ্ষলৈ দেশৰ ভিতৰতে সৰ্বাধিক ৬২টা হাতী ৰেলৰ খুন্দাত মৃত্যু হৈছে। ২০১৯ৰ পৰা ২০২১লৈ এই তিনিটা বৰ্ষতে দেশত ৰেলৰ খুন্দাত মৃত্যু হ'ল ৪৫টা বনহস্তী। ইয়াৰে ২০১৯ত উত্তৰ-পূব সীমান্ত ৰেলৱেৰ অধীনৰ ৰেলৰ খুন্দাত চাৰিটা, ২০২০ত ছটা আৰু ২০২১ত পাঁচটা হাতীৰ মৃত্যু হোৱা বুলি ৰেল বিভাগে সদৰী কৰিছে। তদুপৰি চলিত বছৰত বৰ্তমানলৈ ৰাজ্যত ৰেলৰ খুন্দাত আঠটা হাতীৰ মৃত্যু হোৱা বুলি তথ্য সদৰী কৰিছে উত্তৰ-পূবৰ আগশাৰী জৈৱ বৈচিত্ৰ্য সংৰক্ষণ সংস্থা আৰণ্যকে। উল্লেখ্য যে চলিত বৰ্ষৰ পহিলা মাহতে অৰ্থাৎ জানুৱাৰীতে চামগুৰিৰ বৰপুলত আৰু পলাশবাৰীত দুটাকৈ হাতীয়ে ৰেল খুন্দাত প্ৰাণ হেৰুৱালগীয়া হৈছিল। ইয়াৰ উপৰি ছেপ্টেম্বৰত হাবাইপুৰত আন এটা হাতীৰ ৰেলৰ খুন্দাত মৃত্যু হৈছিল। সংশ্লিষ্ট বিভাগে সদৰী কৰা তথ্য অনুসৰি, ২০১৭ত শোণিতপুৰৰ বালিপৰাত ৰেলৰ খুন্দাত একে দিনাই সৰ্বাধিক ছটাকৈ হাতীয়ে মৃত্যুক আঁকোৱালি লৈছিল। যোৱা ১২ বছৰত ৰাজ্যত ৰেলৰ খুন্দাত প্ৰায় ৭৪টা হাতীয়ে প্ৰাণ হেৰুৱায় বুলি সংশ্লিষ্ট বিভাগে তথ্য সদৰী কৰে। আনহাতে, আৰণ্যকৰ শেহতীয়া এক অধ্যয়নত কামপুৰ, হোজাই, ডিফু, মৰিয়নি আদিত সৰ্বাধিক ৰেলৰ খুন্দাত হাতীৰ মৃত্যু হোৱাৰ তথ্য পোহৰলৈ আহিছে বুলি জন সম্পৰ্কৰক্ষী বিষয়া গুণজিৎ মজুমদাৰে সদৰী কৰি কয় যে ১৯৯০ৰ পৰা ২০১৮লৈ অসমত কেৱল ৰেলৰ খুন্দাত ১১৫টা বন্যহস্তীয়ে প্ৰাণ হেৰুৱাইছে। ফলত এই ক্ষেত্ৰত ৰেল বিভাগে বিষয়টো গুৰুত্ব সহকাৰে লৈ এনে দুৰ্ঘটনা ৰোধ কৰিবলৈ ক্ষিপ্ৰ পদক্ষেপ ল'বলৈ দাবী জনায় মজুমদাৰে। তেওঁ এনে ঘটনা ৰোধ কৰিবলৈ চৰকাৰী বিভাগসমূহে একলগ হৈ কাম কৰিব লাগিব বুলি মন্তব্য কৰি ভাৰতীয় ৰেলৰ প্ৰতীক চিহ্নই হৈছে হাতী আৰু এই হাতীৰ সুৰক্ষাৰ দিশত ৰেল কৰ্তৃপক্ষই গুৰুত্ব প্ৰদান কৰা উচিত বুলি কয়। উল্লেখ্য যে ৰেল খুন্দাত হাতীৰ মৃত্যুৰ সমান্তৰালভাৱে ৰাজ্যত মানুহৰ স'তে হোৱা সংঘাত, খাদ্যৰ বিষক্ৰিয়া, বিদ্যুৎস্পৃষ্ট তথা প্ৰাকৃতিক দুৰ্ঘটনাত বহু বনৰীয়া হাতীয়ে মৃত্যুক আঁকোৱালি লৈছে। বন বিভাগে সদৰী কৰা তথ্য অনুসৰি, ২০১০ৰ পৰা ২০২১ লৈ ৰাজ্যত ৯২৬ টা বনৰীয়া হাতীৰ মৃত্যু হোৱাৰ বিপৰীতে এই সময়ছোৱাত হাতীৰ আক্ৰমণত ৮১২জন লোকে প্ৰাণ হেৰুৱাইছে। হাতীৰ আক্ৰমণত ওদালগুৰিত ১১৫, শোণিতপুৰত ১০৩, গোৱালপাৰাত ৭৪ আৰু দৰঙত ৫১ জন লোকে এই সময়ছোৱাত প্ৰাণ হেৰুৱাইছে।

# দুশ বিদেশী ন্যায়াধিকৰণৰ সদস্যক

*এক পৃষ্ঠাৰ পৰা* দ্ৰুততৰ কৰিবলৈহে কেন্দ্ৰীয় চৰকাৰে ৰাজ্য চৰকাৰক কে'বাবাৰো জনাইছে যদিও ৰাজ্য চৰকাৰে ৰহস্যজনকভাৱে প্ৰত্যাখ্যান জাননীখোৰ দিয়া নাই। আজি ইয়াত এক সংবাদমেলত অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈয়ে কয় যে দলীয় ৰাজনীতি আৰু বিফলতা ঢাকিবলৈ ন্যায়াধিকৰণত নতুনকৈ নিযুক্ত বিষয়াসকলক অব্যাহতি দিব বিচাৰিছে চৰকাৰে। সংবাদমেলত গগৈয়ে কয়, 'চৰকাৰৰ এই সিদ্ধান্ত এটা গভীৰ ষড়যন্ত্ৰৰ বাহিৰে আন একো নহয়। নাগৰিকপঞ্জীৰ গুৰুত্ব নোহোৱা কৰিবলৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই পৰিকল্পনা কৰিছে। ইয়াৰ পদক্ষেপ হিচাপে উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশনা, কেন্দ্ৰীয় চৰকাৰৰ অনুমোদন আৰু অৰ্থ সাহায্য, নিযুক্তি প্ৰক্ৰিয়াৰ বিজ্ঞাপনৰ চৰ্ত আদি সকলো কথাৰ বিপৰীতে মুখ্যমন্ত্ৰীয়ে ন্যায়াধিকৰণৰ বিষয়াসকলক অব্যাহতি দিব বিচাৰিছে। মুখ্যমন্ত্ৰী ড° শৰ্মাই দায়িত্ব লোৱাৰে পৰা ইটোৰ পাছত সিটোকৈ অসম বিৰোধী সিদ্ধান্ত লৈ আহিছে।' দলটোৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক জগদীশ ভূঞাৱো অংশ লোৱা সংবাদমেলত অসম চৰকাৰে গ্ৰহণ কৰা এই অসম বিৰোধী আৰু আত্মঘাতী সিদ্ধান্ত অনতিপলমে প্ৰত্যাহাৰ কৰিবলৈ দাবী জনাইছে। গগৈয়ে পুনৰ কয়, 'ন্যায়াধিকৰণত বহুতো গোচৰ জমা হৈ আছে। মুখ্যমন্ত্ৰী ড° শৰ্মা সেইবোৰৰ প্ৰতি কোনো দায়িত্ববোধ নোহোৱা হৈছে। ১৯৫১ৰ ভিত্তি বৰ্ষ সন্দৰ্ভত উচ্চতম ন্যায়ালয়ত যি গোচৰ চলি আছে তাৰ লগত প্ৰত্যাখ্যান জাননী জাৰি কৰা কোনো ধৰণৰ সম্পৰ্ক নাই। এই বিষয়টোক অসমৰ জনসাধাৰণক বিপথে নিবলৈ চেষ্টা চলোৱা হৈছে। ৮৫৫ জনতকৈ অধিক ছহিদৰ জীৱনৰ বিনিময়ত স্বাক্ষৰিত চুক্তিৰ আধাৰত ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী প্ৰস্তুত কৰা হৈছিল।' গগৈয়ে ১৯৭১ৰ পাছত জাতি, ধৰ্ম, ভাষা নিৰ্বিশেষে সকলো বাংলাদেশীক চিনাক্ত কৰিবই লাগিব বুলি দাবী জনাই কয়, 'চিনাক্ত বাংলাদেশীৰ নাম ভোটাৰ তালিকাৰ পৰা বাদ পৰিব লাগিব আৰু অসমৰ পৰা বহিষ্কাৰ কৰিব লাগিব। এই স্থিতিৰ পৰা অসমৰ জনসাধাৰণ আঁতৰি আহিব নোৱাৰে।' অসমৰ সংকট অধিক গভীৰ হৈছে। অসমৰ অৱস্থা খিলঞ্জীয়া ত্ৰিপুৰীৰ দৰে হোৱাৰ পথত আগবাঢ়িছে। উন্মুক্ত হৈ ৰৈছে সীমান্ত। পূৰ্বৰ কংগ্ৰেছ চৰকাৰ আৰু বৰ্তমানৰ বিজেপি চৰকাৰে আশিস ধন্য অগণন বাংলাদেশীয়ে অসমৰ খিলঞ্জীয়া মানুহৰ পৰিচয়ৰ প্ৰতি ভাবুকি কঢ়িয়াই আনিছে।' জাতীয় পৰিষদৰ সভাপতিজনে কয় যে ২০০৫ৰ পাঁচ মে'ত কংগ্ৰেছৰ মন্ত্ৰী হিচাপে নাগৰিকপঞ্জী প্ৰস্তুতৰ অংশীদাৰ হোৱা ড° হিমন্ত বিশ্ব শৰ্মাই বৰ্তমান বিজেপিৰ মুখ্যমন্ত্ৰী হিচাপে নাগৰিকপঞ্জীখন অসাৰ কৰি তুলিব বিচাৰিছে। উল্লেখ্য যে প্ৰকাশিত নাগৰিকপঞ্জীখনক লৈ অসমৰ জনসাধাৰণ সন্তুষ্ট নহয় বুলি মন্তব্য কৰি গগৈয়ে কয় যে এফালে বহুতো খিলঞ্জীয়াৰ নাম তালিকাৰ পৰা বাদ পৰিল আৰু আনফালে বৃহৎ সংখ্যক সন্দেহযুক্ত বাংলাদেশীৰ নাম অন্তৰ্ভুক্ত হ'ল। এনআৰচিৰ ৰাষ্ট্ৰীয় সমন্বয়ক প্ৰতীক হাজেলাই এখন অশুদ্ধ তালিকা প্ৰকাশ কৰি উচ্চতম ন্যায়ালয়ৰ সমুখত লৈ অসম এৰিছিল বুলি মন্তব্য কৰি অসম জাতীয় পৰিষদৰ সভাপতিজনে কয় যে বিদেশী ন্যায়াধিকৰণ সন্দৰ্ভত প্ৰায় এক লাখ নতুন গোচৰ জমা হৈ আছে। এনআৰচি সম্পৰ্কীয় শুনানি উচ্চতম ন্যায়ালয়ে বিদেশী সমস্যা ব্যাপকতাৰ অনুধাৱন কৰি বিদেশী চিনাক্তকৰণ প্ৰক্ৰিয়াটো দ্ৰুততৰ কৰিবলৈ অতিৰিক্ত দুশখন বিদেশী ন্যায়াধিকৰণ গঠনত যি নিৰ্দেশ দিছিল সেই প্ৰসংগত গগৈয়ে কয় যে উচ্চতম ন্যায়ালয়ৰ তদাৰকত ন্যায়াধিকৰণৰ সদস্যসকলক বাছনি কৰা হৈছিল আৰু ইয়াৰে ১৭৯ জনে কামত নিয়োজিত হৈ আছে। এই ন্যায়াধিকৰণসমূহ গঠনৰ বাবে যাৱতীয় ধন কেন্দ্ৰীয় চৰকাৰে যোগান ধৰিছিল। তাৰপাছতো এতিয়া ন্যায়াধিকৰণৰ সদস্যসকলক অব্যাহতি দিবলৈহে সিদ্ধান্ত লৈ অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰ আৰু গুৱাহাটী উচ্চতম ন্যায়ালয়ক অৱগত কৰোৱাৰ বিষয়টোক আশ্চৰ্য প্ৰকাশ কৰি এই সিদ্ধান্ত কোনোপধ্যে মানি লোৱা নহ'ব বুলি অসম জাতীয় পৰিষদৰ সভাপতিজনে স্পষ্টভাৱে মন্তব্য কৰে।

# উন্নয়নৰ দিশত অগ্ৰসৰ হৈছে উত্তৰ-পূৰ

*এক পৃষ্ঠাৰ পৰা* ৰাজ্যখনৰ লগতে দেশক গৌৰৱান্বিত কৰি তুলিছে বুলি মন্তব্য কৰি কেইদিনমান পূৰ্বে আইআইটি গুৱাহাটীয়ে ভাৰতীয় সেনাৰ বাবে ব্যয়সাধ্য আৰু বহনক্ষম প্ৰতিৰক্ষা আন্তঃগাঁথনি বিকাশৰ বাবে এটা থ্ৰী-ডি প্ৰিণ্টযুক্ত চেণ্ট্ৰী পোষ্ট নিৰ্মাণ কৰা কাৰ্যৰ প্ৰশংসা কৰে। ৰাষ্ট্ৰপতি মুৰ্মুৱে কয় যে আইআইটি গুৱাহাটী হৈছে এক জ্ঞান কেন্দ্ৰ যি উত্তৰ-পূৰ্বাঞ্চলৰ সংযোগ সমস্যা আৰু অন্যান্য প্ৰত্যাহ্বানসমূহক প্ৰযুক্তিৰ জৰিয়তে সমাধান কৰিব পাৰে। উত্তৰ-পূৰ্বাঞ্চলত একমাত্ৰ আইআইটিখনে অঞ্চলটোৰ অন্যান্য প্ৰতিষ্ঠানসমূহৰ প্ৰতিপালন, সীমা শক্তিশালী কৰাৰ বাবে ৰাজ্য চৰকাৰ আৰু প্ৰতিৰক্ষা বাহিনীৰ স'তে কাম কৰাৰ লগতে অঞ্চলটোত প্ৰাকৃতিক দুৰ্যোগৰ পুনৰাবৃত্তি প্ৰতিহত কৰিবলৈ প্ৰযুক্তিগত সমাধানৰ বাবে দায়িত্ব বহন কৰিব লাগিব বুলি ৰাষ্ট্ৰপতি মুৰ্মুৱে ভাষণ প্ৰসংগত মন্তব্য কৰে। লগতে তেওঁ প্ৰতিষ্ঠানটো উদ্ভাৱনক উৎসাহিত কৰিবলৈ, অত্যাধুনিক প্ৰযুক্তি স্বদেশীকৰণৰ দিশত কাম কৰিবলৈ, দক্ষতা বিকাশৰ পথ প্ৰদান কৰিবলৈ আৰু দেশক আত্মনিৰ্ভৰশীল কৰি তোলাত আগভাগ ল'বলৈ আহ্বান জনায়।

ভাষণ প্ৰসংগত ৰাষ্ট্ৰপতি মুৰ্মুৱে দেশৰ বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানসমূহক অধিক সংখ্যক গৱেষণা আৰু বিকাশৰ দিশত কাম কৰিবলৈ আহ্বান জনাই কয়, 'বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানসমূহে এনেদৰে কাম কৰক যাতে ভাৰতে প্ৰযুক্তিগত উদ্ভাৱনৰ ক্ষেত্ৰত নেতৃত্ব বহন কৰিব পাৰে, সমাজৰ বৃহত্তৰ কল্যাণৰ বাবে লাভজনক হৈ উঠিব পাৰে।' ৰাষ্ট্ৰীয় শিক্ষানীতিৰ প্ৰসংগত উল্লেখ কৰি ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে ৰাষ্ট্ৰীয় শিক্ষানীতি-২০২০ত স্পষ্টভাৱে উল্লেখ আছে যে আজিৰ আৰ্থ-সামাজিক প্ৰত্যাহ্বানসমূহ মোকাবিলা কৰিবলৈ উচ্চ মানৰ আন্তঃশাখা গৱেষণাৰ প্ৰয়োজন। ইয়াক ভাৰতত প্ৰণয়ন কৰিব লাগিব আৰু ইয়াক আমদানি কৰিব নোৱাৰি বুলি তেওঁ মন্তব্য কৰি শিক্ষানুষ্ঠানসমূহত গৱেষণা আৰু উদ্ভাৱনৰ ক্ষেত্ৰত বিশেষকৈ উচ্চ শিক্ষাত নিয়োজিত লোকসকলৰ ভূমিকা গুৰুত্বপূৰ্ণ বুলি কয়। ভাৰতৰ গৱেষণা আৰু জ্ঞান সৃষ্টিৰ এক প্ৰাচীন ঐতিহাসিক পৰম্পৰা আছে আৰু একবিংশ শতিকাত ভাৰতক গৱেষণা আৰু উদ্ভাৱনৰ নেতৃত্ব দিবলৈ ইয়াক অধিক শক্তিশালী কৰাৰ প্ৰয়োজন বুলি উল্লেখ কৰি ৰাষ্ট্ৰপতিগৰাকীয়ে পুনৰ কয় যে আজি ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলে উন্নয়নৰ দিশত বৃহৎ অগ্ৰগতি লাভ কৰিছে। অঞ্চলটোৰ লোকসকলক উচ্চমানৰ স্বাস্থ্যসেৱা আৰু শিক্ষা ব্যৱস্থা প্ৰদান কৰাৰ বাবে অতুলনীয় প্ৰচেষ্টা অব্যাহত আছে। অসম চৰকাৰে আইআইটি গুৱাহাটীত এখন উন্নত মাল্টিস্পেচিয়েলিটি চিকিৎসালয় স্থাপনৰ বাবে সমৰ্থন আগবঢ়োৱাৰ কথা উল্লেখ কৰি তেওঁ দেশৰ আন সন্মানীয় প্ৰতিষ্ঠানসমূহে একেধৰণৰ পদক্ষেপ গ্ৰহণ কৰাৰ ক্ষেত্ৰত এক আৰ্হি হিচাপে কাম কৰিব লাগিব বুলি কয়। ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ বিভিন্ন প্ৰকল্প আৰু ইয়াৰ প্ৰণয়নৰ ফলস্বৰূপে অঞ্চলটোৱে অগ্ৰগতিয়ে ভাৰতত প্ৰযুক্তিগতভাৱে উন্নত ৰাষ্ট্ৰ আৰু এক সামাজিক সমাজ হিচাপে গঢ়ি তোলাৰ বাবে এক ভেটি স্থাপন কৰিব। তেওঁ কয়, 'আমি সকলোৱে জানো যে উত্তৰ-পূৰ্বাঞ্চলত সূৰ্য প্ৰথমে উদয় হয় আৰু তাৰ পাছত সমগ্ৰ দেশত ইয়াৰ পোহৰ বিয়পি পৰে। উত্তৰ-পূৰ্বাঞ্চল আমাৰ সংবিধানৰ ভাৱনাৰে দেশৰ জনসাধাৰণৰ মাজত জ্ঞান বিয়পোৱা আৰু 'বৈজ্ঞানিক মেজাজ' গঢ়ি তোলাৰ ক্ষেত্ৰত ধ্বজাবাহক হ'ব লাগে।' অনুষ্ঠানত ৰাজ্যপাল মুখী, মুখ্যমন্ত্ৰী ড° শৰ্মা, কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী ভাৰতী প্ৰবীণ পাৱাৰ, ৰাজ্যৰ স্বাস্থ্যমন্ত্ৰী মহন্ত, আইআইটি গুৱাহাটীৰ সঞ্চালক অধ্যাপক টি জি সীতাৰাম আদি উপস্থিত থাকে। উল্লেখ্য যে ইয়াৰ পূৰ্বে পুৱা ৰাষ্ট্ৰপতিগৰাকীয়ে আগৰতলা ৰেল ষ্টেছনত আগৰতলা-খোচাং জনশতাব্দী এক্সপ্ৰেছ আৰু আগৰতলা-কলকাতা এক্সপ্ৰেছৰ ফ্লেগ অফ কৰে।

### নৰেম্বৰৰ পৰা পাঁচখন নতুন চিকিৎসা মহাবিদ্যালয় নিৰ্মাণৰ কাম আৰম্ভ ঃ মুখ্যমন্ত্ৰী

ইফালে, অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই আজিৰ দিনটো ৰাজ্যৰ বিকাশ যাত্ৰাৰ এক উল্লেখনীয় দিন বুলি অভিহিত কৰি অসম তথা উত্তৰ-পূৰ্বাঞ্চল সম্প্ৰতি পৰিৱৰ্তনৰ এক লেখত ল'বলগীয়া দিশেৰে গতি কৰিছে বুলি কয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত যোগাযোগ ব্যৱস্থাৰ পৰা বাণিজ্যৰ ক্ষেত্ৰখনলৈ, আন্তঃগাঁথনি উন্নয়নৰ পৰা তথ্য প্ৰযুক্তিৰ ক্ষেত্ৰখন বিকাশলৈকে প্ৰতিটো খণ্ডতে দ্ৰুত পৰিৱৰ্তন সাধন হৈছে বুলি তেওঁ কয়। উত্তৰ-পূৰ্বাঞ্চলক অষ্টলক্ষ্মী বুলি অভিহিত কৰি এই অঞ্চলক বিকাশৰ নতুন ইঞ্জিনৰূপে গণ্য কৰা প্ৰধানমন্ত্ৰী মোদীৰ ভৱিষ্যৎ দৰ্শনৰ বাবে এয়া সম্ভৱ হৈ উঠিছে বুলিও ড° শৰ্মাই উল্লেখ কৰে। প্ৰধানমন্ত্ৰী মোদীৰ নেতৃত্বত বিগত আঠটা বছৰত ভাৰতবৰ্ষই বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ ক্ষেত্ৰখনত বৃহৎ অগ্ৰগতি লাভ কৰিবলৈ সক্ষম হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে। প্ৰযুক্তিবিদ্যা আৰু স্বাস্থ্য সেৱাৰ ক্ষেত্ৰত দুখনত চাৰিটাকৈ উল্লেখযোগ্য প্ৰকল্প আজি ৰাষ্ট্ৰপতি মুৰ্মুৱে আৰম্ভ কৰাৰ সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে কয় যে ১০৮ বিঘা ভূমিত মুঠ ৫০৯.০২ কোটি টকা ব্যয়েৰে নিৰ্মাণ কৰা ধুবুৰী চিকিৎসা মহাবিদ্যালয় তথা চিকিৎসালয়খনত চিকিৎসা সেৱাৰ ২৪ টাকৈ বিভাগ থাকিব। পাঁচশখন বিছনাযুক্ত এই চিকিৎসা মহাবিদ্যালয়খনত এমবিবিএছ পাঠ্যক্ৰমৰ বাবে এশখন আসন থকাৰ উপৰি শিক্ষাৰ্থী, কৰ্মচাৰী তথা প্ৰশাসনীয় বিষয়াসকলৰ বাবে আৱাসিক চৌহদো নিৰ্মাণ কৰা হৈছে। বহিঃবিভাগ, আন্তঃবিভাগ, ব্লাড বেংক, জৰুৰীকালীন সেৱা আদি বিভিন্ন চিকিৎসা সেৱাৰ ব্যৱস্থা থকা এই চিকিৎসা মহাবিদ্যালয়খনে ধুবুৰীৰ লগতে দাঁতিকাষৰীয়া জিলাসমূহৰ জনসাধাৰণক প্ৰভূতভাৱে উপকৃত কৰিব পাৰিব বুলি তেওঁ কয়। উল্লেখ্য যে ২০১৪ লৈকে অসমত মাত্ৰ ছখন চিকিৎসা মহাবিদ্যালয় থকা ৰাজ্যখনত বিজেপি নেতৃত্বাধীন চৰকাৰ গঠন হোৱাৰ পাছত ডিফু, লখিমপুৰ আৰু আজি উদ্বোধন হোৱা ধুবুৰী চিকিৎসা মহাবিদ্যালয়কে ধৰি তিনিখন নতুন চিকিৎসা মহাবিদ্যালয় সংযোজিত হ'ল বুলি মুখ্যমন্ত্ৰীয়ে সদৰী কৰি ৰাজ্যখনত ১৫ খন নতুন চিকিৎসা মহাবিদ্যালয় স্থাপনৰ পদক্ষেপ লোৱা হৈছে বুলি সদৰী কৰে।

মুখ্যমন্ত্ৰীয়ে কয় যে ইয়াৰে সাতখন চিকিৎসা মহাবিদ্যালয় নিৰ্মাণৰ কাম অব্যাহত আছে আৰু আগন্তুক নৱেম্বৰৰ পৰা পাঁচখন নতুন চিকিৎসা মহাবিদ্যালয় নিৰ্মাণৰ কাম আৰম্ভ হ'ব। আন তিনিখন চিকিৎসা মহাবিদ্যালয় নিৰ্মাণৰ কামো শীঘ্ৰে আৰম্ভ হ'ব বুলি তেওঁ কয়। আঠাইকেইখন চিকিৎসা মহাবিদ্যালয়ৰ নিৰ্মাণ সম্পূৰ্ণ হৈ উঠিলে ৰাজ্যখনৰ সৰ্বমুঠ ২৪ খন চিকিৎসা মহাবিদ্যালয়ে জনসাধাৰণক সেৱা আগবঢ়াবলৈ সক্ষম হ'ব বুলি তেওঁ মন্তব্য কৰি সমান্তৰালকৈ এমবিবিএছ পাঠ্যক্ৰমৰ আসনৰ সংখ্যা ২৭শ খনলৈ বৃদ্ধি পাব বুলি কয়।

# নৈত উদ্ধাৰ সন্ধানহীন পঞ্চায়ত

*এক পৃষ্ঠাৰ পৰা* বাসিন্দা ধীৰেশ্বৰ ৰায় চেকাটি নৈৰ সোঁতত উটি সন্ধানহীন পৰিছিল। এই ঘটনাৰ পাঠতে স্থানীয় যুৱকে নৈৰ বুকুত ৰায়ৰ সন্ধানত নামি পৰে যদিও কোনো শুংসূত্ৰ নাপালে। কালি এছডিআৰএফৰ জোৱানে নৈৰ বুকুত অভিযান চলাই সন্ধান নাপালে। আজি পুৱাৰে পুনৰ বাহিনীটোৱে অভিযান চলাই বিয়লি সন্ধানহীন হোৱা স্থানৰ পৰা ভটিয়নিৰ প্ৰায় আঠশ মিটাৰ দূৰত্বত ৰায়ৰ মৃতদেহটো উদ্ধাৰ কৰিবলৈ সক্ষম হয়। বিজেপিৰ পৰা পঞ্চায়ত সদস্যৰূপে নিৰ্বাচিত হোৱা ৪৬ বছৰীয়া ৰায়ৰ মৃতদেহ উদ্ধাৰ হোৱাৰ পাছতে পঞ্চায়তখনত শোকৰ ছাঁ পৰে।

# সংগীত নাটক একাডেমীৰ বঁটা

*এক পৃষ্ঠাৰ পৰা* শিল্পীগৰাকীক যোৱা ১১ অক্টোবৰত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত ভৰ্তি কৰোৱা হৈছিল। আইচিইউত চিকিৎসাধীন অৱস্থাতে আজি দুপৰীয়া ১২-২০ বজাত খাখলাৰীয়ে শেষ নিশ্বাস ত্যাগ কৰে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৯৬ বছৰ।

বড়ো সংস্কৃতিৰ অন্যতম অংগ তথা বাদ্যযন্ত্ৰ চিফুঙৰ প্ৰাদপ্ৰতীম শিল্পী আছিল খাখলাৰী। তেওঁৰ হাতত চিফুঙৰ সুৰে অধিক প্ৰাণৱন্ত ৰূপ লাভ কৰিছিল। অথচ কোনো আনুষ্ঠানিক শিক্ষাৰে চিফুঙক তেওঁ হাতত তুলি লোৱা নাছিল; বৰঞ্চ খাখলাৰী আছিল মাটিৰ শিল্পী, স্বভাৱগত শিল্পী। সেয়েহে তেওঁ বজোৱা চিফুঙৰ সুৰবোৰ যেন অধিক প্ৰাণৱন্ত, অধিক জীপাল আছিল। এনে এগৰাকী শিল্পীৰ বিয়োগত চিফুঙৰ সুৰো যেন ক'ৰবাত আজি থমকি ৰ'বলৈ বাধ্য হ'ল। চিফুং বজোৱাৰ লগতে বড়ো নৃত্য আৰু খামৰো তেওঁ গুৰু আছিল। তেওঁৰ তত্ত্বাৱধানত জন্ম হৈছে বহু শিল্পীৰ। বড়ো সংস্কৃতিৰ জগতখনলৈ আগবঢ়োৱা অসামান্য অৱদানৰ স্বীকৃতি স্বৰূপে ২০০৫ত খাখলাৰীক সংগীত নাটক একাডেমীৰ বঁটাৰ বাবে নিৰ্বাচিত কৰা হৈছিল। আজি নিশা মহানগৰীৰ সাতগাঁও বড়ো সমাজৰ সমূহীয়া শ্মশানত খাখলাৰীৰ শেষকৃত্য সম্পন্ন কৰা হয়। বহু গুণমুগ্ধৰ লগতে বড়ো সাহিত্য সভাৰ সভাপতি তৰেন বড়ো, প্ৰাক্তন উপ-সভাপতি কমলাকান্ত মুছাহাৰী, সভাৰ প্ৰাক্তন কোষাধ্যক্ষ কাবাৰাম স্বৰ্গীয়াৰী আদি উপস্থিত থাকে।

প্ৰয়াত খাখলাৰীৰ জন্ম হৈছিল ১৯২৬ত গোৱালপাৰৰ মাদলগাঁৱত। সৰুকালৰে পৰা বড়ো শিল্প-সংস্কৃতিৰ সাধনাত একাণপতীয়াকৈ জড়িত হৈ পৰা খাখলাৰীয়ে পৰৱৰ্তী সময়ত যুধিষ্ঠিৰ হাজোৱাৰীৰ পৰা পৰম্পৰাগত বড়ো নৃত্য আৰু সম্বৰু বড়োৰ পৰা খাম বজোৱাৰ প্ৰশিক্ষণ লৈছিল। পৰৱৰ্তী সময়ত দৰিদ্ৰতাৰে যুঁজিও তেওঁ বড়োৰ পৰম্পৰাগত বড়ো সংগীত আৰু নৃত্যৰ নিৰলস সাধনা অব্যাহত ৰাখিছিল। জীৱন যুঁজৰ পাকচক্ৰত ঠেলাচালক, ৰিক্সাচালক, শিলৰ কুঁৱেৰীৰ শ্ৰমিকৰূপে বিভিন্ন কৰ্মত নিয়োজিত থাকিও সংস্কৃতিৰ চৰ্চাক তেওঁ কোনোদিনে একাষৰীয়া কৰি ৰখা নাছিল। পৰৱৰ্তী সময়ত গুৱাহাটীত থাকিবলৈ লৈ তেওঁ গঢ়ি তোলে বাথৌ আফাত কৃষ্টি সংঘ। ইয়াৰ জৰিয়তে খাখলাৰীয়ে বহু শিল্পীৰ জন্ম দিয়ে। দেশৰ বিভিন্ন প্ৰান্তত এই কৃষ্টি দলে অনুষ্ঠান পৰিৱেশনেৰে বড়ো গীত-নৃত্যৰ প্ৰসাৰত অন্যতম ভূমিকা গ্ৰহণ কৰে। ইতিমধ্যে পত্নীৰ মৃত্যু হোৱাত খাখলাৰীয়ে তেওঁ পাঁচগৰাকী জীয়ৰীৰ ভিতৰত সৰুগৰাকীৰ লগত থাকিবলৈ লয়। উল্লেখ্য যে পিতৃৰ পদাংক অনুসৰণ কৰা সৰু জীয়ৰী বিক্ৰমা খাখলাৰীয়েও ইতিমধ্যে সংগীত নাটক একাডেমীৰ যুৱ বঁটা লাভ কৰিছে।

### এবছু-বড়ো সাহিত্য সভাৰ শোক প্ৰকাশ

লোকশিল্পী খাখলাৰীৰ দেহাৱসানত বড়ো ছাত্ৰ সন্থা (এবছু)ৰে গভীৰ শোক প্ৰকাশ কৰিছে। এক শোকবাৰ্তাত এবছুৰ সভাপতি দীপেন বড়ো আৰু সাধাৰণ সম্পাদক খনীন্দ্ৰ বসুমতাৰীয়ে কয় যে খাখলাৰীৰ মৃত্যু বড়ো সাংস্কৃতিক ক্ষেত্ৰখনৰ এক বৃহৎ ক্ষতি। বড়ো নৃত্য আৰু সংগীতৰ প্ৰসাৰত তেওঁ অগ্ৰণী ভূমিকা লৈছিল। পৰম্পৰাগত বড়ো নৃত্য আৰু সংগীতক বাথৌ আফাত কৃষ্টি সংঘৰ জৰিয়তে সমগ্ৰ ভাৰতত তেওঁ প্ৰচাৰ আৰু প্ৰসাৰ কৰিছিল। শিল্পীগৰাকীৰ অৱদানক এবছুৰ লগতে সমগ্ৰ বড়ো সমাজে কেতিয়াও নাপাহৰে বুলিও সংগঠনটোৱে মন্তব্য কৰে। আনহাতে, বড়ো সাহিত্য সভাৰ প্ৰাক্তন সাধাৰণ সম্পাদক কমলাকান্ত মুছাহাৰীয়েও শোক প্ৰকাশ কৰিছে। মুছাহাৰীয়ে লগতে আক্ষেপ প্ৰকাশ কৰি কয় যে এগৰাকী বৰেণ্য শিল্পীৰ মৃত্যুকো অসম চৰকাৰ আৰু কামৰূপ মহানগৰ জিলা প্ৰশাসনে উপেক্ষা কৰিলে। চৰকাৰ অথবা জিলা প্ৰশাসনৰ কোনো প্ৰতিনিধিয়ে শিল্পীগৰাকীৰ মৃত্যুৰ খবৰ নল'লে বুলি তেওঁ ক্ষোভ ব্যক্ত কৰে। অৱশ্যে বিটিচি প্ৰশাসনৰ হৈ সাংস্কৃতিক বিভাগৰ কাৰ্যবাহী সদস্য দাওবায়ছা বড়ো তেওঁৰ শেষকৃত্যত উপস্থিত হয়।

# হিজাবক লৈ ঐক্যমতত উপনীত

*এক পৃষ্ঠাৰ পৰা* শিশু কন্যাগৰাকীৰ শিক্ষাগ্ৰহণ।' আনহাতে, ন্যায়াধীশ গুপ্তাই কয় যে এই বিষয়টোত মতবিভাজন আছে। তেওঁ আবেদন খাৰিজ কৰি দিয়া ৰায়ত ১১টা প্ৰশ্ন উত্থাপন কৰে আৰু ইয়াৰে উত্তৰ দিয়ে। তেওঁ কয় যে কৰ্ণাটক উচ্চ ন্যায়ালয়ৰ ৰায়দানত তেওঁৰ সন্মতি আছে। এইদৰে আজি ন্যায়াধীশ গুপ্তাই কৰ্ণাটক উচ্চ ন্যায়ালয়ৰ ৰায়ৰ ক্ষেত্ৰত মতামত প্ৰকাশ কৰি আবেদন খাৰিজ কৰে যদিও সংবিধানৰ ২৫ নম্বৰ ধাৰা উল্লেখ কৰি ন্যায়াধীশ ধুলিয়াই মুছলমান ছাত্ৰীসকলৰ আবেদনৰ যুক্তিযুক্ততা মানি লয়। তেওঁ হিজাব পৰিধানৰ ব্যক্তিগত অধিকাৰক স্বীকৃতি দিয়ে। উল্লেখ্য যে কৰ্ণাটক উচ্চ ন্যায়ালয়ৰ ৰায়ৰ বিৰুদ্ধে প্ৰত্যাহ্বান জনাই মুছলমান ছাত্ৰীসকলে দাখিল কৰা আবেদনৰ ধাৰাবাহিক শুনানিৰ পাছত যোৱা ২২ ছেপ্টেম্বৰত এই বিষয়ে ৰায় সংৰক্ষিত কৰিছিল ন্যায়াধীশ গুপ্তা আৰু ধুলিয়াৰ বিচাৰপীঠে।

কৰ্ণাটক উচ্চ ন্যায়ালয়ে হিজাবৰ বিৰুদ্ধে জাৰি কৰা নিষেধাজ্ঞা প্ৰত্যাহাৰ কৰিবলৈ অস্বীকাৰ কৰিছে। আজি কৰ্ণাটকৰ মন্ত্ৰী এজনে কয় যে দ্বিখণ্ডিত ৰায়ৰ পাছতো হিজাবৰ নিষেধাজ্ঞা ন্যায্য হৈ থাকিল। ন্যায়াধীশ গুপ্তাই আবেদন খাৰিজৰ পূৰ্বে দাঙি ধৰা প্ৰশ্নোত্তৰৰ ভিতৰত আছে যে চৰকাৰৰ নিষেধাজ্ঞাই ছাত্ৰ-ছাত্ৰীৰ মৌলিক অধিকাৰ ভংগ কৰিছে নেকি আৰু ইছলামৰ হিজাব পৰিধান অত্যাৱশ্যকীয় ধৰ্মীয় আচাৰ হয় নে নহয়। গুপ্তাই কয় যে তেওঁৰ মতে ইয়াৰ উত্তৰ আবেদনকাৰীৰ বিপক্ষে যায়। সেয়েহে তেওঁ আবেদন খাৰিজ কৰে বুলি ৰায়ত কয়। উচ্চতম ন্যায়ালয়ৰ যৌথ বিচাৰপীঠে তাৰ পাছত কয় যে তিনিদিনীয়া বিচাৰপীঠৰ দ্বাৰা এই গোচৰৰ শুনানিৰ বাবে বিষয়টো দেশৰ মুখ্য ন্যায়াধীশৰ ওচৰত দাখিল কৰা হ'ব।

কৰ্ণাটকৰ বিজেপি চৰকাৰে যোৱা পাঁচ ফেব্ৰুৱাৰীত শিক্ষানুষ্ঠানৰ চৌহদত ছাত্ৰ-ছাত্ৰীৰ হিজাব পৰিধান কৰাটো নিষেধ কৰে। আজি ৰাজ্যখনৰ শিক্ষামন্ত্ৰী বি চি নাগেশে কয়, 'আমি উচ্চতম ন্যায়ালয়ৰ ৰায়দানক আদৰণি জনাওঁ। অৱশ্যে মই আজি এটা নিৰ্দেশ দিব বুলি আশা কৰিছিলো। বিষয়টো এতিয়া বৃহত্তৰ বিচাৰপীঠলৈ যাব। এই পৰ্যন্ত কৰ্ণাটক চৰকাৰৰ হিজাব সম্পৰ্কীয় নীতি বৈধ হৈ থাকিল। কৰ্ণাটক উচ্চ ন্যায়ালয়ত মুছলমান ছাত্ৰীসকলে এই নিৰ্দেশৰ প্ৰত্যাহ্বান জনোৱাৰ পাছত ১৫ মাৰ্চত কৰ্ণাটক উচ্চ ন্যায়ালয়ে এই সম্পৰ্কে আবেদন খাৰিজ কৰে। উচ্চ ন্যায়ালয়ে কয় যে শ্ৰেণী কোঠাৰ ভিতৰত ছাত্ৰীসকলে হিজাব পৰিধান কৰিবলৈ জনোৱা অনুৰোধ ইছলাম ধৰ্মাৱলম্বীসকলৰ অত্যাৱশ্যকীয় আচাৰ নহয়। ইপিনে, ছাত্ৰীসকলৰ হৈ অধিবক্তাই যুক্তিদৰ্শায় যে এনে নিষেধাজ্ঞাৰ ফলত ছাত্ৰীসকলে শ্ৰেণীকোঠালৈ অহা বন্ধ কৰিব পাৰে আৰু ফলত তেওঁলোকৰ শিক্ষাগ্ৰহণ বাধাগ্ৰস্ত হ'ব।

### বিভাজিত ৰায়

দুয়োজন ন্যায়াধীশে ৰায়দানত শক্তিশালী মন্তব্য প্ৰকাশ কৰিছে। ন্যায়াধীশ ধুলিয়াই ধৰ্মনিৰপেক্ষতা, সাংবিধানিক স্বাধীনতা, কন্যা শিক্ষাৰ সুচলতাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ কয়, 'আমাৰ সংবিধানৰ বহু বৈশিষ্ট্যৰ ভিতৰত এটা হৈছে আস্থা। আমাৰ সংবিধানখন আস্থাৰে নথি। এই আস্থা হৈছে সংখ্যালঘুসকলে সংখ্যাগুৰুৰ ওপৰত ন্যস্ত কৰা আস্থা।' ন্যায়াধীশজনে কয়, 'বিদ্যালয়ত শৃংখলাৱদ্ধতা থকাটো প্ৰয়োজনীয়। কিন্তু স্বাধীনতাৰ বিনিময়ত, মৰ্যাদাৰ বিনিময়ত লাভ কৰা শৃংখলাৱদ্ধতা নহয়। বিদ্যালয়ৰ দ্বাৰত এগৰাকী প্ৰাক-বিশ্ববিদ্যালয়ৰ স্কুলীয়া ছাত্ৰীক হিজাব খুলিবলৈ কোৱাটো তেওঁৰ গোপনীয়তা আৰু মৰ্যাদাত হস্তক্ষেপ।' ন্যায়াধীশ ধুলিয়াই মত প্ৰকাশ কৰি কয়, 'আজিৰ ভাৰতৰ এক অন্যতম সৰ্বোৎকৃষ্ট দৃশ্য হৈছে যে এগৰাকী কন্যা শিশুৱে পুৱাতে পিঠিত স্কুলৰ বেগ কঢ়িয়াই স্কুললৈ বুলি ওলাই যোৱাটো এই কন্যাগৰাকী আমাৰ ভৱিষ্যৎ। এই কথা সঁচা যে এগৰাকী কন্যা শিশুৰ বাবে শিক্ষা লাভ কৰাটো তেওঁৰ ভ্ৰাতৃতকৈ তুলনামূলকভাৱে বহু বেছি কঠিন।' তেওঁ কয় যে ভাৰতৰ বহু অংশত স্কুললৈ যোৱাৰ পূৰ্বে ছাত্ৰীগৰাকীয়ে ঘৰুৱা কাম-বন কৰিব লাগে। তেওঁ কয়, 'আমি হিজাব নিষিদ্ধ কৰি তাইৰ জীৱন কোনো প্ৰকাৰে উন্নত কৰিছো নেকি? পৰিশেষত ই এক পছন্দৰ বিষয়। ইয়াতকৈ বেছি বা কম একো নহয়।' তদুপৰি তেওঁ কয়, 'প্ৰতিজন আবেদনকাৰীয়ে হিজাব পৰিধান কৰিব বিচাৰে। এয়া গণতন্ত্ৰত বহু বেছি বিচৰা নেকি? ই কিদৰে ৰাজহুৱা শৃংখলা, নৈতিকতা অথবা স্বাস্থ্যৰ বিৰুদ্ধাচৰণ কৰা হয়? অথবা শালীনতাৰ বিৰুদ্ধাচৰণ কৰা হয়?'

ইয়াৰ বিপৰীতমুখী ভাষ্য আগবঢ়াই ন্যায়াধীশ গুপ্তাই কয় যে ধৰ্মনিৰপেক্ষতা সকলো নাগৰিকৰ ক্ষেত্ৰতো প্ৰযোজ্য। সেয়েহে এটা সম্প্ৰদায়ক ধৰ্মীয় প্ৰতীক পৰিধান কৰিবলৈ সন্মতি প্ৰদান কৰাটো ধৰ্মনিৰপেক্ষতাৰ বিপৰীতমুখী হ'ব। সমাজৰ সাংবিধানিক লক্ষ্য পৰাজিত হ'ব যদিও ছাত্ৰ-ছাত্ৰীসকলক ধৰ্মীয় প্ৰতীক শ্ৰেণীকোঠালৈ কঢ়িয়াবলৈ অনুমতি দিয়া হয়।' এই ভাষ্য ন্যায়াধীশ গুপ্তাৰ। তেওঁ কয়, 'ৰাষ্ট্ৰৰ পুঁজিৰে নিৰ্মাণ কৰা এখন ধৰ্মনিৰপেক্ষ বিদ্যালয়লৈ ধৰ্মীয় বিশ্বাস কঢ়িয়াই নিব নোৱাৰি।' ন্যায়াধীশ গুপ্তাই তদুপৰি কয় যে কোনো এখন বিদ্যালয়ে ছাত্ৰ-ছাত্ৰীক শ্ৰেণী কোঠাত হিজাব পৰিধান কৰিবলৈ অথবা তিলক আদিৰ দৰে নিৰ্দিষ্ট ধৰ্মীয় বিশ্বাস প্ৰতিফলন কৰা প্ৰতীক চিহ্ন অংকন কৰিবলৈ অনুমতি দিব পাৰে, কিন্তু ৰাষ্ট্ৰৰ পুঁজিৰে পৰিচালনা কৰা বিদ্যালয়সমূহত ৰাষ্ট্ৰই ইয়াৰ পৰিসীমাৰ ভিতৰত এই নিৰ্দেশ দিব লাগিব যে যাতে কোনো ধৰ্মীয় বিশ্বাসৰ প্ৰতীক বিদ্যালয়লৈ অনা নহয়। ন্যায়াধীশ গুপ্তাই ১১টা প্ৰশ্ন উত্থাপন কৰি ইয়াৰ উত্তৰ দিয়ে।

# কাইলৈ প্ৰচাৰৰ বাবে অসমলৈ কংগ্ৰেছৰ

*এক পৃষ্ঠাৰ পৰা* আহিব ড° শশী থাৰুৰ। পদটোৰ প্ৰাৰ্থী ড° থাৰুৰ অহা ১৫ অক্টোবৰত বিয়লি গুৱাহাটীত উপস্থিত হৈ ৰাজীৱ ভৱনত অসম প্ৰদেশ কংগ্ৰেছৰ প্ৰতিনিধিসকলৰ এখন সভাত অংশগ্ৰহণ কৰিব। নিশা তেওঁ প্ৰদেশ কংগ্ৰেছৰ যুৱ প্ৰতিনিধি আৰু জ্যেষ্ঠ ব্যক্তিসকলৰ স'তেও বাৰ্তালাপ কৰিব। ইতিমধ্যে পদটোৰ আনজন প্ৰাৰ্থী মল্লিকাৰ্জুন খাৰ্গেই অসমত প্ৰচাৰ চলাই গৈছে। থাৰুৰৰ আগমনক লৈ ইতিমধ্যে প্ৰদেশত যথেষ্ট চৰ্চা চলিছে। কাৰণ গান্ধী পৰিয়ালৰ ঘনিষ্ঠ বুলি পৰিচয় থকা খাৰ্গেৰ প্ৰতি অসমৰ প্ৰতিনিধিসকলৰ গৰিষ্ঠসংখ্যকে সমৰ্থন আগবঢ়াইছে। খাৰ্গেৰ প্ৰচাৰৰ বাবে কে'বাজনো জ্যেষ্ঠ নেতাই নিজৰ অতিৰিক্ত দায়িত্বৰ পৰাও অব্যাহতি লৈছে। ইয়াৰ বিপৰীতে ড° থাৰুৰৰ প্ৰতি মুকলি সমৰ্থন আগবঢ়াইছে নগাঁৱৰ সাংসদ প্ৰদ্যুৎ বৰদলৈয়ে। অসমত সভাপতি পদৰ নিৰ্বাচনত থকা কংগ্ৰেছৰ ভোটৰ সংখ্যা হ'ল ২৮৯ টা। বাহিৰত অসমৰ অধিকাংশ ভোট খাৰ্গেই পাব বুলি চৰ্চা চলিলেও থাৰুৰৰ সমৰ্থকো যথেষ্ট আছে বুলি প্ৰদেশ কংগ্ৰেছৰ সূত্ৰত প্ৰকাশ। সেয়েহে থাৰুৰৰ আগমনে যথেষ্ট চৰ্চা লাভ কৰিছে। বিশেষকৈ প্ৰদেশ কংগ্ৰেছৰ যুৱ ভোটাৰৰ মাজত থাৰুৰৰ বিশেষ ইমেজ থকা বুলি দলীয় সূত্ৰত প্ৰকাশ।

# ধুবুৰীত নৱেম্বৰৰ পৰা এশ শিক্ষাৰ্থীয়ে

*এক পৃষ্ঠাৰ পৰা* কৰা ধুবুৰী চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয় হৈছে অসমৰ নৱমখন চিকিৎসা মহাবিদ্যালয়। আন ১২খন চিকিৎসা মহাবিদ্যালয়ৰ পৰিকল্পনা কৰা হৈছে আৰু সেইসমূহ বিভিন্ন পৰ্যায়ত আছে। অৰ্থাৎ অসমত কিছু বছৰৰ ভিতৰত চিকিৎসা মহাবিদ্যালয়ৰ সংখ্যা ২১খন হ'বগৈ।' এই মন্তব্য ৰাজ্যসভাৰ সাংসদ তথা মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক সচিব পবিত্ৰ মাৰ্ঘেৰিটাৰ। আজি ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে গুৱাহাটী আইআইটিৰ পৰা ভাৰ্চুৱেল মাধ্যমেৰে ধুবুৰী চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়খন ৰাষ্ট্ৰৰ প্ৰতি উছৰ্গা কৰে। সেই অনুষ্ঠানৰ পূৰ্বে দিনৰ ১-৩০ বজাৰ পৰা ধুবুৰীৰ ঝগৰাৰপাৰত নৱনিৰ্মিত চিকিৎসা মহাবিদ্যালয় হাস্পতালখনৰ প্ৰাংগণত অনুষ্ঠিত সভাত মুখ্য অতিথিৰূপে উপস্থিত থাকি সাংসদ মাৰ্ঘেৰিটাই লগতে কয়, 'ধুবুৰীত চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয় আৰম্ভ হোৱাটো এসময়ত ৰাইজৰ কল্পনাৰো অগোচৰ আছিল; কিন্তু আজি সেই কল্পনা বাস্তৱায়িত হ'ল।' তেওঁ কয়, 'ধুবুৰীৰ ৰাইজক সকাহ প্ৰদানেৰে চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসলয়খন আৰম্ভ হ'ল। ৰাইজে চিকিৎসা মহাবিদ্যালয়খন পৰিষ্কাৰ-পৰিচ্ছন্ন কৰি ৰাখিব লাগিব।' সকলো সময়তে চিকিৎসক আৰু চিকিৎসা কৰ্মীসকলক সহযোগ কৰিবলৈ তেওঁ ৰাইজক আহ্বান জনোৱাৰ লগতে মাৰ্ঘেৰিটাই চিকিৎসকসকলকো উৎসৰ্গিত মনোভাৱেৰে চিকিৎসা সেৱা আগবঢ়াবলৈ অনুৰোধ জনায়।

ধুবুৰীৰ উপায়ুক্ত অন্বামুথন এম পিয়ে আদৰণি ভাষণ দিয়া সভাখনত গৌৰীপুৰৰ বিধায়ক নিজানুৰ ৰহমান, চিকিৎসা শিক্ষা সঞ্চালক ডাঃ অনুপ বৰ্মন, ধুবুৰী চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষ ডাঃ অংকুমণি শইকীয়া, ধুবুৰী পৌৰসভাৰ পৌৰপতি ডাঃ দেৱময় স্যানাল, প্ৰাক্তন বিধায়ক অশ্বিনী ৰায় সৰকাৰ, বিশিষ্ট সমাজসেৱক প্ৰসেনজিৎ দত্ত আদিৰ লগতে ধুবুৰী চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ৰ চিকিৎসকসকল আৰু কে'বা হেজাৰ লোক উপস্থিত থাকে। উপস্থিত সকলোৱে চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়খনে ধুবুৰী জিলাকে ধৰি দাঁতিকাষৰীয়া অঞ্চলৰ ৰাইজে চিকিৎসাৰ ক্ষেত্ৰত সন্মুখীন হৈ অহা অসুবিধা দূৰ কৰিব বুলি মন্তব্য কৰে। ধুবুৰীৰ ৰাইজে এক অতীব প্ৰয়োজন পূৰণ হোৱাত আজিৰ অনুষ্ঠানতে আনন্দ প্ৰকাশ কৰে। ডাঃ স্যানালে চিকিৎসা মহাবিদ্যালয়খন স্থাপনৰ ইতিহাসৰ বৰ্ণনা দিয়ে। সেইদৰে চিকিৎসা শিক্ষা সঞ্চালক ডাঃ বৰ্মনে কয় যে কেইবছৰমানৰ ভিতৰতে ধুবুৰী চিকিৎসা মহাবিদ্যালয়ত স্নাতকোত্তৰ পাঠ্যক্ৰম আৰম্ভ কৰাৰ বাবে ৰাষ্ট্ৰীয় চিকিৎসা আয়োগৰ অনুমোদন পাবৰ বাবে চেষ্টা কৰা হ'ব। অনুষ্ঠানত চিকিৎসা মহাবিদ্যালয়খনৰ অধ্যক্ষায়ো ভাষণ ৰাখে। লগতে গুৱাহাটী আইআইটিত অনুষ্ঠিত কাৰ্যসূচীৰ ধুবুৰীৰ অনুষ্ঠানত পোনপটীয়াকৈ দেখুওৱা হয়। উল্লেখ্য যে ধুবুৰী চহৰৰ সমীপৰ ঝগৰাৰপাৰত ১০৮ বিঘা ভূমিত ৫০৯ কোটি টকা ব্যয়েৰে চিকিৎসা মহাবিদ্যালয়খনৰ নিৰ্মাণ কৰা হৈছে। ইতিমধ্যে ১১১ গৰাকী ফেকাল্টি চিকিৎসক আৰু ২৮ গৰাকী ছিনিয়ৰ ৰেছিডেণ্টৰ জৰিয়তে ২৪টা বিভাগত চিকিৎস সেৱা আৰম্ভ হৈছে। আজি ৰাষ্ট্ৰপতি মুৰ্মুৱে চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসলয়খন মুকলি কৰাৰ পাছতে অহা নৱেম্বৰৰ পৰা এশ শিক্ষাৰ্থীৰে এমবিবিএছ পাঠ্যক্ৰমৰ পাঠদান আৰম্ভ হ'ব।

# হাদিৰা চকীৰ দুখ

*এক পৃষ্ঠাৰ পৰা* ভণ্ড যোগী। ধ্যানত বহিছে; কিন্তু ফুলৰা চতলা দেৱী গাভৰুৰ ৰূপত বিমুগ্ধ হৈ ধ্যান পাহৰিছে। লগে লগে কবিয়ে বৰ্ণনা কৰিছে অসমৰ শেষ স্বাধীন কালৰ ইতিহাস। আহোম ৰজা চন্দ্ৰকান্ত সিংহৰ শাসন কালত হৈছিল স্বাধীনতাৰ শেষৰখন যুদ্ধ আহোম ৰাজ্যৰ পশ্চিম প্ৰান্তৰ দ্বাৰ হাদিৰা চকীত। কবিয়ে কৈছে মানৰ বিৰুদ্ধে হোৱা এই যুদ্ধত আহোমৰ হৈ যুঁজিছিল— শিখ, অসমীয়া, মোগল, পাঠান সৈন্যসকলে।

ইতিহাসে স্পষ্টভাৱে কোৱা নাই, কবিয়ে উল্লেখ কৰা অসমৰ শেষৰখন স্বাধীনতা যুদ্ধৰ সৈন্যসকল কোন শিখ, কোন অসমীয়া, কোন মোগল-পাঠান। ইতিহাসে কয়— অসমীয়া সেনাই মোগলৰ বিৰুদ্ধে যুঁজাৰ কথা। ইতিহাসে কয় শৰাইঘাটৰ কথা, মোগলৰ বিৰুদ্ধে আহোমৰ যুদ্ধৰ কথা; কিন্তু অসমৰ বুৰঞ্জী লিখকসকলে কিয় বাৰু নিলিখিলে হাদিৰা চকী সেই বিখ্যাত যুদ্ধখনৰ কথা, যি যুদ্ধত ছশ বছৰীয়া আহোম সম্ৰাজ্যৰ বেলি মাৰ গৈছিল। যি যুদ্ধত হিন্দু মুছলমান, শিখ, সৈন্যই একেলগে যুঁজিছিল মানৰ বিৰুদ্ধে অসমৰ স্বাধীনতা ৰক্ষা কৰিবলৈ। সেইখন স্বাধীন অসমৰ শেষ যুদ্ধৰ কথা, সেই ধৰ্মনিৰপেক্ষ হৈ তিনিটা ধৰ্মৰ সৈন্যসকলে একেলগে যুঁজিছিল বিদেশী সৈন্যৰ বিৰুদ্ধে।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছাত্ৰাবাসৰ ছাত্ৰ হৈ থকা অৱস্থাতে পৰীক্ষাৰ ফলাফল নিদিওঁতেই গোৱালপাৰা কলেজৰ অধ্যাপক এজন আমাৰ হোষ্টেল ওলালহি। গোৱালপাৰা কলেজত অধ্যাপক হিচাপে চাকৰিত যোগদান কৰাৰ অনুৰোধ লৈ। মই গোৱালপাৰালৈ কেতিয়াও গৈ পোৱা নাই। লগৰসকলে ক'লে— যা কিছুদিন থাকি ঠাইখন চাই আহ। যাওঁ নাযাওঁ বুলি গোৱালপাৰালৈ গুচি গ'লো। গোৱালপাৰালৈ গৈয়েই লগ পালো এজন কেমেৰা পাগল বন্ধু। সেই সময়ত মোৰ হাততো আছিল এটা ৰাছিয়ান জেনিথ কেমেৰা। গোৱালপাৰা কলেজত জইন কৰাৰ দ্বিতীয় দিনা মোৰ বন্ধুৱে ক'লে, আহা তোমাক আজি এখন অসমৰ বিখ্যাত ঠাইলৈ লৈ যাম। ৰিক্সা এখন লৈ তেওঁ মোক গোৱালপাৰা চাৰ্কিট হাউছলৈ লৈ গ'ল। নদীৰ বুকুলৈ সোমাই যোৱা পাহাৰ এখনৰ শিলাময় টিলা এটাত স্থাপিত বহুত পুৰণি অসম টাইপৰ ঘৰ কেইটামান তেতিয়াৰ গোৱালপাৰাৰ চাৰ্কিট হাউছ, তাতেই জিলা উপায়ুক্তৰো বাসগৃহ। তেতিয়া প্ৰায় গধূলি হৈছিল, পশ্চিমৰ আকাশত বুৰ মাৰিবলৈ বৈ থকা ৰঙচুৱা বেলি। পূবৰ আকাশত নিশাৰ পোহৰৰ বতৰা লৈ অহা গাভৰু জোনৰ লাজুকীয়া ভুমুকি। মাজত এখন বৃহৎ নৈ লুইত। আমাৰ বন্ধুৱে দূৰলৈ দেখুৱাই ক'লে— সৌ যে দূৰত দেখিছে দুটি ডাঙৰ টিলাসদৃশ পাহাৰ। সেই পাহাৰ দুখনৰ নাম ফুলৰা আৰু চতলা। পাষাণ প্ৰতিমা পদ্যটো এই চাৰ্কিট হাউছৰ এইখন বাৰণ্ডাতেই বহি লিখিছিল তেতিয়াৰ গোৱালপাৰাৰ মহকুমাধিপতি শৈলধৰ ৰাজখোৱাই। বন্ধুৰ কথা শুনি দূৰৰ পাহাৰ দুখনলৈ ৰ লাগি চালো। মনত পৰিল পাষাণ প্ৰতিমাৰ প্ৰতিটো শব্দ।

উঠাহে ফুলৰা উঠাহে চতলা  
উঠা দেৱবালা স্বৰূপ ধৰি  
পূৰ্ণ হ'ল আজি শতেক বছৰ  
আৰু কত কাল থাকিবা পৰি?  
.........  
মানাহাৰ সউ বালিৰ কাষত  
ৰূপহী চতলা নিজান বনত  
..........  
চাপি আহে মান মাৰ যায় বেলি  
ফুলৰা চতলা থাকিলে চাই  
সিদিনাৰে পৰা ফুলৰা চতলা  
শিলাময়ী দুটি অমৰ বালা।

নদীৰ সিপাৰে ফুলৰা চতলালৈ চাই কিছুপৰৰ বাবে ভাৱনাত হেৰাই গৈছিলো। কবিয়ে অংকন কৰা কল্পনাৰ ফুলৰা চতলা আৰু যোগী বাঘবৰ পাহাৰ চাই তন্ময় হৈছিলো। আজিৰ পৰা ডেৰকুৰি বছৰ আগতে গোৱালপাৰা চাৰ্কিট হাউছৰ পৰা দেখা ফুলৰা-চতলালৈ। এবাৰ যাম বুলি ভাবি থাকোতেই কেনেকৈ যে দিনবোৰ গুচি গ'ল। ফুলৰা চতলা-বাঘবৰ চাবলৈ সময় নহ'ল। ফুলৰা চতলা চোৱাৰ হেঁপাহ হৃদয়ত ৰৈ গ'ল।

বাঘবৰ এতিয়া এখন বিতৰ্কিত ঠাই। বৰপেটা জিলাৰ বাঘবৰ অঞ্চল মুছলমান অধ্যুষিত এক পিছপৰা অঞ্চল। বাঘবৰক লৈ বিভিন্ন প্ৰকাৰৰ বাতৰি কাকতত প্ৰচাৰ হয়। অসমৰ মূলসুঁতিৰ অসমীয়া মানুহে তাক লৈ টিপ্পনি দিয়ে।

আৰু হাদিৰা চকী? অসমৰ সৰহ সংখ্যক মানুহেই নাজানে হাদিৰা চকী ক'ত? হাদিৰা চকী কিয় বিখ্যাত। অসমক লৈ গৌৰৱ কৰা জাতীয়তাবাদী লোকসকলৰ বহুতেই হয়তো নাজানে যে হাদিৰা চকী আছিল আহোম ৰাজ্যৰ পশ্চিম সীমান্তৰ এক প্ৰখ্যাত চকী বা দ্বাৰ। এই হাদিৰা চকীতেই আহোম সাম্ৰাজ্যৰ বেলি মাৰ যোৱা শেষৰখন যুদ্ধ হৈছিল। ফুলৰা আৰু চতলা পাহাৰৰ মাজতে থকা হাদিৰা চকীৰ যুদ্ধত মানৰ বিৰুদ্ধে যুঁজিছিল ভাষা-ধৰ্ম-জাতি পাহৰি একত্ৰিত হোৱা সমন্বিত আহোম সৈন্যবাহিনীয়ে। এই সৈন্যবাহিনীত আছিল শিখ সম্প্ৰদায়ৰ লোক, মুছলমান সম্প্ৰদায়ৰ লোক, অন্যান্য হিন্দু অসমীয়া। সেইসকল শিখ, যিয়ে অসমীয়াৰ হৈ যুঁজিছিল। সেইসকল মুছলমানে কিয় আহোম ৰজাৰ হৈ মানৰ বিৰুদ্ধে যুঁজিছিল, সেইবিলাক কথা লিখিত বুৰঞ্জীত নাথাকিল। হাদিৰা চকীৰ ৰণ ছশ বছৰীয়া আহোম ৰাজত্বৰ বেলি মাৰ যোৱা ইতিহাসৰ সাক্ষী স্বাধীন আহোম ৰাজত্বৰ শেষ ৰজা চন্দ্ৰকান্ত সিংহৰ শাসন কালত হৈছিল এইখন ৰণ মানসকলৰ বিৰুদ্ধে। এই যুদ্ধত সন্মিলিত আহোম সেনাই পৰাজয়বৰণ কৰিছিল। যুদ্ধত নিহত হৈছিল আহোম সেনাৰ অন্তৰ্গত শিখধৰ্মীয় সেনা আৰু মুছলমান সেনা। এই যুদ্ধত নিহত হৈছিল আহোম সেনাৰ উপৰি মুছলমান আৰু শিখ সেনাৰ। আহোম ৰাজ্যৰ সৈন্য হৈ এইসকল শিখ, এইসকল মুছলমান সেনাক দেশৰ হকে যুঁজা অসমীয়া বুলি স্বীকৃতি দিয়া হোৱা নাই। বৰঞ্চ আজিৰ তাৰিখত হাদিৰা চকীত প্ৰাণ আহুতি দিয়া সৈন্যসকলৰ বংশধৰসকলক বিদেশী নাগৰিক বুলি কোৱা হয় পাকে-প্ৰকাৰে। ইতিহাসৰ এই নিদাৰুণ স্বৰূপ সঁচাকৈ এইসকল যুঁজাৰু লোকৰ বংশধৰসকলৰ বাবে আটাইতকৈ ডাঙৰ ট্ৰেজেডী।

আজিৰ পৰা দুশ বছৰ আগতে অৰ্থাৎ ১৮২২ৰ ২১ জুনত এইখন যুদ্ধ হৈছিল বুলি জনা যায়। সেই যুদ্ধত স্বাধীন আহোম ৰাজ্যৰ শেষ ৰজা চন্দ্ৰকান্ত সিংহই নিজে ভাগ লৈছিল বুলি জনা যায়। মানক পৰাস্ত কৰিবলৈ ৰজা চন্দ্ৰকান্তৰ স'তে আছিল থলুৱা আহোম, অনা আহোম অসমীয়া, থলুৱা মুছলমান তথা শিখ সেনাসকল। সেই যুদ্ধস্থলী হাদিৰা চকীৰ আজি অস্তিত্ব নাই। হাদিৰা চকী জাহ গৈছে লুইতৰ বুকুত। সেই যুদ্ধৰ সাক্ষী হৈ আজিও আছে ফুলৰা চতলা। আছে বাঘবৰ।

ফুলৰা চতলা-বাঘবৰ এক অৱহেলিত ইতিহাসৰ স্বাক্ষৰ। আধুনিক কালৰ শাসকসকলে এই ঐতিহ্য সংৰক্ষণৰ কথা কোনেও নাভাবিলে। নাভাবিলে আহোম ৰজাৰ এই সন্মিলিত ধৰ্মনিৰপেক্ষ সৈন্যবাহিনীয়ে মানৰ বিৰুদ্ধে দিয়া যুঁজখনৰ কথা। আমাৰ সমাজত বহু কথা, বহু ঘটনাৰ ২৫ বছৰীয়া, ৫০ বছৰীয়া, এশ বছৰীয়া জয়ন্তী উদ্‌যাপন কৰা হয়; কিন্তু হাদিৰা চকীৰ এই ঐতিহাসিক ঘটনাটো হৈ যোৱাৰ দুশ বছৰ হ'ল। দুশ বছৰীয়া এই ইতিহাস স্মৰণ কৰাৰ বিশেষ ব্যৱস্থা নহ'ল। এতিয়া সেই অঞ্চলৰ খিলঞ্জীয়া মুছলমানসকলে বিচাৰে সেই ঘটনাৰ কথা বহলভাৱে স্মৰণ কৰা হওক। আজিৰ পৰা দুশ বছৰৰ আগতে অসম ৰাজ্যক বিদেশীৰ কবলৰ পৰা মুক্ত কৰিবলৈ আহোম ৰজাৰ সৈন্যৰ স'তে বিদেশী আক্ৰমণকাৰীৰ বিৰুদ্ধে যুদ্ধ কৰিছিল। দেশৰ হকে বহুতে প্ৰাণ আহুতি দিছিল, দেশৰ হকে মৃত্যুবৰণ কৰিছিল, সেই কথা স্মৰণ হোৱাটো বিচাৰে। বিচাৰে এই ঐতিহাসিক ঘটনা বিজ্ঞানসন্মতভাৱে উদ্‌ঘাটন হোৱাটো। বিচাৰে সেই ঐতিহ্য সংৰক্ষিত আৰু উদ্‌যাপিত হোৱাটো। হাদিৰা চকী বৰ্তমানৰ বৰপেটা আৰু বঙাইগাঁও জিলাৰ এক প্ৰান্তীয় অঞ্চল। আহোম ৰাজ্যৰ শেষ সীমা হাদিৰা চকী সেই সময়ত এক উল্লেখযোগ্য ৰাজনৈতিক তথা অৰ্থনৈতিকভাৱে প্ৰাধান্য থকা ঠাই আছিল। হাদিৰা চকী বংগদেশ আৰু আহোম ৰাজ্যৰ মাজত চলা যাতায়াত আৰু অৰ্থনৈতিক লেনদেনৰ মুখ্য দ্বাৰ আছিল। দুয়ো প্ৰান্তৰ প্ৰশাসকসকলে তাত নিৰ্দিষ্ট পহৰা দিয়া আৰু হিচাপ লোৱা কৰ্মচাৰী নিয়োগ কৰিছিল। পশ্চিমৰ অৰ্থনীতি, ৰাজনীতি, সমাজ-সংস্কৃতিৰ স'তে হোৱা লেনদেনৰ নঙলামুখ আছিল হাদিৰা চকী।


এই হাদিৰা চকী আজি নাই; কিন্তু ফুলৰা চতলা আৰু বাঘবৰ অঞ্চলৰ নৈসৰ্গিক দৃশ্যই তালৈ যোৱা সকলো মানুহৰেই দৃষ্টি কাঢ়ি নিয়ে। দৃষ্টিনন্দন এইখন ধুনীয়া ঠাই অসমৰ এক ঐতিহাসিক, সাংস্কৃতিক তথা অৰ্থনৈতিক পৰ্যটনৰ আকৰ্ষণীয় ঠাই হোৱা উচিত আছিল; কিন্তু নহ'ল। হাদিৰা চকী, ফুলৰা চতলা, বাঘবৰক আওকাণ কৰা হ'ল। এলাগী কৰি ৰখা হ'ল। এই অঞ্চলৰ স্থানীয় সচেতন লোকসকলৰ মাজত এইটো এটা ডাঙৰ অসন্তুষ্টি। আনে যেতিয়া ঢোল নবজাব, তেতিয়া নিজৰ ঢোল নিজেই বজাব লাগিব বুলি পুৰণি হাদিৰা চকীৰ ওচৰে-পাঁজৰে থকা লোকসকলে এতিয়া অনুভৱ কৰিছে।

এই অঞ্চলৰ সচেতন লোকসকলে এইবাৰ হাদিৰা চকীৰ যুদ্ধৰ দুশ বছৰীয়া জয়ন্তী উদ্‌যাপন কৰিবলৈ ওলাইছে। তেওঁলোকে বিচাৰিছে হাদিৰা চকীৰ যুদ্ধৰ বিজ্ঞানসন্মত অন্বেষণ হওক, গৱেষণা হওক। সেই সন্মিলিত আহোম সৈন্যৰ অংশীদাৰ লোকসকলক ৰাজহুৱাভাৱে স্বীকৃতি দিয়া হওক।

বাঘবৰ অঞ্চলত এতিয়া বসবাস কৰি থকা মুছলমান লোকসকলক অসমৰ একাংশ লোকে মিঞা বুলি কয়। মিঞা মানেই বাংলাদেশৰ পৰা অহা অবৈধ বিদেশী বুলি কোৱা হয়। এতিয়া প্ৰশ্ন উঠিছে হাদিৰা চকীৰ যুদ্ধত আহোম সেনাৰ হৈ যুদ্ধ কৰা মুছলমানসকল কোন আছিল? কোৱা হয় সেইসকল হাদিৰা চকীৰ ওচৰে-পাঁজৰে থকা থলুৱা মুছলমান। যদি এই কথা সত্য হয়, তেনেহ'লে দুশ বছৰ আগতে আহোম সেনাৰ স'তে একেলগে মানৰ বিৰুদ্ধে যুদ্ধ কৰা লোকসকলৰ কিছু বংশধৰ এতিয়াও বাঘবৰ অঞ্চলত আছে। দুশ বছৰ ধৰি বসবাস কৰি থকা বা তাৰ আগৰে পৰা সেই অঞ্চলত বসতি স্থাপন কৰা লোকসকল মুছলমান বাবেই থলুৱা অসমীয়া নহ'ব নেকি? আজিৰ তাৰিখত এইটো এটা ডাঙৰ প্ৰশ্ন।

*ফোন ঃ ৯৮৬৪০-২০১১২*

# মধ্য যোৰহাটত আজিও নাপালে নিৰ্মল যোজনা আঁচনিৰ পানী



**অগ্ৰদূত বাৰ্তা**

**লাহদৈগড়, ১৩ অক্টোবৰ ঃ** মধ্য যোৰহাট উন্নয়ন খণ্ডৰ অন্তৰ্গত গাঁও পঞ্চায়তৰ গ্ৰাম্য অঞ্চলত ২৪ ঘন্টাই 'নিৰ নিৰ্মল বিশুদ্ধ খোৱা পানী যোগান' আঁচনিৰ দ্বাৰা ঘৰে ঘৰে পানী যোগান ধৰাৰ কথা গাঁও পঞ্চায়তৰ গাঁও সভাত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ বিষয়াই অৱগত কৰিছিল। ২০১৩-১৪ত গাঁও পঞ্চায়তৰ যোগেদি দৰিদ্ৰ, মধ্য বিত্ত, ধনী শ্ৰেণীৰ লগতে অনুসুচিত জাতি জনগোষ্ঠীৰ শ্ৰেণীৰ ভাগ কৰি ৩০০, ৩৫০, ৪০০, ৫০০ টকা মাচুল নিৰ্ধাৰণ কৰি গ্ৰাহকৰ পৰা ধন সংগ্ৰহ কৰি ২০১৮ ঘন্টাই বিশুদ্ধ খোৱাপানী ঘৰৰ চোতালত পাব বুলি জনায়। ২০১৮ৰ পৰা ২০২২ যাবলৈ মাত্ৰ দুটা মাহ আছে কিন্তু মধ্য যোৰহাটৰ গ্ৰাম্য অঞ্চলত 'নিৰ নিৰ্মল বিশুদ্ধ খোৱাপানী যোগান' আঁচনিৰ পানী গ্ৰাহকে পোৱা নাই। মধ্য যোৰহাটৰ ৫০ শতাংশ অঞ্চলৰ ঘৰত পানী যোগান টেপ বহুৱাই দিছে আৰু ৫০ শতাংশ অঞ্চলত পানী যোগান পাইপ, টেপ বহুওৱা কাম কৰিবলৈ এতিয়া আৰম্ভ কৰিছে। মধ্য যোৰহাটৰ ৰাইজে 'নিৰ নিৰ্মল বিশুদ্ধ খোৱাপানী যোগান' আঁচনিৰ পৰা কেতিয়া পানী পাব সেয়া এক সাঁথৰ হৈছে।

### ■ টিংখাঙত বিদ্যুতৰ লুকা-ভাকু

# পাতলীয়া বৰষুণ হ'লেও নুমায় বিজুলী চাকি

**অগ্ৰদূত বাৰ্তা**

**টিংখাং, ১৩ অক্টোবৰ ঃ** টিংখাঙত সঘন বিদ্যুতৰ লুকা-ভাকুৱে জ্বলা-কলা খুৱাইছে গ্ৰাহক ৰাইজক। সামান্য বতাহ বলিলে বা পাতলীয়াকৈ এজাক বৰষুণ পৰিলেই বিদ্যুৎ কৰ্তন হয় টিংখাঙৰ সমগ্ৰ অঞ্চলত। ফলত ছাত্ৰ-ছাত্ৰীসকলে মমবাতিৰ পোহৰত পঢ়া-শুনা কৰিব লগা অৱস্থাৰ সৃষ্টি হৈছে। আনহাতে, বিদ্যুতৰ ওপৰত নিৰ্ভৰশীল কম্পিউটাৰ, জেৰক্সৰ দোকান, বিভিন্ন ফাৰ্ম আদি খুলি জীৱিকা নিৰ্বাহ কৰা নিবনুৱাসকলৰ পেটৰ ভাত মোকলাবলৈও অসুবিধাৰ সৃষ্টি হৈছে। লগতে চৰা দামত বিদ্যুতৰ বিল পৰিশোধ কৰিব লগা হোৱাৰ বাবে দোকানসমূহত লাভ হোৱাৰ বাদেই প্ৰতিমাহে লোকচান ভৰিব লগা হোৱা বুলি বিদ্যুতৰ ওপৰত নিৰ্ভৰশীল স্থানীয় দোকানীসকলে অভিযোগ তুলিছে। ইয়াৰ উপৰি বিদ্যুৎ নথকাৰ সময়ত ম'বাইলৰ নেটৱৰ্কো নোহোৱা হয়। ইয়ো এক সমস্যা। এই সন্দৰ্ভত একাংশ গ্ৰাহকে টিংখাঙৰ বিধায়ক তথা কেবিনেট মন্ত্ৰী বিমল বড়া বিদ্যুৎ বিভাগৰ মন্ত্ৰীৰ হৈ থকা কালছোৱাত বিদ্যুতৰ যোগান নিয়মীয়া আছিল। তেওঁ মন্ত্ৰিত্ব পদ পৰিহাৰ কৰাৰ পাছৰে পৰা বিদ্যুতৰ এনে দুৰ্দশা হোৱা বুলি প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। অচিৰেই বিদ্যুতৰ উন্নত সেৱা আগবঢ়াবলৈ বিভাগক সজোৰে দাবী জনাইছে গ্ৰাহক ৰাইজে।

# যোৰহাটত ডাঃ ধ্ৰুৱজ্যোতি বৰাৰ গ্ৰন্থ 'ভক্তিৰ অনিৰুদ্ধ যাত্ৰা' উন্মোচন

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**যোৰহাট, ১৩ অক্টোবৰ ঃ** বিশিষ্ট সাহিত্যিক, সাহিত্য অকাডেমী বঁটা বিজয়ী ডাঃ ধ্ৰুৱজ্যোতি বৰাৰ শেহতীয়া গ্ৰন্থ 'ভক্তিৰ অনিৰুদ্ধ যাত্ৰা', 'অসমৰ ভক্তি আন্দোলনৰ ধৰ্মীয় ইতিহাস' কালি অসম সাহিত্য সভাৰ দানবীৰ ৰাধাকান্ত সন্দিকৈ ভৱনত উন্মোচন কৰা হয়। যোৰহাট জিলা সাহিত্য সভাৰ সভাপতি ড° ৰাতুল চন্দ্ৰ বৰাৰ সঞ্চলনাত অনুষ্ঠিত অনুষ্ঠানত গ্ৰন্থখন উন্মোচন কৰে বিশিষ্ট সাহিত্যিক, ভাষাতত্ত্ববিদ ড° বসন্ত কুমাৰ গোস্বামীয়ে। গ্ৰন্থখন উন্মোচন কৰি ড° গোস্বামীয়ে ডাঃ ধ্ৰুৱজ্যোতি বৰাৰ এই তথ্যসমৃদ্ধ গ্ৰন্থখনক অসমীয়া সাহিত্যত এক মূল্যৱান সংযোজন হিচাপে অভিহিত কৰে। তেওঁ গ্ৰন্থখনত সন্নিৱিষ্ট অসমৰ ভক্তি আন্দোলনৰ বিভিন্ন গুৰুত্বপূৰ্ণ দিশসমূহ ফঁহিয়াই দেখুৱায়। গ্ৰন্থখনৰ লেখক ডাঃ বৰাই এই গ্ৰন্থখন ৰচনাৰ আঁৰৰ কিছু কথা ব্যক্ত কৰাৰ লগতে মানুহৰ ধৰ্ম আৰু ঈশ্বৰ সম্পৰ্কীয় চিন্তা-চেতনা আৰু অসমৰ ভক্তি আন্দোলন বিষয়ত চমু আলোকপাত কৰে আৰু এই গ্ৰন্থত সন্নিৱিষ্ট প্ৰৱন্ধসমূহে অসমৰ ভক্তি আন্দোলন সম্পৰ্কে অধ্যয়ন আৰু গৱেষণাৰ ক্ষেত্ৰত নতুন প্ৰজন্মক আগ্ৰহী কৰি তুলিব বুলি মত প্ৰকাশ কৰে। অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যালয়ৰ সম্পাদক ৰমানন্দন বৰাই আঁত ধৰা আৰু উদ্দেশ্য ব্যাখ্যা কৰা এই অনুষ্ঠানত জনপ্ৰিয় বিজ্ঞান লেখিকা, অসম সাহিত্য সভাৰ প্ৰাচ্যবিদ্যাৰ্ণৱ ড° মহেশ্বৰ নেওগ, অসমতত্ত্ব গৱেষণা সংস্থানৰ পঞ্জীয়ক ড° অদিতি বেজবৰুৱা আৰু কবি-অধ্যাপিকা, সাহিত্য একাডেমীৰ ভাষা উপদেষ্টা সমিতিৰ সদস্যা ড° জ্যোতিৰেখা হাজৰিকাই বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰি বক্তব্য আগবঢ়ায়। এই গ্ৰন্থ উন্মোচনী অনুষ্ঠানত যোৰহাট জিলা সাহিত্য সভাৰ বিষয়ববীয়াসকল, যোৰহাটৰ শিক্ষা-সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰৰ বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে।

# কাইলৈৰ পৰা পূব কামৰূপ মহাবিদ্যালয়ৰ সোণালী জয়ন্তী

**অগ্ৰদূত বাৰ্তা**

**বাইহাটা চাৰিআলি, ১৩ অক্টোবৰ ঃ** উত্তৰ কামৰূপ অঞ্চলৰ আগশাৰীৰ উচ্চ শিক্ষা প্ৰতিষ্ঠান পূব কামৰূপ মহাবিদ্যালয়খনে যোৱা ২১ আগষ্টত সুদীৰ্ঘ ৫০ টা বছৰৰ সুখ্যাতিৰে অতিক্ৰম কৰিলে। এই উদ্দেশ্যে গঠিত সোণালী জয়ন্তী বৰ্ষ উদ্‌যাপন সমিতিয়ে কালি মহাবিদ্যালয়ত প্ৰেক্ষাগৃহত এক সংবাদমেলৰ আয়োজন কৰে। বৈদ্যুতিক আৰু ছপা মাধ্যমৰ স্থানীয় সাংবাদিকসকলৰ উপস্থিতিত অধ্যক্ষ ড° ভূপেন শৰ্মাই জানিবলৈ দিয়ে যে সমাগত ২০২৩ৰ অক্টোবৰত অনুষ্ঠিত হ'বলগীয়া সোণালী জয়ন্তী মহোৎসৱৰ আৰম্ভণি অহা ১৫ অক্টোবৰৰ পৰা আৰম্ভ কৰা হয়। সেই দিনাৰ পুৱা পতাকা উত্তোলন কাৰ্যসূচী ৰূপায়ণ কৰিব কমলপুৰ সমষ্টিৰ বিধায়ক তথা সমিতিৰ মুখ্য সভাপতি দিগন্ত কলিতাই। ক্ৰমশঃ স্মৃতি তৰ্পণ, গছপুলি ৰোপণ, সোণালী জয়ন্তীৰ আৰম্ভণি অনুষ্ঠান, অতিথি আদৰণি আৰু সম্বৰ্ধনা, তথ্য চিত্ৰ, নতুন শিক্ষা নীতিৰ আধাৰত 'মোৰ সপোনৰ পূব কামৰূপ মহাবিদ্যালয়' শীৰ্ষক বক্তৃতা মালা। অনুষ্ঠানত অংশগ্ৰহণ কৰিব কৃষ্ণকান্ত সন্দিকৈ মুক্ত বিশ্ববিদ্যালয় আৰু শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাচাৰ্য ড° হিতেশ ডেকাই। সংবাদমেলত অধ্যাপক নৃপেন ডেকাৰ লগতে প্ৰচাৰ উপ-সমিতিৰ সভাপতি, সম্পাদক লক্ষী ডেকা আৰু পুতুল কলিতাই অনুষ্ঠান সম্পৰ্কে কিছু তথ্য সদৰী কৰে।

# ৰূপহী কলেজ ৰোডত দুৰ্ঘটনাত আহত এক

**বিশেষ সংবাদদাতা**

**নগাঁও, ১৩ অক্টোবৰ ঃ** নগাঁও জিলাৰ ৰূপহীহাটৰ কলেজ ৰোডত যোৱা নিশা এক পথ দুৰ্ঘটনা সংঘটিত হয়। নগাঁও নলতলি ৰাজ্যিক ঘাইপথত সংঘটিত হয় পথ দুৰ্ঘটনাটো। দুৰ্ঘটনাত গুৰুতৰভাৱে আহত হয় আবুবক্কৰ ছিদ্দিক ওৰফে এহিয়া নামৰ লোকজন। ট্ৰাক আৰু মটৰ চাইকেলৰ মুখামুখি সংঘৰ্ষৰ ফলত সংঘটিত হয় দুৰ্ঘটনাটো। দুৰ্ঘটনা সংঘটিত কৰা ট্ৰাকখনৰ নম্বৰ আৰজে-০১ জিবি-২৪৭১। দুৰ্ঘটনাত আহত হোৱা লোকজনৰ অৱস্থা অতি সংকটজনক হোৱাত উন্নত চিকিৎসাৰ বাবে নগাঁও অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। ঘটনাস্থলীত ৰূপহীহাট আৰক্ষী উপস্থিত হৈ তদন্ত অব্যাহত ৰাখিছে। উল্লেখ্য যে নগাঁও নলতলি ৰাজ্যিক ঘাইপথছোৱাত নিতৌ সংঘটিত হৈ আহিছে পথ দুৰ্ঘটনাৰ ঘটনা।

# জহি-খহি যাবলৈ ধৰিছে বৈঠালাংছ' কচুৱা-কামপুৰ গড়কাপ্তানী পথ

### ■ বালিগাড়ীৰ অতপালিত অতিষ্ঠ ৰাইজ

**অগ্ৰদূত বাৰ্তা**

**কচুৱা, ১৩ অক্টোবৰ ঃ** গড়কাপ্তানী বিভাগৰ নীতি-নিয়মক ভৰিৰে মোহাৰি একাংশ অসাধু বালি মাফিয়াই দিনে নিশাই চলাই গৈছে বালিৰ ৰমৰমীয়া বেহা। নগাঁও জিলা বন সংমণ্ডল আৰু কামপুৰ বনাঞ্চলিক বিষয়া কাৰ্যালয়ৰ অন্তৰ্গত বৰপানী নদীৰ পৰা অবাধে কঢ়িওৱা বালি গাড়ীয়ে অতিষ্ঠ কৰি তুলিছে ৰাইজক। অতিমাত্ৰা বালি বোজাই গাড়ীসমূহ বৈঠালাংছ'-কচুৱা- কামপুৰ গড়কাপ্তানী পথৰ ওপৰেদি চলাচল কৰাত বানে গৰকা পথটোলৈ ভয়ানক ভাবুকি মাতি আনিছে বুলি ৰাইজে অভিযোগ তুলিছে। বন বিভাগ তথা চৰকাৰী ৰাজহক বিয়াগোম ফাঁকি দি অসাধু চক্ৰটোৱে বন বিভাগৰ ছত্ৰছায়াত চলাই গৈছে ৰমৰমীয়া বালিৰ বেহা। স্মৰ্তব্য যে যিকোনো পথৰ ওপৰেদি চৰকাৰী বিধি অনুযায়ী মাত্ৰ আঠ চি এম বালিভৰ্তি গাড়ীহে চলাচল কৰিব পাৰে; কিন্তু এই অসাধু চক্ৰসমূহে আঠ চি এমৰ পৰিৱৰ্তে ১৮/২০ চি এম বালিভৰ্তি গাড়ী টিৰ্পালেৰে নঢকাকৈ সৰবৰাহ কৰাত পথটো ঠায়ে ঠায়ে ডাবি যোৱা বুলি ৰাইজে অভিযোগ উত্থাপন কৰিছে। ইপিনে, কামপুৰ কপিলী নদীৰ অতি পুৰণি দলংখনৰ ওপৰেদি অতিমাত্ৰা বোজাই দিয়া গাড়ীসমূহ সৰবৰাহ কৰাত দলংখনৰ ক্ষতি হোৱাৰ লগতে যান-জঁট হোৱাত স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰীৰ লগতে ৰাইজৰ ভীষণ সমস্যা হৈছে। অনুজ্ঞাপত্ৰবিহীন ডাম্পাৰ চালকৰ দৌৰাত্ম্যই নিতৌ পথ দুৰ্ঘটনা হৈ বহু নিৰীহ লোকে অকালতে প্ৰাণ হেৰুৱাব লগীয়া হৈছে। বন বিভাগৰ ৰক্ষক সকলক বহু দল-সংগঠনে বাৰম্বাৰ আবেদন নিবেদন জনায়ো কোনো সুফল নাপায় বুলি অভিযোগ উঠিছে। বন বিষয়াসকলক যিমানেই অভিযোগ দিয়া হয় সিমানেই বালি মাফিয়াৰ পৰা দুগুণ উৎকোচ লৈ বালি সৰবৰাহ কৰাত স্বয়ং বনকৰ্মীসকলেই সহায় কৰে বুলিও বহু লোকে সমালোচনা কৰিছে। সেয়েহে বালি মাফিয়াৰ দৌৰাত্ম্য বন্ধ কৰি গড়কাপ্তানী পথ আৰু কামপুৰ দলং খন ৰক্ষা কৰিবলৈ কচুৱা প্ৰেছ ক্লাব আৰু কচুৱা তিনিআলি পৰিবহণ শ্ৰমিক সন্থাই নগাঁও জিলা প্ৰশাসনক দাবী জনাইছে।

# তেজপুৰৰ বিহগুৰি বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ৰ সোণালী জয়ন্তী সমাৰোহ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ, ১৩ অক্টোবৰ ঃ** তেজপুৰ মহকুমাৰ অগ্ৰণী মাধ্যমিক শিক্ষাৰ অনুষ্ঠান বিহগুৰি উচ্চ মাধ্যমিক বালিকা বিদ্যালয়ত আজিৰে পৰা তিনিদিনীয়া কাৰ্যসূচীৰে আৰম্ভ হৈছে সোণালী জয়ন্তী উৎসৱ। বালিকা বিদ্যালয়ৰ সোণালী জয়ন্তী উৎসৱ উপলক্ষে কালি এক বৰ্ণাঢ্য, বৰ্ণিল সাংস্কৃতিক শোভাযাত্ৰাই মুখৰিত কৰি তোলে সমগ্ৰ বিহগুৰি অঞ্চল। উল্লেখ্য যে কালিৰে পৰা আৰম্ভ হোৱা বিহগুৰি উচ্চ মাধ্যমিক বালিকা বিদ্যালয়ৰ সোণালী জয়ন্তী বৰ্ণাঢ্য কাৰ্যসূচী আজি পুৱা ৫০খন পতাকা উত্তোলনৰে আৰম্ভ হয়। বিদ্যালয়খনৰ ৫০ টা বছৰৰ গৰিমা স্মৰণ কৰি এই পতাকাসমূহ উত্তোলন কৰে বিহগুৰি অঞ্চলৰ ৫০খন গাঁৱৰ ৫০জন বিশিষ্ট শিক্ষানুৰাগী আৰু সমাজ কৰ্মীয়ে। ইয়াৰ পাছতেই বন্তি প্ৰজ্বলনৰ কাৰ্যসূচী আৰম্ভ কৰা হয়। বন্তি প্ৰজ্বলনৰ কাৰ্যসূচী বিহগুৰি অঞ্চলৰ ৫০খন গাঁৱৰ ৫০জন নামঘৰীয়াৰ দ্বাৰা সম্পূৰ্ণ কৰা হয়। বন্তি প্ৰজ্বলনৰ পাছতেই শ্ৰদ্ধাঞ্জলি অনুষ্ঠান মুকলি কৰে বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি তৰুণ চন্দ্ৰ কলিতাই। ছহিদ তৰ্পণ কাৰ্যসূচী মুকলি কৰে বিহগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ জিতেন্দ্ৰ কুমাৰ শইকীয়াই। সোণালী জয়ন্তী উপলক্ষে বিদ্যালয়ৰ সন্মুখপথত নিৰ্মাণ কৰি উলিওৱা তোৰণখনি আনুষ্ঠানিকভাৱে উন্মোচন কৰে



বিদ্যালয়খনৰে পৰিচালনা সমিতিৰ প্ৰাক্তন সভাপতি মেদিনী বৰাই। ইয়াৰ পাছতেই আৰম্ভ হয় বৰ্ণিল সাংস্কৃতিক শোভাযাত্ৰা। বিভিন্ন জনগোষ্ঠীয় নৃত্য-গীতেৰে বিহগুৰি অঞ্চলৰ ৰাজপথ মুখৰিত কৰি তোলা উক্ত বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰা আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° যোগেন কলিতাই। সমাৰোহৰ দ্বিতীয় দিনা অৰ্থাৎ কাইলৈ পুৱা ১০ বজাত প্ৰদৰ্শনীৰ দ্বাৰ উন্মোচনৰ পাছত অনুষ্ঠিত হ'ব 'আইদেউৰ জোনাকী বাট' শীৰ্ষক প্ৰাক্তন ছাত্ৰীসকলৰ এক বিশাল সন্মিলন।

# 'ৰং এণ্ড ৰিডম' চেন্টাৰ অৱ মিউজিকৰ সমাবৰ্তন

**অগ্ৰদূত বাৰ্তা**

**মৰাণ, ১৩ অক্টোবৰ ঃ** বৃহত্তৰ মৰাণ অঞ্চলৰ অন্যতম সংগীতৰ মঞ্চ 'ৰং এণ্ড ৰিডম' চেন্টাৰ অৱ মিউজিকৰ বাৰ্ষিক সমাবৰ্তনখন অহা ১৬ অক্টোবৰত মৰাণ মহিলা মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হ'ব বুলি মঞ্চৰ সঞ্চালক শুভজ্যোতি মহন্তে এক বিবৃতিযোগে জনাইছে। সঞ্চালক মহন্তে লগতে উল্লেখ কৰিছে যে উক্ত অনুষ্ঠানতে ২০২২ৰ 'ৰং এণ্ড ৰিডম'ৰ শ্ৰেষ্ঠ শিক্ষাৰ্থীগৰাকীক বঁটা প্ৰদান কৰা উপৰি ১২ বছৰৰ অনূৰ্দ্ধৰ সংগীত, নৃত্য, চিত্ৰকলা আদি বিষয়াৰ প্ৰতিভাবান শিশুসকলৰ বাবে শিশু প্ৰতিভা বঁটা নামৰ এটি বঁটা প্ৰদানৰ ব্যৱস্থা কৰা হৈছে।

# যোৰহাটৰ বৰ্ষাৰণ্য গৱেষণা প্ৰতিষ্ঠানত বাঁহ ভিত্তিক তিনিদিনীয়া প্ৰশিক্ষণ আৰম্ভ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**যোৰহাট, ১৩ অক্টোবৰ ঃ** যোৰহাটৰ বৰ্ষাৰণ্য গৱেষণা প্ৰতিষ্ঠানত আজিৰে পৰা আজীৱিকা অৰ্জন বাঁহ সম্পদৰ গুৰত্ব সম্পৰ্কত তিনিদিনীয়া প্ৰশিক্ষণ আৰম্ভ হৈছে। আজি প্ৰশিক্ষণটি আৰম্ভ কৰে যোৰহাট বিধানসভা সমষ্টিৰ বিধায়ক হিতেন্দ্ৰনাথ গোস্বামীয়ে। বিধায়ক গোস্বামীয়ে উত্তৰ-পূবৰ যোৰহাটস্থ বৰ্ষাৰণ্য গৱেষণা প্ৰতিষ্ঠানটিৰ বিজ্ঞানীসকলে বিভিন্ন সময়ত গৱেষণাৰ যোগেদি সু-নাম কঢ়িওৱাৰ উপৰি বাঁহ-বেতৰ প্ৰশিক্ষণৰ যোগেদি আৰু বিভিন্ন প্ৰজাতিৰ বাঁহ, বেত অন্যান্য মূল্যৱান গছৰ পুলি সংৰক্ষণ আৰু নাৰ্চাৰী তৈয়াৰী, বিভিন্ন বাঁহৰ উন্নত মানৰ সামগ্ৰী নিৰ্মাণৰ যোগেদি নিবনুৱা সমস্যা দূৰীকৰণত মুখ্য ভূমিকা পালন কৰি আহিছে বুলিও উল্লেখ কৰে। ভাৰতৰ বন, পৰিৱেশ আৰু জলবায়ু মন্ত্ৰণালয়ৰ অৰ্থ সাহায্যত অনুষ্ঠিত কৰা প্ৰশিক্ষণটোত উত্তৰ-পূৰ্বাঞ্চলৰ অৰুণাচল, ত্ৰিপুৰা, মণিপুৰ, পশ্চিমবংগ আৰু অসমকে ধৰি মুঠ ৪০ গৰাকী প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে। প্ৰতিষ্ঠানৰ জ্যেষ্ঠ বিজ্ঞানী তথা পাঠ্যক্ৰম পৰিচালক ড° ৰাজীৱ কুমাৰ কলিতাই পৰিচালনা কৰা প্ৰশিক্ষণটোত মহাবিদ্যালয়ৰ প্ৰবক্তা, শিক্ষক, কৃষি বিভাগৰ বিষয়া, স্বেচ্ছাসেৱী সংগঠনৰ প্ৰতিনিধি, সংবাদ মাধ্যমৰ প্ৰতিনিধি, জনপ্ৰতিনিধি, কৃষক উৎপাদক গোটৰ প্ৰতিনিধি, মহিলা সংগঠনে অংশগ্ৰহণ কৰে। অৱসৰপ্ৰাপ্ত জ্যেষ্ঠ বিজ্ঞানী ড° টি চি ভূঞাই বাঁহ খেতিৰ বিজ্ঞানসন্মত দিহা, বাঁহ পুলিৰ নাৰ্চাৰী তৈয়াৰ, পৃথিবীৰ বাঁহৰ বিভিন্ন প্ৰজাতি, বাঁহৰ পৰা তৈয়াৰী বিভিন্ন খাদ্য-সামগ্ৰী আৰু গুণগত দিশৰ ওপৰত বহুলভাৱে ব্যাখ্যা আগবঢ়ায়। ইয়াৰ পাছতে প্ৰশিক্ষাৰ্থীসকলক ক্ষেত্ৰভিত্তিক প্ৰতিষ্ঠানটোত থকা বিভিন্ন প্ৰজাতিৰ বাঁহ আৰু বাঁহৰ নাৰ্চাৰী প্ৰস্তুতকৰণ সম্পৰ্কীয় বিষয়ত কাৰিকৰী বিষয়া দেৱজিত নেওগ আৰু কুমুদ বৰাই প্ৰশিক্ষণ প্ৰদান কৰাৰ লগতে প্ৰতিষ্ঠানটোৱে তৈয়াৰ কৰা বাঁহৰ বিভিন্ন আচবাবসমূহ পৰিদৰ্শন কৰে।

# চতিয়াত সৰবৰহী যুৱ ব্যৱসায়ীৰ আকস্মিক মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**চতিয়া, ১৩ অক্টোবৰ ঃ** চতিয়া থানাৰ অন্তৰ্গত চতিয়া নগৰৰ যুৱ ব্যৱসায়ী, চতিয়া চৰাইজনীয়া গাঁৱৰ সৰবৰহী যুৱকৰ আকস্মিক বিয়োগত নগৰখনত গভীৰ শোকৰ ছাঁ পৰে। প্ৰাপ্ত তথ্য অনুসৰি, চৰাইজনীয়া গাঁৱৰ সৰবৰহী যুৱক জয়প্ৰকাশ কুমাৰ (৩৪)এ হঠাৎ পুৱতি নিশা অত্যন্ত বুকুৰ বিষ অনুভৱ কৰে। ঘৰৰ পৰিয়ালক অসুস্থতাৰ কথা অৱগত কৰাত পুৱা পৰিয়ালৰ লোকে ততাতৈয়াকৈ বিশ্বনাথ চাৰিআলিস্থিত অসামৰিক চিকিৎসালয়লৈ লৈ যায়। চিকিৎসকে চিকিৎসা সেৱা প্ৰদান কৰি থকাৰ সময়তে জয়প্ৰকাশৰ মৃত্যু ঘটে। সৰবৰহী জয়প্ৰকাশ ব্যৱসায়ীসকলৰ মাজত জুলেল নামেৰে পৰিচিত আছিল। তেওঁ এখন কম্পিউটাৰ দোকান দি ব্যৱসায় চলাই আছিল। তেওঁৰ মৃত্যুত চতিয়া বণিক সন্থাৰ লগতে পৰিচিত বহু লোকে গভীৰ শোক প্ৰকাশ কৰে।

# ছিপনছিলাত উপ-পশু চিকিৎসা কেন্দ্ৰৰ গৃহৰ শিলান্যাস



**অগ্ৰদূত ব্যুৰ'**

**বঙাইগাঁও, ১৩ অক্টোবৰ ঃ** কালি বঙাইগাঁও জিলাৰ ছিপনছিলাত উপ-পশু চিকিৎসা কেন্দ্ৰ এটাৰ গৃহৰ শিলান্যাস কৰে কমতাপুৰ স্বায়ত্ত শাসিত পৰিষদৰ উপাধ্যক্ষ সুকেন ৰায়ে। কমতাপুৰ স্বায়ত্ত শাসিত পৰিষদৰ পুঁজিৰ ১০লাখ টকাৰে নিৰ্মাণ হ'বলগীয়া উপ-পশু চিকিৎসা কেন্দ্ৰৰ গৃহৰ শিলান্যাস কাৰ্যক্ৰমত উপস্থিত থাকে কমলাপুৰ স্বায়ত্ত শাসিত পৰিষদৰ কাৰ্যবাহী সদস্য অতুল ৰায়, পুৰবী ৰায় সৰকাৰ, বঙাইগাঁও জিলা কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ সভাপতি সঞ্জীৱ ৰায়ৰ লগতে স্থানীয় জনসাধাৰণ।



*সম্পত্তিৰ ওপৰত কৰ আৰোপৰ বিৰোধিতাৰে গোৱালপাৰাত আছুৰ প্ৰতিবাদী কাৰ্যসূচী*

### ■ ফুটুকাৰ ফেনত পৰিণত চৰকাৰৰ দালাল বিৰোধী অভিযান

# গোৱালপাৰাৰ একাংশ কাৰ্যালয়ত পুনৰ সক্ৰিয় হৈ উঠিছে মধ্যভোগী

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ১২ অক্টোবৰ ঃ** চৰকাৰে দুৰ্নীতিৰ বিৰুদ্ধে কঠোৰতম স্থিতি গ্ৰহণৰ সমান্তৰালকৈ বিভিন্ন বিভাগত সক্ৰিয় হৈ থকা দালাল চক্ৰৰ বিৰুদ্ধে অভিযান চলাই এক প্ৰকাৰ চমক সৃষ্টি কৰিবলৈ সক্ষম হোৱাৰ উপৰি বিভিন্ন চৰকাৰী কাৰ্যালয় দালালমুক্ত কৰি পেলাইছিল। কিন্তু চৰকাৰৰ উক্ত দালাল বিৰোধী অভিযান গোৱালপাৰা জিলাৰ কিছুমান কাৰ্যালয়ৰ বাবে যেন সম্প্ৰতি ফুটুকাৰ ফেনত পৰিণত হৈছে। উল্লেখ্য যে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে গোৱালপাৰা জিলাতো ৰাজহ চক্ৰ আৰু আৰক্ষী থানাত মধ্যভোগীৰ ভূমিকা পালন কৰা ব্যক্তিৰ উপৰিও তীৰ ব্যাৱসায়ৰ স'তে জড়িত থকা একাংশ লোকক গ্ৰেপ্তাৰ কৰি জেইল হাজোতলৈ প্ৰেৰণ কৰিছিল। চৰকাৰৰ উক্ত দালাল বিৰোধী অভিযানৰ বাবেই গোৱালপাৰা জিলাৰ বিভিন্ন চৰকাৰী কাৰ্যালয়ত সক্ৰিয় হৈ থকা থকা মধ্যভোগীসকলে শংকিত হৈ অন্যান্য ব্যাৱসায়ত লিপ্ত হৈ পৰিছিল। কিন্তু শেহতীয়াভাৱে জিলাখনৰ একাংশ ৰাজহ চক্ৰ কাৰ্যালয় , পৰিবহণ বিভাগৰ কাৰ্যালয় আৰু আৰক্ষী থানা অথবা আৰক্ষী চকী কিছুমানত মধ্যভোগীয়ে পুনৰ সক্ৰিয় হৈ উঠা বুলি ৰাজহুৱা অভিযোগ উত্থাপিত হৈছে । ইপিনে গোৱালপাৰা চহৰকে ধৰি জিলাখনৰ কিছুমান অঞ্চলত মুকলিকৈ তীৰৰ টিকট বিক্ৰী কৰি থকা বুলিও এক গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। এই ক্ষেত্ৰত উপযুক্ত পদক্ষেপ গ্ৰহণ কৰাৰ দাবী জনাইছে সচেতন মহলে ।

# নগালেণ্ডৰ ৰখা জিলাত অসমৰ সুৰা পৰিবাহী মিনি ট্ৰাক জব্দ ঃ গ্ৰেপ্তাৰ দুই



**অগ্ৰদূত বাৰ্তা**

**মেৰাপানী, ১৩ অক্টোবৰ ঃ** সুৰা নিষিদ্ধ ৰাজ্য নগালেণ্ডলৈ অসমৰ পৰা প্ৰতিদিনে অবৈধভাৱে সুৰা সৰবৰাহ হৈ অহাৰ তথ্য পোহৰলৈ আহিছে। যোৱা নিশা নগালেণ্ড আৰক্ষীৰ এক সুৰা বিৰোধী অভিযানত এই তথ্যৰ সত্যতা প্ৰতিপন্ন হয়। নিশা প্ৰায় ২.৫০ মিনিটত ৰখা জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক কে চৰিচ' আৰু মহকুমা আৰক্ষী বিষয়া ভিকাট' থংগেৰ নেতৃত্বত নগালেণ্ড আৰক্ষীয়ে চলোৱা অভিযানত ৰখা জিলা সদৰৰ পৰিবহণ নিগম কল'নীৰ পৰা সুৰাভৰ্তি এখন বলেৰ' পিকআপ ভান জব্দ কৰিবলৈ সক্ষম হয়। এএছ-০৩-চিচি-২০৯৯ নম্বৰৰ পঞ্জীয়নভুক্ত বলেৰ' পিকআপ ভানখনৰ পৰা নগালেণ্ড আৰক্ষীয়ে জব্দ কৰে অসমত বিক্ৰীৰ বাবে প্ৰযোজ্য ২১৬০ বটল বিয়েৰ আৰু ৮৪০টা ৰামৰ বটল। অভিযান কালত নগালেণ্ড আৰক্ষীৰ দলটোৱে জব্দকৃত বাহনখনৰ চালক আৰু সহায়কজনকো গ্ৰেপ্তাৰ কৰে। ইতিমধ্যে ৰখা আৰক্ষীয়ে নগালেণ্ড সুৰা প্ৰতিৰোধী আইন, ১৯৮৯ৰ অধীনত ঘটনা সন্দৰ্ভত এটা গোচৰ ৰুজু কৰি অধিক তথ্যৰ স্বাৰ্থত তদন্ত আৰম্ভ কৰিছে। ইফালে, জব্দকৃত বাহনখনৰ গৰাকী গোলাঘাট জিলাৰ মেৰাপানীৰ জনৈক ফুকন উপাধিধাৰী এজন লোক বুলি প্ৰকাশ পাইছে। উল্লেখ্য যে গোলাঘাট জিলাৰ অসম-নগালেণ্ড সীমান্তৰ মেৰাপানীয়েদি এটা অসাধু চক্ৰই বিভিন্ন কৌশলেৰে নিতে ট্ৰাকে ট্ৰাকে সুৰা নিষিদ্ধ ৰাজ্য নগালেণ্ডলৈ অবৈধভাৱে সৰবৰাহ কৰি আহিছে।

# বান্দৰৰ উপদ্ৰৱত এলেঙী অঞ্চলৰ ৰাইজ বিপদগ্ৰস্ত

**অগ্ৰদূত বাৰ্তা**

**মেলামাটি, ১৩ অক্টোবৰ ঃ** বন্যপ্ৰাণীৰ সংৰক্ষণৰ আৰু সুৰক্ষাৰ অভাৱত সমগ্ৰ অসমতে মানুহৰ মাজত সময়ে সময়ে যুঁজ-বাগৰ আৰু বিপদ-বিঘিনিৰ সৃষ্টি কৰা খবৰ শুনিবলৈ পোৱা যায়। বন্যপ্ৰাণীৰ ৰক্ষণাবেক্ষণ দিবলৈ একপ্ৰকাৰ বন বিভাগ অপাৰগ হৈছে। বৰ্তমান খাদ্যৰ সন্ধানত হাবি-জংঘলৰ পৰা বনৰীয়া জন্তুবোৰক জনাঞ্চললৈ ওলাই আহিছে। অভয়াৰণ্যসমূহতো উপযুক্তভাৱে ৰক্ষণাবেক্ষণ নাই অথবা খাদ্যৰ অভাৱ হৈছে। তিতাবৰ মহকুমাৰ গিবন অভয়াৰণ্যৰ পৰা ওলাই অহা জাক-জাক হাতীয়ে মৰিয়নি আৰু তিতাবৰৰ গ্ৰামাঞ্চলত প্ৰায়ে বিপদ-বিঘিনিৰ সৃষ্টি কৰি আছে। যোৱা ১০ দিনত চাৰিটা হাতীৰ মৃত্যু হৈছে। তেনেদৰেই হাবিৰ পৰা বান্দৰ ওলাই আহি গাঁৱৰ ভিতৰত মানুহৰ ঘৰৰ ভিতৰ পৰ্যন্ত সোমাই গৃহস্থক ত্ৰাহি মধুসূদন দেখুৱাইছে। ঘৰ এৰিবই নোৱাৰে কোনেও। বান্দৰে ভাতৰ চৰুটোও লুৰুকিছে গৃহস্থৰ। বাৰীত শইচ-পাচল একোৱেই নথকা হ'ল বান্দৰৰ পৰা। কল, কুঁহিয়াৰ, বতৰৰ শাক-পাচলি, ফলমূল সকলো এফালৰ পৰা মযিমূৰ কৰি নিয়ে জাক জাক বান্দৰে। কেৱল দিনৰ ভাগতে নহয়, নিশাও উপদ্ৰৱ কৰে। সৰু সৰু ল'ৰা-ছোৱালী আৰু মাইকী মানুহৰ ফালে চোঁচা লয় মলুৱা বান্দৰবোৰে। কাজেই ভীষণ অশান্তিৰ মাজেৰে দিন কটাইছে অঞ্চলটোৰ ৰাইজে। এই ক্ষেত্ৰত বন বিভাগ আৰু প্ৰশাসনে ব্যৱস্থা গ্ৰহণ নকৰিলে অৰ্থনৈতিকভাৱে জুৰুলা হ'ব ৰাইজ।

# ঘগ্ৰাপাৰত 'জীৱনৰ লক্ষ্য আৰু ব্যক্তিত্বৰ পৰিপূৰ্ণতা' শীৰ্ষক বক্তৃতানুষ্ঠান

**অগ্ৰদূত বাৰ্তা**

**ঘগ্ৰাপাৰ, ১৩ অক্টোবৰ ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰ শ্ৰীশ্ৰীহৰিমন্দিৰ প্ৰাংগণত অহা ২৪ অক্টোবৰত পুৱা ১০ বজাত গুৱাহাটী লতাশিল লেম্ব ৰোজস্থিত জিএমবি টিউটৰিয়েল হোমৰ উদ্যোগত হিয়া স্মাৰক বক্তৃতা অনুষ্ঠানৰ আয়োজন কৰা হৈছে। অনুষ্ঠানত 'জীৱনৰ লক্ষ্য আৰু ব্যক্তিত্বৰ পৰিপূৰ্ণতা' শীৰ্ষক বক্তৃতা প্ৰদান কৰিব শ্ৰীৰাম কৃষ্ণ বিবেকানন্দ শ্ৰীঅৰবিন্দ অনুৰাগী আৰু অনুবাদক দিগন্ত বিশ্ব শৰ্মাই। বনভাগ জ্যেষ্ঠা মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ যোগেন্দ্ৰ কলিতাই সঞ্চালনা কৰিবলগীয়া অনুষ্ঠানত বিশিষ্ট অতিথিৰূপে যোগদান কৰিব গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° যোগেন চন্দ্ৰ কলিতা। বক্তৃতা অনুষ্ঠানত অঞ্চলটোৰ ভালেসংখ্যক শিক্ষা অনুৰাগী ব্যক্তি, শিক্ষাবিদ উপস্থিত থাকিব বুলি জিএমবি টিউটৰিয়েল হোমৰ প্ৰধান সঞ্চালক তথা কটন বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° ৰাতুল চন্দ্ৰ ৰাজখোৱা আৰু সঞ্চালক গিৰীশ মল্ল বৰুৱাই সদৰী কৰিছে।

# ৰঙিয়াত নেহৰু যুৱ কেন্দ্ৰৰ বিভিন্ন প্ৰতিযোগিতাৰ আয়োজন

**অগ্ৰদূত বাৰ্তা**

**ৰঙিয়া, ১৩ অক্টোবৰ ঃ** ভাৰত চৰকাৰৰ যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰণালয়ৰ অধীনৰ কামৰূপ জিলাৰ নেহৰু যুৱ কেন্দ্ৰই অহা ১৬ অক্টোবৰত দিনজোৰা কাৰ্যসূচীৰে জিলা পৰ্যায়ত 'যুৱ উৎসৱ যুৱ সংবাদ ২০৪৭' শীৰ্ষক এক অভিনৱ অনুষ্ঠানৰ আয়োজন কৰিছে। ৰঙিয়া মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত আয়োজিত এই অনুষ্ঠানৰ লগত সংগতি ৰাখি বিভিন্ন প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। প্ৰতিযোগিতাসমূহ হ'ল যুৱ লেখক প্ৰতিযোগিতা যুৱ শিল্পী প্ৰতিযোগিতা, ফটোগ্ৰাফী প্ৰতিযোগিতা আৰু কৰ্মশালা, ঘোষণা প্ৰতিযোগিতা, জিলা সাংস্কৃতিক উৎসৱ আৰু জিলা যুৱ সন্মিলন। জিলা যুৱ সন্মিলনৰ বিষয়বস্তু হৈছে 'ৰাষ্ট্ৰীয় সংহতি আৰু সংহতি'। নেহৰু যুৱ কেন্দ্ৰৰ জিলা যুৱ বিষয়া হিমাংশু কুমাৰ আৰু গোপী নাথ দাসে জনোৱা মতে, জিলা পৰ্যায়ৰ বিজয়ীসকলে ৰাজ্যিক পৰ্যায়ৰ আৰু ৰাষ্ট্ৰীয় পৰ্যায়ৰ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰাৰ সুযোগ লাভ কৰিব। দেশজুৰি নিজৰ প্ৰতিভাক কেন্দ্ৰীভূত কৰাৰ এই সুন্দৰ সুযোগ গ্ৰহণ কৰিবলৈ সকলো যুৱক-যুৱতীক বিষয়াদ্বয়ে অনুৰোধ জনাইছে। অধিক তথ্যৰ বাবে ৯৪৩৫১২৩১৮৪ ফোন নম্বৰত যোগাযোগ কৰিবলৈ অনুৰোধ জনোৱা হৈছে।

# হাজৰিকাপাৰাত কলিতা জনগোষ্ঠী সন্মিলনীৰ অধিবেশনৰ প্ৰস্তুতি

**অগ্ৰদূত বাৰ্তা**

**ছিপাঝাৰ, ১৩ অক্টোবৰ ঃ** অবিভক্ত দৰং জিলা কলিতা জনগোষ্ঠী সন্মিলনীৰ ১০৪ সংখ্যক বাৰ্ষিক অধিবেশন ২০২৩ৰ ১১ আৰু ১২ ফেব্ৰুৱাৰীত হাজৰিকাপাৰাৰ জীৱন চন্দ্ৰ চহৰীয়া আৰু মিনাৰাম চহৰীয়া সোঁৱৰণী ক্ষেত্ৰত উদ্‌যাপনৰ আয়োজন কৰা হৈছে। যোৱা এক অক্টোবৰত বাগেশ্বৰী চতুষ্পাঠী উচ্চ সংস্কৃত টোলত অধিবেশনৰ মুখ্য কাৰ্যালয় উদ্বোধন কৰে অৱসৰপ্ৰাপ্ত কোষাগাৰ বিষয়া নাগেশ্বৰ চহৰীয়াই। সেইদিনাই অৱসৰপ্ৰাপ্ত শিক্ষক প্ৰফুল্ল চন্দ্ৰ মেধি আৰু জিলা সভাপতি লোহিত চন্দ্ৰ কলিতাৰ দ্বাৰা ৰছিদ বহী উন্মোচন কৰা হয়। আনহাতে, আদৰণি সমিতিৰ উপৰি ৰভা-মঞ্চ-তোৰণ, খাদ্য, ব্যৱস্থাপনা, শোভাযাত্ৰা, স্মৃতিগ্ৰন্থ, প্ৰচাৰ, সাংস্কৃতিক, শব্দ-পোহৰ, মহিলা মঞ্চ, স্বাস্থ্য, পানী যোগান, যুৱ মঞ্চ আদি বিভিন্ন উপ-সমিতি গঠন কৰাৰ লগতে অধিবেশনৰ বাবে ২৯ লাখ টকা বাজেট নিৰ্ধাৰণ কৰা হৈছে।

## অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধি

*১২ পৃষ্ঠাৰ পৰা* গণতান্ত্ৰিক দৰ্শনত বিশ্বাসী হৈ শান্তিপূৰ্ণ আন্দোলন কৰে। এই দৰ্শন আৰু শক্তিক কোনো অপশক্তিয়ে বাধা দিব নোৱাৰে। বিক্ষোভ কাৰ্যসূচীত সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ উপ-সভাপতি ফণীধৰ বৰুৱা, কল্প ৰাজবংশী, সহকাৰী সাধাৰণ সম্পাদক গৌতম বেজবৰুৱা, দিগন্ত ভৰালী আদি কৰি কে'বাজনো নেতৃত্বই অংশগ্ৰহণ কৰে।

## আদিবাসী শান্তি চুক্তি স্বাক্ষৰকাৰীসকলক

*১২ পৃষ্ঠাৰ পৰা* থাকে বিশিষ্ট সমাজ সেৱক তথা আৰএছএছৰ পদাধিকাৰী দিলীপ আৰজেল। মুখ্য অতিথিৰ ভাষণত দিলীপ আৰজেলে কয় যে আদিবাসীসকলৰ প্ৰাপ্য অধিকাৰ বিচাৰি পাঁচটাকৈ সংগঠনে যি সশস্ত্ৰ সংগ্ৰাম কৰিছিল সেই সংগ্ৰামক যথাযোগ্য সন্মান জনাই বিজেপি শাসিত কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে আদিবাসী শান্তি চুক্তি কৰিলে। এই চুক্তিয়ে আদিবাসীৰ সৰ্বাংগীণ উন্নতি সাধন কৰিব। আদিবাসীসকলৰ মাজৰ পৰা হেৰাই যাব ধৰা আদিবাসীৰ গুণ-গৰিমা, ধৰ্ম, সংস্কৃতিসমূহ পুনৰাই আদিবাসীৰ চুক্তিৰ দ্বাৰা এক নতুনত্বৰ গতি লাভ কৰিব। ভাৰতবৰ্ষৰ প্ৰাচীনতম জাতিৰ পৰিচয়ৰ সমৃদ্ধিশীলতা ধৰি ৰখাত সহায়ক হ'ব বুলি আৰএছএছৰ নেতাজনে প্ৰকাশ কৰে। আদিবাসী শান্তি চুক্তি স্বাক্ষৰকাৰীৰ অন্যতম নেতা তথা আকমাৰ সভাপতি জাব্ৰিয়াছ খাখা ওৰফে অসীম হাছদাই কয় যে ভাৰত চৰকাৰ আৰু ৰাজ্য চৰকাৰে অসমৰ বৃহত্তম আদিবাসী জনগোষ্ঠীৰ সমস্যাৰাজিৰ বিষয়টো হৃদয়ংগম কৰি যি আদিবাসী শান্তি চুক্তি কৰিলে এয়া আদিবাসীৰ বাবে এক ঐতিহাসিক চুক্তি। এই চুক্তিৰ দ্বাৰা আদিবাসী জনগোষ্ঠীটোৰ দীৰ্ঘদিনীয়া আশা আকাংক্ষাসমূহৰ এক বাস্তৱিক ৰূপ পাব বুলি আমি আশাবাদী। আদিবাসীসকলৰ জন্মস্বত্ব অধিকাৰ জনজাতিকৰণৰ দাবীটো অসমৰ আদিবাসীসকলৰ সংবিধানিক অধিকাৰ সেয়ে এই দাবীটো ভাৰত চৰকাৰে গুৰুত্ব সহকাৰে লৈ জনজাতিকৰণৰ বিষয়টো আদিবাসী শান্তি চুক্তিৰ প্ৰথম দফাত সন্নিবিষ্ট হৈছে। অসমৰ আদিবাসীৰ জনজাতিকৰণ অতি শীঘ্ৰে ৰূপায়ণ হ'ব বুলি আমি আশাবাদী। তেওঁৰ ভাষণত আৰু কয় যে এই চুক্তি কাৰ্যকৰী হোৱাৰ লগতে আদিবাসীৰ শিক্ষাৰ দিশটো ক্ষেত্ৰত এক জাগ্ৰত ভূমিকা ল'ব লগতে স্বাস্থ্যৰ দিশতো নতুন গতি ল'ব। বিপুলভাৱে আয়োজিত সম্বৰ্ধনা সভাত স্থানীয় বিধায়ক জিৰণ বসুমাতাৰী, বিৰছা কামাণ্ডো ফ'ৰ্চৰ সেনাধ্যক্ষ তথা স্বাক্ষৰকাৰী বীৰ সিং মুণ্ডা, এছটিএফৰ অধ্যক্ষ তথা চুক্তি স্বাক্ষকাৰী পাৰ্চিয়াছ হেম্‌ব্ৰম, আছাৰ প্ৰাক্তন নেতাকে ধৰি আদিবাসী সমাজৰ ভালেকেইজন বুদ্ধিজীৱী উপস্থিত থাকি আদিবাসীসকলৰ শান্তি চুক্তি সম্পৰ্কত আলোকপাত কৰে আৰু অতি শীঘ্ৰেই যোগ্য নেতাৰ হাতত আদিবাসী উন্নয়ন পৰিষদৰ দায়িত্ব অৰ্পণ কৰাৰ দাবী জনায়। সম্বৰ্ধনা সভাত আদিবাসী জনগোষ্ঠীৰ চাওতাল, উৰাঁও নৃত্য-গীতেৰে অনুষ্ঠানটো জীপাল কৰি তোলে।

## এন ই জেড চি চিৰ গুৰু-শিষ্য পৰম্পৰা

*১২ পৃষ্ঠাৰ পৰা* আফ্ৰিকা, আমেৰিকা, ফিলিপাইনছ, ছোভিয়েট ৰাছিয়া, জাৰ্মানী, গ্ৰেট ব্ৰিটেইন, শ্ৰীলংকা, বাংলাদেশ, চিকাগো, জাপান, আদিকে ধৰি বিদেশৰ মুঠ ২৫ খন দেশত অসমৰ অসমীয়া জাতিৰ গৌৰৱ, স্বাভিমান বিহু আৰু ঢোল নিখুঁত ৰূপত পৰিৱেশন কৰি অসমীয়া জাতিৰ লোক কৃষ্টি-সংস্কৃতিৰ বিশাল জগতখনলৈ গৌৰৱ কঢ়িয়াই অনা নমস্যজনলৈ ভাৰত চৰকাৰে প্ৰদান কৰা এই সন্মানৰ বাবে সংস্কৃতিপ্ৰেমী ৰাইজে আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছে। উল্লেখ্য যে মহান শিল্পীজনৰ গুৱাহাটী দক্ষিণ শৰণীয়াস্থিত বাসগৃহত আয়োজিত এক অনুষ্ঠানত এই আঁচনি আৰম্ভ কৰা বুলি এক বিবৃতিযোগে শিল্পীজনে সদৰী কৰে। স্মৰ্তব্য যে অসমৰ লোক সংগীতৰ বিশিষ্ট শিল্পী তথা ১৯৯৮ত ভাৰত চৰকাৰৰ তৰফৰ পৰা ফেল'শ্বিপ বঁটা লাভ কৰা আৰু ইতিমধ্যে ২০১৭-১৮ত লোকসংগীত গুৰু সন্মানেৰে সন্মানিত অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী নিতুমণি বড়া আৰু ২০২২-২৩ৰ গুৰু সন্মানেৰে সন্মানিত হোৱা ৰশ্মিৰেখা শইকীয়াই এগছি বন্তি প্ৰজ্বলনেৰে অনুষ্ঠান আৰম্ভ কৰে। অনুষ্ঠানত লোক সংগীতৰ শিল্পী প্ৰবীণ কুমাৰ শইকীয়া, বিশিষ্ট বাঁহীবাদক পৰমেশ্বৰ বসুমতাৰী, ঢুলীয়া শিল্পী দেৰেশ্বৰ শইকীয়া প্ৰমুখ্যে শুভাকাংক্ষী উপস্থিত থাকি শুভেচ্ছা জনায়। উল্লেখ্য যে অনুষ্ঠানত গুৰুসকসলৰ লগতে নিৰ্বাচিত শিষ্যসকলে ঢোলৰ মালিতা আৰু চালনা পৰিবেশন কৰি অনুষ্ঠান জীপাল কৰি তোলে। এই আঁচনিৰ জৰিয়তে আৰম্ভ কৰিবলগীয়া শিক্ষা প্ৰদানত সহযোগী হিচাপে থাকিব স্বপ্নীল অঞ্জন বড়া, নন্দিনী কাশ্যপ, জ্ঞানদীপ ডেকা, অমৃত তালুকদাৰ আৰু ৰূপজ্যোতি কোঁৱৰ।

## ধিঙত বেচৰকাৰী সংস্থা সৃষ্টি সুমধুৰ

*১২ পৃষ্ঠাৰ পৰা* লগতে অৰ্থনৈতিক দিশৰ সৰ্বাংগীণ বিকাশৰ বাবে কেতবোৰ সমাজৰ উন্নয়নমূলক কাম দায়বদ্ধতাৰে ৰূপায়ণ কৰি আহিছে। 'স্বাৱলম্বিতাৰ অবিৰত যাত্ৰা' এই মূলমন্ত্ৰেৰেই সংস্থাটোৰ প্ৰতিজন কৰ্মকৰ্তা তথা সদস্যাই কৰ্মত ব্ৰতী হৈ আহিছিল যদিও সংস্থাটোৰ এটি কাৰ্যালয় নথকাৰ বাবে ভীষণ অসুবিধাৰ সন্মুখীন আহিছিল। আজি ভাৰতীয় ষ্টেট বেংক ধিং শাখাৰ সমীপতে সংস্থাৰ অস্থায়ী কাৰ্যালয়টো মুকলি কৰা হয়। ইয়াকে লৈ সংস্থাটোৰ সদস্যসকলে সন্তুষ্টি প্ৰকাশ কৰে। উদ্বোধনী অনুষ্ঠানত ধিং পৌৰসভাৰ পৌৰনেত্ৰী প্ৰিয়ংকা নায়ক, ধিং মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিমান হাজৰিকা, বটদ্ৰৱা খণ্ড উন্নয়ন বিষয়া দীলিপ সৰকাৰ, ধিং প্ৰেছ ক্লাবৰ প্ৰাক্তন সভাপতি কৰুণা বৰা, সাংবাদিকদ্বয় বাশ্বাৰ উল্লাহ মুজাদ্দাদী, তৰুণ বৰা, হেমেন ৰাজা, বেদব্ৰত ৰাজা, উৎপল শইকীয়া, এছিয়া বুক অৱ ৰেকৰ্ডছৰ লগতে ইণ্ডিয়া বুক অৱ ৰেকৰ্ডছত নাম অন্তৰ্ভুক্তিৰে ধিঙলৈ গৌৰৱ কঢ়িয়াই অনা বাঁহ শিল্পী ভৰতজ্যোতি দেৱনাথ, 'মৌমাত' শিশু আলোচনীৰ সম্পাদিকা বন্দনা নাথ ঠাকুৰীয়া আৰু মৰিগাঁও জিলাৰ সমাজ কল্যাণ বিভাগৰ লাহৰীঘাট সংহত শিশু উন্নয়ন প্ৰকল্পৰ পৰিসংখ্যা সহায়ক ৰন্টু ঠাকুৰীয়াৰ লগতে ধিং এফ আৰ ইউৰ খণ্ড প্ৰশিক্ষণ বিষয়া অমৃত তালুকদাৰকে ধৰি ভালেসংখ্যক লোক উপস্থিত থাকে। অনুষ্ঠানতে সংস্থাটোৱে চাৰিদফীয়া এক দাবী সম্বলিত স্মাৰকপত্ৰ ধিং ৰাজহ চক্ৰ বিষয়াৰ জৰিয়তে নগাঁও জিলা উপায়ুক্ত আৰু অসমৰ মুখ্যমন্ত্ৰীলৈ প্ৰেৰণ কৰে।

## উত্তৰ-পূৰ্বাঞ্চলৰ বিশ্ববিদ্যালয়সমূহৰ

*১২ পৃষ্ঠাৰ পৰা* চুক্তি স্বাক্ষৰ অনুষ্ঠানত অইলৰ অধ্যক্ষ আৰু পৰিচালন সঞ্চালক ড° ৰঞ্জিত ৰথৰ লগতে কাৰ্যকৰী সঞ্চালকসকল, আৱাসিক মুখ্য বিষয়া আৰু বিশ্ববিদ্যালয়সমূহৰ জ্যেষ্ঠ প্ৰতিনিধিসকল উপস্থিত থাকে। অনুষ্ঠানত উপস্থিত থাকি অইলৰ অধ্যক্ষ আৰু পৰিচালন সঞ্চালক ড° ৰঞ্জিত ৰথে সামৰ্থ্য বিকাশ আৰু তেল আৰু গেছৰ ক্ৰমবৰ্ধমান চাহিদা পূৰণ, ভৱিষ্যতৰ এক শক্তি কুশল ভাৰত সৃষ্টিৰ বাবে নতুন উদ্যোগ সৃষ্টিৰ উদ্দেশ্যৰ স'তে ইএণ্ডপি উদ্যোগ আৰু শৈক্ষিক সমাজ উভয়ৰে বৈচিত্ৰময় প্ৰচেষ্টাসমূহৰ সমন্বয় সাধন কৰিবলৈ এনে কৌশলগত সহযোগিতাৰ প্ৰয়োজনীয়তাৰ কথা দোহাৰে। বিবৃতিত ইয়াকো উল্লেখ কৰে যে বুজাবুজিৰ চুক্তিখনৰ মূল উদ্দেশ্য হৈছে উত্তৰ-পূৰ্বৰ বিশ্ববিদ্যালয়সমূহত গৱেষণা আৰু উন্নয়নৰ সামৰ্থ্য বৃদ্ধি কৰা আৰু উত্তৰ-পূৰ্বৰ ভূতত্ত্বৰ বুজাবুজি বৃদ্ধি কৰা। উত্তৰ-পূব ভাৰতৰ বাবে হাইড্ৰ'কাৰ্বন ভিজন ২০৩০ সদৃশ এই বুজাবুজিৰ চুক্তিৰ এটা মূল কেন্দ্ৰবিন্দু হৈছে উদ্যোগ-শৈক্ষিক সহযোগিতাৰ বাবে এক মঞ্চ গঢ়ি তোলা, যিয়ে কেৱল দক্ষ আৰু কাৰ্যকৰী মানৱ সম্পদ সৃষ্টিৰ ক্ষেত্ৰতে নহয়, দেশৰ শক্তি সুৰক্ষাৰ বাবে একেলগে কাম কৰাৰ ক্ষেত্ৰতো বহুখিনি আগুৱাই নিব। এই প্ৰতিষ্ঠিত প্ৰতিষ্ঠানসমূহৰ শৈক্ষিক বিশেষজ্ঞই অইলৰ ব্যৱসায়িক কাৰ্যকলাপসমূহক সহায় কৰিব। আনহাতে, অইলৰ ব্যৱহাৰিক দক্ষতাই এই প্ৰতিষ্ঠানসমূহত শৈক্ষিক গৱেষণাত সহায় কৰিব। এই সংযোগৰ ফলত অইল আৰু উক্ত শৈক্ষিক অনুষ্ঠানসমূহ উভয়ে ভৱিষ্যতৰ প্ৰত্যাহ্বানসমূহৰ স'তে মোকাবিলা কৰিবলৈ অধিক প্ৰস্তুত হ'ব বুলি বিবৃতিত অইলে সদৰী কৰিছে।

## অনতি পলমে বন্ধ কৰক নাটক প্ৰদৰ্শন

*১২ পৃষ্ঠাৰ পৰা* ৰূপকোঁৱৰৰ সেই বিপ্লৱী বা বিদ্ৰোহী লভিতাজনীক অসমৰ খাটিখোৱা কৃষকৰ প্ৰচণ্ড ক্ষোভৰ প্ৰতীকৰূপে ব্যৱহাৰ কৰিব পাৰিব লাগিব অথবা গোলাপৰ দৰে তাইৰ মনৰ পুৰুষজন কাপুৰুষ হ'লেও পুৰুষ কৰোৱাৰ চেষ্টা কৰিব পৰা বৈপ্লৱিক চৰিত্ৰৰ হ'ব লাগিব। যদি এইখিনি অভিজিত ভট্টাচাৰ্যই কৰিব পৰা নাই তেনে তেওঁ স-সন্মানেৰে তেনে দুঃসাহস নকৰা ভাল আৰু যদি লভিতাক তেনেকৈয়ে ৰাখিছে তেনে নাট্যকাৰৰ নাম সলনি কৰা অনুচিত হৈছে। ই গৰিহণাৰ যোগ্য হ'ব। অভিযোগ উঠিছে যেতিয়া আমি অভিজিত ভট্টাচাৰ্যক আহ্বান জনাম অনতি বিলম্বে তেওঁ নাটখনৰ প্ৰদৰ্শন বন্ধ কৰক। তদুপৰি চৰকাৰৰ সুবিধা লৈ ধনী, মানী হোৱা এচামে চৰকাৰৰ ৰেচন খাই থকা বাবে আন এচাম গৰীৱক নিমখ খাই হাৰাম কৰা বেয়া বুলি বুজাব খোজা স্বাৰ্থপৰ সুবিধাবাদৰ বিৰুদ্ধেও জ্যোতিপ্ৰসাদে লভিতাক জন্ম দিছে। সেয়েহে লভিতা ব্ৰিটিছৰ লগতো নাই, কংগ্ৰেছৰ লগতো নাই, আছে গৈ আজাদ হিন্দ ফৌজৰ লগততহে। এনে এগৰাকী সঁচা সৰু নিৰ্ভেজাল স্বদেশপ্ৰেমী লভিতাক যদি নাট্যকাৰে ৰূপান্তৰৰ নামত দুৰ্বল কৰি তুলিছে তেন্তে তেনে ৰূপান্তৰ গ্ৰহণযোগ্য নহ'ব। অপৰাধ হ'ব। এই ক্ষেত্ৰত অসম চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰীলৈ আমাৰ অনুৰোধ অনতি বিলম্বে সু-মীমাংসা নোহোৱালৈকে নাটখনৰ প্ৰদৰ্শন বন্ধ ৰাখি সুবিচাৰৰ ব্যৱস্থা কৰক। এই ক্ষেত্ৰত অভিযোগ অনা অনুষ্ঠানৰ প্ৰতিনিধি আৰু আৱাহন কৰ্তৃপক্ষক লগত লৈ অসম চৰকাৰে আলোচনা কৰা উচিত। অন্যথা এতিয়া যদি জাতীয় বীৰপুৰুষ মহাপুৰুষসকলৰ নামত কৃষ্টি কৰিবলৈ গৈ এচাম ধুৰন্ধৰ, সুবিধাবাদীয়ে বঙহ কুটা ৰাজনীতি আৰম্ভ কৰি অসমৰ বৈপ্লৱিক বুনিয়াদ নষ্ট কৰে তেনে তাৰ বাবে জগৰীয়া চৰকাৰেই হ'ব। আমি লভিতাৰ জৰিয়তে অসম চৰকাৰৰ সাংস্কৃতিক দপ্তৰক এতিয়াই জনাই থলো যাতে আগন্তুক লাচিত বৰফুকনৰ ৪০০ বছৰীয়া জয়ন্তীৰ নামত এনে আচহুৱা আঁহ ফলা বাঁহ ফলা কাৰবাৰ এটা নহয়গৈ। অসম চৰকাৰে এই ক্ষেত্ৰত আজিয়েই ব্যৱস্থা লোৱা উচিত বুলি আহ্বান জনাইছে অসমীয় ভাষা উন্নতি সাধিনী সভাই।

## দেৰগাঁও নাগৰিক সন্থাৰ প্ৰতিনিধিত্বমূলক

*১২ পৃষ্ঠাৰ পৰা* কৰে। নাগৰিক সন্থাৰ সম্পাদক প্ৰশান্ত মাধৱ বৰাই আঁতধৰা সভাত বিশিষ্ট নাগৰিক ড° চৌধুৰী নাথ শইকীয়া, ড° দেৱেন্দ্ৰ নাথ বৰা, পদ্মলোচন নাথ, ভোলা হাজৰিকা, গোপাল কৃষ্ণ খাউণ্ড, ড° যোগেশ বৰা, প্ৰফুল্ল বৰা, লক্ষীনাৰায়ণ আগৰৱালা, বিচিত্ৰ ভূষণ কলিতা, সত্যজিৎ হাজৰিকা, দীপ বৰঠাকুৰ প্ৰমুখ্যে বিভিন্নজন ব্যক্তিয়ে বক্তব্য ৰাখি দেৰগাঁও নগৰৰ নাগৰিকসকলে সুদীৰ্ঘ কাল ভুগি অহা কৃত্ৰিম বান সমস্যা, পথৰ সমস্যা, আবৰ্জনাৰ সমস্যা, নলা-নৰ্দমাৰ সমস্যাৰ পৰা বিভিন্ন সমস্যাসমূহ উল্লেখ কৰি পূৰ্বৰ কাৰ্যকালসমূহত পৌৰসভাৰ একাংশ জনপ্ৰতিনিধিৰ অদূৰদৰ্শিতাৰ বাবে আজিও নগৰৰ ৰাইজে সমস্যা ভোগ কৰিব লগা বিষয়বোৰ ব্যক্ত কৰে। নিয়মীয়াভাৱে পৌৰকৰ আদায় দি থকাৰ পাছতো প্ৰাপ্য সা-সুবিধা লাভৰ পৰা বঞ্চিত হৈ থকা নগৰৰ বাসিন্দাসকলৰ ওপৰত বৰ্তমান চৰকাৰে জাপি দিয়া অতিৰিক্ত কৰৰ বোজা নাগৰিকসকলে কেতিয়াও বহন নকৰে বুলি সভাত স্পষ্ট কৰি দিয়ে। সদৌ অসম ছাত্ৰ সন্থাৰ নৱনিৰ্বাচিত সহকাৰী সাধাৰণ সম্পাদক অভিবৰ্তন গোস্বামীক ৰাজহুৱাভাৱে অভিনন্দন জনোৱা সভাত বহুকেইটা গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰা হয়। সেই অনুসৰি, চৰকাৰে নাগৰিকৰ সম্পত্তিৰ মূল্যায়নৰ যোগেদি জাপি দিব বিচৰা অতিৰিক্ত কৰৰ বোজাৰ বিৰোধিতা কৰি এয়া মানি নোলোৱাৰ সিদ্ধান্তৰে বয় বস্তুৰ আকাশলংঘী মূল্যবৃদ্ধি হোৱা সময়ত এই কৰ প্ৰত্যাহাৰ কৰিবলৈ চৰকাৰক দাবী জনাই এক প্ৰস্তাৱ গ্ৰহণ কৰে। দেৰগাঁও পৌৰসভালৈ কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ পৰা অহা পুঁজিৰ পৰিমাণ আৰু সেই পুঁজি ক'ত ব্যয় কৰা হৈছে সেয়া ৰাজহুৱা কৰাৰ লগতে দেৰগাঁও পৌৰসভাক লিখিতভাৱে নাগৰিক সন্থালৈ প্ৰেৰণৰ আহ্বান জনাই প্ৰস্তাৱ গ্ৰহণ কৰে। দেৰগাঁও নগৰৰ নলা-নৰ্দমাসমূহ বন্ধ হৈ পৰাৰ ফলত নগৰত সৃষ্টি হ'ব ধৰা কৃত্ৰিম বানপানীৰ সমাধানৰ বাবে ১৫ দিনৰ ভিতৰত পৌৰসভাক কাৰ্যব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনায়। অতি বিধ্বস্ত হৈ পৰা দেৰগাঁও চাৰিআলিৰ পৰা দিচৈ সংযোগী নগৰৰ অতি গুৰুত্বপূৰ্ণ হেমচন্দ্ৰ গোস্বামী পথটো শীঘ্ৰে পুনৰ নিৰ্মাণৰ বাবে জিলা প্ৰশাসনক দাবী, জনোৱাৰ অন্য এটি প্ৰস্তাৱো সভাই গৃহীত কৰে। লগতে নীতিগতভাৱে দেৰগাঁও পৌৰসভাৰ সীমা নিৰ্ধাৰণ আৰু দেৰগাঁওবাসীৰ বহুদিনীয়া দাবী দেৰগাঁৱক মহকুমা ঘোষণাৰ দাবী অতি সোনকালেই কাৰ্যকৰী কৰা, দেৰগাঁও নগৰৰ উন্নয়নৰ ব্যৱস্থা ল'বলৈ মুখ্যমন্ত্ৰীক সাক্ষাৎ কৰি নাগৰিক সন্থাৰ উদ্যোগত দাবী জনোৱাৰ প্ৰস্তাৱ গ্ৰহণ কৰা হয়। আজিৰ এই গুৰুত্বপূৰ্ণ সভাখনত জয়প্ৰকাশ খাদৰীয়া, ড° পৰাগ কুমাৰ ঠাকুৰ, ৰাম অৱতাৰ জালান, নিৰু তালুকদাৰ, প্ৰদীপ খাদৰীয়া, গুণীন শৰ্মা, যতীন নেওগ, কুটুবুদ্দিন আহমেদ, প্ৰমুখ্যে বহুকেইজন বিশিষ্ট ব্যক্তি, বিভিন্ন দল-সংগঠনৰ প্ৰতিনিধি, সমাজ সচেতন ব্যক্তিসহ প্ৰায় শতাধিক লোকে অংশগ্ৰহণ কৰে।

# গীত-কবিতা-সাহিত্য আলাপেৰে মুখৰিত মঙলদৈ গ্ৰন্থমেলা

**বিশেষ সংবাদদাতা**

**মঙলদৈ, ১৩ অক্টোবৰ ঃ** 'দৰঙী কৃষ্টি-সংস্কৃতি অপূৰ্ব আৰু দেশজুৰি বিখ্যাত। বিশেষকৈ ওজাপালি, ঢেপাঢুলীয়া, নাম, নাঙেলী গীত, মহৌ খুন্দা আদি অন্যতম। এইবোৰ নতুন প্ৰজন্মই অধ্যয়ন আৰু সংৰক্ষণ কৰিব লাগে।' এই বক্তব্য যুৱ লেখিকা তথা 'নিয়মীয়া বাৰ্তা'ৰ উপ-সম্পাদক ড° গীতালি শইকীয়াৰ। আজি মঙলদৈ গ্ৰন্থমেলাত বিয়লি অনুষ্ঠিত 'সাহিত্য, সংস্কৃতি, স্ব-দেশ আৰু যুৱ সমাজ' শীৰ্ষক আলোচনাচক্ৰত অংশগ্ৰহণ কৰি গীতালি শইকীয়াই কয় যে বিশেষকৈ দৰঙৰ শিল্পী বিপিন ডেকাৰ ঢেপাঢুলীয়া, কিনাৰাম নাথৰ ওজাপালি সংৰক্ষণ কৰিব লাগে। কাৰণ তেওঁলোকৰ অবৰ্তমানত এইবোৰ সংস্কৃতি হেৰাই যাব। এই ক্ষেত্ৰত নতুন প্ৰজন্মই গুৰুত্ব দিব লাগে। এইবোৰ সংৰক্ষণ নকৰিলে অসমীয়া সংস্কৃতিৰ প্ৰকৃত তথ্যবোৰ হেৰাই যাব বুলি মোৰ ধাৰণা। যুৱ লেখিকাগৰাকীয়ে কয় যে যি জাতিৰ ভাষা কৃষ্টি সংস্কৃতি জীয়াই নাথাকে সেই জাতি বেছিদিন জীয়াই নাথাকে। সেই জাতি কালৰ বুকুত হেৰাই যাব। তেওঁ সাহিত্য আৰু শব্দৰ ওপৰত বক্তব্য আগবঢ়াই কয় যে শব্দই যেনেকৈ আমাক আঘাত দিব পাৰে, তেনেকৈ শব্দই সমাজ পৰিৱৰ্তন কৰিব পাৰে। তদুপৰি শব্দই মনলৈ শান্তি আনে। সেয়েহে শব্দৰ প্ৰয়োগৰ ওপৰত গুৰুত্ব দিব লাগিব। তেওঁ কয় যে নতুন প্ৰজন্মৰ ওপৰত সমাজৰ যথেষ্ট আশা আছে। সেই আশা আমি সাহিত্য সংস্কৃতিৰ জৰিয়তে পূৰ কৰিব লাগিব। ছিপাঝাৰ মহাবিদ্যালয়ৰ উপাধ্যক্ষ তথা বিশিষ্ট সাহিত্যিক ড° ৰামচন্দ্ৰ ডেকাৰ সঞ্চালনাত অনুষ্ঠিত আলোচনাচক্ৰত বিশিষ্ট অৰণ্য লিখক ঘনশ্যাম ৰাজবংসীয়ে সাহিত্য, সংস্কৃতিৰ ওপৰত বক্তব্য আগবঢ়াই অৰণ্য সাহিত্যৰ ওপৰত বক্তব্য আগবঢ়ায়। কাজিৰঙা, ওৰাং আৰু মানাহৰ অৰণ্যৰ ভিতৰৰ বহু অকথিত কাহিনী কৈ সকলোকে মন্ত্ৰমুগ্ধ কৰি তোলে। সাংবাদিক মুকুট ৰাজ শৰ্মা আৰু প্ৰবীণ বৰুৱাই আঁতধৰা সভাত দৰং জিলা সাহিত্য সভাৰ ভাৰপ্ৰাপ্ত সভাপতি বৰদা শইকীয়া, বিশিষ্ট অভিনেতা স্বপন ঘোষ, সদৌ অসম ডবা সন্থাৰ সভাপতি কন্দৰ্প কলিতা, আছুৰ বিত্তীয় সম্পাদক খনিন্দ্ৰ ৰাজবংশীয়ে বক্তব্য আগবঢ়ায়। আনহাতে, আজি পুৱা স্বৰচিত কবিতা প্ৰতিযোগিতা অনুষ্ঠিত হয়। প্ৰতিযোগিতা উদ্বোধন কৰি দেওমৰণৈ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ অক্ষয় কুমাৰ নাথে কয় যে কণ কণ ল'ৰা-ছোৱালীবোৰে এতিয়াৰ পৰা সাহিত্যৰ পথাৰত খোজ দিব লাগে। জ্যেষ্ঠ লোকে সভাত কোৱা কথাবোৰ গুৰুত্বসহকাৰে শুনি তাক অনুধাৱন কৰিব লাগে। প্ৰফুল্ল কুমাৰ দেৱ শৰ্মা আৰু বেউলা কলিতা বিচাৰকৰূপে থকা প্ৰতিযোগিতাত প্ৰথমৰ পৰা পঞ্চম শ্ৰেণীলৈ প্ৰাথমিক শাখাত ভেবাৰঘাট মধ্য ইংৰাজী বিদ্যালয়ৰ ছাত্ৰী প্ৰিয়াংশ্ৰী শিৰমে প্ৰথম, মঙলদৈ নগৰ বালিকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰী দিক্ষীতা ডেকাই দ্বিতীয়, লেঙেৰীয়াঝ কৃষক হাইস্কুলৰ ছাত্ৰী দৰদী শইকীয়াই তৃতীয় স্থান লাভ কৰাৰ লগতে মঙলদৈ নগৰ বালিকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰী জুবলী য়াচমিনে উদগনিমূলক বঁটা লাভ কৰে। আনহাতে, ষষ্ঠৰ পৰা দ্বাদশ শ্ৰেণীলৈ উচ্চ শাখাত লেঙেৰীয়াঝ কৃষক হাইস্কুলৰ ছাত্ৰী জয়শ্ৰী বৰুৱাই প্ৰথম, শংকৰদেৱ শিশু নিকেতন, মঙলদৈৰ ছাত্ৰী কৃতাঞ্জলি ডেকাই দ্বিতীয় আৰু মঙলদৈ নগৰ বালিকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰী ৰুকচানা বেগমে তৃতীয় স্থান লাভ কৰে। স্থান লাভ কৰা সকলক অহা ১৫ অক্টোবৰত গ্ৰন্থমেলাৰ বাকৰিত পুৰস্কাৰসমূহ প্ৰদান কৰা হ'ব। কাইলৈ পুৱা ১০ বজাত ছাত্ৰ-ছাত্ৰীৰ মাজত কেৰিয়াৰ পৰামৰ্শ অনুষ্ঠান আৰু কুইজ প্ৰতিযোগিতাৰে দিনটোৰ কাৰ্যসূচী আৰম্ভ হ'ব বুলি সম্পাদক লক্ষীনন্দন কলিতাই জনাইছে।



## অতিৰিক্ত কৰৰ বোজা-অত্যাৱশ্যকীয় সামগ্ৰীৰ বিৰুদ্ধে বিশ্বনাথ নগৰত আছুৰ বিক্ষোভ

**অগ্ৰদূত বাৰ্তা**

**বিশ্বনাথ চাৰিআলি, ১৩ অক্টোবৰ ঃ** সমগ্ৰ ৰাজ্যৰ লগতে অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধি আৰু অসম চৰকাৰে সম্পত্তিৰ ওপৰত জাপি দিয়া অতিৰিক্ত কৰৰ বোজাৰ প্ৰতিবাদত আজি সদৌ বিশ্বনাথ জিলা ছাত্ৰ সন্থাই এক বিক্ষোভ কাৰ্যসূচী ৰূপায়ণ কৰে। সদৌ অসম ছাত্ৰ সন্থাৰ আহ্বান মৰ্মে সদৌ বিশ্বনাথ জিলা ছাত্ৰ সন্থাই আজি এই কাৰ্যসূচী ৰূপায়ণ কৰে। সদৌ অসম ছাত্ৰ সন্থাৰ বিশ্বনাথ জিলাৰ সভাপতি বিক্ৰম বিকাশ বৰা, বিশ্বনাথ আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি সুৰজ ভূঞা, পাভৈ আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি সুচীল তাঁতীসহ ভালে সংখ্যক আছু কৰ্মীয়ে বিশ্বনাথ নগৰত বিক্ষোভ কাৰ্যসূচী ৰূপায়ণ কৰি চৰকাৰে বিৰোধী ধ্বনিৰে উত্তাল কৰে বিশ্বনাথ চাৰিআলি নগৰৰ পৰিৱেশ।

## কাতি বিহু উপলক্ষে ৰাজ্যিক ভিত্তিত তুলসী ৰোপণ প্ৰতিযোগিতা

**অগ্ৰদূত বাৰ্তা**

**বৰুৱাবামুণগাঁও, ১২ অক্টোবৰ ঃ** অসমৰ ৰাজ্যপালৰ দ্বাৰা স্বীকৃত আগশাৰীৰ প্ৰকৃতি সংগঠন আশ্ৰয়ৰ উদ্যোগত কাতি বিহু উপলক্ষে নৱম বাৰ্ষিক সদৌ অসম তুলসী ৰোপণ প্ৰতিযোগিতাৰ আয়োজন কৰিছে। অহা ১৮ অক্টোবৰৰ সন্ধিয়া অনুষ্ঠিতব্য প্ৰতিযোগিতা ১২ বছৰৰ উৰ্ধৰ সকলোৰে বাবে মুকলি থাকিব। অসমৰ প্ৰাক্তন ৰাজ্যপাল পি বি আচাৰ্যৰ দ্বাৰা ২০১৫ তে প্ৰৱৰ্তিত পতঞ্জলি, আৰ্যভট্ট আৰু শুশ্ৰুত বঁটা এই প্ৰতিযোগিতাৰ প্ৰথম, দ্বিতীয় আৰু তৃতীয় বিজয়ীক প্ৰদান কৰা হ'ব। প্ৰতিযোগিতাত যোগদানৰ বাবে প্ৰতিযোগীসকলে কাতি বিহুৰ দিনা সন্ধিয়া পাঁচৰ পৰা আঠ বজালৈ তুলসী ৰোপণৰ সমগ্ৰ প্ৰক্ৰিয়া ফুটাই তোলাকৈ তিনিখন ফটো আৰু এটা ভিডিঅ' ৱাটছ্এপ যোগে প্ৰেৰণ কৰিব লাগিব। পৰৱৰ্তী সময়ত নিৰ্বাচিত প্ৰতিযোগীসকলে মৌখিক পৰীক্ষাত অৱতীৰ্ণ হ'ব লাগিব। ইচ্ছুক প্ৰতিযোগীসকলে ৯৪৩৫২০৪০৪০ নম্বৰত যোগাযোগ কৰিব পাৰিব।

## লক্ষ্মানৈৰ কাশিবাৰী অষ্টমী

*১২ পৃষ্ঠাৰ পৰা* আজি ফকিৰাগ্ৰাম আৰক্ষীয়ে গোচৰ নম্বৰ ২৯৪/৩৫২/৩৬৫/৩৪ ধাৰাত গোচৰ ৰুজু কৰে। ফকিৰাগ্ৰাম আৰক্ষীয়ে সুভাষৰ পাঁচ হত্যাকাৰী ক্ৰমে বিপ্লৱ দেৱনাথ (২৫), অভিজিৎ দেৱনাথ (১৯), ধনঞ্জয় দেৱনাথ (৪০), কমল দেৱনাথ (২৪) আৰু বিষ্ণু ঘোষক আটক কৰি কোকৰাঝাৰৰ জেললৈ প্ৰেৰণ কৰে।

## দুলীয়াজানত ৰেলে কাটিলে

*১২ পৃষ্ঠাৰ পৰা* ৰেলখনে লোকজনক মহটিয়াই নিয়াত ঘটনাস্থলীতেই তেওঁৰ মৃত্যু ঘটে। খবৰ পাই দুলীয়াজান আৰক্ষী থানাৰ এটা দল ঘটনাস্থলীত উপস্থিত হৈ লোকজনৰ মৃতদেহ উদ্ধাৰ কৰি ঘটনাস্থলীত উপস্থিত হোৱা তিনিচুকীয়াৰ ৰেলৱে আৰক্ষীক মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে গতাই দিয়ে। উক্ত ঘটনাত লোকজনে ব্যৱহাৰ কৰা মটৰ চাইকেলখন সম্পূৰ্ণৰূপে ক্ষতি হয়।

## দুৰ্ঘটনাত পতিত হৈ যুৱ

*১২ পৃষ্ঠাৰ পৰা* অঞ্চলটোৰ কে'বাটাও অনুষ্ঠানৰ লগত ওতঃপ্ৰোতভাৱে জড়িত আছিল। বিশেষকৈ তেওঁৰ বাসগৃহৰ কাষৰে সনাতন হৰিমন্দিৰত জন্মৰ কালৰে পৰাই জড়িত হৈ বৰ্তমানলৈকে উপদেষ্টা পদত অধিষ্ঠিত আছিল। মৃত্যুৰ সময়ত তেওঁ একমাত্ৰ কন্যা আৰু পত্নীক এৰি যায়। তেওঁৰ মৃত্যুত সনাতন হৰিমন্দিৰত এক অপূৰণীয় ক্ষতি হ'ল বুলি মন্দিৰৰ সভাপতি সত্যজিতে এক বিবৃতিযোগে জনায় আৰু বিদেহী আত্মাৰ সদগতি কামনা কৰে।

## কুলশী বনাঞ্চলিক কাৰ্যালয়ৰ

*১২ পৃষ্ঠাৰ পৰা* মাজত শিহু সংৰক্ষণৰ স্বাৰ্থত সজাগতা বৃদ্ধিৰ লক্ষ্যৰে এখন আলোচনা সভা অনুষ্ঠিত কৰা হয়। স্থানীয় সমাজকৰ্মী প্ৰদীপ ৰাভাই সভাপতিত্ব কৰা অনুষ্ঠানৰ আঁত ধৰে দ্বীপেন ৰাভাই। সভাত মুখ্য অতিথিৰূপে উপস্থিত থাকে প্ৰাধিকাৰী বিষয়া ডিম্পী বৰা, বনাঞ্চলিক বিষয়া দ্বীপন ডেকা, বন্যবন্ধুৰ তৰফৰ পৰা ডাঃ গৰ্গৰাম মালী, দীপাংকৰ ঠাকুৰীয়া, প্ৰসন্ন কলিতা, মাধৱ মেধি প্ৰমুখ্যে কে'বাজনো বিশিষ্ট লোক। সভাত চিত্ৰাংকন প্ৰতিযোগিতাৰ পুৰস্কাৰপ্ৰাপ্ত শিশুসকলক পুৰস্কাৰ প্ৰদান কৰা হয় আৰু ৰাইজৰ লগত শিহু আৰু ইয়াৰ বাসস্থান কুলশী নদী সংৰক্ষণৰ গুৰুত্ব আৰু প্ৰয়োজনীয়তা, ৰাইজৰ মাজত জীৱিকাৰ বিভিন্ন বহনক্ষম উপায় যেনে--জৈৱিক কৃষি, পৰ্যটন, কুটীৰ উদ্যোগ আদিৰ বিষয়ে আলোচনা কৰা হয়। অনুষ্ঠানত উপস্থিত থকা ৰাইজৰ মাজত সজাগতা বৃদ্ধিৰ উদ্দেশ্যৰে বন্যবন্ধুৰ তৰফৰ পৰা এখন গোহাৰি পত্ৰ বিতৰণ কৰা হয়।

## দীৰ্ঘেশ্বৰী বীটত শিল-ৰঙামাটি

*১২ পৃষ্ঠাৰ পৰা* পৰা দোভাগ নিশালৈ মান্দাকাটা-সাতগাঁও পাহাৰৰ পৰা ৰঙামাটি আৰু শিল ডাম্পাৰেৰে বিৰামহীনভাৱে কঢ়িয়াই থকাৰ সময়ত নীৰৱ ভূমিকা গ্ৰহণ কৰা বন বিভাগৰ এনে কাৰ্যক ধিক্কাৰ জনাইছে প্ৰকৃতিপ্ৰেমী সচেতন ৰাইজে। এই সমগ্ৰ বিষয় সন্দৰ্ভত দায়িত্বৰত বন বিষয়াক অভিযোগ দাখিল কৰিলে সেই অভিযোগ গ্ৰহণ কৰাৰ পৰিৱৰ্তে এই অসাধু ব্যৱসায়ীসকলৰ শিল-ৰঙামাটি খননৰ চৰকাৰী চালান থকা বুলি কৈ অসাধু চক্ৰটোৰ হৈ ওকালতি কৰিবলৈ আৰম্ভ কৰে বন বিষয়াই। এই পাহাৰসমূহৰ শিল-ৰঙামাটি খনন আৰু সৰবৰাহৰ যদি চালান আছে তেন্তে কোনখন পাহাৰৰ পৰা কোনজন ব্যৱসায়ীক কিমান ছেংমিঃ শিল-ৰঙামাটি খনন আৰু সৰবৰাহৰ যদি চালান আছে তেন্তে কোনৰৰ পৰা কোনগৰাকী ব্যৱসায়ীক কিমান ছেংমিঃ শিল-ৰঙামাটি খনন আৰু সৰবৰাহৰ অনুমতি প্ৰদান কৰা হৈছে? প্ৰতিখন ডাম্পাৰক প্ৰতিটো টিপত কিমান ছেংমিঃ শিল-ৰঙামাটি সৰবৰাহৰ চালান দিয়া হৈছে। চালান অনুযায়ী সৰবৰাহ হৈছে নে? নিশাৰ ভাগত সৰবৰাহৰ অনুমতি আছে নে? আদি প্ৰশ্নৰ লগতে বিগত সময়ছোৱাত কিমান ছেংমিঃ শিল-ৰঙামাটি সৰবৰাহ কৰা হ'ল তাৰ উত্তৰ সঠিকভাৱে স্পষ্ট কৰিবলৈ উত্তৰ কামৰূপ বন সংমণ্ডল বিষয়া ছান্নি দেৱ চৌধুৰীক আহ্বান জনাইছে সচেতন ৰাইজে।

# খৈৰেনিত নিশা বন্যহস্তীয়ে ভাঙিলে কে'বাটাও বাসগৃহ

**অগ্ৰদূত বাৰ্তা**

**বাগানপাৰা, ১৩ অক্টোবৰ ঃ** বাগ্‌সাৰ বাগানপাৰা ৰাজহ চক্ৰৰ অন্তৰ্গত খৈৰেনি, নৱস্তি শিমলাবাৰীত বনৰীয়া হাতীৰ তাণ্ডৱ। হাতীৰ জাকে ভাঙিলে ঘৰ-বাৰী, কথমপি প্ৰাণৰক্ষা পৰিয়ালৰ। বাগ্‌সা জিলাৰ ভাৰত-ভূটান সীমান্তৱৰ্তী অঞ্চলত হাতী-মানুহৰ সংঘাতে তীব্ৰ ৰূপ ধাৰণ কৰিছে। বনৰীয়া হাতীৰ উপদ্ৰৱত উজাগৰী নিশা কটাবলগীয়া হৈছে সীমান্তৰ ৰাইজে। নিশা হ'লেই বনাঞ্চলৰ পৰা ওলাই আহি গাঁওসমূহত উপদ্ৰৱ চলায় হাতীৰ জাকে। কালি পুনৰ জিলাখনৰ বাতাবাৰী বনাঞ্চলিক কাৰ্যালয়ৰ অন্তৰ্গত খৈৰেনি গাঁৱৰ ঘৃত কুমাৰী আৰু গোৰে ডাণ্ডিৰ লগতে নয়াবস্তি, শিমলাবাৰীত কে'বাটাও পৰিয়ালৰ ঘৰ-বাৰী ভাঙি পেলায়। হাতীৰ জাকটোৰ আক্ৰমণৰ পৰা পৰিয়ালকেইটি কথমপি প্ৰাণৰক্ষা পৰে যদিও ঘৰবাৰী সম্পূৰ্ণৰূপে ভাঙি পেলোৱাত হতাশ হৈ পৰিছে পৰিয়ালকেইটা। হাতীৰ জাকটোৱে ঘৃত কুমাৰী আৰু গোৰে ডাণ্ডিৰ পাকঘৰটোৰ বাচন-বৰ্তন সম্পূৰ্ণৰূপে ধ্বংস কৰি পেলোৱাৰ লগতে পাকঘৰত থকা চাউল খাই তহিলং কৰাৰ লগতে ভঁৰালৰ ধান খাই তহিলং কৰে আৰু ঘৰৰ প্ৰায়সমূহ সামগ্ৰী নষ্ট কৰে। ইয়াৰ উপৰি হাতীৰ জাকটোৱে কে'বাটাও পৰিয়ালৰ তামোল, কল আদি খোৱাৰ লগতে ভাঙি পেলায়। উল্লেখ্য যে বিগত কিছুদিন ধৰি বনৰীয়া হাতীৰ এটা বৃহৎ জাকে বৰিকাদঙা, খৈৰেনি গাঁৱৰ পূব দিশেৰে বৈ যোৱা পাগলাদিয়া নদীৰ পাৰৰ কঁহুৱাৰ মাজত অৱস্থান কৰি আছে। নিশা হ'লেই হাতীৰ জাকটো কঁহুৱাৰ মাজৰ পৰা ওলাই গাঁৱত প্ৰৱেশ কৰি উপদ্ৰৱ চলায়। যাৰ ফলত অঞ্চলটোৰ ৰাইজে নিশা উজাগৰে থাকিবলগীয়া পৰিস্থিতি হৈছে।

## ঔড়ুবিৰ চম্পাৱতী নৈত শিশুৰ মৃতদেহ উদ্ধাৰ

**অগ্ৰদূত বাৰ্তা**

**অভয়াপুৰী, ১৩ অক্টোবৰ ঃ** বঙাইগাঁও জিলাৰ যোগীঘোপা থানাৰ অন্তৰ্গত ঔড়ুবিত এক শোকাৱহ ঘটনা সংঘটিত হয়। চম্পাৱতী নৈৰ সুঁতিত আজি এগৰাকী কণমানি শিশুৰ মৃতদেহ উদ্ধাৰ হয়। মৃতদেহটো ঔড়ুবি প্ৰথম খণ্ড গাঁৱৰ চৈয়দ আলীৰ কন্যা খাদিজা পাৰবিন (ছয়) বুলি চিনাক্ত কৰিছে। ঘটনা সন্দৰ্ভত জানিব পৰা মতে, ঔড়ুবিস্থিত মাজেৰ আলগা নদী আৰক্ষীৰ সমীপতে চম্পাৱতী নৈৰ সুঁতিত পুৱা এগৰাকী কণমানি শিশুৰ মৃতদেহ স্থানীয় একাংশ লোকে প্ৰত্যক্ষ কৰে। পাছত মাজেৰ আলগা নদী আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ স্থানীয় ৰাইজৰ সহযোগত মৃতদেহটো উদ্ধাৰ কৰে। ইতিমধ্যে আৰক্ষীয়ে মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে বঙাইগাঁও অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। শিশুটিৰ পৰিয়ালৰ লোকে জনোৱা মতে, মাজেৰ আলগাত ব্ৰহ্মপুত্ৰ নৈত কালি অনুষ্ঠিত নাও খেল প্ৰতিযোগিতাত পৰিয়ালৰ স'তে শিশুটি খেল চাবলৈ যায়। পাছত উক্ত স্থানত বিয়লিৰ পৰা শিশুটি সন্ধানহীন হৈ পৰে। পৰিয়ালৰ লোকে বহু বিচাৰ-খোচাৰ কৰে যদিও পুৱা চম্পাৱতী নৈৰ সুঁতিত শিশুটিৰ মৃতদেহ উদ্ধাৰ হয়। শিশুটিৰ এনে আকস্মিক মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰে।

## তেজপুৰত ভূমিকেন্দ্ৰিক সংঘাত সন্দৰ্ভত প্ৰশাসনৰ ১৪৪ ধাৰা জাৰি

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ, ১৩ অক্টোবৰ ঃ** চাৰিদুৱাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত বৰঘাট গাঁৱৰ পট্টা নম্বৰ ৪৮ আৰু দাগ নম্বৰ ৩৪৭, ৩৪৮, ৩৪৯ ভূমি সম্পৰ্কীয় বিবাদৰ ফলত দুটা ফৈদৰ মাজত হিংসাত্মক ঘটনাৰ উদ্ভৱ হোৱাৰ প্ৰতি লক্ষ্য ৰাখি আৰু এই সন্দৰ্ভত চাৰিদুৱাৰ ৰাজহ চক্ৰ বিষয়াৰ পৰা লাভ কৰা প্ৰতিবেদনৰ ভিত্তিত উক্ত অঞ্চলত শান্তি-শৃংখলা অটুট ৰখাৰ স্বাৰ্থত আৰু অপ্ৰীতিকৰ ঘটনা প্ৰতিহত কৰাৰ স্বাৰ্থত শোণিতপুৰ জিলাৰ জিলা দণ্ডাধীশে ফৌজদাৰী কাৰ্যবিধি আইনৰ ১৪৪ ধাৰাৰ অধীনত কেতবোৰ নিষেধাজ্ঞা জাৰি কৰিছে। সেই অনুসৰি ঝাৰণি প্ৰাথমিক বিদ্যালয়ৰ পৰা ফকৰুদ্দিন আলী আহমেদ উচ্চ মাধ্যমিক বিদ্যালয়ৰ মাজত পৰা অঞ্চলত উপযুক্ত অনুমতি অবিহনে পাঁচজন বা ততোধিক লোকৰ সমাবেশ, অধিসূচিত অঞ্চলত মাৰাত্মক অস্ত্ৰ লৈ চলাচল কৰা আৰু উপযুক্ত কৰ্তৃপক্ষৰ অনুমতি অবিহনে বৰঘাট ৰাজহ গাঁৱৰ উক্ত বিবদমান ভূমিত যিকোনো ব্যক্তিৰ চলাচল আৰু কাৰ্যকলাপ এক আদেশযোগে নিষেধ কৰিছে। উল্লেখ্য যে এই ভূমি বিবাদৰ পৰিপ্ৰেক্ষিতত কিছুদিন পূৰ্বে এগৰাকী মহিলাক এদল লোকে আক্ৰমণ কৰিছিল।

## হোজাইত উপায়ুক্ত কাৰ্যালয়ৰ সন্মুখত ছাত্ৰ সন্থাৰ বিক্ষোভ



**অগ্ৰদূত বাৰ্তা**

**লংকা, ১৩ অক্টোবৰ ঃ** হোজাই জিলা শংকৰদেৱ নগৰত অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধি আৰু অসম চৰকাৰে সম্পত্তিৰ ওপৰত জাপি দিয়া অতিৰিক্ত কৰৰ বোজাৰ প্ৰতিবাদত আছুৰ এই বিক্ষোভ কাৰ্যসূচী। শ শ ছাত্ৰ-ছাত্ৰীয়ে প্ৰায় আধা কিলোমিটাৰ পথ পদযাত্ৰা কৰি চৰকাৰ বিৰোধী বিভিন্ন শ্ল'গানেৰে আছুকৰ্মীসকলে সাব্যস্ত কৰে এই প্ৰতিবাদ। 'হিমন্ত বিশ্ব শৰ্মা হায় হায়, বিজেপি চৰকাৰ উৱাক থু', অসম চৰকাৰ হায় হায়, ৰঞ্জিত দাস হায় হায়, অত্যাৱশ্যকীয় সামগ্ৰীৰ ওপৰত মূল্যবৃদ্ধি নিয়ন্ত্ৰণ কৰক, মূল্যবৃদ্ধি ৰোধ কৰক' আদি ধ্বনিৰে উত্তাল কৰি তোলে উপায়ুক্ত কাৰ্যালয়ৰ পৰিৱেশ। অসমৰ জনসাধাৰণক সামগ্ৰীৰ মূল্যবৃদ্ধি কৰি যি মাধমাৰ দিছে তাক প্ৰতিৰোধৰ আহ্বান আছু কৰ্মীৰ। ড° হিমন্ত বিশ্ব শৰ্মাই দম্ভালি নীতিৰে কোৱা দুৰ্নীতি নিৰ্মুল অসম, সেয়া বাস্তৱায়িত হোৱা নাই কাৰণ প্ৰতিদিনেই মুখ্যমন্ত্ৰী অপৰাধ নিয়ন্ত্ৰণ শাখাই অসমত ধৰি আছে দুৰ্নীতিপৰায়ণ চৰকাৰী বিষয়া। তাৰ পৰাই প্ৰমাণ হয় যে বিজেপি চৰকাৰৰ দিনতেই দুৰ্নীতিৰ পাহাৰ গঢ়িছে, সেয়া স্পষ্ট বুলি প্ৰতিবাদত নিজ মন্তব্যত প্ৰকাশ কৰে হোজাই জিলা আছুৰ সভাপতি দেৱজিৎ ডেকাই।

# তামুলপুৰ-কাউলী পথৰ জৰাজীৰ্ণ ৰূপ ঃ পথৰ মাজত বৃহৎ গাঁত

## যাতায়াতৰ নামত দুৰ্ভোগ ৩০ খন গাঁৱৰ ৰাইজৰ



**অগ্ৰদূত বাৰ্তা**

**তামুলপুৰ, ১৩ অক্টোবৰ ঃ** তামুলপুৰ জিলাৰ ভূটান সীমান্তৰ কাউলীৰ পৰা তামুলপুৰ জিলা সদৰ সংযোগী একমাত্ৰ গড়কাপ্তানী পথটোৰ বিধ্বস্ত অৱস্থাই সম্প্ৰতি যাতায়াতৰ ক্ষেত্ৰত জ্বলা-কলা খুৱাইছে বৃহত্তৰ অঞ্চলটোৰ ৰাইজক। তামুলপুৰ বিধানসভা তথা বিটিআৰৰ ২৭ নম্বৰ নাগ্ৰিজুলী পৰিষদীয় সমষ্টিৰ অন্তৰ্গত কাউলী-তামুলপুৰ সংযোগী পথটোৰ বিগত এটা দশক ধৰি কোনো ধৰণৰ মেৰামতি নকৰাত সম্প্ৰতি পথটোৰ মাজত সৃষ্টি হৈছে পুখুৰী সদৃশ প্ৰকাণ্ড গাঁতৰ। এজাক বৰষুণ আহিলেই পুখুৰীলৈ পৰিণত হয় পথটো। ফলত পুখুৰীৰ মাজত বাট বিচাৰি যাতায়াত কৰিব লগা হয় অঞ্চলটোৰ ৰাইজে। ভূটান পাদদেশৰ পৰা বৈ অহা মটঙা নদী আৰু বাল্টি নদী দুয়োকাষে বৈ যোৱা বৃহত্তৰ অঞ্চলটোৰ একমাত্ৰ গড়কাপ্তানী পথটোৱে বাৰিষা আহিলেই যাতায়াত বন্ধ হৈ পৰে। পথটোৰ এই জৰাজীৰ্ণ অৱস্থাৰ বাবেই বিগত সময়ছোৱাত সংঘটিত হৈছে কে'বাটাও সৰু-বৰ দুৰ্ঘটনা। আহত হৈছে বহু লোক। পথটোৰ তথৈবচ অৱস্থাৰ বাবে অঞ্চলটোলৈ নাহে এম্বুলেন্সৰ লগতে আন জৰুৰী সেৱাৰ বাহনসমূহো। অঞ্চলটোৰ ছাত্ৰ-ছাত্ৰীসকলে সময়মতে যাব নোৱাৰে বিদ্যালয়লৈ। স্থানীয় ৰাইজৰ অভিযোগ। ভূটান সীমান্তৰ প্ৰায় ৩০ খনকৈ গাঁৱৰ হেজাৰ হেজাৰ লোকে তামুলপুৰ জিলা সদৰলৈ যাতায়াত কৰা একমাত্ৰ পথটোৰ মেৰামতিৰ ক্ষেত্ৰত লোক নিৰ্মাণ বিভাগ তথা স্থানীয় জনপ্ৰতিনিধিয়ে লোৱা নাই কোনো ব্যৱস্থা। কেৱল নিৰ্বাচনৰ সময়ত বিভিন্ন প্ৰতিশ্ৰুতি দি ভোট ভিক্ষা কৰা জনপ্ৰতিনিধিয়ে নিৰ্বাচন পাৰ হ'লেই সকলো পাহৰি যায়। বছৰ বছৰ ধৰি যাতায়াতৰ ক্ষেত্ৰত যমৰ যাতনা ভুগি থকা স্থানীয় ৰাইজৰ অসম চৰকাৰৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা তথা বিটিআৰ প্ৰধান প্ৰমোদ বড়োলৈ বিনম্ৰ অনুৰোধ। অতিশীঘ্ৰে বৃহত্তৰ অঞ্চলটোৰ ৰাইজৰ যাতায়াতৰ সুবিধাৰ্থে পথটো পুনৰ নিৰ্মাণৰ ব্যৱস্থা কৰক।



# গান্ধীনগৰৰ গান্ধী মন্দিৰত নতুন লাভলীনাৰ জন্ম

## প্ৰিমিয়াৰ লীগ ফুটবলত বি টি আৰৰ জয়লাভ

অগ্ৰদূত বাৰ্তা
**কোকৰাঝাৰ,১৩ অক্টোবৰ ঃ** কোকৰাঝাৰ জিলা ক্ৰীড়া সন্থাৰ খেলপথাৰত যোৱা নিশা অনুষ্ঠিত ষষ্ঠ অনুসূচী প্ৰিমিয়াৰ লীগ ফুটবলত গাৰো হিলচ স্বায়ত্ব জিলা পৰিষদ আৰু বিটিআৰৰ মাজত অনুষ্ঠিত হোৱা খেলত বিটিআৰে ৫-৩ গ'লৰ ব্যৱধানত বিজয়ী হয়। খেলখন শুভাৰম্ভ কৰে বিটিআৰৰ চীফ প্ৰমোড বড়োই । বিটিআৰ দলৰ হৈ মিথিংগা দৈমাৰী ,জৌংলা ব্ৰহ্ম, মনেশ্বৰ মুছাহাৰীয়ে গল দিয়ে । ইয়াৰ বিপৰীতে গাৰো হিলচৰ পুচাকা চাংমা আৰু সালদিছ জি মোমিনে গ'ল কৰিবলৈ সক্ষম হয়। খেলখনত বিধায়ক লৰেন্স ইছলাৰী, কাৰ্যবাহী সদস্য অৰূপ কুমাৰ দে প্ৰমুখ্যে কেবাগৰাকী ক্ৰীড়াবিদ তথা বিশিষ্ট ব্যক্তি উপস্থিত আছিল । প্ৰথমবাৰৰ বাবে অনুষ্ঠিত হৈছে ষষ্ঠ অনুসূচী প্ৰিমিয়াৰ লীগ ফুটবল



■ কুলপ্ৰদীপ ভাগৱতী

**গান্ধীনগৰ, ১৩ অক্টোবৰ ঃ** ভাৰতীয় ক্ৰিকেট দলৰ প্ৰাক্তন অধিনায়ক সৌৰভ গাংগুলীৰ টেলিভিছনত সম্প্ৰচাৰ হোৱা এটা জনপ্ৰিয় শ্ব' হ'ল 'দাদাগিৰি'। কুইজ বিষয়ক অনুষ্ঠানটোৰ এটা ৰাউণ্ডৰ নাম 'গুগলি'। 'মহামানৱ মহাত্মা গান্ধীৰ লগত বক্সাৰ লাভলীনা বৰগোহাঁইৰ কি মিল আছে?' গুগলী ৰাউণ্ডৰ এয়াও এটা প্ৰশ্ন আছিল। উত্তৰটো অৱশ্যে কঠিন নাছিল। এগৰাকী প্ৰতিযোগীয়ে ক'লে, 'জন্মদিনটো একে'। হয়। ১৯৯৭ ৰ গান্ধী জয়ন্তীৰ দিনাই জন্ম হৈছিল প্ৰথম অসমীয়া হিচাপে অলিম্পিক পদক জয়ৰে অসমক সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ বিশ্ব গৌৰৱ দিয়া লাভলীনাৰ। ভাৰতীয় বক্সিঙৰ গ্লেমাৰ গাৰ্ল লাভলীনা এতিয়া জীৱনৰ ৰূপালী জয়ন্তী বৰ্ষত। ৰাজ্যবাসীৰ লগতে ভাৰতীয়ৰ আশাৰ সঞ্চাৰ লৈ বিশ্বৰ বক্সিং ৰিঙত প্ৰতিদ্বন্দ্বীৰ বিৰুদ্ধে যুঁজ দি গৈছে অসম কন্যাই।

২৫ টা বসন্ত পাৰ কৰাৰ পাছত আকৌ এবাৰ মহাত্মা গান্ধীৰ স'তে সংযোগ ঘটি জন্ম নতুন লাভলীনাৰ। ৩৬ সংখ্যক গুজৰাট ৰাষ্ট্ৰীয় ক্ৰীড়াৰ যৱনিকাৰ দিনা লাভলীনাই সোণ লাভ কৰাৰ সময়তে ঘটনাটো ঘটিল। অলিম্পিক পদকজয়ী খেলুৱৈৰ বাবে ৰাষ্ট্ৰীয় ক্ৰীড়াত সোণ জয় স্বাভাৱিকতে কোনো উল্লেখনীয় সফলতা নহয়। কিন্তু লাভলীনাৰ বাবে এই স্বৰ্ণ কেৰিয়াৰৰ দ্বিতীয় ইনিংছৰ শুভ আৰম্ভণি। কাৰণ পূৰ্বে ৬৯ কিলোগ্ৰাম শাখাত খেলি অলিম্পিক আৰু বিশ্ব চেম্পিয়নশ্বিপৰ পদক লাভ কৰা লাভলীনাই এতিয়া খেলিছে ৭৫ কিলোগ্ৰামত। মহাত্মা গান্ধীৰ জন্মস্থান গুজৰাটৰ সাবৰমতী নদীৰ পাৰৰ ঐতিহাসিক চহৰ গান্ধী নগৰৰ বিশ্ব প্ৰসিদ্ধ গান্ধী মন্দিৰ চেণ্টাৰৰ বক্সিং এৰিনাতে প্ৰথমবাৰৰ বাবে ৭৫ কিলোগ্ৰামত খেলি সোণ লাভ কৰিলে লাভলীনাই। গতিকে লাভলীনাৰ ৰাষ্ট্ৰীয় ক্ৰীড়াৰ স্বৰ্ণ নতুন যাত্ৰাৰ প্ৰথম সফলতা। স্বৰ্ণ পদক লৈ দিল্লী অভিমুখে যোৱাৰ পূৰ্বে সাক্ষাৎকাৰ দিলে লাভলীনাই।

**প্ৰশ্ন ঃ** তুমি ৰাষ্ট্ৰীয় ক্ৰীড়াত অংশ লোৱা বিষয়টোৱে সকলো নৱাগত খেলুৱৈক উৎসাহিত কৰিছিল। কিন্তু আঘাতৰ বাবে হঠাতে নাম প্ৰত্যাহাৰ কৰাৰ খবৰো আহিল। সেইসময়তে গেমছ চলি থকাৰ মাজতে আহি প্ৰতিযোগিতাত অংশ ল'লা লগতে সোণো লাভ কৰিলা। এই সফলতাক কিদৰে লৈছা?

**উত্তৰ ঃ** আচলতে ওজন সলনি কৰাৰ পাছত বেছি মেচ খেলাৰ সুযোগ পোৱা নাই। ৭৫ কিলোগ্ৰাম শাখাত এতিয়া মোৰ সকলো প্ৰতিদ্বন্দ্বীয়ে নতুন। ঘৰৰ হওক বা বিদেশৰে হওক। যদি মই মেচ নেখেলো তেন্তে বিপক্ষক জানি লোৱাত অসুবিধা হয়। সেয়ে ৰাষ্ট্ৰীয় ক্ৰীড়াত অংশ লৈছো। যোৱা ১৭ ছেপ্টেম্বৰত ভাৰতীয় দলৰ এছিয়ান চেম্পিয়নশ্বিপৰ বাছনিৰ সময়তে নাকত আঘাত পালো। বহুত তেজ ওলাইছিল। নাকত কেপ লগাই চিকিৎসালয়তো থাকিব লগা হ'ল। সেয়ে ডাক্তৰে মানা কৰাৰ বাবে নেখেলিম বুলি ভাবিছিলো। কিন্তু প্ৰবল ইচ্ছা আছিল জীৱনৰ প্ৰথমখন ৰাষ্ট্ৰীয় ক্ৰীড়াত অংশ লোৱাৰ। অলপ ভাল পোৱাৰ পাছতে চিকিৎসকৰ ওচৰলৈ গৈ অনুমতি ল'লো আৰু খেলিবলৈ আহি গ'লো।

**প্ৰশ্ন ঃ** তাৰমানে অনুশীলন অবিহনে আহি ৰাষ্ট্ৰীয় ক্ৰীড়াত খেলিলা আৰু সোণ অৰ্জন?

**উত্তৰ ঃ** চাৰিদিন অনুশীলন কৰিছিলো। পদক জয়তকৈয়ো মোৰ বাবে এছিয়ান চেম্পিয়নশ্বিপৰ পূৰ্বে মেচ অনুশীলন অতি প্ৰয়োজন আছিল। এই মাহতে ওমানত এছিয়ান চেম্পিয়নশ্বিপ। টকিঅ' অলিম্পিকত ৭৫ কিলোগ্ৰাম শাখাত ৰূপ লাভ কৰিছিল চীনৰ কুইন লিয়ে। এইবাৰ এছিয়ান চেম্পিয়নশ্বিপত মোৰ লগত মুখামুখি হোৱাৰ সম্ভাৱনা আছে। কমনৱেলথ গেমছতকৈয়ো বক্সিঙৰ এছিয়ান চেম্পিয়নশ্বিপ কঠিন প্ৰত্যাহ্বান ভাৰতৰ সকলো বক্সাৰৰ বাবে।

**প্ৰশ্ন ঃ** গান্ধী মন্দিৰত তুমি সোণ জয়ৰ পাছতে অসমে পদক তালিকাত ১৫ ৰ পৰা ১৪ লৈ উত্তৰণ কৰিলে। কেৰিয়াৰৰ প্ৰথম ৰাষ্ট্ৰীয় ক্ৰীড়া খেলি কেনে লাগিল?

**উত্তৰ ঃ** অ' হয় নেকি? মই জনা নাছিলো। সকলো প্ৰতিযোগিতাতে খেলি ভাল লাগে। খেলিব নাপালেহে বেয়া লাগে। আনহাতে, সফলতা বিষয়টো কোনো খেলুৱৈৰ নিজৰ আয়ত্তত নাথাকে। প্ৰতিগৰাকী খেলুৱৈয়ে পদক জয়ৰ সাধানা আৰু সপোন লৈয়ে প্ৰতিযোগিতাত অংশ ল'বলৈ আহে। কিন্তু শ্ৰেষ্ঠ হয় এজন। এয়া খেলৰে নিয়ম। কথাটো খেলুৱৈৰ লগতে অনুৰাগী-সমৰ্থকেও জানিব লাগে। খেলুৱৈৰ লক্ষ্যৱে হৈছে জয়লাভ কৰি দেশ আৰু ৰাজ্যৰ সন্মান বৃদ্ধি কৰা। কিন্তু কোনো খেলুৱৈৰ কেৰিয়াৰ বিফলতাক বাদ দি হোৱা নাই। বেয়া সময় মহান খেলুৱৈৰ কেৰিয়াৰতো আহিছে। খেলুৱৈ নহয় এয়া সকলোৰে জীৱনলৈ আহে। কিন্তু সকলোৱে ভাল সময়ৰ বাবে অপেক্ষা কৰে। নিজৰ কৰণীয়খিনি কৰি যায়।



**প্ৰশ্ন ঃ** ইতিমধ্যে হৈ যোৱা বিশ্ব চেম্পিয়নশ্বিপ আৰু কমনৱেলথ গেমছ তোমাৰ কেৰিয়াৰৰ বেয়া সময় বুলি ক'ব পাৰি নেকি? আৰু এতিয়া ভাল সময়ৰ আৰম্ভণি হৈছে?

**উত্তৰ ঃ** এইটোও ক'ব নোৱাৰি। মই সদায় এশ শতাংশ দি খেলো। কিন্তু বিফল হ'লে জানিব লাগিব সিদিনা প্ৰতিদ্বন্দ্বীয়ে বেছি ভাল খেলিছে। হয় বিশ্ব চেম্পিয়নশ্বিপ আৰু কমনৱেলথ গেমছত মই আশা কৰাৰ দৰে প্ৰদৰ্শন কৰিব নোৱাৰিলো। কিন্তু যি হৈ গ'ল সেয়া ঘূৰি নাচাওঁ। এতিয়া যি হ'বলৈ গৈ আছে তাক লৈহে মনোনিবেশ কৰিছো। সন্মুখত এছিয়ান চেম্পিয়নশ্বিপ, অহা বছৰ এছিয়ান গেমছ আৰু ২০২৪ ত পেৰিছ অলিম্পিক।




## গুৱাহাটীৰ সৰুসজাই ষ্টেডিয়ামত অ'গবেচে-হলীৰ চমক
# ক্ৰমাগত দ্বিতীয় ব্যৰ্থতা নৰ্থ ইষ্টৰ

**গুৱাহাটী, ১৩ অক্টোবৰ ঃ** নৰ্থ ইষ্ট ইউনাইটেডে চলিত হিৰো ইণ্ডিয়ান ছুপাৰ লীগ (আই এছ এল)ৰ নিজৰ দ্বিতীয়খন মেচতো পৰাজয়ৰ সন্মুখীন হৈছে। আজি সৰুসজাই ক্ৰীড়া প্ৰকল্পৰ ইন্দিৰা গান্ধী এথলেটিকছ ষ্টেডিয়ামত হোৱা দলৰ ছিজনৰ প্ৰথমখন ঘৰুৱা মেচত বিগত বৰ্ষৰ চেম্পিয়ন হায়দৰাবাদ এফ চিয়ে ৩-০ ত পৰাস্ত কৰে। দুখন মেচত এয়া চাৰিটা গ'ল হজম কৰিলে নৰ্থ ইষ্ট ইউনাইটেডে। ইয়াৰপূৰ্বে বাংগালুৰু এফ চিয়ে ১-০ গ'লত পৰাস্ত কৰিছিল নৰ্থ ইষ্ট ইউনাইটেডক। উল্লেখ্য যে আজি গুৱাহাটীত নৰ্থ-ইষ্ট ইউনাইটেডে নিজৰ ৫০ নম্বৰ মেচখন খেলে যদিও অনুৰাগীক হতাশ কৰে। ইফালে, ছিজনৰ প্ৰথম মেচখনত মুম্বাই চিটীৰ লগত পইণ্ট ভগাই লোৱা হায়দৰাবাদে আজি কিন্তু কোনো ভুল কৰা নাছিল। খেলৰ ১৩ মিনিটতে অ'গবেচে গ'ল কৰি হায়দৰাবাদক ১-০ ৰ অগ্ৰগতি দিয়ে আৰু বিৰতিলৈ আগুৱাই ৰাখে। উল্লেখ্য যে অ'গবেচে নৰ্থ ইষ্টৰে পূৰ্ব ষ্ট্ৰাইকাৰ আছিল। দ্বিতীয়াৰ্ধৰ খেল আৰম্ভ হোৱাত হায়দৰাবাদে পেনাল্টী লাভ কৰিছিল যদিও অ'গবেচেৰ শ্বট ঘৰুৱা দলৰ গ'লৰক্ষক অৰিন্দম ভট্টাচাৰ্যই (৫৩ মিনিট) ৰক্ষা কৰি দলক উদ্ধাৰ কৰে। কিন্তু ৬৯ মিনিটত অসম সন্তান তথা ভাৰতীয় ষ্ট্ৰাইকাৰ হলীচৰণ নাৰ্জাৰীয়ে গ'ল কৰি হায়দৰাবাদৰ অগ্ৰগতি ২-০ কৰে। যোৱা মেচতো গ'ল কৰিছিল হলীয়ে। আজি গুৱাহাটীত পুনৰ হলীৰ চমক। ইফালে, ৭১ মিনিটত জেভিয়াৰৰ স্থানত প্ৰৱেশ কৰিয়েই সতীৰ্থ হলীচৰণৰ পৰা বল লাভ কৰি গ'ল কৰে ব'ৰ্জা হাৰাৰে। হায়দৰাবাদৰ অগ্ৰগতি ৩-০ৰ খেলপথাৰ ত্যাগ কৰে হলীয়েও। প্ৰথম জয়ৰে তিনি পইণ্ট নিশ্চিত কৰা হায়দৰাবাদে আৰু গ'ল নকৰিলে। বিপৰীতে ঘৰুৱা দলে মেচ এৰি দিয়ে। উল্লেখ্য যে নৰ্থ-ইষ্ট ইউনাইটেডে পৰৱৰ্তী মেচখনো গুৱাহাটীতে খেলিব। অহা ২০ অক্টোবৰত সৰুসজাই ক্ৰীড়া প্ৰকল্পৰ ইন্দিৰা গান্ধী এথলেটিকছ ষ্টেডিয়ামত হ'বলগা মেচত ঘৰুৱা দলটো মুখামুখি হ'ব লীগৰ উভয় মেচতে পৰাস্ত হোৱা কলকাতাৰ ইষ্ট বেংগলৰ। ইফালে, হায়দৰাবাদ দলেও লীগৰ পৰৱৰ্তী মেচ ঘৰত খেলিব। অহা ২২ অক্টোবৰত হায়দৰাবাদৰ জি এম চি বালাযোগী এথলেটিকছ ষ্টেডিয়ামত হ'বলগা মেচত বাংগালুৰু এফ চিৰ মুখামুখি হ'ব বিগত ছিজনৰ চেম্পিয়ন দলটো।



## আই এছ এলত আজি চেন্নাইয়ানৰ সন্মুখত বাংগালুৰু

**চেন্নাই, ১৩ অক্টোবৰ ঃ** জয়ৰে ছিজন আৰম্ভ কৰি আত্মবিশ্বাসী হোৱা বাংগালুৰু এফ চি আৰু চেন্নাইয়ান এফ চিয়ে চলিত নৱম হিৰো ইণ্ডিয়ান ছুপাৰ লীগ (আই এছ এল) ফুটবলত কাইলৈ চেন্নাইৰ জৱহৰলাল নেহৰু ষ্টেডিয়ামত হ'বলগা মেচত মুখামুখি হ'ব। উল্লেখ্য যে যোৱা মেচৰ সফলতাৰ পাছতে চেন্নাইয়েন দলে হিৰো আই এছ এলত ৫০ খন মেচত জয় লাভ কৰা তৃতীয়টো দল হিচাপে পৰিগণিত হৈছে। তদুপৰি লীগত ২০০ গ'লৰ মাইলৰ খুঁটিত উপনীত হোৱা তৃতীয়টো দল হোৱাৰো গৌৰৱ লাভ কৰিছে দলে। ছিজনৰ প্ৰথম মেচত চেন্নাইৰ বিজয়ত মুখ্য প্ৰশিক্ষক থমাছ ব্ৰডাৰিকৰ বদলিয়ে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। কাইলৈৰ গুৰুত্বপূৰ্ণ মেচৰ পূৰ্বে থমাছে কয়, 'খেলুৱৈৰ ফিটনেছ দীঘলীয়া লীগত গুৰুত্বপূৰ্ণ। আনহাতে মানসিকতাও সকলো সময়তে শক্তিশালী হ'ব লাগিব। দুয়ো দিশতে কাম কৰি সফল হৈছো। আমি ভাৰসাম্য থকা দল। সকলো পৰিস্থিতিতে বিপক্ষক পৰাস্ত কৰাৰ শক্তি আছে।'



## তেজপুৰ চেলেঞ্জ ফুটবল আৰম্ভ

**ষ্টাফ ৰিপ'ৰ্টাৰ, তেজপুৰ,১৩ অক্টোবৰ ঃ** তেজপুৰ জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত আজিৰে পৰা তেজপুৰৰ পলফিল্ডত আৰম্ভ হোৱা ৰাজেন বৰঠাকুৰ সোঁৱৰণি তেজপুৰ চেলেঞ্জ ফুটবল প্ৰতিযোগিতাৰ উদ্বোধনী মেছত সঞ্জীৱন সমাজ নগাঁও একাদশ দলে মৰাণ টাউন ক্লাৱক ৫-৩ গলৰ ব্যৱধানত পৰাস্ত কৰে। বিজয়ী দলৰ হৈ হেট্ৰিক কৰিবলৈ সক্ষম হয় টিকলি দাসে। আন দুটা গল কৰে লক্ষ্যজ্যোতি দাস আৰু অনন্ত ৰাভাই। আনহাতে বিজিত দলৰ হৈ কল্যাণজ্যোতি মৰাণ, যুৱৰাজ বৰগোহাঁই আৰু কেশৱ দাসে গল পৰিশোধ কৰে। বিজয়ী দলৰ টিকলি দাস আজিৰ খেলৰ শ্ৰেষ্ঠ খেলুৱৈ নিৰ্বাচিত হয়। উল্লেখ্য যে, প্ৰতিযোগিতাখন চতিয়া সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকাই শোণিতপুৰৰ উপায়ুক্ত দেৱ কুমাৰ মিশ্ৰ, আৰক্ষী অধীক্ষক সুশান্ত বিশ্ব শৰ্মা, ভাৰতীয় দলৰ প্ৰাক্তন ফুটবল খেলুৱৈ দেৱাশীষ ৰয়, অসম অলিম্পিক সন্থাৰ উপ সভাপতি ঋতুবৰণ শৰ্মা, তেজপুৰ জিলা ক্ৰীড়া বিষয়া খনীন্দ্ৰ মুদৈ, তেজপুৰ জিলা ক্ৰীড়া সন্থাৰ সভাপতি জিতেন বৰঠাকুৰ, বিশিষ্ট শিক্ষাবিদ মহেন্দ্ৰ নাথ কেওঁট, তেজপুৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ জ্যোতি কমল হাজৰিকা, পংকজ বৰাকে ধৰি বিশিষ্ট ব্যক্তিসকলৰ উপস্থিতিত আনুষ্ঠানিক ভাবে উদ্বোধন কৰে। সন্থাৰ কাৰ্যকৰী সভাপতি মৃদুল কুমাৰ শৰ্মা আৰু ফুটবল সম্পাদক অশ্বিনী বৰাই অনুষ্ঠানৰ আঁত ধৰে। **লন বল খেলুৱৈ তানিয়া চৌধুৰীক সম্বৰ্ধনা ঃ** গুজৰাটত ৰাষ্ট্ৰীয় ক্ৰীড়াত ডাবলছ ইভেণ্টত সোণৰ পদক লাভ কৰা অসমৰ লন বল খেলুৱৈ তানিয়া চৌধুৰীক আজি উপায়ুক্ত দেৱ কুমাৰ মিশ্ৰই সম্বৰ্ধনা জনায়। আজি লোক নিৰ্মাণ (পথ) বিভাগৰ তেজপুৰ, চতিয়া আৰু ৰঙাপৰা গ্ৰাম্য পথ সংমণ্ডলত সহকাৰী অভিযন্তা হিচাপে যোগদান কৰাত শোণিতপুৰ জিলা প্ৰশাসনে তেওঁক জিলাখনলৈ উষ্ম আদৰণি জনায়। মন কৰিবলগীয়া যে এইবাৰ তৃতীয়বাৰৰ বাবে তেওঁ ৰাষ্ট্ৰীয় ক্ৰীড়াত অংশগ্ৰহণ কৰে। ইয়াৰ পূৰ্বে ২০১১ আৰু ২০১৫ তো ৰাষ্ট্ৰীয় ক্ৰীড়াত অংশগ্ৰহণ কৰি পদক লাভ কৰিবলৈ হৈছিল।

## ছেমিফাইনেলত ফেৰেংগা ক্লাব

**অগ্ৰদূত বাৰ্তা, দুমুনিচকী, ১৩ অক্টোবৰ ঃ** হৰদত্ত-বীৰদত্ত ক্ৰীড়া সংঘৰ উদ্যোগত আৰু বেজেৰা কেন্দ্ৰীয় যুৱক সংঘৰ সহযোগত পঞ্চম বাৰ্ষিক চি. এম. চেম্পিয়নছ ট্ৰফীৰ কোৱাৰ্টাৰ ফাইনেল খেলখন আজি বেজেৰা মিনি ষ্টেডিয়াম ত ফেৰেংগা ফুটবল ক্লাৱ, চিৰাং আৰু বৰ্ণিহাট ফুটবল ক্লাৱ, মেঘালয় দলৰ মাজত অনুষ্ঠিত হয় । খেলত চিৰাঙৰ ফেৰেংগা ফুটবল দলে জয়লাভ কৰি ছেমিফাইনেলত প্ৰৱেশ কৰে।

## ৰেলৱেক বিধ্বস্ত কৰিলে মহাৰাণাই

**গুৱাহাটী, ১৩ অক্টোবৰ ঃ** গুৱাহাটী ক্ৰীড়া সন্থাৰ আৰ জি বৰুৱা ছুপাৰ ডিভিজন ফুটবল লীগত আজি মহাৰাণা এচিয়ে এনএফ ৰেলৱে এছচিক ৫-০ গ'লত শোচনীয়ভাৱে পৰাস্ত কৰে। লীগত মহাৰাণাৰ এয়া দ্বিতীয় বিজয় বিপৰীতে ৰেলৱেৰ এয়া তৃতীয় পৰাজয় । কাইলৈ বিদ্যুৎ পৰিষদে নৱজ্যোতি ক্লাবৰ মুখামুখি হ'ব।

## অসম বাস্কেটবল দল গঠনত বয়স ফাকি দিয়াৰ অভিযোগ

**গুৱাহাটী, ১৩ অক্টোবৰ ঃ** সমাগত ৭২ সংখ্যক জুনিয়ৰ ৰাষ্ট্ৰীয় বাস্কেটবল চেম্পিয়নশ্বিপৰ পূৰ্বে ১৪ ৰ পৰা ১৭ অক্টোবৰলৈ শ্বিলঙত অনুস্থিত হ'ব মাণ্ডিলিক প্ৰতিযোগিতা। গুৱাহাটী নেহৰু ষ্টেডিয়ামত অনুষ্ঠিত বাছনি শিবিৰৰ যোগেদি অসমৰ ১৯ বছৰ অনূৰ্ধ্ব জুনিয়ৰ ল'ৰা আৰু ছোৱালীৰ দল ঘোষণা কৰা হৈছে । অসম বাস্কেটবল সন্থাৰ তদৰ্থ কমিটিৰ অধ্যক্ষ গৌতম গাংগুলী আৰু সমন্নয়ক দিলীপ হাজৰিকাই ঘোষণা কৰা অসম দলত বয়স ফাঁকিৰ গুৰুতৰ অভিযোগ উত্থাপন হৈছে । ২০২১ বৰ্ষত ইন্দোৰত অনুষ্ঠিত জুনিয়ৰ ৰাষ্ট্ৰীয় চেম্পিয়নশ্বিপত অধিক বয়স হোৱা বুলি স্বাস্থ্য পৰীক্ষাৰ প্ৰতিবেদনত উল্লেখ থকাৰ বাবে কেইবাগৰাকীও প্ৰতিযোগীক দলৰ পৰা বাদ দিয়া হৈছিল । কিন্তু এনে কেইগৰাকীমান খেলুৱৈক পুনৰ অসম জুনিয়ৰ দলত স্থান দিয়াৰ ঘটনাই সকলোৰে চকু কপালত তুলিছে। উল্লেখ্য যে ২০২১ ত অধিক বয়সৰ বাবে অসম দলত স্থান নোপোৱা ৰাজ দাস, ৰাহুল পাছোৱান, সঞ্জয় কুমাৰ শ্বাহ, ছান আহমেদ, প্ৰাচুৰ্য ডেকা আৰু ছাৰপিনপো তেৰাঙে ২০২২ ৰ অসম দলত স্থান পালে তাৰ উত্তৰ অসম বাস্কেটবল সন্থাৰ তদৰ্থ কমিটিৰ হাতত নাই।

## নগাঁৱৰ কে এফ চি ছেমিফাইনেলত

**অগ্ৰদূত বাৰ্তা,বেবেজীয়া, ১৩ অক্টোবৰ ঃ** জাজৰি আঞ্চলিক ক্ৰীড়া সন্থাৰ উদ্যোগত দলংঘাটৰ বৰমণিপুৰস্থিত সন্থাৰ নিজা খেলপথাৰত প্ৰাক্তন বিধায়ক প্ৰয়াত কিৰণ বৰা সোঁৱৰণী আৰু মেচাৰ্চ টি.আৰ এণ্টাৰপ্ৰাইজৰ সৌজন্যত চলি থকা চলন্ত ট্ৰফী প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাৰ আজি দ্বিতীয়খন কোৱাৰ্টাৰ ফাইনেলত নগাঁৱৰ কে.এফ.চি. ক্লাৱে জাগীৰোডৰ জে.বি. ক্লাৱক ৪-৩ গ'লত হৰুৱাই ছেমিফাইনেলত উপনীত হৈছে। কে.এফ.চি. ক্লাৱৰহৈ বিভানজ্যোতি লস্কৰ আৰু ডেনিছ বড়োৱে দুটাকৈ গ'ল দিয়াৰ বিপৰীতে জাগীৰোডৰ জে.বি ক্লাৱৰ হৈ অনিল পাটৰে দুটা আৰু পাপু আলিয়ে এটা গ'ল দিয়ে। খেলখন পৰিচালনা কৰাত ৰেফাৰী ৰৌজ আহমেদক সহায় কৰে আজিজুল্লা খান, ফাইজউদ্দিন আহমেদ আৰু মুছলেহ উদ্দিন আহমেদে।

## দলংঘাট এফ চি ছেমিফাইনেলত

**অগ্ৰদূত বাৰ্তা, বেবেজীয়া, ১৩ অক্টোবৰ ঃ** নগাঁও জিলাৰ কাছমাৰী আঞ্চলিক ক্ৰীঞ্জা সন্থাৰ উদ্যোগত পলাশতল কাছমাৰী হাইস্কুল খেলপথাৰত চলি থকা প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাৰ আজি অন্তিমখন কোৱাৰ্টাৰ ফাইনেলত দলংঘাট ফুটবল ক্লাবে ৰহা এফ চিক ১-০ গলত হৰুৱাই ছেমি ফাইনেলত উপনীত হৈছে। **অনন্ত দাস সোঁৱৰণী আন্তঃক্লাব ফুটবল ঃ** নগাঁও ক্ৰীড়া সংস্থাৰ উদ্যোগত নুৰুল আমিন ষ্টেডিয়ামত চলি থকা অনন্ত দাস সোঁৱৰণি চতুৰ্থ ডিভিজন আন্তঃক্লাব ফুটবল লীগৰ আজিৰ খেলত সান্নিধ্যই নগাঁও কনকৱাৰ্ছ ক্লাবক ২-১গলত আৰু থলুৱা এফ চিয়ে লালুংগাঁও স্পৰ্ক্সৰ্টছ ক্লাবক ৬-১গলত হৰুৱাই সম্পূৰ্ণ পইণ্ট অৰ্জন কৰিছে।



আগিয়াত হোৱা ফুটবলত চেম্পিয়ন ট্ৰফী দখল কৰিছে জিনাৰী এফ চিয়ে।



## আন্তঃষষ্ঠ অনুসূচী প্ৰিমিয়াৰ লীগত ডিমা হাছাওৰ জয়

**অগ্ৰদূত বাৰ্তা, টংলা, ১৩ অক্টোবৰ ঃ** বিটিআৰ প্ৰশাসনৰ উদ্যোগত চলি থকা প্ৰথম আন্তঃষষ্ঠ অনুসূচী প্ৰিমিয়াৰ লীগ ফুটবলত আজি ডিমা হাচাও পৰিষদে জয়লাভ কৰিছে । ওদালগুৰি জিলাৰ ডিমাকুছি ষ্টেডিয়ামত অনুষ্ঠিত তীব্ৰ উত্তেজনাপূৰ্ণ খেলত ডিমাহাচাও পৰিষদে মাৰা স্বায়ত্ব পৰিষদ মিজোৰাম দলক ৪-১ গ'লত পৰাস্ত কৰি অগ্ৰগতি লাভ কৰে । ডিমা হাচাও ৰ হৈ বাউৰিংদাও বড়োৱে হেট্ৰিক অৰ্জন কৰে। আজিৰ খেল পৰিচালনা কৰে দৈচুম বসুমতাৰী, বৰুণ বড়ো, ছাইখং বসুমতাৰী আৰু ইলিচ দৈমাৰীয়ে।

## নতুন ৰূপত সাজু হৈছে সুনীল বাহিনী

**চেন্নাই, ১৩ অক্টোবৰ ঃ**বাংগালুৰু দলে ৫০ জয়ৰ মাইলৰ খুঁটিত উপনীত হ'বলৈ এখন মেচৰ সফলতা বাকী আছে। কাইলৈ দলে খেলিব চেন্নাইয়ানৰ বিৰুদ্ধে। উল্লেখ্য যে শ্ৰী কাণ্টিৰাবা ষ্টেডিয়ামত অনুষ্ঠিত হোৱা নিজৰ প্ৰথম মেচত বাংগালুৰুৱে ১-০ গ'লত পৰাস্ত কৰিছিল নৰ্থ ইষ্ট ইউনাইটেডক। আনহাতে, কলকাতাৰ বিবেকানন্দ যুৱ ভাৰতী ক্ৰীড়াংগণত হোৱা মেচত চেন্নাইয়ানে ২-১ ত এ টি কে মোহন বাগানক পৰাস্ত কৰি অভিযান আৰম্ভ কৰিছিল। উল্লেখ্য যে চেন্নাইয়ানৰ বিৰুদ্ধে যোৱা ছখন খেলত অপৰাজিত হৈ আছে বাংগালুৰু। অৱশ্যে মেৰিনা এৰিনাত অনুষ্ঠিত হোৱা পাঁচখন খেলৰ ভিতৰত মাত্ৰ এখন খেলত জয়লাভ কৰিছে আলহী দলটোৱে। 'আমি খেলখনত জয়ী হ'বলৈ লগতে দলক ইতিবাচক হ'বলৈ তথা নতুনকৈ গঢ়ি তুলিবলৈ এতিয়াও যথেষ্ট কাম বাকী আছে। আজি ব্যক্ত কৰে বাংগালুৰুৰ মুখ্য প্ৰশিক্ষক চাইমন গ্ৰেছনে। তেওঁ লগতে কয় 'আমাৰ বাবে এয়া এটা কঠিন পৰীক্ষা কিন্তু আমাৰ শক্তিশালী মানসিকতাই সকলোখিনি সহজ কৰিব।' উল্লেখ্য যে হিৰো আই এছ এলত ১১ বাৰকৈ চেন্নাইয়ান আৰু বাংগালুৰু মুখামুখি হৈছে। বেংগালুৰু এফ চিয়ে ছবাৰ জয়লাভ কৰাৰ বিপৰীতে চেন্নাইয়েন দলে তিনিবাৰ জয়লাভ কৰিছে। আৰু দুখন খেল ড্ৰ'ত হৈছে।



কেৱল গজালেই নহয়, মৃণালে পেলনীয়া সামগ্ৰী আৰু ঘৰুৱা ব্যৱহৃত সামগ্ৰী ব্যৱহাৰ কৰি দুহাতৰ যাদুৰে সৃষ্টি কৰিছে টাইটানিক জাহাজ, তাজমহল, লণ্ডন ব্ৰিজ, তাজমহল, কামাখ্যা মন্দিৰকে ধৰি অনেক প্ৰসিদ্ধ শিল্পকৰ্মৰ নমুনা। যাৰ বাবেই তেওঁৰ এই অপূৰ্ব শিল্পক স্বীকৃতি প্ৰদান কৰিলে 'ইণ্ডিয়া বুক অৱ ৰেকৰ্ড'ৰ তৰফৰ পৰা।

# গজাল-পেলনীয়া সামগ্ৰীৰ চিত্ৰৰে গোৱালপাৰাত প্ৰাণ পালে সুধাকণ্ঠসহ বহুজনে

## 'ইণ্ডিয়া বুক অৱ ৰেকৰ্ড'ত অন্তৰ্ভুক্ত প্ৰতিভাৱান শিল্পী মৃণাল দাস

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ১৩ অক্টোবৰ ঃ** গজাল, পেলনীয়া ঘৰুৱা সামগ্ৰী আদিৰ বাবেই সম্প্ৰতি গোৱালপাৰাত পুনৰ জীৱন্ত হৈ উঠিছে সুধাকণ্ঠ ড° ভূপেন হাজৰিকা, লতা মংগেশকাৰ, প্ৰতিমা বৰুৱা পাণ্ডে আদিৰ দৰে প্ৰয়াত কিংবদন্তি। নতুন ৰূপত নিৰ্মাণ হৈছে কামাখ্যা মন্দিৰ, টাইটানিক জাহাজ, তাজমহল আদি। সম্পূৰ্ণ অভিনৱ পদ্ধতিৰে তথা অস্বাভাৱিক সামগ্ৰীৰে অনন্য চিত্ৰশিল্পৰ সৃষ্টিৰে সম্প্ৰতি চমক দিছে গোৱালপাৰাৰ এজন প্ৰতিভাৱান চিত্ৰশিল্পীয়ে। গজাল আৰু পেলনীয়া সামগ্ৰীৰে বহু অনুপম সৃষ্টিৰেই গোৱালপাৰাৰ শিল্পী মৃণাল দাসে 'ইণ্ডিয়া বুক অৱ ৰেকৰ্ড'ত নিজৰ নাম অন্তৰ্ভুক্ত কৰিবলৈ সক্ষম হৈছে।

অনন্য প্ৰতিভাৰ পৰিচয় দিয়া শিল্পী মৃণালে গজাল ব্যৱহাৰ কৰিয়ে সুধাকণ্ঠৰ দৰে বহু মহান ব্যক্তিৰ প্ৰতিচ্ছবি অংকন কৰি বিভিন্নজনক মুগ্ধ কৰিছে। কেৱল গজালেই নহয়, মৃণালে পেলনীয়া সামগ্ৰী আৰু ঘৰুৱা ব্যৱহৃত সামগ্ৰী ব্যৱহাৰ কৰি দুহাতৰ যাদুৰে সৃষ্টি কৰিছে টাইটানিক জাহাজ, তাজমহল, লণ্ডন ব্ৰিজ, তাজমহল, কামাখ্যা মন্দিৰকে ধৰি অনেক প্ৰসিদ্ধ শিল্পকৰ্মৰ নমুনা। যাৰ বাবেই তেওঁৰ এই অপূৰ্ব শিল্পক স্বীকৃতি প্ৰদান কৰিলে 'ইণ্ডিয়া বুক অৱ ৰেকৰ্ড'ৰ তৰফৰ পৰা। গোৱালপাৰা চহৰৰ শাস্ত্ৰী নগৰৰ নিবাসী মৃণাল সম্প্ৰতি জলসম্পদ বিভাগৰ কৰ্মচাৰী। তেওঁ কোনো আনুষ্ঠানিক প্ৰশিক্ষণ নোলোৱাকে একমাত্ৰ



স্বাভাৱিক প্ৰতিভাৰে সাজি উলিয়াইছে বিভিন্ন ধৰণৰ হস্তশিল্প আৰু গজালেৰে সাজিছে বহু মহান ব্যক্তিৰ প্ৰতিচ্ছবি। সম্প্ৰতি তেওঁ মটৰ চাইকেলৰ ইঞ্জিনৰ সামগ্ৰীৰে নিৰ্মাণ কৰি আছে হেলিকপ্টাৰ। তদুপৰি গীটাৰ, পুৰণা কাগজ, পুটিং আদি বিভিন্ন বস্তুৰে তেওঁ সাজিছে বহু মন পুলকিত কৰিব পৰা দৃষ্টিনন্দন সামগ্ৰী। উল্লেখ্য যে মৃণালেই হৈছে গজালেৰে চিত্ৰ অংকন কৰা অসমৰ একমাত্ৰ শিল্পী। ২০১৪ৰ পৰাই তেওঁ এই চিত্ৰকলা আৰু হস্তবিদ্যাৰ লগত জড়িত বুলি জানিবলৈ দিয়ে শিল্পীজনে। গজাল আৰু পেলনীয়া সামগ্ৰীৰে ছবি অংকন কৰি 'ইণ্ডিয়া বুক অৱ ৰেকৰ্ড'ত নাম অন্তৰ্ভুক্ত কৰিবলৈ সক্ষম হোৱাত চহৰবাসীয়ে মৃণালক আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছে।

# এখন ট্ৰাইচাইকেলতেই কঠোৰ জীৱন সংগ্ৰাম মোবাৰক আলীৰ

**শাৰীৰিক বাধাগ্ৰস্ততাক নেওচি ভ্ৰাম্যমাণ শাক-পাচলিৰ দোকানৰ জৰিয়তে পৰিয়াল পোহপাল 'মোৰ সন্মান আছে মই ভিক্ষা খুজিব নোৱাৰো'**



**বিশেষ সংবাদদাতা**

**নগাঁও, ১৪ অক্টোবৰ ঃ** শাৰীৰিক প্ৰতিবন্ধকতা যে জীৱন সংগ্ৰামত অন্তৰায় হ'ব নোৱাৰে সেই কথা কামে-কাজে প্ৰমাণ কৰি দেখুৱাইছে নগাঁৱৰ মোবাৰক আলী নামৰ বিশেষভাৱে সক্ষম এজন লোকে। জিলাখনৰ বেঙেনাআটী হীৰা গাঁৱৰ নিবাসী ৪৫ বছৰীয়া মোবাৰকৰ এক দুৰ্ঘটনাত দুয়োখন ভৰিয়েই অকামিলা হৈ পৰে। কিন্তু অত্যন্ত স্বভিমানী, জীৱন যুঁজত কোনো কাৰণে হাৰ মানিব নোখোজা মোবাৰকে বিকলাংগতাক অভিশাপ হিচাপে নলৈ তেওঁ নামি পৰে কঠোৰ জীৱন সংগ্ৰামত। এই কঠোৰ জীৱন সংগ্ৰামত তেওঁ সংগী কৰি লয় এখন ট্ৰাই চাইকেল। দুৰ্ঘটনাৰ বাবে শাৰীৰিকভাৱে বাধাগ্ৰস্ত হৈও তেওঁ বিগত ২০০৮ৰ পৰাই ট্ৰাইচাইকেলতেই চলাই গৈছে জীৱন সংগ্ৰাম। ট্ৰাইচাইকেলখনতেই এখন পাচলিৰ দোকান সজাই সুদীৰ্ঘ ১৪টাকৈ বছৰে ভ্ৰাম্যমাণ শাক-পাচলিৰ দোকানৰ জৰিয়তে তেওঁ চলাই গৈছে জীৱন আৰু জীৱিকাৰ কঠোৰ সংগ্ৰামখন। নিতৌ সূৰ্য উদয় হ'লেই তৎপৰতা বাঢ়ে মোবাৰক আলীৰ। ট্ৰাইচাইকেলখন লৈ গাঁৱৰ পৰা সংগ্ৰহ কৰে সতেজ শাক-পাচলিসমূহ। তাৰ পাছত কিছু জিৰণি লৈ দুপৰীয়াৰ পৰাই ট্ৰাই চাইকেলখন চলাই আৰম্ভ কৰে ভ্ৰাম্যমাণ শাক-পাচলিৰ দোকান। নিশা ন-১০ বজা পৰ্যন্ত তেওঁ ট্ৰাইচাইকেলতে সতেজ শাক-পাচলি লৈ ঘূৰি-ফুৰে নগাঁও চহৰৰ অ'লিয়ে-গলিয়ে কেতিয়াবা ২০ কিলোমিটাৰ আৰু কেতিয়াবা ৩০ কিলোমিটাৰ পৰ্যন্ত সামৰি লয় তেওঁৰ এই শাক-পাচলিৰ ভ্ৰাম্যমাণ দোকানখনে। যাৰ জৰিয়তেই তেওঁ যোগাৰ কৰিছে দুবেলাৰ দুমুঠি। আজি সাংবাদিকৰ আগত মোবাৰকে কয়, 'বহুত কষ্ট কৰি চলিছো। এই ট্ৰাই চাইকেলখন চলাই চলাই দিনটো সৰহখিনি সময় আৰু নিশা ১০ বজা পৰ্যন্ত পাচলি বিক্ৰী কৰি ফুৰা সহজ কাম নহয়। কিন্তু মই আন বিকলাংগ লোকৰ দৰে ভিক্ষা খুজি চলিব নোৱাৰো। মোৰ সন্মান আছে। এনেদৰেই কষ্ট কৰি মোৰ চাৰিজনীয়া পৰিয়ালটোক পোহপাল দি আছো। সন্তানক স্কুলত পঢ়ুৱাই আছো। মোৰ ভৰি দুখন অকামিলা হৈ গ'লেও হাৰ মনা নাই। যুঁজি আছো আৰু যুঁজি যাম।'

# বৰছলাৰ বচ্ছাশিমলু অঞ্চলত বানৰ তাণ্ডৱ

- বানপানীত ক্ষতিগ্ৰস্ত বহু পৰিয়ালৰ ঘৰ-দুৱাৰ
- ডুব গৈছে বহুকেইটা বাসগৃহ, বিস্তীৰ্ণ অঞ্চল প্লাৱিত



**অগ্ৰদূত বাৰ্তা**

**ঠেলামৰা, ১৩ অক্টোবৰ ঃ** বৰছলা সমষ্টিৰ বচ্ছাশিমলু অঞ্চলটো বানপানীৰ কবলত পৰিছে। বিগত দুটা দিন ধৰি হৈ থকা বৰষুণৰ ফলত ব্ৰহ্মপুত্ৰৰ পানী ফেনেখোটোকাৰে বাঢ়ি অহাত বচ্ছাশিমলু অঞ্চলত বানপানীৰ সৃষ্টি কৰিছে। এক নম্বৰ বচ্ছাশিমলু আৰু দুই নম্বৰ বছাশিমলু গাঁৱৰ বহুকেইটা পৰিয়াল বানপানীৰ কবলত পৰিছে। উল্লেখ্য যে আহিনত হোৱা বানপানীয়ে ইয়াত কৃষক ৰাইজৰ বিস্তৰ ক্ষতিসাধন কৰিছে। ব্ৰহ্মপুত্ৰৰ বাঢ়নী পানী সোমাই যোৱাৰ ফলত এক নম্বৰ বচ্ছাশিমলু আৰু দুই নম্বৰ বচ্ছাশিমলু গাঁৱৰ প্ৰায় শতাধিক পৰিয়ালৰ ঘৰ-বাৰী পানীত ডুব যোৱাত ইয়াৰ বাসিন্দাসকলে মথাউৰিত আশ্ৰয় গ্ৰহণ কৰিবলগীয়া হৈছে। ইপিনে, বানপানীৰ ফলত বচ্ছাশিমলু অঞ্চলৰ বৃহৎ কৃষি পথাৰ পানীত বুৰ গৈছে। বচ্ছাশিমলু অঞ্চলৰ কৃষক-ৰাইজে নতুনকৈ আৰম্ভ কৰা জলকীয়া, বিলাহী, ধনীয়া খেতি বানপানীয়ে বিনষ্ট কৰিছে।

# অসম-মেঘালয় সীমান্ত কাৰ্বি ভূমিৰ মুক্ৰত মূল্যবান কুণ্ডাসহ চাৰি ম'হ জব্দ

**অগ্ৰদূত বাৰ্তা**

**ডংকামোকাম, ১৩ অক্টোবৰ ঃ** পশ্চিম কাৰ্বি আংলং জিলাৰ অসম-মেঘালয় সীমান্তত মুক্ৰত অব্যাহত আছে বনজ সম্পদ ধ্বংসযজ্ঞ। এটাৰ পাছত এটাকৈ সীমান্ত এচাম খাছী লোকে চলাই আহিছে অস্থিৰ পৰিৱেশ। ইপিনে, বুধবাৰে অসম-মেঘালয়ৰ কাৰ্বিভূমিৰ চক্ৰত মেঘালয়ৰ এচাম দুৰ্বৃত্তই অঞ্চলটোত গছ কাটি থকা অৱস্থাত জব্দ কৰে মূল্যবান কুণ্ডাসহ চাৰিটাকৈ ম'হ। বিশেষ সূত্ৰৰ পম খেদি খেৰণি বন বিভাগে অভিযান চলাই উদ্ধাৰ কৰাৰ লগতে জব্দ কৰে মূল্যবান কুণ্ডাসহ চাৰিটা ম'হ। ইতিমধ্যে জব্দকৃত কুণ্ডা আৰু ম'হ বন বিভাগে খেৰণি কাৰ্যালয়ত থোৱাৰ ব্যৱস্থা কৰিছে। বন বিভাগৰ লোক অহাৰ উমান পাই দুষ্কৃতিকাৰীয়ে পলাই যাবলৈ সক্ষম হয় যদিও ঘটনা সংক্ৰান্তত বৃহত্তৰ মুক্ৰ অঞ্চলত বন বিভাগে অভিযান অব্যাহত ৰাখিছে।






অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com